# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ০১/০৪/২০২২ শুকুৰবাৰ

**মাননীয় উপাধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত আজি ইংৰাজী ০১-০৪-২০২২ তাৰিখে ৰাতিপুৱা ৯.০০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়।**

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮২।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনত মজিয়াত দিয়া আছে।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে, অসমত যিসমূহ ১০৮ বহুত স্পীডব'ট এম্বুলেঞ্চ, ইয়াৰে এখন বহৰিটো আছে আৰু ধুবুৰীতো আছে। বহৰিৰ এম্বুলেঞ্চখনৰ অৱস্থা বিশেষ ভাল নহয়, বহুত দীঘলীয়া সময়ৰ পৰা case attend কৰিব পৰা নাই আৰু যাৰ কাৰণে আমি আশা কৰিম যে মন্ত্ৰী মহোদয়ে জনাব এম্বুলেঞ্চ এখন বহুতো দৰকাৰী আৰু আমাৰ সেই অঞ্চল সমূহত ৰোগী অনা-নিয়াৰ ক্ষেত্ৰত আচলতে নতুন এম্বুলেঞ্চ এখনৰ প্ৰয়োজন। কিমান দিনৰ ভিতৰত দিয়া সম্ভৱ। একেটা সময়তে জনাব বিচাৰো যে, সৌ সিদিনা হৈ যোৱা ধুমুহাত আমাৰ বহৰিত থকা নৌকা স্বাস্থ্য সেৱা ইউনিটখন খুৱ ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হৈছিল। আমাৰ ১৩ জনকৈ ডাক্তৰ নাৰ্চ আৰু অন্যান্য ষ্টাফ খুৱ ধুমুহাৰ মাজত নদীত আবদ্ধ হৈ আছিল, দুখৰ বিষয় মহোদয়, অসমৰ প্ৰায় ঠাইতে যিসমূহ নৌকা মেডিকেল ইউনিট আছে, সেই ইউনিটসমূহ জাহাজৰ ওপৰত চলে, কিন্তু আমাৰখন এখন আওপুৰণি নাঁওত চলি আছে। গতিকে মহোদয়, আশা কৰিম যে, চেঙাত থকা সেই মেডিকেল ব'ট ইউনিটখন জাহাজৰ ওপৰত ব্যৱস্থা কৰিব নেকি আৰু যদি কৰে মহোদয়, কিমান দিনৰ ভিতৰত কি ধৰণে সম্ভৱ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ব'ট ক্লিনিক ১৩ খন জিলাত ইতিমধ্যে চলি আছে। তাৰ ভিতৰত ইয়াতো এখন আছে। মই যিখিনি খবৰ ল'লো, খবৰ লোৱাৰ পিছত যিখনৰ কথা কৈছে, সেইখন বেয়া হৈ আছে আৰু মই সেইখন তৎকালীন ভাৱে কাৰ্য্যক্ষম হ'ব পৰাকৈ ব্যৱস্থা ল'বলৈ NHM ৰ managing director ক দায়িত্ব দিছো আৰু অতি সোনকালে সেইখন কাৰ্য্যক্ষম হৈ উঠিব আৰু এইক্ষেত্ৰখনত সমস্যা তাতে বুলি নহয় অন্য ঠাইতো। চৰৰ কাৰণে বহুত এম্বুলেঞ্চ আৰু বহু ক্লিনিক দুয়োটাৰ ক্ষেত্ৰতে কিছু সমাস্যা আছে গতিকে এইখিনি পুনৰ পুনৰীক্ষণ কৰিবলৈ দিয়া হৈছে। যাতে সকলোতে ক'ৰবাত কিবা বেয়া হৈ আছে বা ক'ৰবাত আমি কিবা সংযোগ কৰিবলগীয়া আছে, সেইখিনি কাৰ্য্যক্ষম কৰিবলৈ আমি ব্যৱস্থা লৈছো।

**মাননীয় উপাধ্যক্ষঃ** Second Supplementary.

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ পিছত উত্তৰত আমাৰ ব'ট মেডিকেল ইউনিটৰ জাহাজৰ কথাটো কৈছে মই উল্লেখ কৰি গৈছিলো। আমাৰখন নাঁও, বাকীবোৰ

জাহাজ। নাঁৱৰ ওপৰত থকাৰ কাৰণে এখন ভুটভুটি নাওঁ আজি traditional engine ত চলে। যোৱা কিছুদিন আগত ধুমুহাৰ সন্মুখীন হৈছিল আৰু খুব ভয়াবহ পৰিস্থিতি এটাৰ সন্মুখীন হৈছিল। তেওঁলোকে সাতুৰি-নাদুৰি আহিছিল। আমি সচাঁকৈ ধন্যবাদ দিম তাত যিসকল কৰ্মীয়ে নানান বাধা বিঘিনিকো নেওচি যিধৰণে vaccination drive ৰ পৰা আৰম্ভ কৰি স্বাস্থ্য ক্ষেত্ৰখনত তেওঁলোকে যিধৰণে সেৱা আগবঢ়াইছে, আমি ধন্যবাদ দিম আৰু বিভাগকো ধন্যবাদ দিম। মহোদয়, মোৰ সমষ্টিত যিসমূহ চাব-চেণ্টাৰ আছে এটা ডাঙৰ অংশৰ চাব-চেণ্টাৰ ভাড়া ঘৰত চলিছে আৰু মন্ত্ৰী মহোদয়ে জনাব নেকি ভাড়াঘৰত থকা চাব চেণ্টাৰ সমূহত যদি আমি স্থায়ী মাটিৰ ব্যৱস্থা কৰি দিও সেই সমূহ স্থায়ী গৃহ নিৰ্মাণৰ কাৰণে কি ধৰণৰ ব্যৱস্থা কৰিব পাৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতৰ তাত কেইটা ভাড়াঘৰত চাব-চেণ্টাৰ আছে। এটা কথা নকওঁ যে, ৬-৭ টা আপোনাৰ আটাইকেইটা কৰি দিব পৰা যাব। কি ন্তু আপুনি তালিকা খনৰ লগত মাটিৰ তালিকাখন দিয়ক আমি এইবাৰ তাৰ পৰ্য্যায়ক্ৰমে নিজা চাব-চেণ্টাৰ কৰিবলৈ আৰম্ভ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াতে চেঙা Model Hospital ৰ কথাখিনি কৈছিল। প্ৰশ্ন উত্তৰত দিছে মডেল হস্পিতেলখন মুকলি কৰাৰ ব্যৱস্থা কৰি থকা হৈছে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে অসমৰ বহুতো মডেল হস্পিতাল আছে আৰু সেই মডেল হস্পিতাল সমূহত চিকিৎসকৰ পদ বহুত খালী আছে। গতিকে মডেল হস্পিতালসমূহৰ খালী হৈ থকা চিকিৎসক সকলৰ পদ কেতিয়া পূৰণ কৰিব আৰু চিকিৎসক নিয়োগ কৰিব মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো সেই সম্পৰ্কে জনাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মডেল হস্পিতাল সমূহ যেতিয়া চেংশ্যন কৰা হৈছিল, তেতিয়া হয়তো সকলোতে পোষ্ট চেংচ্যন হোৱা নাছিল, পৰ্য্যায়ক্ৰমে পোষ্ট চেংশ্যন হৈ আছে। এতিয়া চেঙা মডেল হস্পিতালখনৰ যিটো কথা আহিছে, তাত চেঙা BPHE ৰ লগত একে কেম্পাছত আছে। গতিকে তাত ডাক্তৰ নাৰ্চ বা অন্যান্য আৰু অতিৰিক্ত কিছু দিয়াৰ লগে লগে সেইখন কাৰ্য্যক্ষম হ'ব। কেৱল তাত ফাৰ্নিচাৰৰ সমস্যাটো আছে। যিখিনি মডেল হস্পিতাল সম্পূৰ্ণ হৈছে, আমি ১০ মে' ৰ পৰা ১০ জুনৰ ভিতৰত সেইখিনিৰ কাম শুভাৰম্ভ কৰিম আৰু মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, তেখেতে particulerly ক'লে ক'বলৈ সুবিধা যে, এইখনৰ পোষ্টটো চেংশ্যন আছে। এইখন এনেধৰণে কৰিব পৰা যাব।

মোৰ নিজৰ সমষ্টি ভক্তদবা আছে। সেইকাৰণে মই গোটেইখিনি কৈছো। কোনখনৰ লগত মিলাই কথা কয়।

**শ্ৰী কেশৱ মহন্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ঃ** মই general উত্তৰ দিবলৈ হ'লে ক'ৰবাত চেংশ্যন আছে, ক'ৰবাত নাই।

মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগ ঃ.....** ক্ৰমশ.....মাননীয় উপাধ্যক্ষ মহোদয়, মই জেনেৰেল উত্তৰ দিবলগীয়া হ'লে কৰোবাত চেংচন

আছে, কৰোবাত চেংচন নাই আৰু কৰোবাত যদি আপোনালোকে চাই দিবলৈ কয়, মই সেইখন চাই দিম।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ভ ক্তৰডবা মডেল হস্পিতালখন অলপ চাই দিব।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ঠিক আছে। মই আজি তথ্য হাতত লৈ অহা নাই। সেইখনত কেনেকৈ কি ব্যৱস্থা কৰিব লাগে অতি সোনকালে জনাই দিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই কওঁক।

**শ্ৰী দিগন্ত বৰ্মন, বিধায়ক (বৰক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যদিও প্ৰশ্নটো চেঙা সমষ্টিৰ কিন্তু ইয়াত (ঙ) নম্বৰ প্ৰশ্নটোত লিখিছে Sub-Center Functioning বা ANM Quarter, মই দেখিছো অসমৰ বিভিন্ন ঠাইত কোৱাৰ্টাৰ বোৰ জহি-খহি গৈছে আৰু বহুতো ঠাইত বাউণ্ডাৰি ৱাল নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে লিখিছো যে মুকালমুৱাত এখন মহকুমা চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে। সেইখনৰ কেতিয়া Functioning কৰা হ'ব। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰ্মন ডাঙৰীয়াই যিটো কথা কৈছে, সেই বিষয়ে মই ক'বলৈ গ'লে আমি এতিয়ালৈকে প্ৰায় ৪ হাজাৰ চাব-চেণ্টাৰৰ প্ৰায় ৩ হাজাৰ হেলথ্ এণ্ড ৱেলনেচ চেণ্টাৰলৈ উন্নত কৰিলো। তাত এক্সপাণ্ড হ'ল আৰু মেৰামতিও হ'ল আৰু এটা পৰ্য্যায়লৈ গ'ল। বাকীখিনিও আমি পৰ্য্যায়ক্ৰমে গৈ আছো। যিবিলাক হস্পিতাল আজিৰ পৰা ৩০-৪০ বছৰ আগতে হৈছিল, তাত হয়তো কোৱাৰ্টাৰৰ অসুবিধা আছে। কিন্তু আপুনি যদি নলবাৰী জিলাত চায়, নলবাৰীয়ে জিলা য'ত মেৰামতিৰ পইচা আটাইতকৈ বেছি গৈছে। তেওঁলোকে কেনেকৈ কি প্ৰকাৰে নিছে, ধৰিব নোৱাৰি। এইবাৰ মই নলবাৰীৰ হস্পিতাললৈ যাম আৰু তাত যদি হস্পিতালসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন দেখা নাপাওঁ, মই তাৰ ঠিকাদাৰৰ গুৰি উঘালি দিম। নলবাৰীৰ কোনোবা হস্পিতালৰ যদি কিবা খেলি-মেলি দেখা পাওঁ মই বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ গুৰি উঘালি দিম। মই ৰেকৰ্ডত চাইছো এই কেইবছৰত নলবাৰী জিলাত ইমান পইচা গৈছে সেয়েহে তাত আৰু হস্পিতালৰ ঘৰ-দুৱাৰ বেয়া হ'বলগীয়া নাই। তেখেতে কোৱা যিখন মডেল হস্পিতাল এই মডেল হস্পিতাল খন ইতিমধ্যে হৈছে। আমি ১০ মে'ৰ ১০ জুনৰ ভিতৰত কাৰ্য্যসূচী লৈছো আৰু তাৰ শুভাৰম্ভ কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১৮৩। কৰিমউদ্দিন বৰভূঞা, তেওঁ অনুপস্থিত। এতিয়া প্ৰশ্ন নং-১৮৪। জাকিৰ হুছেইন লস্কৰ, অনুপস্থিত। এতিয়া প্ৰশ্ন নং-১৮৫।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয়া পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যেতিয়া ৯-০০ বজাৰ পৰা সদন অনুষ্ঠিত হয়, আমি সেই বিষয়ে আগদিনাখন ঘোষণা কৰিব লাগে। নহ'লে বহু সদস্যই গম নাপায় বা কনফিউজ হয়। সেই কাৰণে এইবাৰৰ পৰা যেতিয়া শুক্ৰবাৰে ৯-০০ বজাৰ পৰা সদন অনুষ্ঠিত হ'ব আমি আগদিনাখন ঘোষণা কৰিম। সদন শুক্ৰবাৰে ৯-০০ বজাৰ পৰিৱৰ্তে ৯-৩০ বজাৰ পৰা অনুষ্ঠিত কৰাৰ বিষয়ে বি এ চিত আলোচনা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** যোৱা পৰহী আজি সদন ৯-০০ বজাৰ পৰা সদন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হৈছিল। এই বিষয়ে আৰু ইয়াত বিতৰ্ক নকৰিব। বি এ চি ত আলোচনা কৰক। এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ ডাঙীয়াই কওঁক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ, নগৰ উন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ সোণাৰী সমষ্টিৰ সদৰ অৰ্থাৎ সোণাৰী নগৰত বিজ্ঞানসন্মতভাৱে পকী নলা নিৰ্মাণ কৰি টাওকাক নদী সংযোগ নকৰাৰ বাবে বানপানীৰ লগতে কৃত্ৰিম বানপানীয়ে বহু সমস্যা সৃষ্টি কৰা বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰিব নে ? বিজ্ঞানসন্মতভাৱে পকী নলা নিৰ্মাণ কৰি টাওকাক নদী সংযোগ নকৰাৰ বাবে কৃত্ৰিম বানৰ সৃষ্টি হয়। অৰ্থাৎ এজাক বৰষুণ হ'লেই যদি টাওকাক নদীখন বাঢ়ি আহে, লগে লগে টাউন এলেকাত সোমোৱাাৰ টাউনখন যেতিয়া পানীৰে ভৰি পৰে। গতিকে কৃত্ৰিম বানৰ সেই পানী ওলাই যাবলৈ বিজ্ঞানসন্মতভাৱে নলা নিৰ্মাণ কৰিব পাৰিব নেকি, তাৰ বিষয়ে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিলো আৰু এই ব্যৱস্থা কৰিলে নগৰখনক টাওকাক নদীৰ বাঢ়নী পানীৰ পৰা বচাই ৰাখিব পাৰিম।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ, নগৰ উন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়াতে মাননীয় সদস্যজনক জনাব বিচাৰিছো যে ২০১৯-২০ বৰ্ষতেই SOPD-ODS আঁচনিৰ অধীনত ২,৭৮,৫০,০০০ টকা নিৰ্মাণৰ বাবে প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল। টকা মোকলি কৰি দিয়া হৈছে আৰু সাত কিলোমিটাৰ ৰাস্তা নিৰ্মাণ কৰা হৈছে। চতুৰ্দশ বিত্তীয় বৰ্ষতো প্ৰায় পাঁচ কোটি টকা মোকলাই দিয়া হৈছে। পঞ্চদশ বিত্তীয় বৰ্ষতো প্ৰায় তিনি কোটি টকা মোকলাই দিয়া হৈছে আৰু Sixth ASFS Devolution Fund for Revenue Gap টকা মুকলি কৰি দিয়া হৈছে। কিন্তু এই টকাখিনি কৰ্মচাৰী দৰমহাৰ কাৰণে দিয়া হৈছে। তথাপিও বহু পইচা নলা-নৰ্দমা বনাবৰ বাবে দিয়া হৈছে। মিউনিচিপালিটিয়ে যদি এই পইচাসমূহ ভালদৰে ব্যৱহাৰ কৰে তেতিয়হ'লে সেণাৰীৰৰ নিচিনা সৰু টাউন এখনক পানী নিষ্কাষণ নোহোৱাৰ নিচিনা অসুবিধাৰ সৃষ্টি হ'ব নালাগিছিল। তথাপিও সেইখন যেতিয়া আপোনাৰ নিজৰ সমষ্টি আৰু আপুনিও মিউনিচিপাল বোৰ্ডৰ এক্স-অফিচিও সদস্য হৈ আছে। আপুনিও এইবোৰ কথা মন দিব আৰু আমিও বিভাগৰ ফালৰ পৰা ক'ত কি কাম হৈছে বা নাই হোৱা সেইবোৰ চোৱা-চিতা কৰিবৰ বাবে আমাৰ ফালৰ পৰা আপোনাক আশ্বাস দিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন কৰক।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কথাখিনি বুজি পালো আৰু মোৰ দ্বিতীয় পৰিপূৰক প্ৰশ্ন নাই। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সোণাৰী সমষ্টিৰ লগত সম্পৰ্ক থকা যদি কিবা প্ৰশ্ন আছে, তেতিয়াহ'লে বসন্ত কুমাৰ দাস ডাঙৰীয়াই কৰিব পাৰে।

**শ্ৰী বসন্ত কুমাৰ দাস, (মঙ্গলদৈ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সোণাৰী সমষ্টিৰ লগত সম্পৰ্ক থকা প্ৰশ্ন নাই। তথাপিও মোৰ এটা কথা ক'বলৈ আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰিব নোৱাৰিব। এতিয়া সুশান্ত বৰগোঁহাই সোণাৰীৰ লগত সম্পৰ্ক থকা প্ৰশ্নটো কৰক।

**শ্ৰী সুশান্ত বৰগোঁহাই, (থাওৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সোণাৰী সমষ্টিৰ পানী নিষ্কাষণৰ গোটেই সমস্যাটোৱেই থাওৰা সমষ্টিতো প্ৰভাৱ পেলায়। আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক গোটেই কথাখিনিৰ বিষয়ে অবগত কৰিব বিচাৰিছো। সদ্যহতে আমাৰ মিউনিচিপালিটি নিৰ্ব্বাচন হ'ল আৰু তাৰ বাবে যেতিয়া আমি সমষ্টিসমূহত ঘূৰিছিলো, তেতিয়া এটা কথাৰ বিষয়েই ৰাইজে

কৈছিল সেইটো হৈছে পানী নিষ্কাষণ। পানী নিষ্কাষণ আৰু কৃত্ৰিম বানপানীৰ বাবে আৰ্বান অঞ্চলত যিসকল লোক থাকে তেওঁলোকে বহুতো কষ্ট ভুগিবলগীয়া হয় আৰু ভৱিষ্যতে আমি ৰাইজৰ পৰা বহু কথা শুনিবলগীয়া হ'ব। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এটা কথাই সুধিব বিচাৰিছো যে ইয়াৰ বাবে কিবা আঁচনি ল'ব নেকি? আৰু যি আঁচনিৰ জৰিয়তে প্ৰথম পৰ্য্যায়ত ৰাস্তা নিৰ্মাণ কৰাৰ আগতে ড্ৰেইনেজ চিষ্টেমটো যদি আমি ভাল কৰি লওঁ আৰু পৰৱৰ্তী পৰ্য্যায়ত যদি ৰাস্তা বনোৱা হয় তেতিয়াহ'লে ৰাইজ ভালদৰে উপকৃত হ'ব। ধন্যবাদ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ, নগৰ উন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,অসমৰ বিভিন্ন মিউনিচিপাল এৰিয়াত মাষ্টাৰ প্ল্যান নাছিল আৰু মাষ্টাৰ প্ল্যানৰ অভাৱত বৈজ্ঞানিক প্ৰক্ৰিয়া আৰু পদ্ধতিৰে কোনো কামৰ ব্যৱস্থা নাছিল। নলা যদিও বনাইছিল কৰোবাত হয়তো Slope Gradient নিমিলাৰ বাবে পানী নিষ্কাষন হোৱা নাছিল। টাউনৰ উন্নয়ন কিদৰে হ'ব তাৰ বাবে আমি প্ৰত্যেকটো মিউনিচিপালিটি আৰু ডেভলপমেণ্ট বোৰ্ডৰ মাষ্টাৰ প্ল্যান বনাইছো। আগতে এনেকুৱা হৈছিল যে ৰাস্তা এটা থাকে, ভাল বা বেয়া নলা এটা থাকে আৰু মানুহে ঘৰ বনালে ভৱিষ্যতে কি হ'ব বুলি ভাৱি ভেঁটিটো ৰাস্তাৰ পৰা ৫-৬ ফুট ওখ বনায় আৰু যেতিয়া ৰাস্তানিৰ্মাণ কৰা হয় তেতিয়া ৰাস্তাও ওখকৈ নিৰ্মাণ কৰা হয়। **এইবাৰ আমি মাষ্টাৰ প্ল্যানত সিদ্ধান্ত লৈছো যে ভেঁটিবোৰৰ বাবে ৰাস্তাৰ পৰা কিমান ওপৰত হ'ব তাৰ এটা সীমা বান্ধি দিয়া হৈছে আৰু ভেঁটিবোৰ তাতকৈ ওখকৈ নিৰ্মাণ কৰিব নোৱাৰিব।** ড্ৰেইনবোৰ কি ছাইজত হ'ব তাৰ বাবে মাষ্টাৰ প্ল্যান বনোৱাৰ বাবে ব্যৱস্থা হাতত লৈছো। নিজৰ নিজৰ টাউন কমিটি আৰু মিউনিচিপাল বোৰ্ডৰ বিধায়ক সকলে ৰাইজৰ লগত লগ হৈ নিজৰ নিজৰ সমষ্টিৰ মাষ্টাৰ প্ল্যানবোৰ যদি থিৰাং কৰি দিয়ে আৰু সেই খন যদি ফাইনেল হৈ যায় তেতিয়া এইবাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে যে PWD ৰ জৰিয়তে Municipal Board এলেকাত ৰাস্তা আৰু নলা নিৰ্মাণৰ কাম হাতত লোৱা হ'ব। পইচাৰ কোনো অভাৱ নাই কিন্তু বৈজ্ঞানিক প্ৰক্ৰিয়া আৰু পদ্ধতি নথকাৰ কাৰণে পইচাবোৰ ভালদৰে খৰছ হোৱা নাই। য'ত নলা বানোৱা হৈছে তাতো পানী নিস্কাষণৰ ভাল ব্যৱস্থা হোৱা নাই। গতিকে সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰস্তাৱ দিছে আৰু উপদেশ দিছে, তাৰ ওপৰত কাম কৰাৰ বাবে আমি ব্যৱস্থা লম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া আপোনালোকে master plan বানোৱা আৰম্ভ কৰক। এতিয়া প্ৰশ্ন নং ১৮৬ শ্ৰী ৰূপজ্যোতি কূৰ্মী, তেখেত অনুপস্থিত। প্ৰশ্ন নং ১৮৭, শ্ৰী চামচুল হুদা।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ছামছুল হুদা (পূৱ বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক শুধিব বিচাৰিছো যে আমাৰ তাত যিবিলাক চিকিৎসালয় আছে, সকলোতে কিমান ডক্টৰ বা নাৰ্চ আছে সেয়া প্ৰশ্ন শুধিছিলো। এই গোটেইখিনিতে উত্তৰ nil বুলি দিছে। বিলাসীপাৰা SDHC ত ডক্টৰৰ পদ আছে ২০ টা। কিন্তু তাৰে ভিতৰত ২০ জনহে আছে। Surgical বা Laboratory বহুখিনি সামগ্ৰী তাত আছে। কিন্তু তাত Radiologist বা Cardiologist আৰু শল্য বিশেষজ্ঞ নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক শুধিব বিচাৰিছো যে এই ব্যৱস্থাখিনি তাত কেতিয়া হ'ব? আমাৰ তাত চাপৰ, বিলাসীপাৰা, ৰাণীগঞ্জ, লক্ষিগঞ্জত যি চিকিৎসালয় আছে, তাতো ডক্টৰ নাই। গতিকে এই চিকিৎসালয় সমূহত কিমান দিনৰ ভিতৰত চিকিৎসক নিযুক্তি দিয়া হ'ব?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ঃ

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি এটা কথা সকলোৱে জানো যে তেখেতে বিশেষকৈ যি চিকিৎসালয়ৰ কথা কৈছে বা কোন কোন চিকিৎসালয়ত কি আছে সেই গোটেইখিনি কৰবাত CHC, কৰবাত Dispensary বা কৰবাত State Dispensary, কৰবাত model Hospital আৰু এতিয়া বিশেষভাৱে দ্বীপৰ পুতি SDHC খনৰ কথা কৈছে। Sub-divisional hospital ত তেখেতে যিসমূহ বিশেষজ্ঞৰ কথা কৈছে, সেই সকলোখিনি দিব পৰা হোৱা নাই। তেখেতসকলৰ ধুবুৰী মেডিকেল কলেজ ইতিমধ্যে আৰম্ভ হোৱাৰ পথত। তাত ইতিমধ্যে inspection হৈ গৈছে। অহা শিক্ষা বৰ্ষৰ পৰা তাত পাঠদান আৰম্ভ হ'ব। ইতিমধ্যে Civil Hospital খন তাত চলি আছে আৰু লাহে লাহে আমি বিভিন্ন পদো তাত দিছো। সকলো বিশেষজ্ঞ আপোনালোকে একবাৰে ওচৰতে পাব। এতিয়া মেডিকেল কলেজতে আমি সম্পূৰ্ণ পদ সমূহ পূৰণ কৰিব পৰা নাই। আপোনালোকৰ এই চিকিৎসালয়খনত মহকুমা পৰ্য্যায়ৰ চিকিৎসালয়ৰ সমান অনুপাতে যি চিকিৎসক দিব লাগে সেয়া ঠিকে আছে। কিন্তু তথাপিও আমি এটা বস্তু চাই আছো যে এনকুৱা চিকিৎসালয় সমূহত কৰবাত স্ত্ৰী ৰোগ বিশেষজ্ঞ নাই আৰু কোনোবা mini PHC ত এগৰাকী স্ত্ৰী ৰোগ বিশেষজ্ঞ বহি আছে, সেইবিলাক আমি rationalize কৰিবলৈ চেষ্টা কৰি আছো। আপোনালোকৰ কিবা থাকিলে মোক পৰামৰ্শ দিব। সেইখিনি আমি সমাধান কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰী ছামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কিছুমান চিকিৎসালয়ত লেবাৰ ৰুম নাই। আঢ়েজাৰ PHC, পুঠিমাৰী PHC, মাছুনালগা PHC, এই বিলাকত লেবাৰ ৰুম নাই। লক্ষিগঞ্জ, চম্পাৱতী, চাপৰ এইবিলাকত লেবাৰ ৰুম আছে কিন্তু সেইবিলাক একেবাৰে জৰাজীৰ্ণ। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যাতে আমাৰ তাত লেবাৰ ৰুমৰ ওপৰত গুৰুত্ব দিয়ে যেন আৰু মই যিকেইটা PHC ত লেবাৰ ৰুম নাই বুলি কৈছো, তাত নতুনকৈ লেবাৰ ৰুম দিব নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, লেবাৰ ৰুমৰ ক্ষেত্ৰত আমি আগতে কেইবাটাও আঁচনি লৈ PHC বা mini PHC সমূহত বিচনা বঢ়োৱাৰ লগতে কৰবাত কৰবাত লেবাৰ ৰুমো দিছিলে। গতিকে যিকেইখন চিকিৎসালয়ত delivery হয়, সেই কেইখনৰ ভিতৰত আপুনি লেবাৰ ৰুমৰ কথা কওক। এই ক্ষেত্ৰত আমি পৰৱৰ্তী সময়ত আপোনাক পৰ্য্যায়ক্ৰমে যিদৰে সহায় কৰিব লাগে সেয়া কৰিম। আপোনাৰ তাত যিখন সৰু বাক্ৰা বুলি sub-centre আছে, সেইখন আমি এইবাৰ বুনিয়াদী স্বাস্থ্যকেন্দ্ৰলৈ উন্নীত কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** পৰৱৰ্তী সময়ত আপুনি সুবিধা পালে Radiology ৰ Post Graduate seat টো অসমত বঢ়াব লাগে বুলি পৰামৰ্শ দিব। তেতিয়া আপোনাৰ Radiology ৰ অসুবিধাটো সমাধান হ'ব। এতিয়া বিলাসীপাৰা সমষ্টিৰ related প্ৰশ্ন। যদি specific কিবা এই সমষ্টিক লৈ প্ৰশ্ন আছে, কমলাক্ষ্য ডাঙৰীয়া আপুনি শুধক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পূব বিলাসীপাৰাত যিসমূহ চিকিৎসালয় আছে বা আমাৰ প্ৰতিটো সমষ্টিৰ বিধায়ক সকলৰ একেটা অসুবিধা যে এই চিকিৎসালয় সমূহৰ management society য়ে যিসমূহ ঠিকা ভিত্তিক কৰ্মচাৰী নিযুক্তি দিছিলে, তেওঁলোকে এতিয়াও কাম কৰি আছে। আগতে যিসকলে কাম কৰি আছে, তেওঁলোকৰ নামটো

পঠোৱা হওক। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰলৈ পঠোৱা হৈছে কিন্তু আজিলৈ ব্যৱস্থা লোৱা নাই। প্ৰত্যেকখন চিকিৎসালয়ত ১০০ বা ৫০ জনকৈ কাম কৰি আছে, ১০০০ -১২০০ টকা বা কোনোবাই ২০০০ টকা দৰমহা পায়। তেওঁলোকৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি সিদ্ধান্ত লৈছে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো যেতিয়া তেওঁলোকক enguage কৰিছে, মই নিযুক্তি দিয়া বুলি নকওঁ। Hospital Management Society য়ে প্ৰয়োজন সাপেক্ষে enguage কৰিছে, তেতিয়া Hospital ত যিকেইটা টকা পইচা উঠে তাৰ পৰাই তেওঁলোকক পাৰিতোষিক এটা দিয়ে। গতিকে এইক্ষেত্ৰত চৰকাৰখন ইয়াৰ লগত পোনপটীয়াকৈ জড়িত নহয়। তথাপিও এই ক্ষেত্ৰত আমাৰ বিভাগৰ পৰা মাজতে যি বিজ্ঞাপন দিছিলো, তেওঁলোকক কিছু prepare কৰা হ'ব, এই কথাটো বিজ্ঞাপনতে লিখা আছে। তাৰবাহিৰে পোনপটীয়াকৈ কোনোধৰণৰ একেলগে তেওঁলোকক কিবা সিদ্ধান্ত লৈ চৰকাৰে নিযুক্তি দিব, তেনেকুৱা কোনো কথা নাই। তেওঁলোকে ইয়াত সংস্থাপিত হ'বলৈ হ'লে নিয়মৰ মাজেদিয়ে সংস্থাপিত হ'ব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আফতাফ উদ্দিন মোল্লা। আপোনাক বিলাসীপাৰাকলৈ specially ক'ব লাগিব।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিলাসীপাৰাৰ কথাই মই কম। পূৱ বিলাসীপাৰাৰ যিটো চিকিৎসালয়, আমাৰ তাতো তেনেকুৱা চিকিৎসালয় আছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আমাৰ কথা ক'লে নহ'ব। specific পূৱ বিলাসীপাৰাৰ কথাই ক'ব লাগিব। নহ'লে মন্ত্ৰীৰ লগত আপোনাৰ প্ৰশ্নৰ উত্তৰটো নাথাকিব।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সকলোৰে এই বস্তুটো একে।

**মাননীয় উপাধ্যক্ষ ঃ** একে যদি উত্তৰটো আপোনালোকে পালে। তেনেকুৱা মডেলতে কামবিলাক হ'ব।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কিছুমান এনকুৱা চিকিৎসালয় আছে য'ত কোনো উন্নয়ণমূলক কাম হোৱা নাই। চিকিৎসালয় সমূহৰ চাৰিওফালৰ boundary wall নাই, nurse ৰ কোৱাৰ্টাৰ নাই। এইখিনি কেতিয়া হ'ব?

**শ্ৰীকেশৱ মহন্ত,(মন্ত্ৰী, স্বাস্থ্য ইত্যাদি) ঃ** এতিয়া নতুনকৈ যিবিলাক হস্পিটেল নিৰ্মান কৰা হৈছে, মডেল হস্পিটেল বা আন কোনোবা হস্পিটেল তাত বাউণ্ডেৰী ৱাল এষ্টিমেটত যদি আছে হৈ গৈছে। বাউণ্ডেৰী ৱাল নোহোৱা হস্পিটেলখন হয়তো আগতে নিৰ্মাণ কৰা হস্পিটেল হ'ব য'ত এষ্টিমেটত ৱালখন ইনক্লুডিঙ নাছিল বা সাধাৰণ ফেন্সিং দিছিল যদিও সেইখন ভাঙি গ'ল । গতিকে তেনেধৰণৰ য'ৰ পৰা ৰিপিয়েৰিঙ আৰু মেইনটেনেন্সৰ প্ৰস্তাৱ আহিছে আমি কম বাজেটেৰে কৰিবলৈ বিবেচনা কৰি আছো । নাৰ্ছিং কোৱাটাৰৰ যিটো কথা আচলতে হস্পিটেলখন নিৰ্মাণ হওঁতে নাৰ্ছিং কোৱাটাৰ আৰু অন্যান্যখিনি হয়। ইয়াত যদি হোৱা নাই প্ৰস্তাৱ পালে আমি পুঁজি সাপেক্ষে ব্যৱস্থা ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া কোৱেশ্চন নং- ১৮৮ , মাননীয় সদস্য প্ৰদীপ হাজৰিকা ।

**শ্ৰীযোগেন মহন (মন্ত্ৰী,ৰাজহ ও প্ৰাকৃতিক দুৰ্যোগ) ঃ** উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত

দিয়া হৈছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া । যিখন সত্ৰৰ কথা মই প্ৰশ্ন উত্থাপন কৰিছো । সেইখন হৈছে বৰপেটা জিলাৰ পিয়লা সত্ৰ । এই সত্ৰখনৰ মাটি ১০১ বিঘা মাটি। এই সত্ৰৰ গোচৰ হৈছিল আৰু ২০০৫ চনতে সত্ৰৰ সপক্ষে গোচৰৰ ৰায় দিছিল। এতিয়া চৰকাৰে অৱশ্যে কৈ ছে যে- ইয়াৰ মাটি জোখ লোৱা হৈছে আৰু পৰ্য্যায়ক্ৰমে কামখিনি কৰিবলৈ লোৱা হৈছে। মই সত্ৰৰ অধিকাৰ গৰাকীক লগ পাইছিলো- তেখেতৰ নাম দ্বীপেন্দ্ৰ নাথ গোস্বামী- তেখেতে এইবিষয়টো লৈ পেলাই যথেষ্ট হতাশ হৈ গৈছে। তেখেতক দেখিলে দুখ লগা অৱস্থা এটা হৈছে। ১০১ বিঘা মাটি বেদখল হৈ আছে- সত্ৰৰ সামগ্ৰীখিনি তেখেতে বেলেগ ঠাইত নি ৰাখিছে। চৰকাৰক মই অৱগত কৰোৱাৰ লগতে জানিব বিচাৰিছো যে, ইয়াত যিটো উত্তৰ দিছে চৰকাৰে , ঠিকে আছে- মই কেৱল সোনকালে চৰকাৰে ব্যৱস্থা লোৱাটো বিচাৰিছো। অসমৰ যিটো সত্ৰ পৰম্পৰা এইটো অসমীয়া সমাজৰ কোনো এজনে নজনাকৈ আজি থকা নাই। আজি বহু সত্ৰৰ মাটি দখল হৈ আছে - যেনে নগাওঁৰ পাতেকীবাৰী সত্ৰ, বালি সত্ৰ, ৰামপুৰ সত্ৰ, কোবাইকটা সত্ৰ, বঙাইগাওঁ জিলাৰ ৰঙাপানী সত্ৰ, লক্ষিমপুৰ জিলাত- এলেঙী সত্ৰ, বৰ এলেঙী সত্ৰ, ন-এলেঙী সত্ৰ ইত্যাদি । এতিয়া এই গোটেই সত্ৰবিলাক কিন্তু বেদখল হৈ আছে। যিসকলে সত্ৰৰ পৰম্পৰাটো ভালকৈ জনা নাই তেওঁলোকক চৰকাৰে জনোৱা উচিত, সত্ৰই কেনেকৈ আমাৰ সমাজখন ধৰি আছে । মই ভাবো জানিলে এই সমস্যাটো সমস্যা হৈ নাথাকে । গতিকে যিসকল মানুহে সত্ৰৰ মাটি বেদখল কৰি আছে তেখেতসকলক কথাটো বুজাই বঢ়াই যে- সত্ৰখন হৈছে অসমীয়া জাতি- আমাৰ ভাষা- সংস্কৃতি- কৃষ্টি-সাহিত্য- সভ্যতাৰ প্ৰাণকেন্দ্ৰ । এইটোক আমি সকলোৱে ধৰি ৰাখিব লাগে এইটো হিন্দু ই হওঁক, ইছলাম ধৰ্মই হওঁক বা খ্ৰীষ্টান ধৰ্মই হওঁক সকলো ধৰ্ম । মই ভাবো এই কথাটো চৰকাৰে বুজালে তেখেতসকলে বুজি পাব। আৰু সত্ৰৰ মাটি মুকলি হোৱাত সহায় হ'ব । চৰকাৰে ব্যৱস্থা ল'ব নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী, ৰাজহ ও প্ৰাকৃতিক দুৰ্যোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সত্ৰসমূহ অসমৰ আধ্যাত্মিক শিক্ষাৰ প্ৰাণকেন্দ্ৰ । ইয়াক সংৰক্ষণ কৰা ,সৌন্দৰ্য্যবৰ্দ্ধণ কৰা চৰকাৰৰ দায়িত্ব । চৰকাৰে এই বিষয়টো অতি গুৰুত্বসহকাৰে লৈছে। সেইকাৰণে আমি চৰকাৰৰ ফালৰ পৰা মাননীয় প্ৰদীপ হাজৰিকাক ডাঙৰীয়াক অধ্যক্ষ হিচাপে লৈ দুগৰাকী বিধায়ক মৃনাল শইকীয়া ডাঙৰীয়া আৰু ৰূপক শৰ্মা ডাঙৰীয়াক সদস্য হিচাপে লৈ এখন তিনিজনীয়া 'অসম সত্ৰ ভুমি সমস্যা পৰ্য্যবেক্ষণ আৰু পৰিক্ষণ ' নামৰ এখন আয়োগ গঠন কৰি দিয়া হৈছে। আমি জানো যে এই সত্ৰসমূহৰ যি বেদখল সেইটো উচ্ছেদ কৰাৰ কাৰণে আমি জিলা উপায়ুক্তসমূহক কৰ্তৃত্ব প্ৰদান কৰা হৈছে। চাৰ্কোল অফিচ বিলাককো আমি সম্পূৰ্ণ কৰ্ত্তৃত্ব প্ৰদান কৰিছো বেদখল উচ্ছেদ কৰাৰ বাবে।

Assam Regulation amendment Act, 2019 এই পলিচিটো সম্পূৰ্ণ ইয়াত উল্লেখ আছে। আমাৰ জিলাৰ উপায়ুক্তসকলেও দায়িত্ব পালন কৰিব লাগিব। আমি যিখন সত্ৰ আয়োগ গঠন কৰিলো তেখেতসকলে নিশ্চয় অসমৰ সত্ৰসমূহ পৰিদৰ্শন কৰি আছে। তেখেতসকলে চৰকাৰক প্ৰতিবেদন দাখিল কৰিব। ইতিমধ্যে বহু সত্ৰ বেদখলমুক্ত হৈছে- বৰপেটাৰ বাঘবৰত বেদখলমুক্ত কৰা হৈছে , ইয়াৰে স্থানীয় বিধায়কেও আমাক যথেষ্ট সহায় কৰিছে।

মাননীয় বিধয়াকগৰাকীয়ে কৈছে যে অসমীয়া ভাষা- সংস্কৃতি, কৃষ্টিৰ ধৰি ৰখাত সত্ৰৰ গুৰুত্ব বুজি

আমি বুজা পৰাৰে আগবাঢ়িব লাগিব। গতিকে মইও ভাবো আমি বুজা পৰাৰে আগবাঢ়ি যাব লাগিব ।" অসমৰ বিভিন্ন জিলাত যিখিনি এনেধৰণৰ সত্ৰ আছে সেইখিনি বেদখল মুক্ত কৰি আমি জাতীয় জীৱনলৈ পৰিৱৰ্ত্তন আনিবলৈ চেষ্টা কৰিছো। গতিকে এই ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা আছে- আৰু ইয়াৰ গুৰুত্ব বুজিয়ে প্ৰথমবাৰৰ বাবে আমি এনেধৰণৰ আয়োগ গঠন কৰি দিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় ডঃহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া এই ক্ষেত্ৰত সজাগ। আমি কোনো ক্ষেত্ৰতে সত্ৰসমূহৰ মাটি বেদখল হ'বলৈ নিদিওঁ । যিখিনি বেদখল আছে আমি উচ্ছেদ কৰিম কিন্তু যাতে তাৰ বাবে এটা পৰিবেশ তৈয়াৰ হয় অসমত সেই কথাটোহে আমি সকলোৱে চিন্তা কৰিব লাগিব। গতিকে সভা সমিতি হওঁক বা এৱাৰনেচ কাৰ্য্যসুচীৰ দ্বাৰাই হওঁক বুজনি আৰু সমিলমিলেৰে আমি সকলোৱে লগলাগি এটা বহুদিনীয়া সমস্যা সমাধান কৰিব পাৰিম। অসম চৰকাৰৰ ইয়াত সম্পূৰ্ণ আন্তৰিকতা আছে। আমাৰ যিখিনি কনচাৰ্ণ এৰিয়াত উপায়ুক্ত, চাৰ্কোল অফিচ বা এন জি অ ইত্যাদি আমি আমি ৰিভিউ কৰি গোটেই বিষয়টো অৱগত কৰিছো। গতিকে আমি ভাবিছো , সত্ৰৰ মাটি আমি সুৰক্ষিত কৰিব পাৰিম আৰু এখন শক্তিশালী অসমীয়া সমাজ আমি নিৰ্মাণ কৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ - চেকেণ্ড চাপ্লিমেন্টৰী ।

**শ্ৰীপ্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া ১৯৫৯ চনৰ যিখন চিলিং এক্ট আছে- এই এক্টৰ অধীনত সত্ৰসমূহ বহু মাটি কাটি দিয়া হৈছিল। উপাধ্যক্ষ ডাঙৰীয়া এখন সত্ৰ প্ৰতিষ্ঠা কৰিবলৈ হ'লে- মিনিমাম ৫০ বিঘা মাটি লাগে। এতিয়া ২ কঠা মাটিত সত্ৰ আছে এইটো দেখিলে আচৰিত হ'বলগীয়া কথা। তাত সত্ৰ নহয়েই। গতিকে মই জানিব বিচাৰিছো- যে চিলিং আইনত সত্ৰৰ মটিবোৰ যে চৰকাৰে অধিগ্ৰহণ কৰিলে এই মটিবোৰ চৰকাৰে কি কৰিলে, ক'ত আছে চৰকাৰে জনাব নেকি ?

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ ও প্ৰাকৃতিক দুৰ্যোগ) ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় হাজৰিকা ডাঙৰীয়াক জনাব বিচাৰিছো যে, - বহু সত্ৰৰ সত্ৰাধিকাৰসকলে সত্ৰৰ মাটিত খেতি কৰিবলৈ,ঘৰ বনাই থাকিবলৈ দিছিল। এনেধৰণৰ কথা কিছুমান বা তথ্য আমাৰ ওচৰত আহিছে। চিলিং আইনৰ জৰিয়তে সত্ৰৰ মাটি লৈ চৰকাৰে কৰবাত অনুষ্ঠান প্ৰতিষ্ঠানক আবন্টণ দিছে। সত্ৰসমূহৰ গুৰুত্ব বুজি আহোম স্বৰ্গদেউসকলে হাজাৰ হাজাৰ বিঘা মাটি সত্ৰসমূহক দিছিল। এতিয়া আমি যদি সত্ৰৰ সত্ৰাধিকাৰ বা সত্ৰ পৰিচালনা সমিতি সমূহৰ লগত আলোচনা কৰি আইনৰ সুধৰণি কৰি হ'লেও মাটিখিনি ঘূৰাই আনিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগিব। মানুহে যিখিনি সত্ৰৰ মাটি বেদখলত ৰাখি থৈছে সেইখিনি এৰি দিব লাগিব। যিখিনি মাটি গুছি গৈছে সেইখিনি আমাক জনাব লাগিব। আমি যিখন সত্ৰ আয়োগ গঠন কৰি দিছো তাত সকলো পক্ষৰে লগত আলোচনা কৰি আমি ব্যৱস্থা ল'ব লাগিব। আইনৰ সুৰুঙা লৈ যাতে কোনেও সত্ৰৰ মাটি বেদখল কৰিব নোৱাৰে তাৰ ব্যৱস্থাটো আমি ল'ব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, অনাৰেবল এম এল এ - আব্দুৰ ৰহিম আহমেদ ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে জানে যে আমাৰ বৰপেটাক সত্ৰ নগৰী বুলি কোৱা হয়। অসমৰ গৌৰৱ এই সত্ৰসমূহ- বৰপেটা জিলাত ৩৬ খন সত্ৰ আছে । আজি বৰপেটা জিলাত থকা ৩৬ খন সত্ৰৰ বেছি সংখ্যাকে বৰপেটা সমষ্টিত আছে। গতিকে ছাৰ, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ কাৰণ আপোনালোকে জানেই যে, সত্ৰৰ মাটি বে-দখল হোৱাটো অসমৰ ভুল আয়োজন, বিশেষকৈ মানুহে বে-দখল হোৱাতো নিবিচাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** কেৱল সত্ৰয়ে নহয়, মন্দিৰ-মজ্জিদ কোনো ধৰ্মীয়া অনুস্থানৰ পৰা মাটি নিবিচাৰে। গতিকে মোৰ প্ৰশ্নটো হৈছে বহু সত্ৰ সমিতিয়ে তেওঁলোকে আৰ্থিক দৈন্যতাৰ কাৰণেই হওঁক, ৰায়তিৰ চত্ত্বত বহু মাটি মানুহক আধি হিচাপে অলপ আয় কৰাৰ কাৰণে দিব লগা হৈছে। কিছুমান ক্ষেত্ৰত এনেকুৰা অভিযোগো নিশ্চয় আপোনালোকে অৱগত যে, সত্ৰ সমিতিৰ দুই এজনে ঘৰুৱা দলিল কৰি বিক্ৰী কৰাৰ অভিযোগো পোৱা গৈছে। গতিকে গোটেই বিষয় সমূহ এটা নিৰপেক্ষ তদন্ত কৰি এটা আৰু এই উন্মূক্ত হৈ থকা মাটিখিনি চৰকাৰে অতি সোনকালে বাউণ্ডাৰী ৱাল নিৰ্মাণ কৰি সত্ৰৰ মাটি খিনি সুৰক্ষাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই ভালে পৰামৰ্শ আগবঢ়াইছে, আমি কথাটো তেনেধৰণে বিবেচনা কৰিব লাগিব। আৰ্থিক দৈন্যতাই হওঁক বা বিভিন্ন কাৰণত সত্ৰ সমূহ চলিবৰ কাৰণে এনে ধৰণে দলিল কৰি কাৰোবাক দিয়া, খেতি-বাৰী, ঘৰ-বাৰী চলিব দিয়াটো তেখেত সকলে দায়িত্ব লৈছিল। গতিকে এই খিনি ক্ষেত্ৰত আমি নিশ্চয় সকলোৰে সহযোগ কৰিলে সেই সত্ৰ সমূহৰ মাটি পুনৰ উদ্ধাৰ কৰিব পৰা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পীড়লা সত্ৰৰ যি প্ৰসংগ উল্লেখ কৰিছে পীড়লা সত্ৰ সম্ভৱত দেৱত্তোৰ ভূমি তেনেকুৰা এটা হ'ব। আজি চাওঁক পীড়লা সত্ৰৰ ভূমিখিনি কোনোবা এজন ব্যক্তিৰ নামত আছে, ব্যক্তিৰ নামলৈ সত্ৰৰ ভূমি কেনেকৈ গ'ল এই বিষয়ে আমি নাজানো, আশা কৰো মন্ত্ৰী মহোদয়ে জনাব। একেটা সময়তে পীড়লা সত্ৰৰ যি ভূমি বুলি দাবী কৰি থকা হৈছে বা কাগজে পত্ৰই কোৱা হৈ আছে, সেই ভূমি ৰায়তি চত্ব হিচাপে কাগজে কলমে দলিলে লিখাই যি সমূহক খেতি-বাতি কৰিবলৈ আধিয়াত দিয়া হৈছিল তেওঁলোকৰ ক্ষেত্ৰত তেওঁলোকে কি বিবেচনা কৰিব এই কথা খিনি উল্লেখ হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, পীড়লা সত্ৰভূমি কেনেধৰণে ব্যক্তিগতলৈ হস্তান্তৰ হ'ল এই কথাটো নিশ্চয় চৰকাৰে তদন্ত কৰিব। আমাৰ যি উচ্চ পৰ্য্যায়ৰ অসম সত্ৰ ভূমি সমস্যা পৰ্য্যাবেক্ষণ আৰু পশিক্ষণ সমিতিয়ে এই গোটেই বিষয় বিলাক তেওঁলোকে পৰ্য্যাবেক্ষণ কৰি আছে। যেতিয়া সম্পূৰ্ণ তেখেত সকলে প্ৰতিবেদন দাখিল কৰিব আমি চৰকাৰে এই কথাটো বিবেচনা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৯। আব্দুৰ ৰহিম আহমেদ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াতে মোৰ প্ৰশ্নৰ এটা উত্তৰ দিছে যে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ২০২০-২১ চনত মুঠ ৭ জন কভিড যুদ্ধাৰ বিপৰীতে নিকত আত্মীয়ক ৫০ হাজাৰ টকাকৈ এক কালীন সাহাৰ্য্য প্ৰদান কৰিছে আৰু সৰ্বমুঠ বাকী যি সকল নিকত আত্মীয় ঢুকাইছে তেওঁলোকৰ ৬৭০৮ জনৰ বিপৰীতে ৫৫৭৯ গৰাকী মানুহক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। গতিকে মোৰ প্ৰশ্নটো হৈছে বাকী থকা মানুহ সকলক কিমান দিনৰ ভিতৰত এই পইচাখিনি দিব আৰু এই পইচাটো খুবেই কম। গতিকে অলপ বৃদ্ধি কৰিব নেকি?

**माननीय उपाध्यक्ष ঃ** माननीय मন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, আপোনালোকে নিশ্চয় জানে যে এই কভিড যুদ্ধত যি সকলে মৃত্যুবৰণ কৰিছে তেখেত সকলক আমাৰ ফালৰ পৰা ৫০ হাজাৰ টকাকৈ এককালীন সাহাৰ্য্য দিয়া ব্যৱস্থা কৰা হৈছে আৰু বৰ্তমান অসমত এনেধৰণৰ আৱেদন ৬৭১৮ গৰাকীৰ কাৰণে জিলা উপায়ুক্তৰ জৰিয়তে বিভাগলৈ আহিছিল। আমি বৰ্তমান ৫৫৮১ জনক ইতিমধ্যে ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে।বাকী ৩৫৪ খন আৱেদন ৰিজেক্ট হৈছে, তেওঁলোকে particular দিব পৰা নাই আৰু ৭৮৩ জনৰ on processত আছে। আমি তেখেত সকলক খুৰসোনকালে এই Assemblyৰ পিছতে বাকী দিয়াৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰোপৰিও এই বিভাগে আমাৰ ৫০ লাখ টকাকৈ যি সকল employees on duty ত ঢুকাইছে তেখেত সকলক দিয়াৰ ব্যৱস্থা কৰা হৈছে। যেনেকৈ Doctors Medical Staff order employees of Health Department. এনেধৰণে employees on duty Private hospital who have signed AMU with the Health Department under PMJAY and a during Corona outbreak. এনধৰণে police men and other Government Officer and staff only, on duty ত যি সকল আছিল। এনেকুৱা ধৰণৰ আমাৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা guideline আছিল। এই guidelineৰ মতে আমি প্ৰায় ৭ জনত এতিয়ালৈকে আমাৰ বিভাগৰ ফালৰ পৰা ৫০ লাখকৈ দিয়া হ'ল। ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে Covid widow তাতো আঢ়ৈ লাখ টকাকৈ দিয়া হৈছে আৰু ৫০ লাখ টকাকৈ এই কভিড যুদ্ধত কৰ্মচাৰী সকলক দিয়া হৈছে আৰু ৫০ হাজাৰ টকাকৈ আমাৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ফালৰ পৰাও দিয়া হৈছে। গতিকে মই ভাৰো বাকী যি সকলৰ আৱেদন জিলা উপায়ুক্তৰ যোগেদি আহিব বা আপোনালোকে যদি জিলা উপায়ুক্তৰ যোগেদি পঠিয়াই দিয়ে আমি লগে লগে ব্যৱস্থা ল'ম।

**माननीय उपाध्यक्ष ঃ** Second Supplementary.

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পইচা বৃদ্ধি কৰাৰ কথাটো মন্ত্ৰী মহোদয়ে নকলে, যিয়ে নহওঁক মোৰ দ্বিতীয়, প্ৰশ্নটো হৈছে এই কৰুণা মহামাৰীয়ে বহু পৰিয়ালক সৰ্বহাৰা কৰি পেলাইছে, এনেকুৱা বহু পৰিয়াল আছে যি সকলৰ সন্তান জীৱিত আছে মা-দেউতাকৰ মৃত্যু হৈছে। গতিকে তেনেকুৱা মাউৰা ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত হওঁক বা তেওঁলোক জীয়াই থকাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ কিবা পেকেজ দিয়াৰ কথা চিন্তা কৰিব পাৰে নেকি?

**माननीय उपाध्यक्ष ঃ** माननीय मন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, নিশ্চয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। এনেধৰণৰ মাউৰা শিশু সকলক বিনামূলীয়াকৈ পঢ়োৱাকে আদি কৰি তেওঁলোকক সাহাৰ্য্য দিয়া এনেকুৱা চৰকাৰৰ খনে আঁচনি লৈছে। ইতিমধ্যে তাৰ যোগেদি বহু উপকৃত হৈছে। মই ভাৰো এনেকুৱা পিতৃ-মাতৃ কৰোণাত মৃত্যু হোৱা ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ পঢ়োৱা এনেকুৱা ধৰণৰ আঁচনি এখন অসম চৰকাৰৰ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইখন আঁচনি খুব আন্তৰিকতাৰে কাৰ্যকৰী কৰিবলৈ লৈছে। গতিকে আপোনাৰ তেনেকুৱা ধৰণৰ থাকিলে জনাব আমি চৰকাৰে ব্যৱস্থা ল'ম আৰু বাকী এই যি সকলক সাহাৰ্য দিয়া হ'ল আপোনাৰ যদি জিলাত বা সমষ্টিত থাকি গৈছে জনাব। আমি পৰৱৰ্তী সময়ত বাকীখিনিৰ ব্যৱস্থা ল'ম।

**माननीय उपाध्यक्ष ঃ** এতিয়া মাননীয় সদস্য বিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন,(সৰুপথাৰ) ঃ** উপাধ্যক্ষ মহোদয়, বিগত সময়ত কৰোণা মহামাৰীয়ে আমাৰ

অসমত খনত যথেষ্ট ব্যক্তিৰ প্ৰাণ হানি কৰিলে। এই সময়ত আমি এটা কথা দেখিছিলো যে, বহু সংখ্যক ব্যক্তি অসমৰ বাহিৰত থাকে, তেওঁলোকে কৰ্মসূত্ৰে হওঁক বা চিকিৎসাৰ কাৰণে গৈ বাহিৰত আছিল, কিন্তু ব্যক্তি জন অসমৰ, তেওঁলোকে বাহিৰত থাকোতে কৰুণা হোৱাৰ বাবে মৃত্যু হ'ল কিন্তু অসমৰ যি corona website আছিল তাত তেওঁলোকৰ নাম পঞ্জীয়ন নহ'ল। যাৰ ফলৰ স্বৰূপে তেওঁলোকক পৰৱৰ্তী সময়ত আমাৰ যি compensation scheme আছিল সেই আঁচনিৰ অন্তৰ্ভূক্ত কৰিব পৰা নহ'ল বুলি আমি সেই সময়ত জানিছিলোঁ। সেই সকলক অন্তৰ্ভূক্ত কৰিব পৰা কিবা ব্যৱস্থা আছে নেকি আৰু তেওঁলোকৰ লগতে কিছু ৰোগী আছিল যি সকলে কৰোণাৰ কাৰণে hospitalised হৈছিল, কিছুদিন থকাৰ পিছত তেওঁলোক negative হৈছিল, negative হোৱাৰ এদিন বা দুদিন পিছত তেওঁলোকৰ মৃত্যু হোৱাৰ বাবে তেওঁলোকক কৰোণা ৰোগী হিচাপে বিবেচনা হ'ল নে তেওঁলোকক কৰোণা ৰোগী হিচাপে বিবেচনা নকৰিলে, বেলেগ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি এই compensation আমি দিছোঁ ইয়াৰ পৰা বাহিৰত ৰখা হ'ল এই দুটা কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, কৰোণাত মৃত্যু হোৱাটো সম্পূৰ্ণ মেডিকেল বিভাগে জিলাউপায়ুক্তৰ যোগেদি certificate সহকাৰে বিভাগলৈ পঠিয়াই। নিশ্চয় কৰোণাত মৃত্যু হোৱা যি প্ৰমাণ পত্ৰ সেই খিনি লাগিব আৰু বাহিৰত যি সকলে ঢুকাইছিল তেওঁলোকৰ নিকত পৰিয়াললৈ যদি সাহাৰ্য আগবঢ়াব লাগে নিশ্চয় এইটো আমি আলোচনা কৰিব লাগিব। আৰু বাহিৰত যি সকল ঢুকাইছিলে তেওঁলোকৰ পৰিয়াললৈ যদি সাহাৰ্য্য আগবঢ়াব লাগে নিশ্চয় এইটো আমি আলোচনা কৰিব লাগিব। নিকটতম আত্মীয়ক সাহায্য প্ৰদান আঁচনিত অন্তৰ্ভূক্ত কৰিব পৰা যায় নে নাযায় এইটো মই আপোনাক ব্যক্তিগত ভাবে জনাম ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তিনি চাৰিটামান পৰিয়ালৰ যি সকলৰ নিকটতম আত্মীয় ক'ৰোণাত ঢুকাইছে, তেওঁলোক প্ৰায় মোৰ ঘৰলৈ পইছা নোপোৱা বুলি অভিযোগ লৈ আহি থাকে আৰু তেওঁলোকে এই আঢ়ৈ লাখ টকাটো পোৱা নাই আৰু এন আৰ এইচ এমৰ কাৰ্ড ও আছে কিন্তু অডিট ৰিপোৰ্ট যিটো আছে, তেওঁলোকৰ তাত নাম নাই । বাৰে বাৰে যোগাযোগ কৰা হৈছে, ডিষ্ট্ৰীক্ট অফিচলৈ পঠিওৱা হৈছে, ডি এম ই লৈ পঠিওৱা হৈছে আৰু মই ব্যক্তিগত ভাবে নিজেও কথা পাতিছো । কিন্তু তেওঁলোকে বৰ্তমানলৈকে এই পইছাটো পোৱা নাই । প্ৰতিটো সমষ্টিতে চাগে এনেকুৱা কেচ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই জেনুইন কেছ খিনিৰ মানুহে যাতে পইছাটো পায় তাৰ ব্যৱস্থা কৰিব লাগে ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** জেনুইন কেচখিনিয়ে পাই আছে কিন্তু ডকুমেন্টৰ কিবা সমস্যা থাকিব পাৰে তথাপিও কৈছে যি কেইখন জিলাত জেনুইন কেচ হোৱাৰ পিছতো পইছা পোৱা নাই তাৰ এখন লিষ্ট জিলা উপায়ুক্তৰ জৰিয়তে আপোনালোকে পঠাব আৰু আমি নিশ্চয় ক'ভিড, widow খিনিক আঢ়ৈ লাখ টকাতো দিয়াৰ নিশ্চয় ব্যৱস্থা কৰিম । এক লাখ টকা এটা দিয়া আছে আকৌ ৫০ হাজাৰ টকা আছডামাৰ পৰা আহিছে আৰু যদি গুৰুত্বপূৰ্ণ কিবা কেচ থাকি গৈছে, জিলা উপায়ুক্তৰ জৰিয়তে পঠিয়াই দিব । জিলা উপায়ুক্তই যদি সুন্দৰভাবে প্ৰস্তাৱটো পঠিয়াই দিয়ে আমি নিশ্চয় দিয়াৰ ব্যৱস্থা কৰিম ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, হিতাধিকাৰী তালিকাত আছে কিন্তু অডিট ৰিপোৰ্টত নামটো নাই । সেই কাৰণে হোৱা নাই চাগে ।

**माननीय উপাধ্যক্ষ** ঃ আপোনালোকে বিষয়টো ভালকৈ বুজি ল'ব আৰু মন্ত্ৰীৰ লগত কথা পাতিব। এইবাৰ নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা (ৰূপহীহাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ক'ভিডত মৃত্যু হোৱা পৰিয়ালৰ যি সকলে বিদ্যালয়ত ৰান্ধনি আৰু অঙ্গনবাড়ী কেন্দ্ৰটো কাম কৰি আছে তেওঁলোকে লাভ কৰা সামান্য পাৰিতোষৰ পৰা তেওঁলোকক বঞ্চিত কৰা হৈছে। তেওঁলোকে পোৱাৰ ব্যৱস্থা কৰিলে ভাল হয় ।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ সকলোখিনি চৰকাৰী নীতি-নিয়ম অনুসৰি কৰি থকা হৈছে । চৰকাৰী নীতি-নিয়ম অনুসৰি বিবেচিত হ'লে নিশ্চয় চৰকাৰী সা-সুবিধা সমূহ লাভ কৰিব । দৰকাৰ হ'লে এইখন মই আপোনাক দি দিম ।

**माननीय উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং- ১৯০, মাননীয় সদস্যা শিৰামনি বৰা।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ মজিয়াত উত্তৰ দিয়া আছে ।

**শ্ৰীমতী শিৰামনি বাৰ (বটদ্ৰৱা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ বিলাক দিছে কিন্তু এটা প্ৰশ্নৰ উত্তৰত মই ক'ব বিচাৰিছো যে বিভিন্ন হস্পিতালত আমাৰ যিখিনি অস্থায়ী কৰ্মচাৰী আছে, তেওঁলোকক সংগৃহীত মাছুল বা এককালীন সাহায্য honorarium হিচাপে দিয়া হয় । কিন্তু মই প্ৰত্যক্ষ কৰিছো যে বটদ্ৰৱা সমষ্টিত প্ৰায় ৯ জন মান অস্থায়ী কৰ্মচাৰী কৰ্মৰত হৈ আছে । কিন্তু বটদ্ৰৱা সমষ্টিত এই অস্থায়ী কৰ্মচাৰী সকলক কোনো ধৰণৰ সাহায্য দিয়া নাই, স্থায়ী কৰ্মচাৰী নিয়োগো কৰা নাই আৰু পৰিচালনা সমিতিক পৰ্য্যাপ্ত পৰিমানৰ যি ধন দিব লাগে সেই খিনিও দিয়া নাই । গতিকে যোৱা এবছৰ দুবছৰ ধৰি যিখিনি অস্থায়ী কৰ্মচাৰী নিযুক্তি দিয়া হৈছে তেওঁলোক দৰমহাৰ পৰা বঞ্চিত হৈ আছে । গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই অস্থায়ী কৰ্মচাৰীখিনিক স্থায়ী ভাবে নিযুক্তি দিব পৰা যায় নেকি যিহেতু তেওঁলোকে বহু বছৰ ধৰি কাম কৰি আছে, গতিকে স্থায়ী কৰ্মচাৰী নিয়োগ কৰিব তেতিয়া এই অস্থায়ী কৰ্মচাৰীখিনিকো অগ্ৰাধিকাৰ ভিত্তিত নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা আছে নেকি ?

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিটো সমস্যাৰ কথা উল্লেখ কৰিছে সেইটো এটা বৃহৎ সমস্যা হৈ আছে, অসমৰ সকলো চিকিৎসালয়ত । মই তেখেতৰ সমষ্টিত থকা ৬ খন হস্পিতালত কৰ্মৰত কৰ্মচাৰীৰ নাম পৰ্য্যন্ত সংগ্ৰহ কৰিছো। এইটো বিশেষ এটা সমস্যা নহয় । কিন্তু আপুনি যেতিয়া ডিব্ৰুগড়, শিলচৰ বা গুৱাহাটী মেডিকেল কলেজলৈ বা জিলা হস্পিতাললৈ যাব, তাত দেখিব যে কোনোবা মন্ত্ৰী বা বিধায়কক হস্পিতাললৈ গ'লে স্বাস্থ্যমন্ত্ৰী বা মুখ্যমন্ত্ৰী নহয় সকলোকে আবেদন এখন ভৰাই দিয়ে যে তেওঁলোতে ইমান দিন কাম কৰি আছে আৰু তেওঁলোকে এতিয়ালৈকে সংস্থাপিত হোৱা নাই । এতিয়া ইয়াৰ ৬ খন হস্পিতালৰ যি ৯ জন কৰ্মচাৰী দিছে সেইখিনি জেনুইনলি দিছে কাৰণ এইখিনিৰ অভাৱ তাত আছে । মেডিকেল কলেজত ৫০লাখ টকা কেৱল তেওঁলোকক বেতন দিওঁতেই লাগে । ৫০ লাখৰ ওপৰত দৰমহা খিনি চ'চাইটিৰ পৰা গৈ আছে । গতিকে এই মানুহখিনি যি নিযুক্তি দিয়া হৈছে তেওঁলোকক ইন্টাৰভিউ লৈ দিছে, স্ক্ৰীনিং কৰি দিছে, তেওঁলোকক ফৰমেলি এনগেজ কৰিছে বা কিবা পোষ্টৰ বিপৰীতে লিমিটত দিছে তেনেকুৱা কোনো কথা নাই, কোনো নৰ্মচ্ নাই। গতিকে এইখিনি মানুহক পোনে পোনে স্থায়ীভাবে চৰকাৰী ভাবে নিযুক্তি দিয়াৰ কোনো সুবিধা নাই । তেওঁলোকে ক'ৰোণাৰ সময়তো বহুতো ত্যাগ স্বীকাৰ কৰিব কাৰ্য্যসম্পাদন কৰি আছে সেইটো হয়, কিন্তু তেওঁলোকক অগ্ৰাধিকাৰৰ ভিত্তিক নিযুক্তি দিয়াৰ বাহিৰে আমাৰ অন্য উপায় নাই । গতিকে আমি চিচটেমত কৈ দিছো যে এনেধৰণ লোকৰ অগ্ৰাধিকাৰ ভিত্তিক দিয়া হ'ব ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া চেকেণ্ড চাপ্লিমেন্টৰী ।

**শ্ৰীমতী শিৰামনি বাৰ (বটদ্ৰৱা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো ধিং এফ. আৰ. ইউ. ত চিটি স্কেন আৰু এক্সৰে মেচিন আজি তিনিবছৰ আগতে দিয়া হৈছে কিন্তু উপযুক্ত মানুহৰ অভাবৰ বাবে এই বস্তুখিনি ব্যৱহাৰ কৰিব পৰা নাই যাৰ বাবে এইখিনি বেয়া হৈ গৈছে । এই বস্তুখিনি কাৰ্য্যক্ষম কৰিবৰ  বাবে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব সেইটো জানিব বিচাৰিছো । আজি দুবছৰ ধৰি বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত হস্পিতাল এখনত বিদ্যুৎৰ ব্যৱস্থা নাই, সুধিলে কয় যে স্বাস্থ্য বিভাগলৈ লিখিব লাগে। মই নিজেও স্বাস্থ্য বিভাগলৈ পত্ৰ লিখিছিলো । গতিকে এই হস্পিতালখনত বিকল হৈ থকা ট্ৰেন্সফৰ্মাৰটো সোনকালে মেৰামতি কৰি বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিব লাগে ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তাত লাইট জ্বলি আছে আৰু তাত ট্ৰেন্সফৰ্মাৰ নথকাকৈ লাইট জ্বলা নাই । ইয়াত কথাটো হ'ল এনেকুৱা যে বহুতো হস্পিতালত জেনেৰেল লাইনৰ পৰা বিদ্যুৎ সংযোগ কৰা হৈছে। কেতিয়াবা এফ. আৰ. ইউ খনত লোড বেছি হ'লে স্বাস্থ্য বিভাগে কেতিয়াবা এটা সুকীয়া ডেডিকেটেড ট্ৰেন্সফৰ্মাৰ দিয়ে। এতিয়া উপৰোক্ত হস্পিতাল খনত ডেডিকেটেড ট্ৰেন্সফৰ্মাৰ দিছে নে নাই সেইটো প্ৰথমে চাই ল'ব লাগিব । দ্বিতীয়তে, আজি আপুনি ইয়াত বহি থাকোতে আজি আবেলিৰ ভিতৰত যুটীয়া সঞ্চালক যাব আৰু চাই আহি ৰিপোৰ্ট কৰিব আৰু সেইমতে আমি ঠিক কৰি দিম ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে যি একলাখ কৰ্মচাৰী নিযুক্তি দিব তাত স্বাস্থ্য বিভাগৰ অস্থায়ী কৰ্মচাৰী খিনিক নিযুক্তি লাভ কৰাৰ ক্ষেত্ৰত সহায় কৰিব নেকি আৰু বহু সময়ত স্বাস্থ্য কেন্দ্ৰ সমূহত ৰাতি ৰোগী গ'লে ট্ৰলী নাথাকে। ট্ৰলীৰ ব্যৱস্থা কৰিব নেকি সেইটো জনাব লাগে ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এক লাখ নিযুক্তিত এটা কমিচন বনাই দিছে। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদবীত নিয়োগ কৰাৰ কথাটো আমি মাননীয় মুখ্যমন্ত্ৰীক ক'ব লাগিব তেখেতে ক'ব পাৰিব ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পইন্ট অফ অৰ্ডাৰ চাৰ। মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই সত্ৰৰ মাটি বেদখল সম্পৰ্কে ক'বলৈ গৈ, সত্ৰ মাটি ইছলাম ধৰ্মী মানুহে কৰিছে বুলি কৈছে, ইছলাম ধৰ্মী মানুহৰ কথাটো প্ৰচিডিংৰ পৰা কৰ্তন কৰিব লাগে।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই যিটো সত্য কথা সেইটো কৈছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইছলাম ধৰ্মী শব্দটো ক'ব নালাগে। বেদখল বুলি কওঁক। এইটো উঠাই ল'ব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এইটো আলোচনা কৰিম এইটো গণতান্ত্ৰিক নে অগনতান্ত্ৰিক হয় তাৰ ওপৰত কথা পাতি আমি আপোনালোকক জনাম। কাৰ্য্যসূচী নম্বৰ ২। তাকৰীয়া সময়ৰ প্ৰশ্ন। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৪৮ নং নিয়মৰ অধীনত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) দুটা , শ্ৰী তেৰচ গোৱাল আৰু শ্ৰী দেৱব্ৰত শইকীয়া চাৰিটা তাৰকীয়া সময়ৰ প্ৰশ্ন আছে। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই জনস্বাস্থ্য

কাৰিকৰী বিভাগ আৰু গৃহ বিভাগৰ প্ৰশ্ন দুটা উত্থাপন কৰিব আৰু সংশ্লিষ্ট বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰদান কৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই ৰুল ৪৮ ৰ অধীনত মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত কচোৱা অঞ্চলত যোৱা ৩ দিন ধৰি অধিকাংশ দমকলত পানী নথকা কথাটো চৰকাৰ জ্ঞাত নে? হঠাৎ এনে খৰাং পৰিস্থিতি সৃষ্টি হোৱাৰ কাৰণ কি? চৰকাৰে অঞ্চলবাসীক বিশুদ্ধ খোৱা পানীৰ তাৎক্ষণিক কি পদক্ষেপ গ্ৰহণ কৰিছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস ( মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই প্ৰশ্ন আনিছে আমি সদনত তেখেতক উত্তৰ দিছো। তাত যি দুটা অঞ্চল আছে, আমাৰ চাপৰমুখ অঞ্চল আৰু কামপুৰ কচোৱা অঞ্চল। তেখেতে যি প্ৰশ্ন সুধিছে, কিছুমানত দমকল নথকাটো চৰকাৰ অৱগত হয় নে নহয়।, আমি কৈছে অৱগত। ইতিমধ্যে আমি পানী কমি যোৱা কাৰণটো সকলোৰে জানো যে, কেতিয়াবা ভূগৰ্ভত যেতিয়া জলস্তৰ কমি যায়, কেতিয়াবা বাঢ়ি যায়, সেইটোৰ প্ৰতি লক্ষ্য ৰাখি য'ত য'ত পানী অকল আমাৰ নগাঁও অঞ্চল বুলিয়ে নহয়, সমগ্ৰ অসমতে য'ত পানী কমি যায় তৎকালীন ভাবে আমাৰ বিভাগে ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ উপৰিও চাপৰমুখ অঞ্চল আৰু কামপুৰ কচোৱা অঞ্চলত আমি প্ৰায় ১২০ টা পৰিয়ালক বিশুদ্ধ খোৱা পানী যোগান ধৰিছো। উক্ত পানী যোগান আঁচনিৰ জৰিয়তে আমি পাইপ লাইনৰ সম্প্ৰসাৰণ কৰাৰ বাবে ব্যৱস্থা কৰিছো আৰু তাৎক্ষণিক ভাবে ৬০ টা পৰিয়াললৈ পানী যোগান দিয়া হৈছে। ইয়াৰ উপৰি উক্ত দুটা আঁচনিত বিশেষকৈ ৰাম নিজান, বাম নিজান আৰু মাৰৈ পোতৰি অঞ্চলত নতুনকৈ সম্প্ৰসাৰণ কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে। কামপুৰ কচোৱা অঞ্চলত ইতিমধ্যে আমি হাজি বস্তি, মজিদ চুবুৰী, জামা বস্তি, মুনচি বস্তি, মুগুৰামাৰী, সাপদুঙ্গা, উত্তৰ খুন্দা, মনোপথৰা, বালিপথাৰ, বাঙালী বস্তি, ৰাঙ্গালু বস্তি দুইত ইতিমধ্যে আমি JJM ৰ জৰিয়তে নতুনকৈ অনুমোদনৰ কাৰণে আমি ইতিমধ্যে পঠিয়াইছো উক্ত অঞ্চলত আগন্তুক দিনত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আশীৰ্বাদ হিচাবে ৬৩ লাখ পৰিয়ালক যিটো পানী যোগানৰ বাবে ইতিমধ্যে আমাক দায়িত্ব দিছে, সেই ৬৩ লাখ পৰিয়ালৰ ভিতৰত আপোনাৰ সমষ্টিৰ অন্তৰ্গত বা আপোনাৰ প্ৰশ্নৰ অন্তৰ্গত কচোৱা অঞ্চলটোও নিশ্চিত ভাবে আগন্তুক দিনত পানী যাব। সকলোৰে পাব। ক'ৰবাত যদি ৰৈয়ো যায় আমি পৰীক্ষা কৰি পানী দিয়াৰ ব্যৱস্থা কৰিম।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ Hon'ble Deputy Speaker sir, Under Rule 48, I, want to know will the minister of Home will please to say (a) Do the Govt. aware the Mizo people have been constructing houses in the Geographical Area of Assam in presence of Mizoram Police for last three days?

(b) What is the action taken by the Govt. of Assam to prevent the aggression of Mizo people in Katlichera area ?

(c ) What is the strategy of the Govt. to solve the issue permanently?

**Hon'ble Deputy Speaker** :- Shri Urkhao Brahma .

Shri Urkhao Brahma , Hon'ble Minister, Chapaguri :- Hon'ble Deputy Speaker sir, I, on behalf of the Hon'ble Chief Minister going to reply of answer of these questions in written mode.

(a) There is a report of gradual felling of teak trees and some attempts to undertake construction work under the territorial jurisdiction of Cachar Forest Division, Silchar i.e. in an area which through us within the constitutional boundary of Assam, but presently under neutral CAPF deployed from Mizoram side. This is being further verified by ascertaining the facts and getting detailed report so that the matter is taken up with both Mizoram and Ministry of Home affairs, Govt. of India for maintenance of status quo and resolving the dispute in an amicable manner.

Further, the status quo is largely being maintained in Karimganj- Mizoram and Hailakandi-Mizoram border.

(b) The Govt. of Assam had earlier held a meeting on 28.07.2021 with Govt. of Mizoram under presence of Union Home Secretary, Ministry of Home Affairs. The following decesions were taken :

1) Neutral force I.e. CAPF to be deployed in the disturbed Assam and Mizoram border area along NH 306 under a senior officer of CAPF.

2) Further, in order to facilitate the functioning if neutral force, both the Govts. of Assam and Govt. of Mizoram will work out arrangement in coordination with Ministry of Home Affairs, Govt. of India within a reasonable time frame.

3) Both the State governments should continue discussions mutually to resolve the border issue in an amicable manner.

These decisions are the guiding principles for resolving the boundary despites between Assam and Mizoram, Whenever, there is a violation of status quo from Mizoram side, we take up

the matter strongly with them and Govt. of India so that the status quo is maintained.

Further in pursuance of the decision of Chief Secretary Level meeting held on 28.07.2021, neutral forces (CAPF) have been deployed in the disputed area,

Total 23 (tweenty three) Nos. of BOPs of Assam Police are in place at present along the Assam -Mizoram Border (in Cachar, Hailakandi, and Karimganj District) to safeguard the constitutional boundary of Assam and to maintain the status quo. Area domination by way of patrolling is being carried out regularly.

(C) The Government of Assam sincerely wants an amicable and peaceful settlement of the border disputes with the neighbouring states through the process of dialogue and mutual understanding. Thank you.

**মাননীয় উপাধ্যক্ষ ঃ** - Thank you. এতিয়া মাননীয় সদস্য টেৰচ গোৱালা

**শ্ৰী টেৰচ গোৱালা (দুলিয়াজান) ঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৪৮ নং ৰ অধীনত মই তলত উল্লেখ কৰা প্ৰশ্নৰ বিষয়ে জানিব বিচাৰিম।

(ক) গুৱাহাটী মহানগৰৰ পল্টন বজাৰত যোৱা ১৭ মাৰ্চ ২০২২ তাৰিখে , পৰিয়ালৰ লগত যোৱা শ্ৰী বিকি প্ৰসাদ গুপ্তা নামৰ এগৰাকী বাইক আৰোহীক ৰাজপথত আৰক্ষীয়ে দলবদ্ধ ভাবে আক্ৰমণ কৰিলে কিয়? কথাটো সবিশেষ জনাব।

(খ) আৰক্ষীয়ে কৰ্মৰত অৱস্থাত ৰাজপথ আৰু ৰাজহুৱা স্থানত সাধাৰন নাগৰিকক দলবদ্ধভাবে আক্ৰমন কৰাৰ আইনী অধিকাৰ / কতৃত্ব আছে নেকি? এই ঘটনা প্ৰচাৰ মাধ্যমত প্ৰচাৰ হ'ল কিন্তু আৰক্ষীয়ে ক্ষমতাৰ অপপ্ৰয়োগ কৰি ওলোটাই বাইক আৰোহী শ্ৰী বিকি প্ৰসাদ গুপ্তাক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰাটো আইনী গত হৈছে নেকি? (সবিশেষ জনাব)

(গ) বাইক আৰোহী গৰাকীক বিনা দোষত গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰাৰ পাছত তেখেতৰ পত্নীয়ে থানাত গোচৰ দিছে। এই গোচৰৰ ভিত্তিত কোন কোন আৰক্ষীৰ বিৰুদ্ধে কি কি আইনী ব্যৱস্থা গ্ৰহণ কৰিছে? (সবিশেষ জনাব)

**মাননীয় উপাধ্যক্ষ ঃ** - Hon'ble Minister.

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী টেৰচ গোৱালাদেৱে তিনিটা প্ৰশ্ন কৰিছে। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত মই তেওঁৰ হৈ আজি সদনত উত্তৰ বিলাক দিবলৈ উঠিছো । উত্তৰ (ক) ইংৰাজী ১৭-০৩-২০২২ তাৰিখে দিনৰ প্ৰায় ১২ মান বজাত পল্টনবজাৰৰ এ.টি. ৰোডৰ বিশাল মেগামাৰ্টৰ সমীপত বিকি প্ৰসাদ গুপ্তা (বয়স ২৪ বছৰ) নামৰ ব্যক্তিজনে পঞ্জীয়ন নং এ. এছ, ০১ ই. ৱাই. ৭৪৪৮ ৰ এখন দুচকীয়া বাহনত উঠি আহি ৰাস্তাৰ ঘাইপথৰ মাজতে ৰৈ যানযঁটৰ সৃষ্টি কৰে। সেই সময়ত সেই ঠাইত কৰ্তব্যৰত পল্টনবজাৰ থানাৰ যানবাহন আৰক্ষী শাখাৰ আৰক্ষীয়ে বিকি প্ৰসাদ গুপ্তা নামৰ ব্যক্তিজনক তেওঁৰ দুচকীয়া বাহনখন ৰাস্তাৰ মাজৰ পৰা ৰাস্তাৰ কাষলৈ লৈ যোৱাৰ আদেশ দিয়ে, যাতে ঘাই পথত যানঁযট

মুকলি হয়। বিকি প্ৰসাদ গুপ্তা নামৰ ব্যক্তিজনে কৰ্তব্যৰত আৰক্ষীৰ আদেশ পালন কৰাৰ সলনি আৰক্ষীৰ লগত তৰ্কবিতৰ্কতহে লিপ্ত হয় আৰু এটা সময়ত কৰ্তব্যৰত আৰক্ষীক প্ৰহাৰ কৰে। সাময়িক উত্তেজনাত কৰ্তব্যৰত আৰক্ষী দুজনমানে বল প্ৰয়োগ কৰি বিকি প্ৰসাদ গুপ্তা নামৰ ব্যক্তিজনক ঘাই পথৰ মাজৰ পৰা পথৰ কাষলৈ লৈ যায়। এই সংক্ৰান্তত কনিষ্টবল ফকৰুদ্দিন আহমেদৰ এজেহাৰৰ ভিত্তিত বিকি প্ৰসাদ গুপ্তাৰ বিৰুদ্ধে ভাঃ দঃ বিঃ ধাৰা ২৯৪/ ৩৪১/ ৩৫৩ / ৩২৫ ত পল্টনবজাৰ থানাৰ গোচৰ নং ১৫১/ ২০২২ ত ৰুজু কৰা হয় ,আৰু বিকি প্ৰসাদ গুপ্তা নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰা হয়। গোচৰটোৰ অনুসন্ধানৰ অন্তত অপৰ্য্যাপ্ত প্ৰমানৰ হেতু গোচৰটোৰ চূড়ান্ত প্ৰতিবেদন এফ. আৰ. নং ১৪৮/ ২০২২ তাৰিখ ২১-০৩-২০২২ ত আদালতত দাখিল কৰা হয়।

(খ) আৰক্ষীয়ে অভিযুক্ত ব্যক্তিক কৰায়ত্ত কৰাৰ সময়ত অভিযুক্তই আৰক্ষীক বাধা দিলে আৰক্ষীয়ে বল প্ৰয়োগ কৰিব পাৰে। আৰক্ষী বিষয়া বা কৰ্মীয়ে আইন বৰ্হিভুত কাৰ্য্য লিপ্ত হলে তেওঁলোকৰ বিৰুদ্ধে আইনী অৰ্থবা বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। যিহেতু বিকি প্ৰসাদ গুপ্তাই পল্টন বজাৰ এ.টি. ৰোডৰ বিশালমেগামাৰ্টৰ সমীপত যানযঁটৰ সৃষ্টি কৰি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু কৰ্তব্যৰত আৰক্ষী কলিষ্টি বলজনক প্ৰহাৰ কৰে, সেই সন্দৰ্ভত কৰ্মৰত আৰক্ষী কনিষ্ট বলজনে পল্টনবজাৰ আৰক্ষীথানত এজাহাৰ দাখিল কৰে। সেই এজাহাৰৰ প্ৰাৰম্ভিক অনুসন্ধানৰ ভিত্তিত বকি প্ৰসাদ গুপ্তাক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে আৰু আদালতে তেওঁক জেললৈ প্ৰেৰণ কৰে।

(গ) এই ঘটনা সন্দৰ্ভত শ্ৰীমতী পুনম দাস, স্বামী- বিকি প্ৰসাদ গুপ্তাই দিয়া এজেহাৰ মৰ্মে পল্টনবজাৰ থানাৰ গোচৰ নং ১৫২/ ২২, ধাৰা ৩৪১/ ২৯৪/ ৩২৫ / ৩৪ ভাঃ দঃ বিঃ আইন মতে ৰুজু কৰা হয় আৰু তদন্ত কৰা হয়। তদন্ত কালত তিনিজন আৰক্ষী লোকক গ্ৰেপ্তাৰ কৰা হয় আৰু পৰৱৰ্তী পৰ্য্যায়ত অপৰাধসমূহ জামিন যোগ্য হোৱা বাবে জামিনত মুকলি কৰি দিয়া হয়। গ্ৰেপ্তাৰ হোৱা অভিযুক্ত সকল হ'ল- কনিষ্টবল ইউ.ডি. ফখৰুদ্দিন আহমেদ, যানবাহন আৰক্ষী কৰ্মচাৰী, মতিউৰ ৰহমান আৰক্ষী পৰিদৰ্শক, এ. বি. দ্বিতীয় অসম আৰক্ষী বেটেলিয়ন, লীলাকান্ত দাস, আৰক্ষী পৰিদৰ্শক, এ.বি., নবম অসম আৰক্ষী বেটেলিয়ন। গোচৰৰ তদন্ত চলি আছে। ইয়াৰ উপৰি শ্ৰী দেবাশিষ বৰা, এ.পি. এচ, অতিৰিক্ত সহকাৰী আয়ুক্ত, (যানবাহন- II) গুৱাহাটীয়ে এটা বিভাগীয় অনুসন্ধান কৰিছে। অনুসন্ধানৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি পল্টনবজাৰ থানাৰ যানবাহন শাখাৰ আৰক্ষী কনিষ্টবল ইউ.ডি. ফখৰুদ্দিন আহমেদৰ বিৰুদ্ধে টো বিভাগীয় কাৰ্য্য ব্যৱস্থা (Departmental Proceeding) গ্ৰহন কৰা হৈছে আৰু অন্যদুজন আৰক্ষী বিষয়াৰ মতিউৰ ৰহমান, আৰক্ষী পৰিদৰ্শক, এ. বি. দ্বিতীয় অসম আৰক্ষী বেটেলিয়ন, আৰু লীলাকান্ত দাস, আৰক্ষী পৰিদৰ্শক, এ.বি., নবম অসম আৰক্ষী বেটেলিয়ন বিৰুদ্ধে বিভাগীয় কাৰ্য্য ব্যৱস্থা (Departmental Proceeding) গ্ৰহণ কৰিবলৈ পদক্ষেপ লোৱা হৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, তাঁকৰীয়া সময়ৰ প্ৰশ্ন ৰুল ৪৮ অনুসৰি ৪ নংৰ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? যোৱা ২৪ মাৰ্চ ২০২২ তাৰিখে The Sentinel ত ৰেলৱেৰ মাটিত বসবাস কৰা লোক সকলক উচ্ছেদ কৰাৰ বাতৰি প্ৰকাশ পাইছে। অসমৰ কোন কোন জিলাত কিমান পৰিয়ালে ৰে'লৰ ভূমিত বসবাস কৰি আছে।

(খ) এই লোক সকলক উচ্ছেদ কৰাৰ পিছত পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) ৰে'ল বিভাগৰ অ-ব্যবহিত মাটিত ভূমিহীন লোকৰ বাবে আৱন্টন দিয়াৰ ব্যৱস্থা আছে নেকি?

**মাননীয় উপাধ্যক্ষ** ঃ- মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক দেবব্ৰত শইকীয়া ডাঙৰীয়াই তাঁকৰীয়া সময়ৰ যিটো প্ৰশ্ন সুধিছে, তাৰ উত্তৰ সমূহ হ'ল -

(ক) ৰে'লৱে বিভাগৰ মাটিৰ ওপৰত অসম চৰকাৰৰ কোনো প্ৰত্যক্ষ কতৃত্ব নাথাকে। যিহেতু উক্ত ভূমি ৰে'লৱে বিভাগক ভূমি হস্তান্তৰ বিধি মতে নিদ্ধাৰিত প্ৰিমিয়াম আৰু ২৫ বছৰৰ মুলধনী ভূমি ৰাজহ আদায় ক্ৰমে হস্তান্তৰ কৰা হয়। সেয়েহে ৰে'ল বিভাগৰ ভূমিত বসবাস কৰি থকা এই লোকৰ তথ্য আমাৰ ৰেভিনিউ বিভাগত নাই । ৰে'লুৱে বিভাগৰ হাতততহে সম্পুৰ্ন তথ্য আছে। কাৰণ তেওঁলোকক মাটিতোৰ সম্পুৰ্ন কতৃত্ব দিয়া হ'ল আৰু এইটো ৰে'লুৱে বিভাগৰ পৰা এই তথ্য আমি জানিব পৰা হ'ব, যদিহে মাননীয় বিধায়ক জনে বিচাৰে আমি যোগাযোগ কৰি ল'ব লাগিব।

(খ) ৰেল বিভাগৰ ভূমিত কোনো লোকে যদি অকতৃত্বশীল ভাবে বসবাস কৰে , তেনেলোকৰ বিৰুদ্ধে ৰে'ল বিভাগেহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি উচ্ছেদ কৰে। তেনে লোকক অসম চৰকাৰৰ ফালৰ পৰা পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণৰ কোনো আঁচনি নাই।

(গ) ৰে'ল বিভাগৰ মাটিত যিহেতু চৰকাৰৰ প্ৰত্যক্ষ কতৃত্ব নাথাকে উক্ত বিভাগৰ অব্যৱহৃত মাটি ভূমিহীন লোকক আৱন্টন দিয়াৰ ব্যৱস্থা সম্পৰ্কে অসম চৰকাৰৰ হাতত কোনো আঁচনি নাই।

আমাৰ যদি ভূমিহীন মানুহ, ভূমিহীন যদি প্ৰমান কৰিব পাৰে, আমাৰ land policy আছে ২০১৯. তেনেধৰণে আবেদন কৰিলে আমি বেলেগত ৰে'লুৱে মাটিত নহয়, এডজাষ্ট কৰিব পৰা যায়। এনেকুৱা এখন পলিচি আছে, আমাৰ ২০১৯ ৰপলিচিমতে। এই বিষয়টো মাননীয় সদস্যজনক জনাইছো। কেন্দ্ৰীয় চৰকাৰৰ ৰে'লুৱে বিভাগক যিহেতু আমাৰ পলিচি মতে মাটিটো স্থায়ীভাবে হস্থান্তৰিত কৰি দিয়া হয়, সেই মাটিত আমাৰ চৰকাৰৰ পোনপতীয়াকৈ তাত কোনো অধিকাৰ নাথাকে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** নেক্সট কুৱেশ্যন।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় তাকৰীয়া সময়ৰ প্ৰশ্ন মাননীয় গুৱাহাটী উন্নয়ণ প্ৰাধিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে -

(ক) যোৱা কেইবাদিন ধৰি মহানগৰীত খোৱা পানীৰ তীব্ৰ নাটনিৰ বিৰুদ্ধে তথ্য প্ৰকাশ পাইছে। পানী যোগান প্ৰকল্পৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) পানী যোগান আঁচনি নিৰ্মাণত হোৱা দুৰ্নীতিৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) এই দুৰ্নীতিত জড়িত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে এতিয়ালৈকে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) ২০০৯ চনতে নিৰ্মাণ আৰম্ভ হোৱা চাৰিটাকৈ অভিলাষী পানী যোগান আঁচনিৰ কাম এতিয়ালৈকে কিয় সম্পূৰ্ণ হৈ উঠা নাই?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটীত চাৰিটা পানী যোগান আঁচনি প্ৰকল্পৰ ওপৰত কাম চলি আছে। তাৰ ভিতৰত

হ'ল North Guwahati জাইকা ফাণ্ডেড প্ৰজেক্ট West Guwahati Water Supply Project এইটো জি এন ইউ আৰ এম ৰ অন্তৰ্গত চলি আছে আৰু গুৱাহাটী বৃহত্তৰ এৰিয়াৰ কাৰণে South Central Guwahati প্ৰকল্পটো জাইকাৰ ফাণ্ডত চলি আছে। East Guwahati পানী যোগান আঁচনিটো এচিয়ান ডেভেলপমেণ্ট বেংকৰ ফাণ্ডিঙত চলি আছিল। এই প্ৰকল্পবোৰ ২০০৯-১০ চনত আৰম্ভ হোৱা আৰু সঁচাকৈ ক'বলৈ গ'লে জি এন ইউ আৰ এম ৰ প্ৰকল্পত সৰু এটা অঞ্চলত partial commissioning হৈছিল যদিও পানী যোগান এতিয়ালৈ হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত গুৱাহাটীত পানী যোগান ধৰিব লাগে, সেই বিষয়ত বিশেষভাৱে গুৰুত্ব দি কামবিলাক আগবঢ়োৱা হৈছে। বিভিন্ন কাৰণত প্ৰকল্পবোৰ delay হৈ গ'ল। যেতিয়া প্ৰজেক্টটো ইনিচিয়েলী প্লেন কৰা হৈছিল, ব্ৰহ্মপুত্ৰৰ পানী সম্পৰ্কে যিসকলে ৰিপোৰ্ট কৰিছিল, তেখেত সকলৰ জ্ঞান নথকাৰ কাৰণে যিটো পানীৰ প্ৰবাহ, যিটো water force সেইটো এষ্টিমেট কৰিব নোৱাৰাৰ কাৰণে প্ৰথম লানি যিটো intake well বনাইছিল, সেই ৱেলটোহে পানীয়ে উটুৱাই লৈ গ'ল আৰু জাইকা ফাণ্ডেড চাউথ গুৱাহাটী প্ৰকল্পৰ পৰা চেণ্ট্ৰেল গুৱাহাটীত, ৱেষ্ট গুৱাহাটী প্ৰকল্পৰ পৰা চাউথ চেট্ৰেল গুৱাহাটীত পানী অনাৰ বাবে এটা ব্যৱস্থা কৰা গ'ল আৰু চাউথ চেট্ৰেল গুৱাহাটীত পানী আহি পালে। intake tank টো চাউথ চেট্ৰেল গুৱাহাটীত মোটামুটি সম্পূৰ্ণ হোৱাৰ পৰ্য্যায় পাইছে। বিভিন্ন ধৰণৰ কাম বিভিন্ন ধৰণে চলি আছে। কাম যে delay হ'ল তাৰ কেইবাটাও কাৰণ আছে। মই এটা কাৰণ intake well ফেইল হোৱাটো ক'লো। দ্বিতীয় কাৰণটো হ'ল, যিসকল ঠিকাদাৰে তেতিয়া কাম লৈছিল ইন্সট্ৰলেচিং এটা ইচ্ছু থাকি গ'ল। কন্ট্ৰেকটৰ bankrupt হৈ গ'ল। কামটো পিছত আবণ্টন কৰোতে অলপ দেৰি হ'ল। মাজত ক'ৰোণাৰ সময় ও আহিল। কিন্তু আজি মই সদনক জনাব পাই সুখী হৈছো যে প্ৰকল্প বোৰৰ partial commissioning কাম অহা দিনবোৰত আমি আৰম্ভ কৰিম আৰু এতিয়া main reservoir ৰ পৰা জাইকা ফাণ্ডেডৰ কথা মই কৈছো, South Central Guwahati, যিটো গুৱাহাটীৰ বৃহত্তৰ এৰিয়াৰ প্ৰজেক্ট, তাৰ পৰা গুৱাহাটীৰ বৃহত্তৰ এৰিয়াত পানী দিব। তাত main reservoir ৰ পৰা তলৰ সৰু storage reservoir যিবিলাক আছে, তাত ক্লিনিঙৰ কাম চলি আছে। 2022 চনৰ May মাহৰ পিছত আমি ঘৰে ঘৰে কানেকশ্যন দিয়াৰ কাম আৰম্ভ কৰিম আৰু জুলাই মাহৰ পিছত phase manner ত ঘৰে ঘৰে পানী দিয়াৰ কাম আৰম্ভ হ'ব। মোৰ হাতত থকা তথ্যমতে জুলাই 2022 চনৰ পৰা আমি প্ৰায় 5000 ৰো অধিক পৰিয়ালক পানী দিব পাৰিম আৰু তাৰ কাৰণে জুন-জুলাইৰ ভিতৰত আমি house hold connection ৰ কাৰণে application বিচৰা আৰম্ভ কৰিম। পানী দিয়া যিটো আঁচনি, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশমতে কামটো আগবাঢ়ি আছে।

দ্বিতীয় প্ৰশ্নটো আছিল পানী যোগান আঁচনিত দুৰ্নীতিৰ বিষয়ত চৰকাৰ অৱগতনে? জাইকা ফাণ্ডেড গুৱাহাটী পানী যোগান আঁচনিত দুনীতি ৰ এক অভিযোগ পোৱা গৈছে। পানী যোগান আঁচনিত নিৰ্মাণত লাভ কৰা দুনীৰ্তিৰ অভিযোগৰ ভিত্তিত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে অতিৰিক্ত মুখ্য সচিব শ্ৰী পবন কুমাৰ বৰঠাকুৰৰ নেতৃত্বত এক উচ্চ পৰ্য্যায়ৰ তদন্ত কমিটি গঠন কৰা হৈছে। ২০০৯ চনত নিৰ্মাণ আৰম্ভ হোৱা চাৰিটাকৈ অভিলাষী পানী যোগান আঁচনিৰ কাম এতিয়ালৈকে কিয় সম্পূৰ্ণ হৈ উঠা নাই? ইয়াৰ উত্তৰটো মই আগতেই দিলো। মই ভাৱো যে অহা দিনবোৰত মাননীয় সদস্য ডাঙৰীয়াই যিটো জানিব খুজিছে যে গুৱাহাটী বাসী ৰাইজক partially আমি এই বছৰৰ 2022 চনৰ পৰা ঘৰে ঘৰে পানী দিয়াৰ কাম আৰম্ভ কৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা 22 মাৰ্চ তাৰিখে লোকসভাত কেন্দ্ৰীয় কৃষি মন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি অসমত 13 লাখ কৃষকে চৰকাৰী আঁচনিৰ 700 কোটি টকাৰ ধন আত্মসাৎ কৰিছে। এই কেলেংকাৰীত জড়িত হোৱা কৃষক, বিষয়া আৰু কৰ্মচাৰীৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) ভুৱা কৃষকৰ পৰা এতিয়ালৈকে কিমান টকা ঘূৰাই অনা হ'ল?

(গ) এই পুঁজি কেন্দ্ৰীয় চৰকাৰৰ পুঁজি, সেয়েহে এই দুনীৰ্তিৰ চি বি আই তদন্ত হ'বনে?

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াৰ তাকৰীয়া সময়ৰ প্ৰশ্ন উত্তৰ আমি সদনৰ মজিয়াত দাখিল কৰিছো। আমি সকলোৱে জানো যে কৃষকক আৰ্থিক সমৰ্থন আগবঢ়োৱৰ উদ্দেশ্যে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই "প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি" বা "পি এম কিষাণ" নামৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনি খন অসমত 2018 চনৰ ডিচেম্বৰ মাহৰ পৰা ৰূপায়ণ কৰা হৈ আহিছে। এই আঁচনিখনৰ নীতি-নিৰ্দ্দেশনা অনুসৰি  নিজৰ নামত মাটি থকা একোটা কৃষক পৰিয়ালক বছৰী তিনিটা কৃষ্টিত দুই হাজাৰ টকাকৈ মুঠ ছয় হাজাৰ টকা তেওঁলোকৰ বেংক একাউণ্টট ডি বি টি যোগে জমা দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিলো যে "পি এম কিষাণ সন্মান নিধি" ত কিছুমান অযোগ্য ব্যক্তিৰ নাম অন্তৰ্ভুক্ত হৈছে। তাৰ বাবে আমি চৰকাৰৰ তৰফৰ পৰা বা বিভাগৰ ফালৰ পৰা ব্যৱস্থা লম। কেন্দ্ৰীয় চৰকাৰৰ "পি এম কিষাণ" পোৰ্টেলত নাম  পঞ্জীয়ণ কৰা একাংশ অযোগ্য হিতাধিকাৰীয়ে প্ৰত্যক্ষ লাভ হস্তান্তৰ (ডি বি টি) ব্যৱস্থা যোগে আঁচনিখনে আগবঢ়োৱা সুবিধা লাভ কৰা কথাটো সত্য। এই যিটো কেন্দ্ৰীয় চৰকাৰে দিছে, এই ডি বি টিৰ জৰিয়তে পাইছে আৰু এইটোও সত্য যে যিবিলাকক অযোগ্য বুলি আমি ঘোষণা কৰিলো, যেতিয়া ৰিভেৰিফিকেশ্যন হৈছে, তাৰ ভিতৰৰ বহুত যোগ্য হিচাপেও বিবেচিত হৈছে। কাৰণ পূৰ্ব্বতে কেন্দ্ৰীয় চৰকাৰৰ যি ক্ৰাইটেৰিয়া আছিল, যি গাইড লাইন আছিল, সেই গাইড লাইনখন অত্যন্ত কঠোৰ আছিল। যি বিলাকৰ নাম অন্তৰ্ভুক্ত হৈছিল, পূৰ্ব্বতে যিবিলাকে কৰিছিল, সেই বিলাকৰ বেছি ভাগেই যে খেতিয়ক নহয় এনে কথা নহয়। সৰহ সংখ্যকেই খেতিয়ক, কিন্তু আমাৰ খেতিয়ক সকল উপান্ত খেতিয়ক, কাৰোবাৰ পৰা মাটি বন্ধকত লৈ খেতি কৰে। নিজৰ নামত মাটি নাই বা মাটি পট্টা থাকিলেও ককাৰৰ নামত বা দেউতাকৰ নামত আছে। গতিকে এই গোটেইবোৰ যেতিয়া আমি কেইবাটাও অনুসন্ধান কৰাৰ পিছত প্ৰত্যক্ষ কৰিলো, তেতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত কেবিনেটত কিছু সিদ্ধান্ত লোৱা হ'ল, সেই সিদ্ধান্ত অনুসৰি ম্যাদি পট্টা থকা কৃষক, একচনিয়া পট্টা থকা কৃষক, উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা জাৰি কৰা ভূমি আৱন্টন পট্টা থকা কৃষক, Village Grazzing reserve, Professional Grazzing reserve বা অন্য সংৰক্ষিত বনাঞ্চলৰ বাহিৰে বেদখলী জৰিমনা দি চৰকাৰী মাটিত খেতি কৰা কৃষক, ভূমি নথি অবিহনে দীৰ্ঘদিন ধৰি ট্ৰাইবেল বেল্ট আৰু ব্ল'কত কৰ্তৃপক্ষৰ অনুমতি সহকাৰে খেতি কৰি থকা কৃষক, বন অধিকাৰী আইন ২০০৬ অনুসৰি বনাঞ্চলত খেতি কৰি থকা কৃষক, দেৱোত্তৰ ভূমি সত্ৰ, চাহ বাগিছাত চুক্তিত লোৱা ভূমি আদিত সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমতি লৈ খেতি কৰি থকা কৃষক, বনৌষধি, ক্ষুদ্ৰ চাহ খেতি কৰি থকা কৃষক, বাণিজ্যিক ৰোপন শস্য আৰু উদ্যান শস্যৰ লগত

জড়িত কৃষক, পূৰ্বপুৰুষৰ নামত থকা মাটিত উত্তৰাধিকাৰী সূত্ৰে খেতি কৰি থকা কৃষক আৰু মাটিৰ নথি পত্ৰ নথকা কৃষক, কিন্তু অসম ভূমি নীতি **২০১৯ চন**ৰ অধীনত যোগ্য কৃষক আদি PM Kishan আঁচনিৰ যোগ্য হিচাপে বিবেচনা কৰা হ'ব। এইখিনি কৰাৰ পিছত দেখা গৈছে যে এতিয়া বহুত অযোগ্য বুলি বিবেচিত কৰা কৃষকৰ নাম অন্তৰ্ভূক্ত হৈছে। PM Kishan আঁচনিত মই আগতেও উল্লেখ কৰি গৈছো যে এতিয়া অযোগ্য হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত হোৱা বিষয়টো আমাৰ দৃষ্টিগোচৰ হ'ল আৰু চৰকাৰে তাৎক্ষনিকভাৱে এই সম্পৰ্কত বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়ে। এই তদন্তৰ ভিত্তিত বহু সংখ্যক অযোগ্য হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত কৰাৰ অ পৰাধত মৰিগাওঁ জিলাৰ জিলা কৃষি বিষয়া আৰু জিলা খনৰ এগৰাকী কৃষি উন্নয়ন বিষয়াৰ লগতে এগৰাকী Data Entry Operator ক নিলম্বন কৰা হয়। ইয়াৰ পিছত বিভাগীয় তদন্তৰ ভিত্তিত সন্দেহযুক্ত হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত কৰাৰ অ পৰাধত বৰপেটা জিলাৰ কৃষি বিষয়া গৰাকীকো নিলম্বন কৰা হয়। বিভিন্ন মহলৰ পৰা জিলা পৰ্য্যায়ত PM Kishan আঁচনিৰ portal ত বহুতো অযোগ্য হিতাধিকাৰীয়ে নিজৰ নাম পঞ্জীয়ন কৰি থকাৰ অভিযোগ উত্থাপিত হোৱাত পৰৱৰ্তী সময়ত অসম চৰকাৰে সেই সময়ৰ অতিৰিক্ত মুখ্য সচিব যিষ্ণু বৰুৱা ডাঙৰীয়াৰ দ্বাৰা উচ্চ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়ে আৰু সেই এজনীয়া তদন্তৰ কাম **২০২০** চনৰ **২০** মে'ত আৰম্ভ হৈ সেই বছৰটোৰে জুলাই মাহত সম্পূৰ্ণ হয়। এই তদন্তই ৰাজ্যখনৰ জিলা পৰ্য্যায়ৰ কৃষি বিষয়া আৰু জিলা প্ৰশাসনক লগত লৈ PM Kishan আঁচনিৰ portal ত পঞ্জীভূক্ত সকলো হিতাধীকাৰীকে সামৰি ১০০ শতাংশ পুনৰীক্ষণৰ কাম সম্পন্ন কৰে। এই পুনৰীক্ষণৰ ফলত ৰাজ্যখনৰ PM Kishan **আঁচনিৰ** portal ত পঞ্জীভূক্ত হোৱা **১১.৭২** লাখ অযোগ্য হিতাধিকাৰী আৰু **১৯.৪৭** লাখ যোগ্য হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত হোৱা পোহৰলৈ আহে। সেই সময়ত অতিৰিক্ত মুখ্য সচিব যিষ্ণু বৰুৱা ডাঙৰীয়াৰ পৰা পোৱা তদন্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰে কৃষি বিভাগৰ **১৬** জন জিলা কৃষি বিষয়া, এজন সহকাৰী কৃষি সঞ্চালক, এজন জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া আৰু **৯৮** জন কৃষি উন্নয়ন বিষয়াক কাৰণ দৰ্শোৱাৰ জাননি জাৰি কৰে। এই তদন্তৰ ভিত্তিত ধুবুৰী জিলাৰ এগৰাকী Data Entry Operator ক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ উপৰিও তেখেতৰ বিৰুদ্ধে ধুবুৰী জিলাৰ জিলা কৃষি বিষয়াৰ জৰিয়তে সংশ্লিষ্ট আৰক্ষী চকীত FIR দাখিল কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো অসমৰ কংগ্ৰেছ দলৰ এগৰাকী সাংসদেও সংসদত উ ত্থাপন কৰিছে আৰু আমাৰ বিধান সভাতো এই বিষয়টো উত্থাপন কৰিছে। এই বিষয়টোৰ লগত যিহেতু বহু শ কোটিৰ বিষয়টো জড়িত হৈ আছে, অনাহকত এটা ডাঙৰ কেলেংকাৰী হোৱা বুলি অপযশ দিবলৈ কেতবোৰ শক্তিয়ে অপচেষ্টা কৰি আছে। গতিকে এই কথাৰ ওপৰত আমি যদি স্পষ্টভাৱে সদনৰ মজিয়াত (interruption)

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ ইয়াৰ ওপৰত CBI তদন্ত হ'ব নে নাই, আমাক জনাব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, কৃষি বিভাগ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই ক'লে বুলিয়েই চৰকাৰে CBI তদন্ত নক ৰিব। সেই কাৰণে মই সদনৰ মজিয়াত সকলোকে অৱগত কৰিব বিচাৰিছোঁ যে CBI তদন্তই হওঁক বা Cyber crime য়েই হওঁক, verification complete কৰাৰ সুবিধাটো আমাক দিব লাগিব। **ওপ**ৰোক্ত তদন্তৰ ভিত্তিত ধুবুৰী জিলাৰ এগৰাকী Data Entry Operator ক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ উপৰিও তেখেতৰ বিৰুদ্ধে ধুবুৰী জিলাৰ জিলা কৃষি বিষয়াৰ জৰিয়তে সংশ্লিষ্ট আৰক্ষী চকীত FIR দাখিল কৰা হয়। ইয়াৰোপৰি বৰপেটা

জিলাৰ কৃষি বিষয়া গৰাকীৰ জৰিয়তে PM Kishan আঁচনিৰ হিতাধিকাৰীৰ নিৰ্বাচন আৰু সংশ্লিষ্ট portal ত নাম পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত খেলিমেলি জড়িত হৈ থকাৰ অপৰাধত জিলাখনৰ দুটা সমুহীয়া তথ্য কেন্দ্ৰত CSC কৰ্মচাৰীৰ বিৰুদ্ধে সংশ্লিষ্ট আৰক্ষী চকীত FIR দাখিল কৰাৰ লগতে জিলাখনৰ ৭১ গৰাকী কৃষি সম্প্ৰসাৰণকাৰীৰ সহকাৰীক কাৰণ দৰ্শোৱাৰ জাননি জাৰী কৰা হয়। কাৰণ দৰ্শোৱা জাননি সমূহৰ উত্তৰ লাভ কৰাৰ পিছত সম্প্ৰতি এই সমূহ পৰ্য্যালোচনা, তদন্ত আৰু scrutiny ৰ কাম চলি আছে। ২০২১ বৰ্ষত বৰ্তমানৰ ৰাজ্য চৰকাৰ গঠন হোৱাৰ পিছত ৭ জুন, ২০২১ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই জিলা উপায়ুক্তৰ তত্বাৱধানত জিলা সমূহৰ ভূমি আৰু ৰাজহ বিভাগৰ বিষয়াৰ দ্বাৰা PM Kishan আঁচনিৰ হিতাধিকাৰীৰ ক্ষেত্ৰত এশ শতাংশ পুনৰীক্ষণৰ নিৰ্দেশ দিয়ে। জিলা সমূহৰ পৰা লাভ কৰা তথ্য অনুসৰি এতিয়ালৈকে পুনৰীক্ষণ প্ৰক্ৰিয়া ৯৪ শতাংশ সম্পূৰ্ণ হৈছে। এই এশ শতাংশ পুনৰীক্ষণৰ কাম আৰম্ভ হোৱাৰ লগে লগে দুটা গুৰুত্বপূৰ্ণ বিষয় চৰকাৰৰ দৃষ্টিগোচৰ হয়। PM Kishan আঁচনিৰ অধীনত বহুতো হিতাধিকাৰী অযোগ্য ঘোষিত হোৱাৰ মূল কাৰণ এই আঁচনিখনৰ কাৰিকৰী নিৰ্দেশনা। Operational guideline ত উল্লেখ কৰা হিতাধিকাৰীৰ exclusion criteria ৰ সন্দৰ্ভত নিয়মৰ annexure -B ৰ বাবে নহয়, বৰঞ্চ এই সকল হিতাধিকাৰীয়ে আঁচনি খনক কাৰ্যকৰী নিৰ্দেশনা ক্ৰমে ভূমি সংক্ৰান্তীয় নিয়মৰ বাবেহে অযোগ্য হিচাপে বিবেচিত হৈছে। এইখিনি মই সদনৰ মজিয়াত কৈছো। কাৰিকৰী নিৰ্দেশনাখনৰ অকল ভূমি সংক্ৰান্তীয় নীতি-নিয়মৰ বাবে ৰাজ্যখনৰ বহুতো প্ৰকৃত কৃষকে আঁচনিখনৰ হিতাধিকাৰী হিচাপে পাব লগীয়া সুবিধাৰ পৰা বঞ্চিত হোৱা বিষয়তো বিবেচনা কৰি অসম চৰকাৰৰ কেবিনেট বৈঠকে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি ২০২১ চনৰ ১২ আগষ্ট তাৰিখে জাৰি কৰা জাননিৰ যোগে উক্ত আঁচনিখনৰ কাৰিকৰী কাৰ্য্যকৰী নিৰ্দেশনাত ভূমি সংক্ৰান্ত নীতি-নিয়মৰ ক্ষেত্ৰত কিছু শিথিলতা অনা হয়। কি শিথিলতা অনা হয়, এই কথাখিনি মই উল্লেখ কৰিছো । এই সিদ্ধান্তৰ ফলত আঁচনিখনৰ অযোগ্য হিতাধিকাৰীৰ সংখ্যা ১০ লাখকৈ হ্ৰাস পায়। আঁচনিখনৰ portal ত নাম পঞ্জীভূক্ত কৰা আৰু নিজস্ব বেংক একাউন্ট থকা বহুতো অযোগ্য হিতাধিকাৰীয়ে আঁচনিখনৰ অধীনত DBT যোগে ধন লাভ কৰি থকাৰ স্বত্বেও এনে হিতাধিকাৰীৰ বাস্তৱ স্থিতি বিচাৰি নোপোৱাটো আমাৰ বাবে ডাঙৰ সমস্যা হৈছে। বেংক একাউন্ট খোলাৰ ক্ষেত্ৰত যিহেতু KYC বাধ্যতামূলক, সেয়েহে এনে অযোগ্য হিতাধিকাৰী চিনাক্ত কৰণৰ ক্ষেত্ৰত বেংকৰ নীতি-নিৰ্দেশনা অনুসৰিয়েই সংশ্লিষ্ট বেংক দায়বদ্ধ। সেই কাৰণে আমি বেংকৰ অফিচাৰ সকলৰ লগত আলোচনা কৰিছো যাতে বেংকৰ জৰিয়তে এইখিনি আদায় কৰিব পৰা যায় আৰু এই ক্ষেত্ৰত আমি নিশ্চয় সফল হ'ব পাৰিম। এতিয়া কেতবোৰ সমস্যা হৈছে যেনে আধাৰ কাৰ্ডৰ সমস্যা। শেহতীয়াকৈ বেংকৰ লগত আধাৰ সংযোগ কৰাৰ ব্যৱস্থা হৈছে। আমি নতুন হিতাধিকাৰীৰ নাম offline বা online যোগে অন্তৰ্ভূক্তিৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছো। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ অধীনস্থ জিলা সমুহত হিতাধিকাৰীৰ পুনৰীক্ষণৰ কাম সম্পূৰ্ণ হৈছে। বাকী কিছুমান জিলাত এতিয়া হৈ উঠা নাই। গতিকে সেইখিনি আমি অতি সোনকালে সম্পূৰ্ণ কৰিম। এই ক্ষেত্ৰত মই ভাৱো আমাৰ sincerity ৰ ক্ষেত্ৰত আমাৰ সন্মানীয় বিধায়ক শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ ওপৰত সন্দেহৰ কোনো অৱকাশ নাথাকিব। সেই বাবেই এই গোটেইখিনি কথা আজি মই সদনৰ মজিয়াত স্পষ্টকৈ কৈছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ সন্মানীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়া এই প্ৰশ্নটোৰ ওপৰত আপোনাৰ কিবা Supplementary আছিল নেকি?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছিলো যে তাকৰীয়া প্ৰশ্নৰ উত্তৰত ইমান দীঘল উত্তৰ পালো, কিন্তু মূল উত্তৰটো নাপালো। মই জানিব বিচাৰিছো যে ইয়াৰ ওপৰত CBI তদন্ত দিব নে নিদিয়ে?

**শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই তাকৰীয়া সময় প্ৰশ্ন **৭** , মাননীয় ভৈয়াম জনজাতি উন্নয়ন আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে

(ক) যোৱা **২৪** মাৰ্চ, **২০২২** তাৰিখে ৰাজ্যৰ আগশাৰীৰ বাতৰি কাকতত অসমৰ ছয় জনগোষ্ঠীক জনজাতি কৰণৰ দাবীত হোৱা বিভিন্ন প্ৰতিবাদৰ বাতৰি প্ৰকাশ পাইছে। বহু বছৰ ধৰি কৰি থকা এই দাবী পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) অসমৰ ছয় জনগোষ্ঠীক জনজাতি কৰণৰ প্ৰক্ৰিয়াৰ শেহতীয়া স্থিতি জনাবনে?

(গ) এই সম্পৰ্কত মন্ত্ৰীগোটে দিয়া পৰামৰ্শসমূহ সদনত দাখিল কৰিব নে?

(ঘ) অসমৰ ছয় জনগোষ্ঠীক জনজাতি কৰণৰ বাবে সংসদত কোনো বিধেয়ক উত্থাপন কৰা হৈছিল নেকি? যদি হৈছিল, বিতং তথ্য দিব।

(ঙ) **১৯৯৬** চনত সংসদৰ বাচনি সমিতিয়ে প্ৰতিবেদন দিয়াৰ পিছতো এই ক্ষেত্ৰত কিয় কোনো ব্যৱস্থা লোৱা হোৱা নাই?

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীৰণোজ পেগু, মন্ত্ৰী, ভৈয়াম জনজাতি উন্নয়ন আৰু অন্যান্য পিছপৰা শ্ৰেণী, ইত্যাদি** ঃ মাননীয় উপাধ্যক্ষ মহোদয় ৰাজ্য চৰকাৰে সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰলৈ অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টোৰ সম্পৰ্কে প্ৰস্তাৱ প্ৰেৰণ কৰি আহিছে। অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰক্ৰিয়াটো বৰ্তমান কেন্দ্ৰীয় চৰকাৰত বিবেচনাধীন হৈ আছে। যোৱা চৰকাৰৰ দিনত সেই সময়ৰ মন্ত্ৰী মাননীয় ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অধ্যক্ষতাত গঠিত হোৱা সমিতিখনে অসমৰ বিভিন্ন জনগোষ্ঠীয় সংগঠন সমূহৰ লগত এই বিষয়ে আলোচনা কৰে আৰু আলোচনাৰ প্ৰতিবেদন সমূহ ইতিমধ্যে মই সদনত দাখিল কৰিছো। ৰাজ্য চৰকাৰৰক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে. ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত ইয়াত আমাৰ বিশেষ কৰিবলগীয়া একো নাই। সংসদত উত্থাপন হোৱ বিষয়টো ৰাজ্য চৰকাৰৰ অধীনত নপৰে, যিহেতু কোনো জনগোষ্ঠীক জনজাতিকৰণ প্ৰক্ৰিয়াটো কেন্দ্ৰীয় চৰকাৰৰ বিচাৰ্য্য বিষয়। সেয়েহে ৰাজ্য চৰকাৰৰ প্ৰস্তাৱ প্ৰতিবেদন প্ৰেৰণ কৰাৰ বাহিৰে আমাৰ কৰণীয় নাথাকে। কিন্তু মন্ত্ৰী গোট গঠন কৰা হৈছিল সেই মন্ত্ৰীগোটে ইতিমধ্যে অসমৰ বিভিন্ন জনগোষ্ঠীয়, জনজাতীয় সমূহৰ লগত আলোচনা কৰোতে তাত কিছুমান মতানৈক্য দেখা দিছিল আৰু সেই মতানৈক্যসমূহ দূৰ কৰাৰ কাৰণে এই জনগোষ্ঠীয় সংগঠন সমূহৰ মাজত আলোচনা পুনৰ অনুষ্ঠিত কৰাৰ পোষকতা আমি কৰিছিলো আৰু সংগঠন সমূহক নিজৰ মাজত সেইখিনি আলোচনা কৰি মতানৈক্যসমূহ দূৰ কৰাৰ কাৰণেও আমি পৰামৰ্শ আগবঢ়াইছিলো। বৰ্তমান আমি পুনৰ পদক্ষেপ লৈছো যাতে জনগোষ্ঠীয় সংগঠনসমূহৰ মাজত এটা আলোচনা অনুষ্ঠিত হৈ ঐক্যমতত উপনীত হ'ব পৰা যায়। কিন্তু সেইটো আমাৰ পৰামৰ্শহে হ'ব। জনজাতিকৰণৰ বিধেয়ক পাচ কৰা নকৰাৰ সিদ্ধান্ত পূৰ্ণ কতৃত্ব কেন্দ্ৰীয় চৰকাৰৰ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Supplementary এটা আছিল। কেৱল এক মিনিটৰ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাক যেতিয়া Supplementary ৰ কাৰণে সুবিধা দিওঁতে কিয় নক'লে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** তেতিয়াতো ক'লো মই। এটা মাত্ৰ Supplementary. মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২০১৮ বৰ্ষৰ ৰাজ্যসভা আৰু লোকসভা 'কা আন্দোলন' চলি থকাৰ সময়ত মই নিজে সেইদিনা ৰাজ্যসভাৰ গেলাৰীত বহি আছিলো। আমাৰ অসমৰ ৬ টা জনগোষ্ঠীক জনজাতিকৰণ কৰিব লাগে বুলি এখন বিধেয়ক আহিছিল। সেই বিধেয়কখন কেন্দ্ৰীয় চৰকাৰে উত্থাপন কৰিছিল তাত। সেই বিধেয়কখন অহাৰ পাছত আকৌ কিবা কমিটি গঠন কৰাৰ প্ৰয়োজন আছে জানো। কাৰণ বিধেয়কখন উত্থাপনহে হৈছিল। মই সেইকাৰণে মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে সেই বিধেকখন তেতিয়াহ'লে অবৈধভাৱে উত্থাপন হৈছিল নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** যদি উত্তৰ দিব খুজিছে, দিব পাৰে। নিদিলেও কোনো কথা নাই।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ বিষয়টো ৰাজ্যসভা, লোকসভাৰ বিষয়টোৰ সম্পৰ্কে মই ইয়াত কোনো মন্তব্য দিব পৰা পজিচনত নাই। এই বিষয়ত বিভিন্ন সংগঠন সমূহে তাত গৈ স্মাৰক পত্ৰ দিছিল। গতিকে আমাৰ মতামত বিচাৰিছিল। মতামতসমূহ আমি বিভিন্ন সংগঠনৰ লগত আলোচনা কৰি যিখিনি সংগ্ৰহ হৈছে, সেইখিনি ইতিমধ্যে আমি জনাইছো। সংগঠন বিলাকৰ মাজত থকা মতানৈক্য দূৰ কৰিবৰ কাৰণে আমি সংগঠন সমূহক তেওঁলোকৰ ভিতৰত পাৰস্পৰিক আলোচনা অনুষ্ঠিত কৰিবলৈ আমি পৰামৰ্শহে আগবঢ়াইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শূন্যকালীন ঘণ্টা।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা point of order আছিল। মই একেবাৰে কম সময় ল'ব বিচাৰিছো। আজি ১৮৬ ত তৰাচিহ্নিত প্ৰশ্ন এটা আছিল যদিও সেইটো মিচ কৰিলো। মৰিয়নী সমষ্টিৰ এজন শিক্ষাবিদ জিণ্টু হাজৰিকা, তেখেত ঢুকোৱাৰ লগে লগে ৬ দিনৰ পিছত তেখেতৰ সহধৰ্মিনী শিক্ষয়েত্ৰী মৌচুমী গগৈ হাজৰিকা ঢুকাল। মাক-দেউতাক নথকা এই পৰিয়ালৰ এটি সন্তান অটিষ্টিক আজি ৰাতিপুৱা আহি পাইছে। Special Care Centre এটাত ভৰ্তি কৰিব লগা হ'ল। সেই কাৰণে মই তৰাচিহ্নিত প্ৰশ্নটো মই মিচ কৰিলো। মই এইটোতো নিয়ম অনুসৰি নাপাওঁ। কিন্তু মোৰ এটা চাপ্লিমেণ্টৰী প্ৰশ্ন আছিল সেইটো প্ৰায় ৬০ জনমান বিধায়ক বা বিধান সভাৰ লগত জড়িত আমাৰ চাহ জনগোষ্ঠীৰ আদিবাসী লোকসকলক বৰ্তমান চৰকাৰখনে মাটিৰ পট্টা দিয়াক লৈ এখন special committee চক্ৰ বিষয়াৰ লেভেলত নিৰ্মাণ কৰিছিল আৰু যথেষ্ট খৰতকীয়া কাম আৰম্ভ হৈছিল। কামো আগবাঢ়িছিল। আমি পট্টা দিব পাৰিছিলো। কিন্তু কেওতা উপনিৰ্বাচন, আমাৰ পৌৰসভাৰ নিৰ্বাচন আদিৰ কাৰণে বিষয়াসকল এই SD, LAC ৰ বিশেষ মিটিং কৰিব পৰা নাই। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, চক্ৰ বিষয়াৰ পৰ্য্যায়ত চাহ জনগোষ্ঠীৰ লোক সকলে special committee ৰ এই মিটিংখন খৰতকীয়াকৈ আকৌ অনুষ্ঠিত কৰাৰ বাবে ব্যৱস্থা ল'ব নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** Point of order ৰ আপুনি উত্তৰ নাপাব।

**শ্ৰী মতী নন্দিতা দাস (বকো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনৰ অন্তিম দিন। মই এটা বিষয় চমুকৈ ক'ব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কোনটো ৰুলত ক'ব বিচাৰিছে।

**শ্ৰী মতী নন্দিতা দাস, বকো ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা বিশেষ কথা হয়। আমি প্ৰথম বিধায়ক হৈ আহোতে Member's Hour দিছিলো। Member's Hour ত আমি প্ৰত্যেক

টো বিভাগৰ আমাৰ সমষ্টিৰ সমস্যাসমূহ দাঙি ধৰিছিলো।

**মাননীয় উপাধ্যক্ষ ঃ** কিন্তু আজিতো Members Hours নহয়। Point of order ক'ৰ পৰা আহিল।

**শ্ৰী মতী নন্দিতা দাস (বকো)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কামবিলাক এতিয়ালৈকে কিয় নহ'ল। সেইটো কথায়ে সদনৰ মজিয়াত দাঙি ধৰিব বিচাৰিছো। আমি বিভাগত দিছিলো। দ্বিতীয়বাৰলৈ বিধায়িকা হিচাপে সুবিধাটো পোৱা নাই। সেইটো আমি বেয়া পোৱা নাই। আমাৰ সমস্যা যিখিনি দিছিলো, সেইখিনিৰ কাম এতিয়ালৈকে কিয় কৰা নহ'ল সেইখিনি আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** যি সকল concernd department ৰ মন্ত্ৰী তেখেত সকলে চাব।

**শ্ৰীযোগেন মোহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী মাননীয় বিধায়কে এই প্ৰশ্ন টোৰ উত্থাপন কৰিছে। এইক্ষেত্ৰত আমাৰ circle and district level committee was notified চাহ জনগোষ্ঠীৰ ৰাইজক মাটি দিয়াৰ এখন কমিটি আছে য'ত ADC Revenue Chairman, Circle Officer Member Secretary আৰু চাহ জনগোষ্ঠীৰ এখন ব্যক্তিক লৈ এখন এখন কমিটি ফৰ্ম হৈছে আৰু তেওঁলোকে গোটেই proposal বিলাক circle level ত solve কৰিব পাৰে। ২০১৯ চনত তেনেকুৱা পলিচি এখন আছেই। মাননীয় বিধায়ক সকলে এই কথাটো গুৰুত্ব দিয়ক। এতিয়া circle officer সকল বিভিন্ন কামত জৰিত থকাৰ কাৰণে এইবিলাক মিটিং কৰিব পৰা নাছিল। আমি পুনৰ instruction দিম বিভাগৰ ফালৰ পৰা যাতে তেওঁলোকে এইবিলাক মিটিং কৰি তেওঁলোকে সোনকালে proposal যিমান আছে solve কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শূন্যকালীন ঘণ্টা। এতিয়া মই মাননীয় সদস্য শ্ৰী বিদ্যাসিং ইংলেং ডাঙৰীয়াক ইংৰাজী ৩০-০৩-২০২২ তাৰিখে "দৈনন্দিন বাৰ্তা"ৰ বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীবিদ্যাসিং ইংলেং, ডিফু ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজহুৱা স্বাৰ্থ জড়িত আৰু গুৰুত্বপূৰ্ণ বিষয় লৈ মই শূন্যকালীন ঘণ্টাত এইটো উত্থাপন কৰিব বিচাৰিছো যে, বাতৰিত প্ৰকাশ কৰা হৈছে যে, মন্ত্ৰী শ্ৰী বিমল বৰাৰ নিৰ্দেশৰ পিছতো সম্পূৰ্ণ নহ'ল তদন্ত আৰু দহ লাখ টকা ঘোচ বিচৰা ৰাজীৱ চেলেঙক বদলি কৰিয়ে ক্ষান্ত। চাৰ, অসমৰ শক্তি বিতৰণ কোম্পেনীৰ এজন উপ-প্ৰবন্ধকৰ কাম-কাজত বিভাগটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ব্যক্তিজনৰ বিৰুদ্ধে তদন্ত কৰি বিহীত ব্যৱস্থা লবলৈ স্বয়ং বিভাগীয় মন্ত্ৰী বিমল বৰাই নিৰ্দেশ প্ৰদান কৰিছিল। কিন্তু যোৱা এমাহেও তদন্তৰ নামত বিষয়টো গাপ দি ৰখা বুলি অভিযোগ উঠিছে। যাৰ বাবে কাৰ্বি আংলং স্বায়িত্ব শাসিত পৰিষদৰ চি এম ডাঙৰীয়াইও দুখ প্ৰকাশ কৰিছে তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীয়ে এই বিষয়ে হস্তক্ষেপ কৰিব লাগে বুলি উত্থাপন কৰিছে আৰু মাননীয় উপাধ্যক্ষ মহোদয় এই বিষয়ে তাত এমানুৱেল চিংনা বুলি ঠিকাদাৰ এজন আছে সেই ঠিকাদাৰ জন ৰাজীৱ চেলেঙৰ ওচৰত গৈ আবেদন দিছে যে মোৰ কৰা কামখিনিৰ টকা মোকোলাই দিব লাগে। তাৰ পৰিৱৰ্তে মোকলাই দিয়াৰ আগতে দহ লাখ টকা দিব লাগে। দহ লাখ টকা যদি নিদিয়ে, তেখেতৰ যিমান বিল আছে পেমেণ্ট কৰা নহ'ব। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, সেই কাৰণে আজি মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক কৈছো, তেনেকুৱা ব্যক্তিক, তেনেকুৱা বিষয়াক মাত্ৰ বদলি কৰিলে নহ'ব বিজুলী ভৱনত লৈ অহা হৈছে কাৰ্বি আংলঙৰ পৰা। সেই হিচাপে ক্ষান্ত হৈ থাকিলেতো নহ'ব। তেখেতক নিলম্বিত কৰিব লাগিব

আৰু তেখেতক আমি উচিত শাস্তি দিব লাগিব। নিলম্বিত মানে বৰ্খাস্ত। তেতিয়াহে সহজ কথা হ'ব। তেনেকুৱা উদাহৰণ আমি কৰিব লাগিব আৰু সেইবাবে সদনত উপস্থাপন কৰিছো কাৰণ কাৰ্বি আংলঙৰ ৰাইজে বিজুলীবাতি পোৱা নাই। সেইবাবে মন্ত্ৰী ডাঙৰীয়াই এইটো ভালদৰে উত্তৰ দিব বুলি ভাবিছো কাৰণ অফিচাৰক একশ্যন ল'ব লাগিব আৰু উচ্চ পদস্থ high level commission কৰাব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** কামবিলাক কৰি থাকোতে বিদায়ক সকলেও চাব লাগে নিজৰ সমষ্টিত, তেতিয়া কামবিলাক ভাল হ'ব। মন্ত্ৰী মহোদয়।.

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, আৰু ক্ৰীড়া বিভাগ ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বিদ্যাছিং ইংলেং ডাঙৰীয়াই কাঞ্চ বৈদ্যুতিক চক্ৰত সংঘটিত অনিয়মৰ সম্পৰ্কত "দৈনন্দিন বাৰ্তা" ত যোৱা ৩০ মাৰ্চ তাৰিখে প্ৰকাশ হৈছিল যে 'মন্ত্ৰী বিমল বৰাৰ নিৰ্দেশৰ পিছতো সম্পূৰ্ণ নহ'ল তদন্ত। দহ লাখ টকা ঘোচ বিচৰা ৰাজীৰ চেলেঙক বদলি কৰিয়েই ক্ষান্ত।' এই সম্পৰ্কত তেখেতে যি শূন্যকালীন ঘণ্টাত প্ৰশ্ন উত্থাপন কৰিছে, এই গোটেই বিষয়টো আমাৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে আমি আমাৰ এ পি ডি চি এলৰ এম ডিক গোটেই বিষয়টো তদন্ত কৰিবলৈ লিখিতভাৱে জনাইছিলো। কাম শেষ হোৱাৰ পিছত এমানুৱেল চিংনাৰ নামৰ এজন ব্যক্তিয়ে তেওঁক সম্পূৰ্ণ হোৱা ধন আদায়ৰ বাবে ডিফু কাঞ্চ বৈদ্যুতিক চক্ৰৰ যি চক্ৰ বিষয়া আছিল, ৰাজীৰ চেলেং নামৰ ব্যক্তি জনৰ লগত এটা টেলিফোনিক কথোপকথন হৈছিল। সেই কথোপকথনত কিবা এটা বিচৰাৰ কথা আমি শুনিবলৈ পাইছিলো। কিন্তু সেইটো তেখেতৰ মাত হয়নে নহয় সেই সম্পৰ্কত আমি এতিয়া একো ক'ব নোৱাৰিম। কাৰণ এই সম্পৰ্কত ডিফু আৰক্ষী চকীত এখন এজাহাৰো দাখিল কৰা হৈছিল। পুলিচৰ পৰা ফৰেনচিক ৰিপোৰ্ট পোৱাৰ পিছত সেই সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিম। সেই সম্পৰ্কত বিদ্যা ছিং ইংলেং ডাঙৰীয়াই যিখিনি কথা কৈছে আমি গুৰুত্বসহকাৰে লৈছো। কাৰ্বি আংলং অট'নমাচ কাউঞ্চিলৰ চি এম তুলিৰাম ৰংহাং ডাঙৰীয়াইও মোক টেলিফোন যোগে কৈছে যে কাৰ্বি আংলং আৰু ডিমাহাচাও অঞ্চলত যি বৈদ্যুতিকৰণৰ কাম চলি আছে, যথেষ্ট বিসংগতিপূৰ্ণ কাম হৈ আছে। আমি এটা কথা অকপটে স্বীকাৰ কৰিব লাগিব যে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত তেখেতে যেনেদৰে এ পি ডি চি এলক আগুৱাই লৈ যোৱাৰ প্ৰচেষ্টা আৰু প্ৰয়াস অব্যাহত ৰাখিছে আৰু যাৰ ফলশ্ৰুতিত আজি ক্ৰমাগতভাৱে জুন মাহৰ পৰা আমি আমাৰ Billing Efficiency, Collection Efficiency সমূহ উন্নত কৰিবলৈ চেষ্টা কৰিছো। তাৰ লগে লগে আমি AT&C Losses কমাবলৈ সক্ষম হৈছো। কিন্তু এতিয়ালৈকে আমি Billing Efficiency এশ শতাংশ কৰিব পৰা নাই, আমাৰ আশী, পঁচাশী শতাংশতে থাকি গৈছে। ইয়াৰ কাৰণ হৈছে বহু Ghost Customer. যাক আমি বিল দিবৰ বাবে বিচাৰি নাপওঁ। এনেকুৱা ধৰণৰ কাম আগতেও সংঘটিত হৈছিল। আগতে এনেকুৱা ধৰণৰ কাম বহু সংঘটিত হৈছিল। যাৰ বাবে ৰাইজে বিজুলী সংযোগ পোৱা নাই। কিন্তু আমাৰ চৰকাৰৰ লক্ষ্য যে আমি সমগ্ৰ অসমত এশ শতাংশ বিজুলী সংযোগ কৰিব পাৰিম আৰু তাৰ কাম ইতিমধ্যে চলি আছে। যিবিলাক ঠাইত 'দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (নিউ)' ৰ অধীনত বিজুলী সংযোগ কৰিব পৰা নাযায়, সেই ঠাইবিলাকত আমাৰ বিভাগৰ নিজৰ পুঁজিৰ দ্বাৰা এইখিনি সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম আৰু এইটো হ'বই। তেখেতে কোৱা বিষয়টো ইতিমধ্যে আমাৰ বিভাগৰ ফালৰ পৰা তদন্ত কৰা হৈছে আৰু এই বিভাগীয়ভাৱে কৰা তদন্তত এমানুৱেল চিংনাৰ নামৰ ঠিকাদাৰ জন ক'তো অন্তৰ্ভুক্ত নহয়। কিন্তু তেখেতৰ এটা এজেঞ্চিয়ে মেৰ্চাচ সৃষ্টি ক্ৰপ কেয়াৰে

তেখেতক চাব-কণ্ট্ৰেক্টৰ হিচাবে নিযুক্তি দিছিল। সেই প্ৰতিবেদনত সেই কথাটো উল্লেখ আছে। এই গোটেই কথাখিনি চোৰা-চিতা কৰি থকা হৈছে আৰু উপযুক্ত প্ৰমাণ পালে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ভাৰতত যাতে কোনো লোকে বিদ্যুৎ সংযোগ পোৱাৰ পৰা বঞ্চিত নাথাকে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই অসমতে কোনো লোকে যাতে বিদ্যুৎ সংযোগ পোৱাৰ পৰা বঞ্চিত নাথাকে, এই দুয়োটা বিষয় লৈ আমি সকলোৱে অতি আন্তৰিকতাৰে কাম কৰি আছো। এতিয়া আমি 'দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (নিউ)' ৰ অধীনত কাম কৰি আছো। মই সন্মানীয় বিধায়ক সকলক অনুৰোধ কৰিম যাতে আৰু Ghost Customer ৰ সৃষ্টি নহয়। APDCL আমাক Ghost Customer ৰ বিষয়ে কৈ থাকে। আগতে হয়তো ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিয়েই হওঁক বা অন্যান্য আঁচনিতেই হওঁক প্ৰেক্টিকেলি সেই লোকসকলৰ বিদ্যুৎ সংযোগ নহ'ল। কিন্তু তেওঁলোকৰ নাম নথিত অন্তৰ্ভুক্ত নহ'ল। যাৰ কাৰণে বিলসমূহ জেনেৰেট হৈ থাকে কিন্তু গ্ৰাহক সকলক বিচাৰি পোৱা নাযায়। এইবোৰ কাৰণতেই Ghost Customer ৰ সৃষ্টি হৈছে। সেই কাৰণে মই মাননীয় বিধায়কসকলক এটা দায়িত্ব দিব বিছাৰিছো যে ভৱিষ্যতে যাতে আমি বৈদ্যুতিকৰণ সম্পৰ্কত আন্তৰিকতাৰে কাম কৰি সকলোলোকে যাতে বিদ্যুৎ সংযোগ দিব পাৰো। তাৰ কাৰণে এতিয়াৰ যি 'দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (নিউ)' ৰ অধীনত চাৰি লাখ মানুহ ৰৈ যোৱা বুলি ভাৰিছিলো তাৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াইছিলো। সাত জুলাইত আমি প্ৰস্তাৱ পঠিয়াইছিলো আৰু কেন্দ্ৰীয় চৰকাৰে অতি তৎপৰাতাৰে সাতাইশ জুলাইত অৰ্থাৎ বিশ দিনৰ ভিতৰত আমাক প্ৰায় ওঠৰ শ কোটি টকা চেংচন কৰি দিছে আৰু বাকী ৰৈ যোৱা সকলো স্থানত বৈদ্যুতিকৰণৰ কাম চলি আছে। মই APDCL কো কম আৰু বিধায়ক সকলকো অনুৰোধ কৰিম যাতে বিধান সভা শেষ হোৱাৰ পিছত এতিয়া যিবোৰ কাম হৈছে নিজে চাব। লগতে APDCL ক কম যে আপোনালোকৰ সন্তুষ্টিৰ প্ৰমাণ-পত্ৰ পোৱাৰ পিছতহে বিল পাব। মই আজিয়েই APDCL ক নিৰ্দ্দেশ দিম সন্মানীয় বিধায়কসকলক ক'ত ক'ত বিদ্যুৎ সংযোগ কৰা হৈছে তাৰ লিষ্টখন দিবৰ বাবে। আপোনলোকে নিজৰ নিজৰ অঞ্চলত থকা বিভিন্ন মেকানিজিমৰ জৰিয়তে গাওঁবুঢ়াই হওঁক বা আপোনালোকৰ দলীয় কাৰ্য্য কৰ্তাই হওঁক, তেওঁলোকৰ দ্বাৰা পৰ্য্যবেক্ষণ কৰিব। আপোনালোকৰ কমপ্লিটেশ্যন চাৰ্টিফিকেটখন পোৱাৰ দহ দিন ভিতৰত ভেৰীফাই কৰি যদি তেওঁলোকে দিয়া লিষ্টখন হিচাপে আপনোলোকৰ বিদ্যুৎ সংযোগ হোৱা নাই কৰাই ল'ব। তাৰ পিছত আপোনালোকৰ কমপ্লিটেশ্যন চাৰ্টিফিকেটখন পোৱাৰ পিছতহে বিভাগে আমাৰ ঠিকাদাৰ সকলক পেমেণ্ট কৰিব। যাতে প্ৰাধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ যিটো সপোন যে সমগ্ৰ দেশবাসীয়ে বিদ্যুৎ সংযোগ পাব লাগে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো সপোন যে অসমৰ প্ৰত্যেকজন জনসাধাৰণৰ ঘৰত বিদ্যুৎ সংযোগ পাব লাগে সেই কথা যাতে আমি বাস্তৱত ৰূপায়ণ কৰো আৰু টীম আসাম হিচাপে সকলো দল নিৰ্ব্বিশেষে যিসকল লোকৰ ঘৰত বিদ্যুৎ সংযোগ হোৱা নাই, তেওঁলোক অতি দুখীয়া মানুহ। কোনোবা হয়তো পাহাৰত আছে, কোনোবা হয়তো চৰত আছে এই সকলোৰে বাবে কাম কৰিবলৈ অনুৰোধ জনালো। ইয়াত বিভিন্ন বিধায়কে কৈছে, সেইদিনাখন গোৱালপাৰাৰ কথা উত্থাপন কৰিছে আৰু বিভিন্ন অঞ্চলত অভিযোগ কৰিছে নদী পাৰ হৈ যাব লাগে। তেওঁলোকৰ বাবে চ'লাৰ লাইটৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত আজি যি বিদ্যা ছিং ইংলেং ডাঙৰীয়াই অভিযোগ আনি শূন্যকালীন ঘণ্টাত উত্থাপন কৰিছে, আমি পৰৱৰ্তী সময়ত ইয়াৰ ৰিপোৰ্ট সদনত দাখিল কৰিম আৰু এইক্ষেত্ৰত আমি চি অ' ডাঙৰীয়াকো অৱগত কৰিবৰ বাবে অনুৰোধ কৰিছিলো।

**শ্ৰী বিদ্যা ছিং ইংলেং, (ডিফু) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তদন্তৰ সময়ত সেই অফিচাৰ জনক নিলম্বিত কৰিব নেকি ?

**শ্ৰী বিমল বৰা, মন্ত্ৰী, শক্তি, আৰু ক্ৰীড়া বিভাগ ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁ দোষী সাব্যস্ত হ'লে নিশ্চিতভাৱে যি বিভাগীয় নীতি-নিয়ম আছে সেই নীতি-নিয়ম অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, কাৰ্বি আংলংত এটা কনচেপ্ট চলি আছে-চাব কণ্ট্ৰেক্টৰ য'ত মেইন কণ্ট্ৰেক্টৰ নাথাকে আৰু চাব কণ্ট্ৰেক্টৰ জনেও বেলেগ এজনক দিয়ে। যোৱাবাৰ মই এসপ্তাহ আগতে ৰিভিউ মিটিং কৰোতে মেইন কণ্ট্ৰেক্টৰ তিনিজনমান নাহিল আৰু তেওঁ প্ৰতিনিধি হিচাপে তিনিজনমান চাব-কণ্ট্ৰেক্টৰ পঠিয়াইছে। এই কথাটোত যাতে মন দিয়ে আৰু নহ'লে আমি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**শ্ৰী বিমল বৰা,মন্ত্ৰী, শক্তি, আৰু ক্ৰীড়া বিভাগ ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি যিখিনি কথা ক'লে নিশ্চিতভাৱে আমি কৰিবলৈ চেষ্টা কৰিম। কাৰণ কাৰ্বি আংলং পাহাৰীয়া অঞ্চল আৰু সেই অঞ্চলবোৰত কাম লৈ লয় । কিন্তু কোনেও ভেৰীফিকেশ্যন কৰিবলৈ নাযায়। এই বিষয়ে বহু বিধায়কে কৈছে। পাহাৰীয়া অঞ্চলৰ ভিতৰত কোনোবা এজন থাকে আৰু সেই অঞ্চলবোৰত কোনো ভেৰীফিকেশ্যন কৰিবলৈ নাযায়। সেয়েহে এই বিষয়টোৰ ওপৰিও কাৰ্বি আংলঙত এটা উচ্চ পৰ্য্যায়ৰ তদন্ত ঘোষণা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া মই মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াক যোৱা ৩১-০৩-২০২২ তাৰিখৰ 'দৈনিক গণ অধিকাৰ ' বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিম।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি ৩১-০৩-২০২২ তাৰিখৰ 'দৈনিক গণ অধিকাৰ ' বাতৰি কাকতত প্ৰকাশিত''কাগজে-কলমে চলিছে দীনদয়াল গ্ৰাম জ্যোতি যোজনাৰ বিনামূলীয়া বিদ্যুৎ সংযোগ।'' আঁচনিৰ নামত সংঘটিত হৈছে ব্যাপক অনিয়ম, বিদ্যুৎ সংযোগ দিয়াৰ ঠিকা লাভ কৰা প্ৰতিষ্ঠানসমূহৰ মইমতালিৰ বাবে আজি গ্ৰামাঞ্চলৰ লোকসকল বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। কেবল মাত্ৰ কাগজে কলমে চলিছে দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ বিনামূলীয়া বিদ্যুৎ সংযোগৰ কাম। বিভিন্ন সময়ত এই বিদ্যুৎ সংযোগৰ নামত সংঘটিত অনিয়মে বাতৰিকাকতত শিৰোনামা দখল কৰি অহাৰ সময়তে ৰূপহীহাট সমষ্টিত দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ অধীনত বিদ্যুৎ সংযোগৰ নামত ব্যাপক কেলেংকাৰীৰ অভিযোগ উত্থাপন হৈছে। সমষ্টিটোৰ বিভিন্ন স্থানত বিদ্যুৎ সংযোগ নিদিয়াৰ পিছতো কাগজে- কলমে দেখুওৱা হৈছে বিদ্যুৎ সংযোগ দিয়া বুলি যাৰবাৰে সমষ্টিৰ হিতাধিকাৰীসকলে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। অভিযোগ অনুসৰি ৰূপহীহাট সমষ্টিৰ বিভিন্ন প্ৰান্তত দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ অধীনত মুঠ ৬,২৪৮ টা গৃহত বিদ্যুৎ সংযোগ দিয়া বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে। কিন্তু চৰকাৰী তথ্যত দেখুওৱা ধৰণে বহু পৰিয়ালে আজিলৈকে বিদ্যুৎ সংযোগ লাভ কৰা নাই। হিতাধিকাৰীসকলক আন্ধাৰত ৰাখি কেবল মাত্ৰ কাগজে-কলমে বিদ্যুৎ সংযোগ দিয়াৰ সংখ্যা বৃদ্ধি কৰি একপ্ৰকাৰ লুণ্ঠন চলাই যোৱাৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰী তথ্যমতে বিদ্যুৎ সংযোগ দিয়া বুলি তথ্য প্ৰকাশৰ পাছতেই হিতাধীকাৰীসকল জাঙোৰ খাই উঠিছে। বিদ্যুৎ সংযোগ নিদিয়াৰ পিছতো বিদ্যুৎ সংযোগ দিয়াৰ ভেকোভাওনা কৰিছে চৰকাৰখনে। একাংশই মুকলিভাৱে প্ৰকাশ কৰিছে ৰূপহীহাট সমষ্টিত বহু পৰিয়ালে দীনদয়াল

উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ অধীনত বিদ্যুৎ সংযোগৰ নিদিয়াৰ পাছতো প্ৰতিমাহে বিদ্যুতৰ মাচুল সংগ্ৰহৰ বাবে জাননী প্ৰেৰণ কৰি হাৰাশাস্তি কৰি আহিছে।

উপাধ্যক্ষ মহোদয়, মই চমুকৈ মূল কথাখিনি কৈছো। যোৱা ২১-০৩-২০২২ তাৰিখে এই সদনত এটা তৰাবিহীন প্ৰশ্ন উত্থাপন কৰিছিলো আৰু সেই প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে ৰূপহীহাট সমষ্টিৰ মুঠ ৬,২৪৮ টা গৃহত বিনামূলীয়া বিদ্যুৎ সংযোগ দিয়া বুলি।

**মাননীয় উপাধ্যক্ষ ঃ** শূন্যকালীন ঘন্টাত আপোনাক আৰু বেছি সময় দিব নোৱাৰো। এক লাইনত শেষ কৰক।

**মোঃ নুৰুল হুদা, ৰূপহীহাট ঃ** তেতিয়া এখন গাঁৱৰ ৰাইজে মোৰ মোবাইলত ২২ খন আবেদন পঠিয়ালে যে তেওঁলোকে এই বিদ্যুৎ পোৱা নাই বুলি। যিসকলৰ নাম এই তালিকাত অন্তৰ্ভুক্ত হৈছে তেওঁলোকে বিদ্যুৎ পোৱা নাই বুলি কৈছে। ইয়াৰ উপৰিও Transformer ৰ কথাও কৈছে, লাউগাঁও নামৰ এখন গাঁৱত দুটা Transformer দেখুৱাইছে যদিও তাত মাত্ৰ এটাহে Transformer আছে। আনটো Transformer ৰ কাৰণে খুঁটা পুতিছিলে, কিন্তু তাৰ পাছত তাত গৈ কোনোবাই পইচা বিচাৰিছিলে আৰু পইচা দিব নোৱাৰাৰ কাৰণে সেই খুঁটা উঠাই লৈ গৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি মন্ত্ৰী মহোদয়ৰ লগত বহি আপোনাৰ বিতং তথ্য কি আছে তেখেতক দি দিব।

**মোঃ নুৰুল হুদা, ৰূপহীহাট ঃ** চাৰ, আৰু ১ মিনিট সময় ল'ব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা হৈছে যে যিবিলাক কোম্পানী বা ঠিকাদাৰ সমূহ দিয়া হয়, তেওঁলোকে sub contract দি দি এনেকুৱা কৰিছে যে তেওঁলোকে যিসমূহ হিতাধিকাৰী নিৰ্বাচন কৰিছে সেয়া কোনো পঞ্চায়ত প্ৰতিনিধিয়ে গম নাপায়। তেওঁলোকে গাঁৱত গৈ ঘৰে ঘৰে ভোটাৰ আই কাৰ্ডটো লৈ কোনোবাই যদি টকা ৫০০ দিয়ে তেওঁলোকক বিদ্যুৎ সংযোগ দিয়ে আৰু আনবিলাকক নিদিয়ে। এই ভোটাৰ আই কাৰ্ডখন তেওঁলোকে পাছত upload কৰি দেখুৱাই দিয়ে যে তেওঁক বিদ্যুৎ সংযোগ দিয়া বুলি। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ইয়াৰ ওপৰত এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হ'ব লাগে, পাৰিলে কালিয়ে হ'ব লাগে যাতে তেওঁলোকে সুযোগ নাপায় আৰু এই তদন্তত গাঁৱৰ মানুহ লগত থাকিব লাগে। এই তদন্তত যিবিলাক কৰ্মচাৰী দোষী সাব্যস্ত হয় তেওঁলোকৰ ওপৰত দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰূপহীহাট বিধান সভা সমষ্টিত দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ (new) অধীনত গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম-কাজ কাগজে- কলমে চলিছে ব্যাপক অনিয়ম। এই সম্পৰ্কত যিবাতৰি প্ৰকাশ পাইছে আৰু মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই কৈছে যে এই কামখিনি ভালদৰে হ'ব লাগে। হয়, আপুনি কোৱাৰ ধৰণে আমি ৰাইজৰ সেৱা কৰিবৰ কাৰণে যোৱা ২৭ জুলাইত আমি কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰস্তাৱ দিছিলো আৰু যোৱা ২২ জুলাই তাৰিখে মই এইখন টেবুলৰ পৰাই কৈছিলো যে বাকী ৰৈ যোৱা ঘৰ সমূহতো আমি সম্পূৰ্ণৰূপে বৈদ্যুতিকৰণ কৰিবলৈ সক্ষম হ'ম। কিন্তু এতিয়া কাম সমূহত বিভিন্ন ধৰণৰ বেমেজালি হৈছে বুলি আপোনালোকে উত্থাপন কৰিছে বা সংবাদ মাধ্যমতো প্ৰকাশ পাইছে। কিছু সময় আগৰ প্ৰশ্নটোৰ উত্তৰত মই ক'লো যে ভৱিষ্যতৰ দিনত এই বিদ্যুতৰ সংযোগ পাবলৈ মানুহে বহুত আশাৰে ৰৈ থাকে। যেতিয়া মই যোৱাবাৰ বিধায়ক আছিলো, দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ অধীনত কাৰোবাৰ ঘৰত যেতিয়া বিদ্যুত সংযোগ হোৱাৰ পাছত

switch দিবলৈ যাওঁ, মাকৰ লগত থকা সৰু ল'ৰাটোৱে লাইটৰ পোহৰ দেখি হাত চাপৰি বজায়। কাৰণ সি আগতে বেলেগৰ ঘৰত লাইট দেখে কিন্তু নিজৰ ঘৰটো অন্ধকাৰ দেখে। গতিকে তেনেধৰণৰ অনুভৱেৰে আমি সেই কাম হাতত লৈছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এই কাম কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইকাৰণে বাৰম্বাৰ এই APDCL ক কেনেকৈ জনসাধাৰণৰ কাৰণে সহজ আৰু সুলভ কৰিব পৰা যায় তাৰবাবে উদ্যোগ গ্ৰহণ কৰিছে। গতিকে মই অনুৰোধ জনাইছো যে আপুনি যি ২২ টা আবেদন পাইছে, কাম নোহোৱাকৈ বিদ্যুৎ সংযোগ দিয়া বুলি দেখুৱাইছে মই এই বিষয়ে আপোনালোক সকলো বিধায়ককে অনুৰোধ জনাইছো কথাটো গুৰুত্ব সহকাৰে ল'বলৈ যাতে ভৱিষ্যত দিনত আমি পুনৰ এই বিষয় লৈ আলোচনা কৰিব নালাগে। মই আপোনালোক সকলো বিধায়ককে এই দায়িত্বটো দিব বিচাৰিছো যে আপোনালোকে নিজৰ নিজৰ সমষ্টিত দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ (new) অধীনত হৈ আছে সেই কামৰ যিখন completion certificate হ'ব তাত আপোনালোকে এটা এটা ঘৰ চেক কৰিব, এটা এটা transformer চেক কৰি ল'ব, কিমান কিঃ মিঃ হৈছে সেইটোও লাগিলে চেক কৰি ল'ব, যাতে ভৱিষ্যতে কোনেও খেলিমেলি কৰিব নোৱাৰে আৰু এই ধৰণৰ প্ৰশ্ন যাতে কেতিয়াও উত্থাপন নহয়।

**মোঃ নুৰুল হুদা, ৰূপহীহাট ঃ** এই completion certificate কোনে দিব?

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** বিভাগ আপোনালোকৰ ওচৰলৈ আহিব। ঠিকাদাৰক যেতিয়া বিল দিব আপোনালোকক সন্তোষজনক যি প্ৰমান পত্ৰ আছে সেয়া বনাই দিয়া হ'ব, তাত আপোনালোকক দি দিয়া হ'ব যে এইখিনি গাঁৱত ইমান ঘৰ মানুহৰ তাত বিদ্যুৎ সংযোগ হ'ল, ইমানটা transformer হ'ল, ইমান কিঃ মি ঃ LT line হ'ল, ইমান কিঃ মিঃ ST line হ'ল ইত্যাদি। এইবিলাক আপোনালোকৰ মেকানিজম লগাই ঠিক কৰি ল'ব। ইয়াৰ উপৰিও যিখিনি বাকী থাকি যাব সেইখিনিও আমি খুব কম সময়ৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সকলোৰে ঘৰত বিদ্যুৎ সংযোগ দিবলৈ চেষ্টা কৰিম।

**মোঃ নুৰুল হুদা, ৰূপহীহাট ঃ** মন্ত্ৰী মহোদয়ে এটা instruction দিলে ভাল হয়।

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মই আজিয়ে instruction দি দিম। কিন্তু এইটো record কৰি থব লাগে উপাধ্যক্ষ মহোদয়, ভৱিষতে যদি কোনোবা বিধায়কে এই কামটো নকৰে তেখেতে কিন্তু এই বিষয়টো উত্থাপন কৰিব নোৱাৰিব যে মোৰ সমষ্টিত বিদ্যুৎ সংযোগ দিয়া নহ'ল। বিদ্যুৎ সংযোগ দিয়া হ'ব এই কথাটো নিশ্চিত। গতিকে বিদ্যুৎ সংযোগ দিয়াৰ ওপৰত দায়িত্ব আপোনালোকক দিয়া হ'ল। এতিয়া আমি আৰু বিভাগক কৈ নাথাকো। আজিয়ে মই Principal Secretary ক order দিম যাতে সকলো বিধায়কক completion certificate, কিমান ঘৰ মানুহৰ তাত বিদ্যুৎ সংযোগ হ'ল, কিমানটা transformer হ'ল, কিমান কিঃ মি ঃ LT line হ'ল, কিমান কিঃ মিঃ ST line হ'ল এইবিলাক আপোনালোকে লগে- লগে জুখিব। তেতিয়া সমস্যাটো একবাৰে শেষ হৈ যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া বিধায়ক সকলৰ দায়িত্ব বাঢ়িল। সকলোৱে নিজে নিজে inspection কৰিবলৈ যাব লাগিব। এতিয়া মই মাননীয় সদস্য শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াক ইংৰাজী ৩০-০৩-২০২২ তাৰিখৰ 'দৈনিক জনমভূমি' বাতৰি কাকতত প্ৰকাশিত এটা বাতৰিৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীৰূপেশ গোৱালা, ডুমডুমা ঃ** দুখৰ কথা উপাধ্যক্ষ মহোদয়,যোৱা ০৪-১০-২০২১ তাৰিখে

বোনাচৰ বাবে গুৱাহাটীত  শ্ৰম মন্ত্ৰী মহোদয়ৰ মধ্যস্থতাত এখন সভা অনুষ্ঠিত হৈছিল। সেই সভাখনতে বোনাচ চুক্তি সম্পন্ন হৈছিল। সেই চুক্তি অনুসৰি এই বাগিছাৰ শ্ৰমিকসকলে  দূৰ্গা পূজাৰ পূৰ্ব্বে ১৩.৫ শতাংশ বোনাচ লাভ কৰিছিল  আৰু এই মাৰ্চৰ মাহতে তেওঁলোকে ৬.৫ শতাংশ বোনাচ পাব লাগিছিল কিন্তু মাৰ্চ মাহ উকলি গ'ল উপাধ্যক্ষ মহোদয় এই শ্ৰমিকসকলে এতিয়াও বোনাচ লাভ কৰা নাই। উপাধ্যক্ষ মহোদয় এই চাহ কোম্পানীৰ যি ১৭ খন চাহ বাগিছা আছে তেওঁলোকে চাহ শ্ৰমিকসকলৰ প্ৰায় ৬৪ কোটি টকা প্ৰভিডেণ্ড ফাণ্ড অৰ্গেনাইজেশ্যনক জমা দিবলৈ বাকী আছে। এই কোম্পানীৰ বাগিছাৰ শ্ৰমিকসকলে সাধাৰণ মজুৰিৰ পৰা বঞ্চিত হ'ব লগা হৈছে। অন্যান্য ষ্টেচুৰেৰী লাইব্লেটি  আছে সেইবিলাক তেওঁলোকে সোনকালে পোৱা নাই। সকলো দিশৰ পৰাই এই বাগিছাৰ শ্ৰমিকসকল বঞ্চিত হৈ আছে। বঞ্চিত হোৱাৰ কাৰণ যেতিয়া সোধা হৈছে তেতিয়া তেওঁলোকে আৰ্থিক দুৰাবস্থাৰ দোহাই দি শ্ৰমিকসকলক তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিবলৈ চেষ্টা কৰিছে। গতিকে আপোনাৰ যোগেদি শ্ৰম মন্ত্ৰী মহোদয়ক লগতে চৰকাৰক অনুৰোধ জনাব বিচাৰিছো - য়ে এই চাহ কোম্পানীৰ বিৰুদ্ধে তৎকালীনভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই চাহ কোম্পানীৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা লৈছে। কেইদিনমান পূৰ্ব্বে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এখন সভা অনুষ্ঠিত কৰি প্ৰভিডেন্ট বিভাগক আদেশ দিছিল যে, ইয়াৰ বাগিছাসমূহ এটাছ কৰিব লাগে। ইতিমধ্যে তালাপ বাগিছাখন এটাছ হৈছে কিন্তু আজিও শ্ৰমিকসকলে তেওঁলোকৰ  সুবিধাবিলাক লাভ কৰিব পৰা নাই। অতি দূৰ্ভাগ্যজনক উপাধ্যক্ষ মহোদয়, এই শ্ৰমিকসকলে আন্দোলনৰ নিচিনা পন্থা বাচি ল'ব লগা হৈছে। তেওঁলোকে সদায় বাগিছাসমূহত প্ৰতিবাদ কৰি আহিছে। উপাধ্যক্ষ মহোদয় আমি আশংকা কৰিছো যে যিটো পৰিস্থিতিৰ অবনতি ঘটিছে, অতি সোনকালে তাত আইন শৃংখলাজনিত পৰিবেশৰ সৃষ্টি হ'ব। গতিকে চৰকাৰে সোনকালে যাৱতীয়  ব্যৱস্থা  গ্ৰহণ কৰিব লাগে ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ, মন্ত্ৰী মহোদয় ।

**শ্ৰীসঞ্জয় কিষণ, মন্ত্ৰী , চাহ জনজাতি কল্যাণ ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, গোৱালা ডাঙৰীয়া কোৱাৰ দৰে ১৭ খন চাহ বাগিছা কোম্পানীটোৰ আছিলে। তাৰে এখন চাপ্ৰাই চাহ বাগিছা তেওঁলোকে বিক্ৰি কৰিছে। এতিয়া ১৬ খন চাহ বাগিছা তেওঁলোকৰ আছে। উপাধ্যক্ষ ডাঙৰীয়া , গোৱালা ডাঙৰীয়াই কোৱাৰ দৰে  যোৱা দূৰ্গা পূজাৰ আগে আগে আমি তেওলোকৰ লগত এখন মিটিঙ কৰিছিলো  যোৱা ০৪-১০-২০২১ তাৰিখে। তাতে আমি  ২০ শতাংশ বোনাচ দুটা কিস্তিত দিয়াৰ বাবে কৈছিলো কিন্তু তেওলোকে অথমৰ্থতা প্ৰকাশ কৰিছিল।  যদি আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটে আমি এ পি জে কৰ্ত্বপক্ষ জগৰীয়া হ'ব বুলি কৈছিলো। এই মিটিংখন প্ৰায় ৬ বজালৈ চলিছিল , চৰকাৰৰ ফালৰ পৰা এ পি জেক জনোৱা হয় যে, এক্সগ্ৰেচীয়া আৰু বোনাচ  যথাক্ৰমে ১৩.৫ শতাংশ আৰু ০৯-১০-২০২১ তাৰিখৰ আগত আৰু ৬.৫ শতাংশ বোনাচ ৩১-০৩-২০২২ তাৰিখৰ আগতে  দিব লাগিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া ৰুপেশ গোৱালা ডাঙৰীয়াই  এ পি জে টি লিমিটেডৰ বাগানৰ কৰ্মীসকলৰ নিয়মিতভাবে  বোনাচ, মজুৰি নোপোৱাৰ যি শূন্যকালীন প্ৰস্তাৱ উত্থাপন কৰিছে সেই বিষয়ে মই জনাওঁ যে, বিভিন্ন আলোচনা -বিলোচনা কৰাৰ লগতে  তেওঁলোকৰ বিৰুদ্ধে মই আইনী ব্যৱস্থা গ্ৰহণ কৰিছো।চৰকাৰ অৱগত যে, শ্ৰমিকসকলে পাবলগীয়া বকেয়া তথা বোনাচ নোপোৱাৰ বাবে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে , এই সম্পৰ্কত শ্ৰম বিভাগে এ পি জে ডি  লিমিটেডৰ শ্বেয়াৰ পাৰ্ছন শ্ৰী কৰণ পালৰ লগত যোগাযোগো কৰিছে ।  এই কোম্পানিৰ বৰ্ত্তমান অসমত ১৬ খন বাগান আছে ।তিনিচুকীয়া জিলাত ৭ খন - যথাক্ৰমে- খোৱাং, তালাপ, শুকানগুৰি,

হাপজান, বাদলাভাটা, পেঙেৰী, শিলিকা, শোনিতপুৰ জিলাত ৪ খন যথাক্রমে- ঘৈলাৰী, চেঁচা, বৰজুলি, আৰু ধুলাপাৰুং আৰু ডিব্রুগড় জিলাত-খাৰজান, ওদালগুৰী জিলাত ১ খন বাদলাপাৰা, চৰাইদেউ জিলাত ৩ খন - জৰকা, নাথুল আৰু মথুৰাপুৰ। উপাধ্যক্ষ ডাঙৰীয়া এই বাগানসমূহত প্রায় ২০ হাজাৰ শ্রমিক স্থায়ী আৰু ১৫,৬৬৭ অস্থায়ী শ্রমিক কাম কৰি আছে । শ্রম আয়ুক্তৰ পৰা যোৱা ১৪-০৩-২০২২ তাৰিখে

**শ্রী ৰূপেশ গোৱালা (ডুমডুমা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টাত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যোৱা ৩০ মার্চ তাৰিখে 'দৈনিক জনমভূমি' বাতৰি কাকতত প্রকাশিত "APJ চাহ কোম্পানীৰ শ্রমিক বিৰোধী নীতি, ক্ষুদ্র চাহ মজদুৰ সংঘ ব্যৱস্থা গ্রহণৰ দাবীত শ্রমিক কল্যাণ বিভাগৰ অধ্যক্ষ সচিবলৈ পত্র" শীর্ষক এক বাতৰি প্রকাশ পাইছিল। কেৱল জনমভূমি কাকত নহয়, অসমীয়া প্রতিদিন আৰু অসমীয়া খবৰতো এই বাতৰিটো প্রকাশ পাইছিল। APJ চাহ কোম্পানীৰ সমগ্র অসমত ১৭ খন চাহ বাগিছা আছে। তালাব চাহ বাগিছা, খোবাং চাহ বাগিছা, বাদলাপেটা চাহ বাগিছা, শিলিখা চাহ বাগিছা, শুকানগুৰি চাহ বাগিছা, সাপজান চাহ বাগিছা, টেঙেৰী চাহ বাগিছা, খাৰজান চাহ বাগিছা, মথুৰাপুৰ চাহ বাগিছা, জবকা চাহ বাগিছা, চাফ্রাই চাহ বাগিছা লগতে ৰঙাপাৰা অঞ্চলত বৰজুলি চাহ বাগিছা, বৈৰালী চাহ বাগিছা, চেচাঁ চাহ বাগিছাকে আদি কৰি কেইবাখনো চাহ বাগিছা অসমত আছে।

চেয়াৰমেন এ পি জি টি লিমিটেডৰ দ্বিতীয় কিস্তিৰ বোনাচ সম্পৰ্কীয় এখন চিঠি দিয়া হৈছিল । তেওঁলোকে শ্রমিকসকলৰ বকেয়া ৬.৫ শতাংশ ০৪-১০-২০২১ তাৰিৰ সভাত লোৱা সিদ্ধান্তমৰ্মে দিয়াৰ কথা আছিল কিন্তু যোৱা ১৫-০৩-২০২২ তাৰিখে এ পি জে টিৰ চেয়াৰমেন জনায় যে তেওলোকে ০৪-১০-২০২১ তাৰিখৰ চুক্তিমৰ্মে ০৯-১০-২০২১ তাৰিখৰ আগতে বোনাচ শ্রমিকসকলক দিয়ে কিন্তু বৰ্ত্তমান তেওলোকৰ কোম্পানীৰ অর্থনৈতিক দুৰাবস্থাৰ লগতে ক'ভিডৰ ভয়াবহ অৱস্থাৰ বাবে চুক্তিমতে ৬.৫ শতাংশ বোনাচ ৩১-০৩-২০২২ চনৰ আগত দিব নোৱাৰিব । কিন্তু ৬.৫ শতাংশ বোনাচ অহা ৩০-০৪-২০২২ আৰু ৩১-০৫-২০২২ তাৰিখে দুটা কিস্তিত শ্রমিকসকলক প্রদান কৰিব বুলি জানিবলৈ দিয়ে । উপাধ্যক্ষ ডাঙৰীয়া, এ পি জে টি লিমিটেডৰ অকল ০৪-১০-২০২১ তাৰিখৰ চুক্তি ভঙ্গ কৰাই নহয় তেওলোকে Industrial dispute Act আৰু payment of Bonus Act ,1965 অৱমাননা কৰিছে । উপাধ্যক্ষ ডাঙৰীয়া ১৬ খন এ পি জে ৰ বাগানৰ দ্বিতীয় কিস্তি পাবলগীয়া মুঠ শ্রমিকৰ সংখ্যা প্রায় ৩১,১২৮ আৰু পাবলগীয়া টকা প্রায় ৫ কোটি ২৫ লাখ । ইতিমধ্যে যোৱা ০৪-১০ -২০২১ তাৰিখে অনুষ্ঠিত হোৱা সভাত এ পি জে কৰ্ত্তৃপক্ষই প্রতিশ্রূতি দিছিল যে তেওলোকে ৩১-০৩-২০২২ তাৰিখৰ আগতে দ্বিতীয় কিস্তি দিব। ৫ শতাংশ শ্রমিকসকলক প্রদান কৰিব । এ পি জি য়ে ১৫-০৩-২০২২ তাৰিখে জনাইছিল যে, তেওলোকে ৩১-০৩-২০২২ আগতে বাকী থকা বোনাচ দিব নোৱাৰে । আগৰ বাৰৰ নিচিনাকৈ তেওঁলোকে পুনৰ প্রতিশ্রুতি দিছে যে তেওলোকে ৬ শতাংশ বোনাচ দুটা কিস্তিত ৩০-০৪-২০২২ আৰু ৩১-০৫-২০২২ তাৰিখে দিব। উপাধ্যক্ষ ডাঙৰীয়া চৰকাৰে দিয়া সময় যোৱা ৩১-০৩-২০২২ তাৰিখে উকলি গৈছে। আমাৰ ফালৰ পৰা আইনী ব্যৱস্থা লোৱা হৈছে । বোনাচ এক্ট ১৯৬৫ অমান্য কৰাৰ বাবে এ পি জে কৰ্ত্তৃপক্ষৰ ওপৰত আইনী ব্যৱস্থা লোৱা হয়। অধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে গোৱালা ডাঙৰীয়াই ৰেজেছৰ কথাটো কৈছে- এ পি জে য়ে তেওলোকৰ ১৬ খন বাগিছাৰ শ্রমিকক চুক্তি ভাট্টা দিয়া নাই। উক্ত বিষয়টোৰ ওপৰত ইতিমধ্যে আইনগত ব্যৱস্থা গ্রহণ কৰিবলৈ যোৱা ৩০-০৩-২০২২ তাৰিখে নির্দেশ দিয়া হৈছে। উল্লেখ্য যে,

১৬ খন বাগানৰ ২১,৩০৬ জন শ্ৰমিকে প্ৰায় ১ কোটি ৯২ লাখ টকা ভাট্টা পাবলৈ আছে। APJ payment of wages Act,1936 অৱমাননা কৰাৰ বাবে যি আইনগত ব্যৱস্থা ল'বলগীয়া আছে উপাধ্যক্ষ ডাঙৰীয়া সেয়া ইতিমধ্যে লোৱাৰ বাবে ব্যৱস্থা কৰা হৈছে। বেজেছৰ কথা, বোনাচৰ কথা আছে, ডেইলী পেমেন্টৰ কথা আছে। আমাৰ ডিপাৰ্টমেন্টে অধ্যয়ণ কৰিছে , তেওলোকে সকলোকে ৰেশ্যন দিছে কিন্তু উপাধ্যক্ষ ডাঙৰীয়া বোনাচৰ ক্ষেত্ৰত যিটো তথ্য আমাৰ হাতত আছে । এই কোম্পানীয়ে ১৬ খন বাগিছাৰ শ্ৰমিকক ২০২০ চনৰ পৰা ভবিষ্যত নিধিৰ ধন জমা দিয়াত ব্যৰ্থ হৈছে । এই ক্ষেত্ৰত বাগিছাৰ কৰ্মচাৰী আৰু শ্ৰমিকসকলৰ দৰমহাৰ পৰা কাটি ৰক্ষা ভবিষ্যত নিধিৰ শিতানত ধন প্ৰায় ১৮ কোটি টকা জমা দিছে যদিও প্ৰায় এতিয়া ৭০ কোটি টকা দিবলৈ বাকী আছে এই সংক্ৰান্তত এ পি জে চাহ কোম্পানীৰ কলিকতাস্থিত মুখ্য কাৰ্য্যলয়ৰ প্ৰতিনিধি যোৱা১৯-০২-২০২২ তাৰিখে ভবিষ্যত নিধিৰ মুখ্য কাৰ্য্যালয়ত মই নিজে থাকি আলোচনা কৰিছিলো । তেওলোকে এই টকাখিনি দিয়াত অ সমৰ্থতা প্ৰকাশ কৰিছিলে। গতিকে সেই কাৰণে আমি তেওলোকৰ ওপৰত আইনী ব্যৱস্থা লৈছো। প্ৰায় ৭৫ কোটি টকা শ্ৰমিকৰ পৰা কৰ্ত্তণ কৰি তেওলোকে জমা কৰা নাই। এইটো গুৰুত্বপূৰ্ণ কথা ।

**শ্ৰীসঞ্জয় কিষাণ, মন্ত্ৰী ঃ** য'ত নেকি ইয়াৰ কাৰণে ডাঙৰ ভাবুকি আহিছে, মই এই ক্ষেত্ৰত আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিম যে, অতি শীঘ্ৰে এই যিজন মালিক, আমি ইতিমধ্যে কেবাটাও কেছ ৰুজু কৰিছেঁ, গতিকে এই মালিক জনে কলিকতাৰ পৰা নিশ্চয় গেপ্তাৰ কৰিব লাগে আৰু মালিক সকলৰ যি ধন আত্মাসাৎ কৰাৰ প্ৰয়াস কৰিছে তাৰ বিহীত ব্যৱস্থা কৰাৰ ব্যৱস্থা কৰিব লাগে। নহ'লে সমগ্ৰ অসমতে প্ৰায় হাজাৰ হাজাৰ শ্ৰমিকৰ হাহাকাৰ অৱস্থা হৈছে, গতিকে মই এই ক্ষেত্ৰত ৰূপেশ গোৱালা ডাঙৰীয়া, তেওঁ এইটোৰ সম্পাদক, গতিকে মই তেওঁৰো সহযোগীতা কামনা কৰিছো আৰু সন্মানীয় সদনৰো সহযোগীতাৰ আহ্বান কৰিছোঁ।

**মাননীয় উপাধ্যক্ষঃ** Thank you, please conclude.

**শ্ৰীসঞ্জয় কিষাণ (মন্ত্ৰী) ঃ** আমি কিন্তু বাগান বোৰ বচাবলৈ হলে মালিক সকলৰ ওপৰত চৰকাৰৰ তৰফৰ পৰাও আইন আনি হলেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আটাইতকৈ ডাঙৰ কথা হ'ল যে, এখন চাহ বাগিছা য'ত হাজাৰ হাজাৰ মানুহ আছে, এই বাগিছা খিনি তেওঁলোকে কলিকতাত গৈ বন্ধকত দিব, আমি অসমৰ মানুহে একো নাজানিম, এই কথাটো এটা ডাঙৰ কথা হৈছে। গতিকে এখন আইন আনি হলেও এইটো বন্ধ হ'ব লাগে। যাতে এখন কোম্পানীৰ মালিকে যদি বেংকৰ পৰা লোন লয় তেতিয়া হলে শ্ৰমিকৰ স্বাৰ্থত আৰু বাগানৰ স্বাৰ্থত এই টকা ব্যৱহাৰ কৰিব পাৰিব, তেওঁলোকে অন্য ব্যৱসায়ত যাতে এই টকা লগোৱাব নোৱাৰিব, ইয়াৰ কাৰণে যদি এটা ব্যৱস্থা নহয় তেতিয়াহলে হাজাৰ হাজাৰ বাগান সমূহ ধ্বংসলৈ গতি কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এখন আইন আনিব লাগে, তেখেতৰ পৰামৰ্শটো আমি মানিছোঁ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** Hon'ble Deputy Speaker Sir before going to the next prepage Under Rule 158.

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** আমি এটা bridge of privilege motion আনিব বিচাৰিছিলোঁ, before going to next.

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া নহয়। অনুগ্ৰহ কৰি বহক, এনেকৈ নহয়।

**শ্ৰীৰূপেশ গোৱালা ঃ** উপাধ্যক্ষ মহোদয়, কেৱল এ পি জে চাহ কোম্পানীয়ে নহয়, এনেকুৱা ধৰণৰ বহু চাহ কোম্পানী আছে যি সকলে নিজৰ বাগান বিলাক বন্ধকত ৰাখি লোন লৈছে আৰু সেই লোনৰ পইচা বাগানৰ উন্নয়নৰ কাৰণে খৰচ কৰা নাই। তেওঁলোকে অন্যান্য ব্যৱসায়ত বিনিয়োগ কৰিছে আৰু সেই ব্যৱসায় সমূহ ফ্ল'প মাৰিছে আৰু তাৰ পৰিনাম চাহ বাগিছা সমূহে দিব লগা হৈছে। গতিকে এই ক্ষেত্ৰত আইন প্ৰনয়ন কৰাৰ প্ৰয়োজন আছে আৰু ইয়াক ৰেগুলাইজেচনত আনিব লাগিব ভৱিষ্যৎ দিনত।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ । ২১-০৩-২০২২ তাৰিখৰ দৈনিক নৱবাৰ্তা বাতৰিত প্ৰকাশিত প্ৰতিশ্ৰুতি চেচেও চৰকাৰী অনুদান থেকে বঞ্চিত বেঙ্গুলী সংগঠন। একেবাৰে কম সয়মত কব। আপুনি উত্তৰ নাপাব। দুই তিনি মিনিটত কব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** উপাধ্যক্ষ মহোদয়, সত্যের জন্য সবকিছু ত্যাগ করা সম্ভব। কিন্তু কোন কিছুর জন্য সত্যকে ত্যাগ করা সম্ভব নয়। বিশেষ করে এবারের বাজেটে ১৭১ পেজ নাম্বার ৫৩ তে ২১ টা খিলঞ্জিয়া সংগঠনকে ২৮.৮০ কোটি টাকা অর্থৎ ২৮ কোটি টাকা ৮০ লাখ টাকা বরাদ্দ করা হল। ২০১৯- ২০২০ সালে ২২ টা সাহিত্য সভাকে ৭৩ কোটি টাকা বরাদ্দ করা হল কর্পাস ফাণ্ড থেকে। উপাধ্যক্ষ মহোদয়, ২০২০-২০২১ সালে প্রায় ৪৩ কোটি টাকা ২১ টা সংগঠনকে বরাদ্দ করা হল সেই কর্পাস ফাণ্ড থেকে। বিশেষ করে ৭ ফেব্রুয়ারী ২০২০ সালে বিগত দিনের অর্থমন্ত্রী তথা বর্তমানের মুখ্যমন্ত্রী, আর আমাদের কেবিনেট মন্ত্রী তথা আমাদের প্রাক্তন মুখ্যমন্ত্রী, যেহেতু অসমের 2nd Linguistic community বাঙ্গালী, সেই সময় আমি প্রশ্ন উথাপন করেছিলাম ২১ টা সংগঠন বা ২২ টা সংগঠনের মধ্যে একটাও বাঙালী সাহিত্য সভাকে সেখানে স্থান দেওয়া হয়নি, বা টাকাও বরাদ্দ করা হয় নি। সেই সময় মুখমন্ত্রী ও অর্থমন্ত্রী বলেছিলেন যে আপনারা প্রোপার ওয়েতে গিয়ে এপ্লাই করেন, আপনাদের ১০ দিনের মধ্যে দিয়ে দেব। আমি নিজে গিয়ে এপ্লাই করি এবং বিগত দিনের মুখ্যমন্ত্রী ছিলেন মাননীয় সর্বানন্দ সনোয়াল ওনার হাতে আমি সেই কাগজটা দিয়ে আসি। কিন্তু তার পরেও দেখতে পারলাম আবারও ফাণ্ড রিলিজ করা হল, আবার বাজেটেও উত্থাপিত করা হল, কিন্তু একটাও বাঙ্গালী সংগঠকে সেই টাকা বরাদ্দ করা হল না। আমার পাঁচটা প্রশ্ন আছে - উপাধ্যক্ষ মহোদয়, প্রথম প্রশ্ন হল বার বার আমরা প্রশ্ন করি যে খিলঞ্জিয়া কারা সে কথা বলা হয় না। কিন্তু আমি মনে করি সবথেকে বড় বিষয় হচ্ছে যে ভোটের আগে সনাতনী আর ফাণ্ড ডিস্ট্রিবিউশনের ক্ষেত্রে খিলঞ্জিয়া কেন? খিলঞ্জিয়ার কিন্তু কোন সজ্ঞাই নেই। সেই টাকাটা কাদের দেওয়া হচ্ছে? সেটা প্রথম কথা। আমার দ্বিতীয় প্রশ্ন হচ্ছে- আপনারা কি মেসেজ দিতে চান অসমবাসীকে? বাঙ্গালীদের আপনারা কি মেসেজ দিচ্ছেন? আমরা বাজেটে টাকা বরাদ্দ করব, কিন্তু বাঙ্গালীদের টাকা দেব না। আমারা প্রত্যেক বাজেটে সাহিত্য সভার জন্য টাকা বরাদ্দ করব কিন্তু বাঙ্গালীদের টাকা দেব না। আমার তৃতীয় প্রশ্ন হচ্ছে- আপনারা যদি টাকা না দিয়ে থাকেন তাহলে পরিষ্কার ভাবে বলুন, যে আমরা বাঙ্গালী সংগঠনকে টাকা দেব না। উপাধক্ষ্য মহোদয় আমার চতুর্থ প্রশ্ন হচ্ছে ভাষা circular আইনে ৭ এর B তে পরিষ্কার ভাবে লেখা আছে Fund distribution র ক্ষেত্রে কোন ধরণের Discrimination করা হবে না। অর্থাৎ ফাণ্ড সব ভাষা-গোষ্ঠীকে সমান ভাবে দেওয়া হবে। কিন্তু কোথায় ভাষা আইন? কোথায় বিধান সভার কমিটমেন্ট ? আমরা সেটা বুঝতে পারছি না।

বিশেষ করে বাংলা ভাষীরা অসমের টেক্স দিয়ে থাকে কি থাকে না সেটা আমার আরও একটা প্রশ্ন। আমার শেষ প্রশ্ন হচ্ছে- Annual Grants আগে ৪ লাখ ছিল, সেই গ্রাণ্টকে কমিয়ে এখন তিন লাখ করা হয়েছে। সেই তিন লাখের মধ্যে এখন দেড় লাখ টাকা রিলিজ করা হয়েছে। তাই আমার প্রশ্ন হচ্ছে আপনারা বলে থাকেন ‘সবকা বিকাশ সবকা সাথ’, আপনারা বলে থাকেন সনাতনী কিন্তু ভোটের পরে আপনারা খিলঞ্জিয়া বলে থাকেন। কিন্তু আমার প্রশ্ন হচ্ছে সেই যে ফাণ্ডগুলো রিলিজ করা হল তাতে একটাও বাঙ্গালী সংগঠনকে কেন টাকা দেওয়া হল না? আপনাদের ভোটের সময় বাঙালিরা ভোটার হিসাবে থাকে আমরা ধরে নিলাম। কিন্তু সেই বাঙ্গালী সংগঠন আজ দ্বিতীয় বৃহত্তম সম্প্রদায় হওয়া সত্বেও আজ উজনী অসম বলুন, বরাক ভ্যালি বলুন একটা বাঙ্গালী সংগঠনকেও টাকা দেওয়া হয় নি। সেটাই কি সবকা বিকাশ সবকা সাথ। মুখে এই কথা বলা হয়ে থাকে কিন্তু কার্যত করা হয় না। ‘অভিবাসন নাগরিক ও অসম’ সেটাতে অনেক কিছু লেখা আছে, বাঙ্গালীর ইতিহাস, বাঙ্গালীর দুর্দশার কথা সেই বইটা আপনাকে দিয়ে দিলাম।

**মাননীয় উপাধ্যক্ষ ঃ** আমাকে দেন এবং আপনারাও পড়ে নেবেন।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** সেই বইটা পড়ে নেবেন। আমাদের সরকার বলে থাকেন বাঙ্গালীদের সম্বন্ধে কনসার্ন। কিন্তু বাঙ্গালীদের কোন কাজ হয় না। আমাদের দুর্দশার কথা আপনাদের সামনে তুলে ধরলাম। নমস্কার।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্রী।

**ডাঃ ৰনোজ পেগু, (মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা চৰকাৰৰ দিনতে ভাষা গৌৰৱ আঁচনিখন গ্ৰহণ কৰা হৈছিল আৰু ভাষা গৌৰৱ আঁচনিখনৰ মূল কথাটো আছিল যে যি সমূহ ৰাজ্যিক পৰ্য্যায়ৰ ভাষা সাহিত্য সংগঠন আছে, সেই ৰাজ্যিক পৰ্য্যায়ৰ ভাষা সাহিত্য সংগঠন সমূহক এটা Corpus fund দিয়া হ'ব। মই আকৌ এবাৰ কৈছো যে ৰাজ্যিক পৰ্য্যায়ৰ যি সমূহ ভাষা সাহিত্যৰ সংগঠন আছে সেই সমূহক এই Corpus fund টো দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু সেই সময়ত বৰাকভেলী বঙ্গ সাহিত্য আৰু সংস্কৃতিৰ যি সন্মিলন, বৰাকভেলী হোৱাৰ কাৰণে যিহেতু এইটো ৰাজ্যিক সংগঠন নহয়, গতিকে কোনো জিলা ভিত্তিক বা অঞ্চল ভিত্তিক সংগঠনক দিয়াৰ ব্যৱস্থা সেই আঁচনিখনত নাছিল। গতিকে বৰাক ভেলী বঙ্গ সাহিত্য আৰু সংস্কৃতি সন্মিলনক দিয়া নহ'ল। কাৰণ আজি আমি বৰাক বুলি আঞ্চলিক সংগঠনক বা কামৰূপ বা বৰপেটা বুলি জিলা ভিত্তিক সংগঠনক দিলে সকলো জিলাৰ পৰা সকলো অঞ্চলৰ পৰা তেনেকুৱা দাবী আহিব। কিন্তু বৰাকভেলীৰ বঙ্গ সাহিত্য সংস্কৃতি সন্মিলনত তেওঁলোকৰ যিটো বিত্তীয় অনুদান সেই বিত্তীয় অনুদান ২০২০-২১ বৰ্ষত ১ লাখ ৫০ হাজাৰ টকা আৰু ২০২১-২২ বৰ্ষত ২ লাখ টকা দিয়া হৈছে। যদি কোনো ৰাজ্যিক ভিত্তিক বঙ্গ সাহিত্য সাংস্কৃতিক কোনো সংগঠন হয়, তেনেহলে সেইটোৰ বিবেচনা অসম চৰকাৰে কৰিব, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** Hon'ble Deputy Speaker.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া এটা ঘোষণা আছে, সময় ১১.৪০ বজাত আমাৰ gymnasium hall and digital library hall inaugurate কৰিব, সকলো সদস্যক তাত উপস্থিত থাকিবলৈ অনুৰোধ জনালোঁ।

এতিয়া সদন আজি দিনৰ ২.০০ বজালৈ স্থগিত ৰখা হ'ল।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** চাৰ আমাৰ পৰৱৰ্তী কাৰ্য্যসূচীত যোৱাৰ আগতে আমাৰ

বিশেষাধীকাৰ ভংগৰ ম'চন এটা দিয়া আছিলে আৰু এইটো আচলতে পৰৱৰ্তী কাৰ্য্যসূচীৰ আগতে হয় । অভিযোগটো উত্থাপন কৰিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** উত্থাপন কৰক ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** আজি ৰাতিপুৱা আমাৰ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষ মনজিৎ মহন্তই এটা সম্পূৰ্ণ মনে সজা ভিত্তিহীন এটা কথা আমাৰ পাচ গৰাকী সন্মানীয় বিধায়কৰ বিৰুদ্ধে লিখিত প্ৰেছ বিজ্ঞপ্তিৰ যোগে প্ৰকাশ কৰি আমাক হেয় প্ৰতিপন্ন কৰিছে। কেৱল আমাৰ পাচ গৰাকী বিধায়ককে নহয়, আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো হেয় প্ৰতিপন্ন কৰিছে । মই নিয়ম- ১৫৮ অধীনত এই প্ৰস্তাৱটো উত্থাপন কৰিছো আৰু নিয়ম- ১৬২ অধীনত আমি এইটো পঢ়ি দিব বিচাৰিছো । তেখেতে প্ৰেছ বিজ্ঞপ্তিটোত লিখিছে যে- ৰাজ্যসভা নিৰ্বাচনত বিশ্বাসঘাতকতাৰ পিছত আজি পুৱাই মুখ্যমন্ত্ৰীৰ ঘৰত হাজিৰ হ'ল এ আই ইউ ডি এফ ৰ ৫ বিধায়ক। অসমৰ ৰাজনীতি কুলষিত কৰা এ আই ইউ ডি এফ নামৰ ৰাজনৈতিক দলটোৱে কালি ৰাজ্যসভাৰ নিৰ্বাচনত কৰা বিশ্বাসঘাটকতাৰ পিছত আজি নিচেই পুৱাই দলটোৰ পাচজন বিধায়কে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দিশপুৰস্থিত চৰকাৰী বাসগৃহলৈ গৈ মুখ্যমন্ত্ৰী জনক সাক্ষাৎ কৰি পুৱা ৮-০০ বজাৰ আগে আগে তাৰ পৰা ওলাই আহে। দুখন গাড়ীৰে পুৱা প্ৰায় ৬-০০ বজাৰ পিছতে মুখ্যমন্ত্ৰীৰ বাসগৃহত উপস্থিত হৈ প্ৰায় ৮-০০ বজাত প্ৰস্থান কৰা এ আই ইউ ডি এফৰ বিধায়ক পাচজন আছিল- সোণায় সমষ্টিৰ বিধায়ক কৰিমউদ্দিন বৰভুঞা, বদৰপুৰৰ বিধায়ক শ্ৰী আব্দুল আজিজ, চেঙাৰ বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন, জণিয়াৰ বিধায়ক শ্ৰীহাফিজ ৰফিকুল ইছলাম আৰু ধিংৰ বিধায়ক শ্ৰীআমিনুল ইছলাম। ইয়াৰ উপৰি দলটোৰ এগৰাক্তী জিলা সভাপতিও এই পাচ গৰাকী বিধায়কৰ সৈতে মুখ্যমন্ত্ৰীৰ বাসগৃহলৈ গৈছিল । তলত স্বাক্ষৰ কৰিছে মনজিৎ মহন্ত, অধ্যক্ষ, সংবাদ মাধ্যম বিভাগ, অসম প্ৰদেশ কংগ্ৰেছ কমিটি। গতিকে এইটো সম্পুৰ্ণ ভিত্তিহীন আৰু মনেসজা কথা। আমি ৰাতিপুৱা মুখ্যমন্ত্ৰীৰ বাসগৃহত যোৱা নাই আৰু মই অধ্যক্ষ মহোদয় এইটো ক'ব বিচাৰিছো যে মুখ্যমন্ত্ৰী মহোদয়ৰ বাসগৃহত মই কোনোদিনে যোৱা নাই ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আপুনি দাখিল কৰিলে এতিয়া বহক । (সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ঘৰত কোন যায় কোন নাযায় তাত চি আৰ পি এফৰ মানুহ থাকে । ইয়াত বিশেষাধীকাৰ ভংগ হয় নে নহয় মই নাযানো। আপুনি হাউচ কমিটি বা প্ৰীভিলেজ কমিটি যাকে দ্বায়িত্ব দিয়ে যে সঁচাই ৰাতিপুৱাই ৬ বজাত মোৰ ঘৰত কোনোবা গৈছিল নেকি ? আৰু ইয়াত আমাক হেয় প্ৰতিপন্ন কৰা কিছুমান ষ্টেটমেন্ট আহিয়ে থাকে । চৰকাৰী তদন্ত মই বিচৰা নাই কিন্তু হাউচৰ ফালৰ পৰা এইটো তদন্ত কৰি অহা হাউচত আপুনি এটা প্ৰতিবেদন দিওঁক যে সঁচাই পুৱা ৬ বজাত মোৰ ঘৰত গৈছিল নেকি ?

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে বহক। মোক কবলৈ দিয়ক। যথেষ্ট হৈছে। আমাৰ ৰুল অনুযায়ী তেনেকুৱা বিশেষ বিষবোৰ যেতিয়া আহি যায় যিটো আমাৰ বিধায়ক সকলৰ প্ৰীভিলাইজৰ প্ৰশ্ন থাকে তেতিয়া সেইবোৰ হাউচত নটিচ দি ম'চনটো আনিব পাৰে। সেই হিচাপে নটিচ দিয়া হৈছিলে আৰু সেই মৰ্মে । গতিকে যিটো আনিছে ইয়াৰ ওপৰত আমি চৰ্চা কৰিলে শেষ কৰিব নোৱাৰো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মই এটা কথা ক'ব বিচাৰিছো । মাননীয় মুখ্যমন্ত্ৰী ইয়াত আছে, মই এজন বিধায়ক হয় মোৰ যদি ৰাতিপুৱা ৫ বজাত কিবা কাম থাকে মই মুখ্যমন্ত্ৰীৰ ঘৰত যাব নোৱাৰে নেকি?

(সদনত হুলস্থুল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে ৰাতিপুৱা ৬ বজাতে কোনো কাৰো ঘৰ ত নাযায় আৰু মুখ্যমন্ত্ৰী ঘৰত যাবলৈ আগতীয়াকৈ অনুমতি ল'ব লাগে তেতিয়াহে যাব পাৰিব । এনেদৰে এ আই উ ডি এফৰ বিধায়কক এইদৰে ৰাতিপুৱা ৫ বজাতে লগ কৰাৰ প্ৰশ্ন উঠিব নোৱাৰে। এনেধৰণৰ কথা ইয়াত অনাটো ভূল। আৰু যি গৰাকী সন্মানীয় ব্যক্তিয়ে এই অভিযোগ আনিছে আৰু ফেচবুকত যিখন ফটো দেখুৱাই আছে সেই ফটোখন ফটো মোৰ অফিচৰ ফটো। এই ফটোখন গৰুখুটি ঘটনাৰ পিছত স্মাৰক পত্ৰ দিবলৈ যোৱা সময়ত লোৱা ফটো, তাত মাস্ক পিন্ধি আছে। আপোনালোকে বেকগ্ৰাউণ্ডটো দেখিলে ধৰিব পাৰিব । এনেধৰণৰ পলিটিকচ্ কৰিব নাপায় । ইয়াত যদিও কেইজন মান বিধায়কৰ নাম দিয়ে, ইয়াৰে কেইজনমান বিধায়কক মই জীৱনত কথা পতা নাই আৰু মই চিনিও নাপাও। সেই কাৰণে মই চৰকাৰী তদন্ত বিচৰা নাই । লাগিলে এই কমিটিত মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ সদস্য হৈ থাকক আৰু বিষয়টো তদন্ত কৰক । ঘটনাটো সঁচা মিচা কৈ দিয়ক যিহেতুকে ইয়াত মোৰ নামটো টানি অনা হৈছে । মই শাস্তি পোৱাটো বিচৰা নাই । বিধায়ক গ'লে মোৰ আপত্তি নাই। প্ৰতিনিধি দল লগতে জিলা সভাপতি আৰু এ আই ইউ ডি এফৰ লগত এইটো সম্পৰ্ক মোৰ নাই আৰু হোৱাটো নিবিচাৰো।

শ্ৰী ৰফিকুল ইছলাম, বিধায়কঃ অধ্যক্ষ মহোদয়, এইটো প্ৰীভিলেজত দিব লাগে। চিচি কেমেৰা ফুটেজটো অপেন কৰিব লাগে, সেই তিনি ঘন্টাৰ দিব লাগে। মই ২০১১ চনৰ পৰা এতিয়ালৈকে বিধায়ক । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া বিসভৱন কলা নে বগা মই আজিলৈকে দেখা নাই। মোৰ নামো তাত সামৰিছে । গতিকে প্ৰীভিলেজত দিব লাগে। কমলাক্ষ্য দে আপুমি যাওঁক।.......

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ সকলোৱে বহক, মই কৈ আছো । আপোনালোকে দাখিল কৰিছে বিষয়টো।

................(সদনত হুলস্থুল)..............

সন্মানীয় সদস্য কমলাক্ষ ডাঙৰীয়া আপোনাৰ বিষয়ত একো নাই, আমাৰ সদনত বাহিৰা ব্যক্তিৰ ওপৰত যিটো পেপাৰত লিখা মন্তব্য। ইয়াৰ ওপৰত এই বিশেষাধিকাৰ ভংগ মেচছটো অনা হৈছে। হাউচৰ কোনো ব্যক্তিৰ ওপৰত নহয়। যিহেতু লিডাৰ অফ হাউচ, ৫ জন বিধায়কৰ পৰা বিশেষঅধিকাৰ ভংগৰ বিষয়টো আনিছে ইয়াৰ ওপৰত এটা তদন্ত হ'ব লাগে। ঠিক তেনেদৰে কমলাক্ষ্য ডাঙৰীয়াইও ভাগ লৈছে। সেই বিষয়টো মই বিশেষাধিকাৰ কমিতিলৈ প্ৰেৰণ কৰিছো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি যেতিয়া ভোটগ্ৰহণ চলি আছিল , মই আমাৰ দলৰ বিধায়কে বেলেগ দলক ভোট দিছে বুলি শাসকীয় পক্ষৰ পৰা আৰু এটা AIDUF **দলৰ এজন বিধায়কে মন্তব্য দি আছিল, সেইখিনি নিয়ম মতে নহয় বুলি আমি দাবী কৰি আছো। সেই গতিকে তেখেত সকলেও আমাৰ সদস্য সকলৰ মৰ্য্যদা হানি কৰিছে আৰু এনেকুৱা ধৰণৰ ভুৱা কথাৰ বাবে বিশেষাধিকাৰৰ এটা প্ৰস্তাৱ মইও আপোনাক অনুৰোধ জনাইছো। সেই বিষয়ে তদন্ত হয়।**

**মাননীয় অধ্যক্ষ ঃ সন্মানীয় বিৰোধী দলপিতয়ে যিখিনি দিছে আমি এইটোৰ ওপৰত বিবেচনা কৰিম।**

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ পৰা আগবাঢ়ি যাবৰ কাৰণে মইও অনুৰোধ জনাম। মুখ্যমন্ত্ৰীৰ ঘৰত বিধায়ক সকল যাব লাগে। মোৰ ঘৰত কোন কোন যায় কোন কোন নাযায় সেই গোটেই কথা বিলাক CRPF ৰ পৰা আৰম্ভ কি সকলোৱে লিখি ৰাখে।** It is a different issue. **ৰাতিপুৱা ৬ বজাত গ'ল এই বিলাক নাটকীয় ভাবে**

যিজন সদস্যই কনোৱাই দিছে বাহিৰত, সেইটোৰ কাৰণে মনটো বেয়া লাগিছে। কিন্তু মুখ্যমন্ত্ৰীৰ ঘৰত সকলোৱে অহা যোৱা কৰিব পাৰে, মই আপোনালোক সকলোকে নিয়ন্ত্ৰণ জনাইছো।

শ্ৰী ৰকিবুল হুছেইন (মাননীয় সদস্য)ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই ভাৰত বৰ্ষতে মূল্য বৃদ্ধি হৈছে। এইটো যাতে চৰকাৰে এটা বিবৃতি দিয়ে।

মাননীয় উপাধ্যক্ষঃ সন্মানীয় সদস্য ডাঙৰীয়া সেইটো অন্য দিনত আলোচনা কৰিম।

ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে চৰকাৰ হৈ এটা বিবৃতি দিব খুজিছো। বিশেষকৈ Armed Forces (Special Power) Act খন আমি যি উঠাই লৈছো তাৰ ওপৰত মই সৰু বিবৃতি দিব বিচাৰিছো। সদনত দাখিল কৰিব বিচাৰিছো। The State of Assam was declared as Disturbed Area in the intervening night of November 27-28, 1990 under Armed Forces (Special Power) Act, 1958 to combat insurgency in the State. After declaration of the State as Disturbed area, a four-pronged strategy was adopted under Unified Command Structure viz. CI Ops, Peace overture, Surrender-cum-Rehabilitation and Psy Ops. Since invocation of the Act, the security scenario has started improving in the State and normalcy has been restored in the State to a large extent. Of late, the Law and Order situation in many parts of the State of Assam is peaceful from extremist point of view. At present, the Army is deployed in only 5 (five) districts of Assam viz. (1) Tinsukia (2) Dibrugarh (3) Charaideo (4) Karbi-Anglong and (5) Dima Hasao in view of the peaceful situation in other parts of the State. Since the imposition of AFSPA, the validity of operation of this Act in the entire state of Assam has been extended 61(sixty one) times, each time for a duration of 6(six) months. The last extension declaring the entire State of Assam as "Disturbed Area" in exercise of powers conferred by Section 3 of the Armed Force (Special Powers) Act, 1958 (AFSPA) (28 of 1958) was issued vide notification no. HMA.19015/9/2019-Pol (A)/102 dated 28" February, 2022 for a further period of 6(six) months w.e.f. 28t February, 2022. In view of the improved security scenario and law & order in the state, Government of India decided to withdraw the operation of the Act from 23 districts and 1(one) Sub-division of the state viz. (1) Dhemaji (2) Lakhimpur (3) Majuli (4) Biswanath (5) Sonitpur (6) Nagaon (7) Hojai (8) Morigaon (9) Kamrup Metro (10) Darrang (11) Kamrup (12) Nalbari (13) Barpeta (14) Goalpara (15) Bongaigaon (16) Dhubri (17) South-Salmara Mancachar (18) Kokrajhar (19) Chirang (20) Baksa (21) Udalguri (22) Karimganj (23) Hailakandi and 1(one) Sub-division

viz. Headquarter Sub-division of Cachar district except Lakhipur Sub-division w.e.f. 01.04.2022. The Government of India further decided that the AFSPA will be in operation only in 9(nine) districts and 1(one) sub-division viz. (1)Tinsukia (2) Dibrugarh (3) Charaideo (4) Sivasagar (5) Jorhat (6) Golaghat (7) Karbi Anglong (8) West Karbi Anglong (9) Dima Hasao and (10) Lakhipur Sub Division of Cachar district w.e.f. 01.04.2022.

Geographical area of Assam which is required to be declared as Disturbed Area

| | | Area |
|---|---|---|
| 1. Karbi Anglong | - | 7399 Km2 |
| 2. West Karbi Anglong | - | 3035 Km2 |
| 3. Dima Hasao | - | 4890 Km2 |
| 4. Dibrugarh | - | 3,381 Km2 |
| 5.Tinsukia | - | 3790 Km2 |
| 6. Charaideo | - | 1069 Km2 |
| 7.Sivsagar | - | 1728.94 Km2 |
| 8. Golaghat | - | 3502 Km2 |
| 9. Jorhat | - | 1926 Km2 |
| 10. LakhipurSub-division | - | 1004 Km2 |
| | Total | 31,724.94 Km2 |

Out of 78,438 Km Geographical area of Assam, declaration of "Disturbed Area" under Section 3 of AFSPA will remain in force only in 31,724.94 Km' covering 9(nine) Districts and 1(one) Sub-Division of Assam. In the remaining 46,713.06 Km Geographical area of Assam covering 23(twenty three) Districts and 1(one) Sub-Division of Assam, AFSPA will be withdrawn w.e.f 01.04.2022. The Government of India under visionary leadership of Hon'ble Prime Minister, Shri Narendra Modi has taken this important step to reduce Disturbed Area" under AFSPA in Assam after decades Continuous efforts of the Government of India led by Shri Narendra Modi has improved the security situation in the North-East in general and in Assam in particular and ensured rapid development of the region

which has led to reduction of areas under AFSPA after decades. The Government of India under Visionary leadership of Hon'ble Prime Minister, Shri Narendra Modi has made many efforts for the peace process, development, prosperity and promotion of cultural heritage of the North-East since he became the Prime Minister in 2014, which we all have seen. During the last three years, Government of India under visionary leadership of Hon'ble Prime Minister, Shri Narendra Modi has signedseveral Peace Aggreements for ending extremism and lasting peace in the states of the North-East. Historic Bodo-Accord was signed on 27th January, 2020 to resolve the 50 year old Bodo militancy issue while maintaining the original form of Assam.The Karbi Aggrement was signed on 4" September, 2021 to resolve the long standing militancy issue in the hill district of Karbi-Anglong. division of Assam, AFSPA has been withdrawn in the mid night of yesterday. The Government of India under the visionary leadership of Hon'ble Prime Minister, Shri Narendra Modi has taken this importance step to reduce 'Disturbed area' under AFSPA in State after decades. Continuous efforts of the Government of India led by Shri Narendra Modi and under the supervision of Shri Amit Shah, Union Home Minister. We have witness improve security situation in the North-East in general and Assam in particular. The Government of India under visionary leadership of Hon'ble Prime Minister, Shri Narendra Modi has made many efforts for the peace process, development, prosperity and promotion of cultural heritage of North-East since he became the Prime Minister in 2014 which we all have seen. During the last three years, Government of India under the visionary leadership of Hon'ble Prime Minister and under the direct supervision of Union Home Minister has signed several peace agreements for ending extremism and lasting peace in the states of North-East. Historic Bodo-Accord was signed on 27th January, 2020 to resolve 50 years old Bodo militancy issue while maintaining the Geographical integrity of Assam. The Karbi Agreement was signed on 4th September,2021 to resolved the long standing Militancy issue in the hill district of Karbi-Anglong. The Government of India under the visionary leadership of Prime Minister has taken several steps including a narcotics free, flood free ,and infiltration free North-East. Prime Minister, Shri Narendra Modi calls the North-East as Ashtalakshmi and Hon'ble Prime Minister is committed to ensure that the North-East will not only be a part of the National mainstream, but will also be the driving force in national development. Reducing "Disturbed Area" under AFSPA in Assam, Nagaland and Manipur is another milestone in the fulfilment of Prime Minister, Shri Narendra Modi's vision of a peaceful and prosperous North-East and a result of able guidance of Hon'ble Union Home Minister Shri Amit Shah. The people of Assam extend its sincere thanks and gratitude to the Prime Minister, Shri Narendra Modi and Union Home Minister, Shri Amit Shah for their unweavering commitment and attention to the North-East region in general and to Assam in particular, which has been neglected for decades, and which is now witnessing a new era of peace, prosperity and unprecedented development. I

joint with people of Assam in extending my greetings to entire citizen and people of North-East on this important occasion.

মাননীয় অধ্যক্ষ মহোদয় যোৱা ১৯৯০ চনৰ ২৭-২৮ নবেম্বৰৰ মাজনিশা অসমত AFSPA প্ৰবৰ্তন কৰা হৈছিল, আৰু এই দীৰ্ঘ সময়ছোৱাত ৬১ বাৰ AFSPA ছয়মাহ ছয়মাহ কৰি বঢ়াই দি থকা হৈছিল। আজি এটা সুন্দৰ দিন, যোৱা কালি ৰাতি বা আজি ৰাতি নিশা ১২ বজাত ভাৰত চৰকাৰৰ নিৰ্দেশ মতে অসম চৰকাৰে এই AFSPA আইন অসমৰ ৯ খন জিলা আৰু এটা চিভিল চাব ডিভিজনক বাদ দি সমগ্ৰ অসমৰ পৰা প্ৰত্যাহাৰ কৰিছে। অসমৰ জনসাধাৰণৰ বাবে এটা নতুন আশাৰ সঞ্চাৰ কৰিছে। মই ভাবো এই 'Disturbed area' আৰু AFSPA আইনৰ প্ৰত্যাহাৰৰ লগে লগে অসমখনত শান্তিৰ এক নতুন দিগন্ত আৰম্ভ হ'ব।Industrialization, Innovation infrastructure এই সকলোৰে ক্ষেত্ৰত ৰাজ্যখনে আৰু দৃঢ়তাৰে খোজ কাঢ়িবলৈ নৈতিক আৰু ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ পাব। আজি এই সুন্দৰ দিনা অসম, অসমৰ ৰাইজৰ হৈ আৰু উত্তৰ পূৱৰ সমগ্ৰ ৰাইজৰ হৈ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু গৃহ মন্ত্ৰী অমিতশ্বাহ ডাঙৰীয়াক এই ঐতিহাসিক সিদ্ধান্তৰ বাবে ধন্যবাদ আৰু অভিনন্দন জনাইছো। অসমৰ ৰাইজলৈ মোৰ বিনম্ৰ অনুৰোধ দীৰ্ঘদিন ধৰি AFSPA প্ৰত্যাহাৰৰ বাবে দাবী জনাই আহিছিলো। আজি AFSPA আমি অসমৰ ৬০ শতাংশ ভূ-খণ্ডৰ পৰা আতৰাবলৈ সক্ষম হৈছো। আৰু যাতে কেতিয়াওঁ AFSPA ৰ দৰে আইন অসমত প্ৰৱৰ্তন কৰিব নালাগে তাৰ বাবে অসমৰ শান্তি ৰক্ষাৰ দায়িত্ব এতিয়াৰে পৰা অসমৰ ৰাইজে ল'ব লাগিব। আজি এই বিধান সভাৰ পবিত্ৰ মঞ্চৰ পৰা অসমৰ সমগ্ৰ ৰাইজক পুনৰবাৰ শান্তিৰ হকে নিজকে উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, এই দীৰ্ঘদিনৰ সময়ছোৱাত অসমত শান্তি শৃংখলা ৰক্ষাৰ বাবে বিভিন্ন জন সেনাবাহিনীৰ জোৱান আহিছিল, আৰক্ষীৰ জোৱানে কাম কৰিছিল, অৰ্ধ সামৰিক জোৱানে কাম কৰিছিল। বিভিন্নজন মৃত্যুৰ মুখত পৰিছিল, বিভিন্নজনে নিজৰ শৰীৰত স্থায়ীভাবে অক্ষম হৈ পৰিছিল। আজিৰ দিনত সেনাবাহিনী, আৰক্ষী বাহিনী আৰু অৰ্ধ সেনা বাহিনীৰ জোৱান সকললৈকে তেওঁলোকৰ সাহসিক কৰ্মৰাজিৰ বাবে মই চৰকাৰৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছো। এই দীৰ্ঘকালীন সমসয়ছোৱাত আমাৰ মাজৰ পৰা কেইবাজনো নিৰিহ লোক আতৰি গৈছে আৰু ঘটনা চক্ৰৰ চাকনৈয়াত পৰি, বোমা বিস্ফোৰণৰ দৰে ঘটনাত পৰি কেইবাজনো নিৰিহ লোকে প্ৰাণ হেৰুৱাইছে। সেই সকল পৰিয়ালৰ প্ৰতিও মই পুনৰ এবাৰ সমবেদনা জনাইছো। পুনৰবাৰ সংযুক্ত মুক্তিবাহিনীকে ধৰি যি কেইটা সংগঠনে এতিয়াও সসস্ত্ৰ সংগঠনৰ পথত আছে, তেওঁলোকক শান্তিৰ মাজলৈ, শান্তি আলোচনাৰ মাজলৈ উভতি আহিবলৈ মই বিনম্ৰতাৰে সৈতে অনুৰোধ কৰিছো। যাতে অসমখনক ভাৰতৰ ভিতৰতে এখন শক্তিশালি ৰাজ্য হিচাপে, আমি সকলোৰে মিলি নিৰ্মাণ কৰিব পাৰো। অসমৰ নতুন প্ৰজন্মক এখন শান্তিৰ অসম, প্ৰগতিৰ অসম , বিকশিত অসম আমাৰ প্ৰজন্মই যাতে উপহাৰ হিচাপে দি থৈ যাব পাৰে, তাৰ বাবে সকলোকে এই শান্তিৰ প্ৰক্ৰিয়াত নিহিত হ'বৰ বাবে আহ্বান জনাইছো। অসম বিধান সভাৰ সন্মানীয় সদস্য সকলক মই পুনৰবাৰ ধন্যবাদ সহযোগিতাৰ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ-ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালকদাৰ, (সৰভোগ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান কথা ক'ব পাৰিম নেকি ? মোৰ কথা হৈছে, আজি মুখ্যমন্ত্ৰী মহোদয়ে যিটো বিবৃতি জাৰি কৰিছে, মই আদৰণি জনাইছো। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তকো মই আদৰণি জনাইছো। তথাপি আমাৰ ৰাজ্যখনৰ ৯ খন

জিলাত আৰু এটা মহকুমাত এতিয়াওঁ AFSPA আছে. মই বিস্তৃত ভাৱে আশা কৰিম এই আইনখন এই ৯ খন জিলাৰ পৰাওঁ উইড্ৰ হ'ব লাগে। কাৰণ মুখ্যমন্ত্ৰী মহোদয়ে নিজে কৈছে যে এই AFSPA আইনৰ অধীনত আমাৰ ৰাজ্যখনৰ বহু নিৰপৰাধি লোক ভিক্তিমাইজ হৈছে। তাৰ কাৰণে তেওঁ দুখো প্ৰকাশ কৰিছে। মই খুবেই ভাল পাইছো, সেই দুখ প্ৰকাশ কৰাত । নিশ্চয় আমি দুখ প্ৰকাশ কৰিব লাগিব। এনেকুৱা এখন ক'লা আইন, যিখন আইন আমাৰ ৰাজ্যত দীৰ্ঘদিন ধৰি আছিল, বহুত দিন বহু দাবীৰ ভিত্তিত আজি ২৩ খন জিলাৰ পৰা ই উইড্ৰ হৈছে। এই ৯ খন জিলাৰ পৰাওঁ উইড্ৰ কৰাৰ কাৰণে মই এই বিধান সভাৰ মজিয়াৰ পৰাই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিম। এটা পদক্ষেপ গ্ৰহণ কৰক। আজি শিবসাগৰ, ডিব্ৰুগড়, চৰাইদেউ, তিনিচুকীয়া এনেকুৱা জিলাবিলাকত যদি AFSPA থাকে , আমাৰ অসমৰ এটা অংশত নিশ্চিতভাবে অসমৰ জনসাধাৰণৰ অধিকাৰ, তেওঁলোকৰ নিৰাপত্তাত বিভিন্ন ধৰণৰ ভাবুকি আহে। আমাৰ ৰাজ্যখন যিহেতু এতিয়া শান্তিত প্ৰতিস্থাপিত হৈছে বুলি আমাৰ মুখ্যমন্ত্ৰীয়েও দাবী কৰিছে, চৰকাৰেও দাবী কৰিছে, আমিও অনুভৱ কৰিছো। এনেকুৱা এখন ক'লা আইন যাতে এই এই ৯ খন জিলাটো নাথাকে এইটোৰ কাৰনে যেন এটা ুদ্যোগ মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰে এই অনুৰোধ মই কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, মুখ্যমন্ত্ৰী মহোদয় ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা সৰু Statement এটা আছে। সন্মানীয় সদনক মই অতি গৌৰৱেৰে জনাব খুজিচো যে যোৱা কালি ৰাতি নিশা ১২ বজাত আমি বিত্তীয় বৰ্ষ ২১-২২ আমি সামৰণি পেলাইছো। সাধাৰণতে বিত্তীয় বৰ্ষ সামৰণি পেলাই নতুন বিত্তীয় বৰ্ষত ভৰি দিয়াটো এটা নিত্যনৈমিত্তিক ঘটনা। কিন্তু এইবাৰৰ বিত্তীয় বৰ্ষ অসমৰ ইতিহাসৰ বাবে এটা নতুন milestone কঢ়িয়াই আনিছে। সেইটো হ'ল যে প্ৰথমবাৰৰ বাবে ৰাজ্যচৰকাৰে খৰচৰ ক্ষেত্ৰত ১ লাখ কোটি টকা ব্যয় কৰিবলৈ সক্ষম হৈছে। আজি ২০১৬ চনত আমাৰ যেতিয়া চৰকাৰ আমি আৰম্ভ কৰিছিলো আমাৰ বাৰ্ষিক ব্যয় আছিল ৪২ হাজাৰ কোটি টকা। .আজি অসমে বৃহৎ ৰাজ্য সমূহৰ যিটো that lead যে ডাঙৰ ৰাজ্য সেই ডাঙৰ ৰাজ্য সমূহৰ যিটো মানদণ্ড বা ৰাজ্য সমূহৰ যিটো নাম সেই নামত যোৰকালি ৰাতি ১২ টা বজাত অসমে আনুষ্ঠানিক ভাৱে খোজ পেলালে। অৰ্থাৎ now we are also a state who can spend 1 lakh crore annually. মই ৰাজ্যৰ যোৱা বিত্তীয় বৰ্ষৰ ওপৰত বিশেষকৈ যোৱা ২০১৫-১৬ চনৰ ওপৰত অকন মান আমি দৃষ্টি নিক্ষেপ কৰিব খুজিছো। মই সৰু ষ্টেটমেণ্ট এটা পঢ়ি দিব খুজিছো। যোৱা কালি আমি আৰু এটা ডাঙৰ মানদণ্ড নিৰ্মাণ কৰিব পাৰিছো। Transport Department য়ে ও নিজৰ বাৰ্ষিক ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত ১ হাজাৰ কোটি টকাত ভৰি দিব পাৰিছে। তাৰ উপৰি আমাৰ GST collection ৰ ক্ষেত্ৰতো ক'ভিডৰ পিছত এইবছৰ ৰাজ্যখনে অত্যন্ত অভুতপূৰ্ব্ব ভাৱে আমি নিজকে নিজৰ ভৰিত থিয় কৰাব পাৰিছো। Central Sector Grant ৰ tranfer ক্ষেত্ৰতো এই বিত্তীয় বছৰটোত আমাৰ বাবে, অসমৰ বাবে এটা সুখবৰ কঢ়িয়াই আনিছিল। এই গোটেইখিনি কথা আপোনালোকক এটা সৰু ষ্টেটমেণ্টত মই পঢ়ি দিব বিচাৰিছো।

During the period 2015-16 to 2019-20, the State has achieved an impressive annual average gropwth rate of 8.9 percent in terms of Gross State Domestic Product (GSDP) at constant prices, which is higher than the average GDP growth of the contry at 6.7 percent.

অৰ্থাৎ দেশখন 6.7 gross domestic product বুলি কওঁ GSDPবুলি কওঁ India has grown during time at 6.7. Assam had grown at 8.9. So, our growth rate during the 3 years is higher than National growth rate. During 2020-21, the State has achieved near positive growth despite the Covid-19 pandemic repercussions. কেইদিন মান আগতে হাউচত আলোচনা হৈছিল যে গ্ৰ'থ আমাৰ .95 percent. So, that is the only state মই only বুলি নকওঁ few state which is achieved positive growth in last financial year. Even Government of India growth is also negative. So, we are one of the few state who has continued to achieve positive growth. During 2020-21, Assam is likely to record again significant growth of 9.1 percent. অৰ্থাৎ পোষ্ট ক'ভিড হোৱাৰ লগে লগে we are again on growth creditory 9.1 percent.

Assam economy could be able to achieve this remarable growth on account of its policy reorientation towards increase in capital expenditures to develop the econmy while rationalisingh its non-developmental expenditures.

Assam has crossed its total expenditure to one lakh crore marks during 2021-22 and its total expenditure is likely tobe over Rs. 1,02,000 crore for the first time in the history of independent Assam and independent India and this is without adjusting the conversion of debt of the PSU of Assam into equity at about Rs.9988.57 Crore. AG will say that our expenditure is 1 Lakh 11 thousand Crore because we have transperted some of the loan to equity but actually expenditure is 1 Lakh 2 thousand Crores.

Excluding the Covid stricken year 2020-21, Assam's total expenditure has grown, on an average, at 20.9 percent from Rs. 41,931 crore in 2015-16 to Rs. 1,02,097 crore in 2020-21.

Similarly, the capital expenditure has alos increased from Rs. 2951 crore in 2015-16 to Rs. 16,339 Crore in 2020-21 (provisional) and thereby registered a growth of 36.8 percent, on an average, including negative growth recorded during 2020-21 on account of Covide pandemic.

The revenue expenditure has increased from Rs. 37,011 crore in 2015-16 to Rs. 74,400 Crore in 2021-22 and thereby recorded a slower phase of growth at 16 percent on an average, during the period, except the Covid stricken year 2020-21. This could be achieved throuth retionalisation of the revenue expenditure of the State de-

spite pay commission increases in salary etc.

Government of Assam has been able to meet this significat increase in revenue and capital expenditure throuth increased transfers from Government of India (GoI) towards tax devolution, Finance Commission grants, CSS and other grants, in addition to special assistance for capital expenditure during 2020-21 and 2021-22.

Central transfer to Assam throuth tax devolution has increased from Rs. 16,785 crore in 2015-16 to Rs. 26,663 crore in 2021-22 and thereby registered an average growth of 9.8 cercent.

All transfer from the centre have increased by 11.5 percent on an average during 2016-17 to 2021-22.

Similarly, transfers towards ecternally aided projects have alos increased from Rs. 454 crore in 2015-16 to Rs. 1421 crore in 2021-22 and thereby registered an average growth of 21.3 percent during 2016-17 to 2021-22.

At the same period, State's own tax and non-tax revenues have alos increased by 13.2 percent, on an average, despite regative growth recoreded during 2019-20 and 2020-21.

As the State's own revenues constitute about 33 percent of the total revenues, on an average, during 2015-16 to 2021-22 and the remaining portion of major revenues come from the GoI, which are not sufficient to meet the state's developmental expenditures, the State has to resort to increased borrowings from the market during the recent past.

However, Assam has not utilised its full borrowing limits during 2021-22 on account of increased transders from GoI.

At the same time, Assam has been maintaining its debt to GSDP ratio well within the AFRBM target. Similarly, the interest payments to revenue receipts of the State has alos well below the 10 percent mark prescribed by the Finance Commission.

Overall, as a developing state in the North Eastern Region, Assam has adopted constructive and conducive measures to boost the revenue of the State. At the same time, expenditue control mechanism has been adopted, wherever possible, without affecting the growth process of the State and alos lower strata of the society. As major share of revenues come from GoI in the form of central transfers and grants, refuction of these share would affect the fiscal posi-

tion of the state severely. As the State's share in tax devolution furmula has declined from 3.628 percent in the 13th FC to 3.128 percent in the 15th FC, a relook in the Finance Commission formula for State's tax devolution share that would increase the receipt positioমাহৰ of the State and thereby fiscal imbalance would be balanced.

এইবাৰ মই আপোনালোকক জনাবলৈ পাই সুখী যে ১২ টা ইন্সটলমেণ্টত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য ক টকা দিয়ে। এইবাৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰী মতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়াণীয়ে আমাক চাৰিটা এডিশ্যনেল দ'জ অব ডিভ'লিউশ্যন দিছে। চাৰিটা মাহৰ টেক্স আমাক বেছি দিছে। অৰ্থাৎ ১২ মাহত আমাক ১৬ মাহৰ প্ৰাপ্যখিনি দিছে। Overall this year from the point of financial management is a very very immpressive year. 1 লাখ কোটি টকাই চোৰক মোৰ বহুদিনৰ আশা আছিল। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই আজি এইখন পবিত্ৰ সদনত অত্যন্ত গৌৰৱেৰে সৈতে কৈছো যে আমি 1 লাখ কোটি টকা ৰাজহুৱা ব্যয় অসমৰ.
১ লাখ কোটি টকা চুৰাটো মোৰ বহু দিনৰ আশা আছিলে। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই আজি এইখন পবিত্ৰ সদনত অতন্ত গৌৰৱৰ সৈতে কৈছো যে আমি ১ লাখ কোটি টকা ৰাজহুৱা ব্যয় অসমৰ দৰে ৰাজ্য এখনত য'ত উদ্দ্যোগিকৰণ সিমিত বা অসমখন বানত আক্ৰান্ত আৰু নতুনকৈ কোনো ধৰণৰ tax লগোৱা নাছিলো, তথাপিতো এক লাখ কোটি টকা ব্যয় স্পৰ্শ কৰাটো মই ভাৱো আমাৰ এটা collective achievement, অসমৰ ৰাইজৰ বাবে এটা আশাৰ বাতৰি কঢ়িয়াই আনিছে। অহা বছৰটোত fiscal consolidation টোক আমি আৰু আগুৱাই লৈ যাব লাগিব। আজি বিধান সভাৰ জৰিয়তে Tax Department, Excise Department, Revenue Department, Transport Department, Forest Department মই সকলোকে ধন্যবাদ জনাইছো যে এইবাৰ খুব impresive revenue সকলোৱে collect কৰিছে, সকলোৱে ধন্যবাদৰ পাত্ৰ। মই বিত্ত বিভাগক ধন্যবাদ দিছো for a very sound fiscal management in this year , সুন্দৰভাৱে যোৰাকালি ৰাতি ১২ টা বজাত যিমান payment due আছিলে, সুন্দৰভাৱে সকলোৱে পাইছে। আৰু এতিয়া আমাৰ লক্ষ্য হ'ব যে কিমান সোনকালে ডেৰ লাখ কোটি টকা স্পৰ্শ কৰিব পাৰো। সেই লক্ষ্যৰে আমি ভাৰমান হ'ম, সেই লক্ষ্যৰে আমি আগুৱাই যাম, এই ক্ষেত্ৰত মই বিধান সভাৰ সকলো সদস্যৰ সহযোগিতা কামনা কৰিছো।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ... The Hon'ble Chief Minister Sir has just announced, I would like to point out that we have measurable failed over the year in complying with several important mandates of the FRBM Act. I will point only one mandate ... (interrupt)

**Hon'ble Speaker** : You just seek clarification. On this statement of the Hon'ble Chief Minister you just seek the clarification.

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ Yes Sir, the mandate was that our revenue expenditure should be limited within 1/3 i.e. 33% of the total capital plan outley. But even in the last budget we have seen the

opposite, the capital expenditure is only 20 %, revenue expenditure is 80%. There are several other mandate where we have been measurably failing over the year in the past.

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই পবিত্ৰ সদনত এটা সুখবৰ দিবৰ কাৰণেহে থিয় হৈছিলো যে অসমে প্ৰথম বাৰৰ বাবে এক লাখ কোটি টকা স্পৰ্শ কৰিছে। That is a sum and substance of my report to House and this is not a budget discussion. সন্মানীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই revenue expenditure কম হোৱাৰ যিটো কথা কৈছে তেনেকুৱা হ'লে কোনেও দৰমহা নোপোৱা হৈ যাব। সেয়েহে মই ভাৱো যে আমি যাতে আজি বাজেটৰ ওপৰত আলোচনা আৰম্ভ নকৰো। কিয়নো বিত্ত বিভাগৰ পৰা ইতিমধ্যে বাজেটৰ উত্তৰ দিয়া হৈছে। মুখ্যত অসমত যোৱা কালি নিশা **১২** বজাত দুটা ঐতিহাসিক ঘটনা সংঘটিত হৈছে যি ঘটনাৰ অসম বিধান সভা সাক্ষী হৈ থাকক আৰু আমাৰ যাতে record ত থাকে আৰু এই proceeding খন ৫০ বছৰ পিছততো যাতে চাব পাৰে। Yesterday at 12 AM we have reduced AFSPA to 40% of the area for the first time. আমাৰ সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই বাকীখিন উঠোৱাৰ কথাও কৈছে, কিন্তু প্ৰশ্ন হ'ল যে **১৯৯০** চনত ইয়াক অনাৰ পিছত কোনো এটা ব্লকৰ পৰা উঠাব পৰা নাছিল। যোৱা কালি নিশা **১২** বজাৰ এই ঘটনাটো অসমৰ বুৰঞ্জীৰ বাবে এটা ঐতিহাসিক ঘটনা। আন এটা ঐতিহাসিক ঘটনা হ'ল যে প্ৰথম বাৰৰ বাবে অসমে public expenditure ৰ ক্ষেত্ৰত এক লাখ কোটি টকা চুইছে। মই সদনত এই কথাখিনি যদি নকলোহেঁতেন আৰু অসমৰ বুৰঞ্জী তথা সদনৰ proceeding যদি চালেহেঁতেন, তেতিয়া এই কথাখিনি নাথাকিহেঁতেন। এইখন সদনত যাতে ভৱিষ্যতৰ প্ৰজন্মই সদায় ৰোমন্থন কৰে যে দুটা মাইলৰ খুটা এইখন সদনতেই প্ৰতিষ্ঠা কৰা হৈছিল। For that I took the liberty from the Hon'ble Speaker to put both the achievement on record of this House.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তীয় বৰ্ষ শেষ হ'ল এক লাখ কোটি টকা খৰছ হৈছে, Statement দিছে, record আছে, সেই কথাটোত আমিও ধন্যবাদ জনাইছো। আজিৰ পৰা নতুন বিত্তীয় বৰ্ষ আৰম্ভ হৈছে, কিন্তু মুল্যবৃদ্ধি হোৱাৰ বাবে মানুহৰ মাজত হাহাকাৰ লাগিছে। টোল ষ্টেস্কৰ পৰা আৰম্ভ কৰি পাকঘৰ, ঘৰ বনোৱাৰ পৰা আৰম্ভ কৰি সহিব নোৱাৰ অৱস্থা এটাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত চৰকাৰে এটা statement দিয়াৰ বাবে মই আপোনাৰ জৰিয়তে বিনম্ৰতাৰে অনুৰোধ জনাইছো।

**শ্ৰীকমলক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এক লাখ কোটি টকা লৈ ইতিমধ্যে আগবাঢ়িছে আৰু তাৰ বাবে আমি ধন্যবাদো জনাইছো। কিন্তু আমাৰ সন্মানীয় সদস্য শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই কোৱা মতে আমাৰ ক'ত কি খৰছ হৈছে, reveneu expenditure (interruption)...

**মাননীয় অধ্যক্ষ** ঃ আজি ইয়াৰ ওপৰত আলোচনা নহয়, ই এটা statement হে। সদায় কথাবোৰ আলোচনালৈ আনি থাকিব নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য সকলে statement বুলিলে কাক বুজাই, সেইটো বুজি ললে ভাল হয়। মই কেৱল ৰেকৰ্ডৰ বাবে বিষয়টো উত্থাপন কৰিছো। যদি স্পষ্টীকৰণ লাগে তেন্তে মোলৈ এখন চিঠি লিখিলে মই ক'ত কিমান খৰছ

হৈছে, সেয়া তন্ন তন্ন দি দিম। কাৰণ মই ইয়াত এতিয়া বাজেটৰ ওপৰত আলোচনা আৰম্ভ কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ **৫৪** নং নিয়মৰ অধীনত **২০২২** চনৰ **১৪** মাৰ্চ তাৰিখৰ " অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "ডাম্পিং গ্ৰাউণ্ড, পশ্চিম বৰাগাঁৱত প্ৰতিবাদ" । শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ নিচেই ওচৰত দ্বীপৰ বিল আছে আৰু এই দ্বীপৰ বিল ৰামচৰ বিল হিচাপে বিশ্বৰ মানচিত্ৰত চিহ্নিত হৈ আছে। কিন্তু এই দ্বীপৰ বিলতেই নিকতবৰ্তী মাছমৰীয়া সকলে মাছ মাৰি জীৱন নিৰ্বাহ কৰে আৰু বিভিন্ন পশুকুল, হাতী আদি আহি দ্বীৰ বিলতে বিচৰণ কৰে। চাইবেৰিয়ান আষ্ট্ৰিক চৰাই আহি দ্বীৰ বিলতে বিচৰণ কৰে। কিন্তু, দুৰ্ভাগ্যৰ কথা, আজিৰ পৰা কিছুবছৰ আগত দ্বীপৰ বিলৰ কাষতে "ডাম্পিং গ্ৰাউণ্ড,স্থাপন কৰা হৈছিল আৰু সেই "ডাম্পিং গ্ৰাউণ্ড স্থাপন কৰাৰ পিছত সেই সময়ৰ চৰকাৰে ইয়াক বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। কিন্তু, আজি **১২** বছৰ অতিক্ৰম কৰাৰ পিছতো এইক্ষেত্ৰত কোনো ধৰণৰ বিজ্ঞানসন্মত প্ৰক্ৰিয়া নলৈ জধে মধে গুৱাহাটীৰ যিমান জাৰৰ জোথৰ আছে, সকলো তাতেই পেলোৱা হৈছিল। পৰৱৰ্তী সময়ত, National Green Tribunnal ত এটা NGO এ গোচৰ ৰুজু কৰাৰ পিছত National Green Tribunnal এ সেই "ডাম্পিং গ্ৰাউণ্ড টো অন্য স্থানলৈ স্থানন্তৰ কৰাৰ বাবে নিৰ্দেশ প্ৰেৰণ কৰিছিল। সেই নিৰ্দেশ অনুযায়ী সেই "ডাম্পিং গ্ৰাউণ্ড টো আমাৰ চৰকাৰে চন্দ্ৰপুৰলৈ স্থানন্তৰিত কৰিছিল। কিন্তু, ৰাইজৰ প্ৰতিবাদন সেই "ডাম্পিং গ্ৰাউণ্ড টো পুনৰ দ্বীপৰ বিলৰ কাষলৈ আনি যোৱা বছৰ আগষ্ট মাহৰ পৰা আকৌ তাত জাৰৰ জোথৰ পেলোৱাৰ ব্যৱস্থা কৰিছে। এনে কৰাৰ ফলত দ্বীপৰ বিলৰ পাৰতে তিনিটা জাৰৰ-জোথৰৰ পাহাৰ দেখিবলৈ পাব। সেই দ্বীপৰ বিলৰ ওচৰতে শিক্ষানুষ্ঠান, বিভিন্ন চৰকাৰী কাৰ্য্যালয় আছে আৰু পৰিতাপৰ কথা যে দ্বীপৰ বিলৰ ওচৰতেই জাতীয় অস্বিত্ত ৰক্ষাত প্ৰাণ দি বীৰ শ্বহীদ সকলৰ এখন স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰি থাক হৈছে। এই সচেতন নাগৰিক সমিতিয়ে ইতিমধ্যে তিনিবাৰকৈ গুৱাহাটী পৌৰ নিগমৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিল. সেই আলোচনাত ময়ো দুবাৰ উপস্থিত আছিলো. সেই জাৰৰ জোথৰ পেলোৱাৰ বাবে ওচৰৰ জনজাতীয় অঞ্চল, আজি সেই অঞ্চল বিলাকত বিশেষ ভাৱে আমাৰ পামহি, চকৰদৈ আজি দেওচোতাল, আজি বিভিন্ন অঞ্চলত সেই জাৰৰ-জোথৰ পেলোৱা ঠাইৰ পৰা উৎকট দুৰ্গন্ধই চানি ধৰিছে। যাৰ ফলত সেই উক্ত অঞ্চলত যি এটা পৰিৱেশ আছিল আজি সেই পৰিৱেশৰ বিঘ্নিতি ঘটিছে। আজি মানুহে তাত থাকিব পৰা অৱস্থাত নাই। আজি এটা অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি হৈছে। গতিকে আজি বিশেষভাৱে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। যদি আজি বিজ্ঞানসন্মত ভাৱে সেই জাৰৰ পেলোৱা সেই অঞ্চলটো যদি বিজ্ঞান সন্মত ভাৱে কৰিলেহেঁতেন, তেতিয়া হয়তো ৰাইজৰ আপত্তি নাছিল। আজি ৯ মাহ উকলি গ'ল আৰু যেতিয়া তাতে জাৰৰ-জোথৰ পেলোৱা হ'ল সেই সময়তে কোৱা হৈছিল যে, এই স্থানটো বিজ্ঞান সন্মতভাৱে কৰা হ'ব। আজি জাৰৰ-জোথৰ তাত পেলোৱাৰ কাৰণে যি তিনিখন পাহাৰ হ'ল, হয় আজি তাত পামহি নদী এখন বৈ গৈ দ্বিপৰ বিলত পৰিছে। আজি খানাপাৰাৰ যিমান পানী, আজি গুৱাহাটীত যিমান পাৰি মৰা ভৰলুৰেদি বৈছে, আজি কটাহবাৰী আই এচ বি টিৰ ওচৰত এই দুখন নদী সংলগ্ন হৈছে আৰু এখন নদী হৈ

দ্বিপৰ বিলত পৰিছে। এতিয়া যিখন পামহি নদী আছে, আজি তাতে জাৱৰ-জোথৰ পেলোৱাৰ কাৰণে আজি গোটেই জাৱৰ-জোথৰ আকৌ পামহি নদীত পৰিছে আৰু পামহি নদীত পৰাৰ কাৰণে দ্বিপৰ বিলত গৈ এই দ্বিপৰ বিলৰ পীনীখিনি আজি প্ৰদুষিত হৈছে। আজি যদি আপুনি চাব যায়, এতিয়া দ্বিপৰ বিলত এটা চামনি বান্ধিছে। গোটেই পানী কলা হৈ পৰিছে। এনেকুৱা ধৰণৰ অৱস্থাৰ আজি সৃষ্টি হৈছে। গতিকে মই ভাৱো, যে যদি ডাম্পিং গ্ৰাউণ্ড টো তাৰ পৰা স্থানান্তৰ কৰা নহয়, তেনেহ'লে গোটেই পানী আজি বিষাক্ত হ'ব আৰু বিষাক্ত হোৱাৰ ফলত আজি হাতীয়ে তাত পানী খাবলৈ আহে। আজি বিভিন্ন পশু-পখী তাত আছে, মাছ আছে। আজি যদি আপুনি চায়, বিভিন্ন মাছ মৃত্যু মুখত পৰিছে। বেমাৰে আক্ৰান্ত কৰিছে. গতিকে আজি এই অৱস্থাটো হৈছে। আজি আমি দ্বিপৰ বিলৰ উন্নয়নৰ কাৰণে ব্যৱস্থা লৈছো, পৰ্য্যটনৰ আকৰ্ষণৰ কাৰণে ব্যৱস্থা লৈছো। যদি ডাম্পিং গ্ৰাউণ্ডটো তাত থাকে, তেতিয়াহ'লে আজি আমি যি পৰিকল্পনা হাতত লৈছো, এই পৰিকল্পনা কেতিয়াও বাস্তৱত সফল ৰূপ নিদিব। এতিয়া আমাৰ যিমান কাৰ্বি সংগঠন আছে, বিভিন্ন সংগঠন আছে, আজি ৪২ টা সংগঠনে দুদিন আগতে তেওঁলোকে তাত সভা সমিতি পাতি বিগত দিনত কেইবাবাৰো আন্দোলন কৰিছে। এতিয়া পুনৰ আন্দোলনমুখী হ'ব বিচাৰিছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো, আজি যিটো অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি হৈছে, যদি এই অস্বাস্থ্যকৰ পৰিৱেশ অব্যাহত থাকে, যদি ৰাইজে তাতে আন্দোলনৰ কাৰ্য্যসূচী লয়, তাত যদি আইন-শৃংখলা পৰিস্থিতিৰ সৃষ্টি হয়, তেনেহ'লে তাৰ কাৰণে কিন্তু চৰকাৰ জগৰীয়া হ'ব লাগিব। গতিকে মই বিশেষভাৱে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ কৰিছো, তৎকালীন ভাৱে যাতে ডাম্পিং গ্ৰাউণ্ডটো স্থানান্তৰ কৰে। আজি তাত কেৱল জাৱৰ-জোথৰেই নহয়, আজি যিমান মলমুত্ৰ আছে, আজি ১২ লাখ মানুহ ইয়াত আছে। গোটেই মলমূত্ৰ সেই দ্বিপৰ বিলৰ পৰাত মুকুলিভাৱে পেলোৱাৰ ব্যৱস্থা লৈছে। আজি যিমান ইয়াত মলমূত্ৰ আছে, দৈনিক প্ৰায় ৩০-৪০ খন গাড়ী আজি প্ৰতিদিনে তাতে মলমুত্ৰ পেলোৱাৰ ব্যৱস্থা লৈছে। আজি এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে যে তাত মানুহ থাকিব নোৱাৰে। আজি যিখন ঠাইত আমাৰ পৰিৱেশ সুস্থ হৈ আছিল, এখন ৰম্যভূমি হিচাপে আছিল আজি সেই অঞ্চলটো বৈদ্যভূমি হিচাপে পৰিণত হ'ল। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে বিজ্ঞানসন্মতভাৱে কৰা বুলি কলে নহ'ব। কাৰণ ৯ মাহ উকলি গ'ল, ৯ মাহে কোনো কাম নকৰিলে। ইয়াৰ আগত ১২ বছৰ গ'ল, ১২ বছৰ ভিতৰতো কোনো পৰীক্ষা-নিৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। যদি এই ব্যৱস্থাটো অতি সোনকালে নকৰে, তেনেহ'লে নিশ্চয় সেই অঞ্চলটো আৰু সেই পানীখিনি যে প্ৰদুষিত হ'ব, বায়ু , স্থল, জল গোটেইবিলাক প্ৰদুষিত হৈ আছে, এই কথাটো নিশ্চয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুভৱ কৰিবৰ কাৰণে অনুৰোধ জনাইছো। প্ৰয়োজন হ'লে আপোনাৰ অধ্যক্ষৰ নেতৃত্বত এটা প্ৰতিনিধি দল গঠন কৰক। আপোনালোকে চাওঁক,ওচৰতে। যদি এই অৱস্থাৰ সৃষ্টি হোৱা নাই, তেনেহ'লে মই নিশ্চয় কোনোদিনে এই কথাখিনি ইয়াত আলোচনা নকৰো। গতিকে যদি এইটো এটা প্ৰতিনিধি দলে চাই, তেতিয়াহ'লে উত্তম কথা হ'ব বুলি মই বিবেচনা কৰিছো।

**শ্ৰীভুবন পেগু, জোনাই (সভাপতি) ঃ** বিষয়টো খুব গুৰুত্বপূৰ্ণ। বিশেষকৈ গুৱাহাটী চহৰৰ একেবাৰে দাঁতিকাষৰীয়া অঞ্চল। মন্ত্ৰী ডাঙৰীয়া, উত্তৰটো দিব।

**শ্ৰীঅশোক সিংঘল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাষ্ট্ৰীয় সেউজ প্ৰাধীকৰণ, NGT

(National Green Tribunel) য়ে ১৬-০৭-২০১৯ তাৰিখে নিৰ্দেশনা দিছিল যে, পুৰণা যিটো ডাম্পিং গ্ৰাউণ্ড আছিল, দ্বিপৰ বিলৰ গাত লাগি থকা তাত জাৱৰ পেলোৱাটো বন্ধ কৰিব লাগে। পুণৰ NGT য়ে ১১-০২-২০২২ তাৰিখে নিৰ্দেশ দিয়া গ'ল যে অসম চৰকাৰে গুৱাহাটী পৌৰনিগম জি এম চি ক মাটি আবণ্টন দিব লাগে জাৱৰ নিস্পত্তি কৰাৰ কাৰণে। এই নিৰ্দেশ মৰ্মে অমস চৰকাৰে ১৬ বিঘা মাটি দক্ষিণ গাওঁৰ সোনাইঘুলিত আৱণ্টন দিছিল। মাটি যিহেতু আৱণ্টন হৈছিল, মাটি পাই আমি আনন্দিত হৈছিলো আৰু আমি যেতিয়া consultant ক মাতি লো, consultant য়ে আমাক ক'লে ১৬ বিঘা মাটিত জাৱৰ নিষ্পত্তিৰ কাম হ'ব নোৱাৰে। এই জাৱৰটো প্ৰচেচ কৰাৰ কাৰণে জাৱৰ অহাৰ পিছত ২৮ দিন aeration, তাৰ যিটো moisture আছে, সেইটো শুকাবৰ কাৰণে ২৮ দিন লাগে, store কৰি ৰাখিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, অসমত বহুত বৰষুণ হয়। Open ৰাখিব নোৱাৰিব shed ৰ ভিতৰত ৰাখিব লাগিব। প্ৰায় ৫ শ মেট্ৰিকটন জাৱৰ ইয়াত উঠে বুলি তথ্য আমাৰ হাতত আছে। এমাহ যদি ৰাখিব লাগে, ১৫ হাজাৰ মেট্ৰিকটন জাৱৰ শুকাবৰ কাৰণে এটা ব্যৱস্থা তাত নিৰ্মাণ কৰিব লাগিব। ২-৩ ফুটৰ বেছি ওখ বনাব নোৱাৰে, টিপ বনাব নোৱাৰে, কিয়নো জাৱৰটো নুশুকাব। তেতিয়া consultant য়ে জাগা ডোখৰ reject কৰিলে। Reject কৰাৰ পাছত আৰু এটা জাগা আমাক দিয়া হৈছিল চন্দ্ৰপুৰত। চন্দ্ৰপুৰত আগতেহে দিয়া আছিল। মন্ত্ৰী হোৱাৰ পিছত যেতিয়া মোক জনোৱা হ'ল, বিভাগক জনোৱা হ'ল, তেতিয়া আমি ক'লো যে NGT ৰ নিৰ্দেশ আছে আমি মানিব লাগিব। জাৱৰ পেলোৱাটো তাত বন্ধ কৰিব লাগিব। অনুসন্ধান কৰিব লাগিব। তেনেকৈ NGT ৰ আদেশ নুশুনি NGT ক যদি আমি নামানো, এইটো চৰকাৰৰ কাৰণে এটা বেয়া মেচেজো হ'ব পাৰে কালিলৈ। আমি মাটিৰ সন্ধান কৰিলো, মাটি আমি নাপালো। শেষত চন্দ্ৰপুৰত আৰম্ভ কৰা গ'ল। চন্দ্ৰপুৰতো প্ৰতিবাদ হৈছিল। প্ৰতিবাদ হওঁতে মই নিজে গ'লো তাত। এই জাগাটো গুৱাহাটীৰ পৰা জাবৰ পেলাবৰ কাৰণে উচিত নহয়, যাওঁতে এঘণ্টা লাগে, আহোতে এঘণ্টা লাগে, আপুনি যদি বিধান সভাৰ পৰা যায়, কিন্তু গুৱাহাটীত জাবৰ অনা হয়। ইফালে ইউনিভাৰ্চিটিৰ পৰা আৰম্ভ কৰি গুৱাহাটীৰ বহু ভিতৰুৱা অঞ্চলৰ অনা হয়। Economically viable নাছিল। ইমান দূৰ জাৱৰ নিষ্পত্তিৰ কাৰণে ব্যৱস্থা কোনো চহৰত নাই। সেইকাৰণে তৎকালীনভৰে আলোচনা কৰি আসাম হাউচিং বোৰ্ডৰ প্ৰায় ৬০ বিঘা মাটি আমি ক্ৰয় কৰিলো আৰু তাত ডাম্পিং গ্ৰাউণ্ড হস্তান্তৰ কৰিবৰ কাৰণে ব্যৱস্থা ল'লো। এবাৰ যিহেতু ২০১৯ চনত এন জি টি য়ে ইয়াত বন্ধ কৰিব লাগে বুলি নিৰ্দ্দেশ দিছিল কিন্তু আমি কৰিব পৰা নাছিলো। ২০২১ চনতো বন্ধ কৰিবলৈ কৈছিল কিন্তু আমি কৰিব পৰা নাছিলো। ১১-০২-২০২২ চনত যেতিয়া পুনৰ ক'লে যে ইয়াত কোনো কাৰণতে পেলাব নোৱাৰে আৰু এইটো ১৫ দিনৰ ভিতৰত বন্ধ কৰিবলৈ সময়সীমা দিছিল। তেতিয়া আমি তাত পেলাবলৈ আৰম্ভ কৰিলো। এই কথাটো সঁচা যে বিজ্ঞানসন্মতভাৱে আমাৰ জাৱৰ নিষ্কাষণ কৰাৰ কোনো ব্যৱস্থা নাই। কিন্তু বিজ্ঞানসন্মতভাৱে কৰাৰ কাৰণে গুজৰাটৰ এজন কনচালটেণ্ট, যিজনে চুৰাট চহৰত কনচালটেঞ্চি যোৱা ৫ বছৰে দি আছে। তেনেকুৱা এজন কনচালটেণ্টক আমি কৈছো। ইতিমধ্যে ৮ টা Garbage Transfer Station গুৱাহাটীত নিৰ্মাণ কৰিবৰ বাবে কাম আৰম্ভ হৈছে। ৩ টাত কাম আৰম্ভ হৈছে। আমি মাটি পাইছো আৰু ৩টাৰ মাটি আমাক হস্তান্তৰৰ প্ৰক্ৰিয়া চলি আছে। আৰু দুটাৰ মাটি এতিয়ালৈকে বিচাৰি পোৱা নাই। আমি বহু চৰকাৰী অনুষ্ঠানৰ দামী প্ৰকল্পৰ মাটি ইয়াত ব্যৱহাৰ কৰি আছো। যেতিয়ালৈকে জাৱৰ-যোথৰ ভালকৈ নিষ্কাষণ কৰা নহয়, তেতিয়ালৈকে Urban Amminities ভাল হ'ব নোৱাৰে, চহৰখন ভাল হ'ব নোৱাৰে। আজি স্বচ্ছতা ইণ্ডেকশ্যত

প্ৰায় ৩৮০ খন চহৰক কেটেগৰি কৰা হয়, য'ত জনসংখ্যা ১ লাখতকৈ বেছি। তাত গুৱাহাটী ৩৫৩ ত নং আছে। তাৰ অৰ্থটো হ'ল-জাৱৰ-যোথৰ নিষ্কাষণ কৰাৰ আমাৰ যিটো প্ৰক্ৰিয়া, বিধান আৰু ব্যৱস্থা ভৰতবৰ্ষৰ ভিতৰত আটাইতকৈ নিম্নগামী হৈ আছে আৰু ইয়াক ওপৰলৈ অনাৰ প্ৰায়োজন আছে। তাৰ কাৰণে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে, কনচালটেণ্ট অনা হৈছে আৰু ৭ টা কৈ Garbage Transfer Station কৰাৰ এটা সিদ্ধান্ত লোৱা হৈছে। যিটো 3 Garbage Transfer Station.ত আৰম্ভ কৰি এটা Municipal Solid Waste নিষ্পত্তি কৰাৰ কাৰণে এটা ব্যৱস্থা হাতত লোৱা গৈছে Methanization কেনেকৈ কৰিব পাৰি বা জাৱৰৰ দ্বাৰা আমি কি বস্তু বনাব পাৰো যে জাৱৰৰ নিষ্পত্তি তৎক্ষাণিকভাৱে কৰিব পাৰো যাতে তাত ৰাখিব নলাগে। Moistureশুকাব নালাগে। তাৰ কাৰণে বিভিন্ন কনচালটেণ্ট আৰু জনা-শুনা ব্যক্তিৰ লগত আলোচনা চলি আছে। আপোনাৰ জৰিয়তে মই পশ্চিম গুৱাহাটীৰ সন্মানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক জনাব বিচাৰিছো যে ইয়াৰ বাবে কিছু সময় লাগিব। কিন্তু সম্পূৰ্ণ বৈজ্ঞানিক প্ৰক্ৰিয়া আৰু পদ্ধতিৰে এই প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব। মই চুৰাট, আহমেদাবাদ চহৰত নিজে গৈছো আৰু মাননীয় অধ্যক্ষ মহোদয়ে যদি বিচাৰে তেতিয়া বিধান সভাৰ দল এটা চুৰাট, আহমেদাবাদ এই চহৰ সমূহত পঠিয়াব পাৰে। তালৈ গৈ সদস্যসকলে যিজন কনচালটেণ্ট অনা হৈছে তেওঁৰ কামবোৰ নিজে চাই আহিব পাৰিব। তাৰ পিছতো যদি এই টীমটোৰ কিবা আপত্তি থাকে আমি তেওঁলোকৰ লগত আলোচনা কৰি কথা আগবঢ়াব পাৰিম। কিন্তু ইয়াৰ বাবে কিছু সময় লাগিব। মই বিধান সভাৰ পবিত্ৰ সদনৰ মজিয়াৰ পৰা সমগ্ৰ অসমবাসী ৰাইজক বিশেষকৈ মিউনিচিপাল জনাব বিচাৰিছো এই জাৱৰ-যোথৰ বৰষুণৰ লগত নাহে বা নদীৰ পানীত নাহে। আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বস্তুবোৰ যেতিয়া পেলাই দিওঁ তেতিয়া সেইবোৰ জাৱৰত পৰিণত হয়। আমি যেতিয়া অলপ ব্যৱস্থিত হ'ম, সামাজিক মানদণ্ডবোৰ মানি চলা আৰম্ভ কৰিম, তেতিয়া এই ব্যৱস্থাপনাটো ভাল হ'ব। Guwahati Desilting কাম চলি আছে। যোৱা চাৰি-পাঁচ মাহত প্ৰায় পঁয়ষষ্ঠি হাজাৰ মেট্ৰিকটনতকৈ অধিক Silt আমি তাৰপৰা উলিয়াইছো। আমি যেতিয়া চিল্ট উলিয়াবলৈ যাওঁ আমি Super Sucker Machine মেচিন ব্যৱহাৰ কৰো আৰু Super Sucker Machineমেচিনেও কাম নকৰে। ইমান বটল আৰু ইমান প্লাষ্টিক আছে যে এই মেচিনসমূহে আৰু জে চি বি কাম কৰিব পৰা নাই। নলা-নৰ্দমা ভৰুলু আৰু যিখিনি বাহিনী নদী আছে, এই সকলোবোৰ আৱৰ্জনাৰে ভৰি আছে আৰু অলপ বৰষুণ দিলেই পানী উঠি যায়। এইবোৰ একেদিনাই হোৱা নাই। ইয়াৰ বাবে আমি প্ৰয়াস কৰি আছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গুৱাহাটীত খোৱা পানী দিয়া আৰু কেৱল গুৱাহাটীতেই নহয়, গোটেই অসমতেই জাৱৰ নিষ্কাষণ কৰাৰ বাবে প্ৰকল্প ল'বৰ বাবে ব্যৱস্থা কৰিব দিছে। ইয়াৰ লগতে আপোনাৰ মাধ্যমেৰে সদনক জনাবলৈ পাই মই ভাল পাইছো যে যিটো পূৰণা ডাম্পিং গ্ৰাউণ্ড আছিল, তাত প্ৰায় এশ চল্লিশ কোটি টকা ব্যয় কৰি চৰকাৰে তাক প্ৰায় যিটো পোন্ধৰ লাখ মেট্ৰিকটন পূৰণা জাৱৰ আছে, সেইবোৰকো প্ৰচেচিং কৰি পৰিষ্কাৰ কৰিবলৈ দিছে। তাৰ নিবিদা হৈ গৈছে আৰু অতি সোনকালে কাম আৰম্ভ হ'ব। এশ চল্লিশ কোটি টকা ব্যয় কৰি যিটো প্ৰকল্প হ'ব তাৰ পিছত গোটেই অঞ্চলটোক আমি এখন জংঘললৈ পৰিণত কৰো নে খালী ঠাইলৈ পৰিণত কৰো তাৰ সিদ্ধান্ত পিছত গ্ৰহণ কৰা হ'ব। কিন্তু এটা কথা মই আপোনাৰ জৰিয়তে সন্মানীয় সদসজনক জনাব বিচাৰিছো যে কোনো কাৰণতে দীপৰ বিলত হানি হোৱা কাম চৰকাৰে নকৰে। সন্মানীয় সদনে জানি ভাল পাব যে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় কেন্দ্ৰীয় বনমন্ত্ৰী শ্ৰী ভূপেন্দ্ৰ যাদৱ ডাঙৰীয়াই যোৱা বিশ দিন আগতে একেলগে গৈ দীপৰ বিল

পৰিদৰ্শন কৰিলে আৰু কেনেকৈ দীপৰ বিলৰ সৌন্দৰ্য্য বৃদ্ধি কৰিব পাৰি, কেনেকৈ দীপৰ বিলক পৰ্য্যটনস্থলীলৈ পৰিণত কৰিব পাৰি তাৰ ব্যৱস্থা কৰিবৰ বাবে আলোচনা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰেও সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিছে। মোৰো বিশ্বাস যে অহা দিনবোৰত গুৱাহাটীৰ বাবে দীপৰ বিলখন জুৰেল হৈ উঠিব। হাতীৰ কথাও কোৱা হৈছে। হাতী আহে, হাতীৰ কাৰণে Elevated Corridor ৰ কৰাৰ কাৰণে এটা আলোচনা চলি আছে। তেওঁ নিজে ক'লে যে বাৰ বছৰৰ পৰা আমি শ্বিফটিং কৰিবলৈ বিচাৰি আছিলো। মই মাননীয় সদস্যক জনাব বিচাৰিছো যে বহুদিন পূৰণি এটা ব্যৱস্থা Solid Based Dumping Ground এটা লাগে, যিটো ইমান বছৰে হোৱা নাছিল আৰু এতিয়া আমি কৰিলো। ডাম্পিং গ্ৰাউণ্ড য'তেই কৰা হ'ব, তাতেই প্ৰতিবাদ হ'ব। কিন্তু আমি কৰিবই লাগিব। আমি ডাম্পিং গ্ৰাউণ্ড বনাবই লাগিব কাৰণ দৈনন্দিন যিখিনি বস্তু ওলায়, আমি সেইখিনিৰ নিষ্পত্তি কৰিব লাগিব আৰু লগতে এটা কথা ক'ব বিচাৰিছো যে ডাম্পিং গ্ৰাউণ্ড বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা হ'ব, দূৰ্গন্ধ নোলায়, মানুহ থাকিব পাৰিব। সেইকাৰণে মই কৈছো যে ইন্দোৰ, চুৰাট, আহমেদাবাদ আদি ঠাইত চাবলৈ টীম এটা পঠাই দিয়ক। কাৰণ তাত মানুহ থকা স্থানতে ডাম্পিং গ্ৰাউণ্ড নিৰ্মাণ কৰা হৈছে। কিন্তু বৈজ্ঞানিক পদ্ধতি কৰা হৈছে কাৰণে কাৰো আপত্তি নাই। স্বচ্ছ ভাৰত মিশ্যনত ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই জন ভাগীদাৰীৰ কথা কৈছে। তেওঁ নিজে হাতত ঝাড়ু লৈ মাগ দৰ্শন দিছে, নেতৃত্ব লৈছে। মই ভাৱো যে প্ৰধামন্ত্ৰী ডাঙৰীয়াই দিয়া নেতৃত্বক চাই আমি সকলোৱে জন ভাগীদাৰী হিচাপে লৈ স্বচ্ছ ভাৰত, স্বচ্চ অসম আৰু স্বচ্ছ গুৱাহাটী আৰু জাৱৰ নিষ্কাষণ বৈজ্ঞানিক প্ৰক্ৰিয়াৰে কৰাৰ আশ্বাস মই আপোনালোকক দিলো।

**শ্ৰীভুবন পেগু, জোনাই (সভাপতি) ঃ** ডাম্পিং গ্ৰাউণ্ডৰ Alternative siteঠিক হ'ল নে নাই ?

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি) ঃ** ডাম্পিং গ্ৰাউণ্ডটো তাতেই হ'ব, য'ত এতিয়া চলি আছে। ডাম্পিং গ্ৰাউণ্ডটো এতিয়া অৰিজিনেল চাইটত নাই। য'ত এন জি টি য়ে বন্ধ কৰিব দিছিল তাত বন্ধ কৰি আমি ৬০ বিঘা মাটি কিনি তাত ডাম্পিং গ্ৰাউণ্ড বনোৱা হৈছে। মই আপোনাৰ মাধ্যমেৰে আশ্বাস দিব বিচাৰিছো যে কিছু সময় লাগিব। কিন্তু অহা দিনবোৰত কনচালটেণ্টৰ জৰিয়তে সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে কৰাৰ ব্যৱস্থা কৰি আছো। Conventional method.ৰ বাহিৰেও যিখিনি প্ৰকল্প আছে Methanization.বা বেলেগ প্ৰকল্পই হওঁক তাৰ ওপৰতো আলোচনা চলি আছে। কোনো কাৰণতেই গুৱাহাটীবাসীক কষ্ট নিদিয়াকৈ জাৱৰ নিষ্পত্তিৰ কাম আমি আগন্তুক দিনবোৰত কৰিম। এই আশ্বাস আপোনাৰ মাধ্যমেৰে মই আপোনাক দিব বিচাৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় সভাপতি মহোদয়, এইখিনি কৰোতে সময় লাগিব। কিন্তু কথা হৈছে যে সাময়িকভাৱে বৰ্তমান যি দূৰ্গন্ধ ওলাইছে, সেয়া উৎকট দূৰ্গন্ধ। গোটেই অঞ্চলটো মাখিয়ে আৱৰি ধৰিছে। তাত পাহৰ সদৃশ হৈ নদীত পৰিছে। এতিয়া বাৰিষা আহিব আৰু গোটেই জাৱৰ-জোথৰসমূহ নদীত পৰি দীপৰ বিল নষ্ট হ'ব, প্ৰদূষিত হ'ব।

**শ্ৰীভুবন পেগু, জোনাই (সভাপতি) ঃ** মই ভাৱো আপুনি এই গোটেই কথাখিনি মন্ত্ৰী মহোদয়ক লগ ধৰি বুজ ল'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় সভাপতি মহোদয়, মই ভাৱো সদনত কথাটো কোৱা হৈছে আৰু এতিয়া সাময়িকভাৱে যদি একো ব্যৱস্থা নলয় আৰু এইটো

অৱস্থাতে থাকে.....

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** তেখেতে ব্যৱস্থা লোৱা বুলি কৈছে। টেণ্ডাৰ ফ্ল’ট কৰা বুলি কৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় সভাপতি মহোদয়, টেণ্ডাৰ ফ্ল’ট পূৰণাটো কৰা হৈছে। সেইটোৰ কথা নাই। আমাৰ যিটো নতুনকৈ কৰি আছে সেইটোৰ পৰাহে গোটেইটোত উৎকট দূৰ্গন্ধ ওলাইছে। মানুহখিনিয়ে কৈ আছে এই দূৰ্গন্ধ বন্ধ কৰিব লাগে। কমিশ্যনাৰে ক’লে যে পোন্ধৰ দিনৰ ভিতৰত এই দূৰ্গন্ধ বন্ধ কৰিব। কিন্তু নহ’ল। জে চি বি ৰে যেতিয়া জাৱৰবোৰ পেলাওঁতে জাৱৰখিনি চুই দিয়ে তেতিয়া যি দূৰ্গন্ধ ওলাব তাত মানুহ কিয় ভূত ও থাকিব নোৱাৰে। এই অৱস্থা হৈছে। যেতিয়া JCB ৰে জাৱৰখিনি ছুই দিয়ে আৰু তলত পেলাই দিয়ে তেতিয়া তাত যিটো দুৰ্গন্ধ ওলাব মানুহ কিয়, ভুতো থাকিব নোৱাৰে। এই অৱস্থা হৈছে।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, গুৱাহাটী Municipal Corporation ৰ Commissioner ডাঙৰীয়াইও সন্মানীয় বিধায়ক গৰাকীৰ লগত কথা পাতিছিল । তেখেতে যিটো ঠাইত জাৱৰ নিস্কাষণ কৰা হ’ব তাতো মিটিং কৰিলে । পাছত সেই ঠাইত তলত 19 mm memerile লগাই তাৰ ওপৰত মাটি দি জাৱৰ নিস্পত্তি কৰা হৈছে যাতে জাৱৰত থকা পানীটো যাতে মাটিত seepage হৈ নাযায়। বৰষুণত কিছু কষ্ট হ’ব। তেনেকুৱা এটা কথা কোৱা হৈছে। কিন্তু গোন্ধ নোহোৱাৰ কাৰণে যিটো কেমিকেল দিব লাগে সেয়াও দিয়া হৈছে আৰু মই ভাৱো আমি গুৱাহাটীবাসী সকলোৱে একেলগে থাকি এই সমস্যাটো সমাধান কৰিব পাৰিম বুলি মোৰ আস্থা আৰু বিশ্বাস আছে।

**সভাপতি ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্যক লগত লৈ তাত পুনৰ visit কৰি এই সংক্ৰান্তত আৰু কিবা কৰিব পৰা যায় নেকি চাব।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, এইখিনিতে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে মই ক’ব বিচাৰিছো যে ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া বহুত বছৰৰ পৰা এই কামত জড়িত হৈ আছে। মন্ত্ৰী ডাঙৰীয়াই প্ৰচেষ্টা চলাইছে। গতিকে এই ক্ষেত্ৰত কলিতা ডাঙৰীয়াৰ নেতৃত্বত যদি এখন সৰু সমিতি গঠন কৰি এই বিষয়টো চাবলৈ দিয়ে। তাৰ উপৰিও কলিতা ডাঙৰীয়াৰ নেতৃত্বত যদি মন্ত্ৰী ডাঙৰীয়াই যিটো advice কৰিছে যে গুজৰাটলৈ গৈ সেই system টো যদি চাই আহে তেতিয়া তেওঁ আজি ইমান দিনে যিটো কৈ আছে সেইটোৰ ওপৰত কিবা এটা ব্যৱস্থা ল’ব পৰা যাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় সভাপতি মহোদয়, আমিও আমাৰ ফালৰ পৰা তেনেকুৱা এখন সৰু সমিতি গঠন কৰি দিয়াৰ বাবে অনুৰোধ কৰিলো। He is humiliated. তেখেতে হয়তো ৫০ বাৰ এই কথাটো সদনত উত্থাপন কৰিছে। যদি এখন সৰু সমিতি গঠন কৰি দিয়া হয়, তেতিয়াহ’লে আমি গৈ চাই আহিব পাৰিম আৰু সহায় কৰিব পাৰিম।

**শ্ৰী মতী নন্দিতা দাস, বকো ঃ** মাননীয় সভাপতি মহোদয়, কলিতা ডাঙৰীয়াই যি dumping ground ৰ কথা কৈছে সেয়া মোৰ ঘৰৰ খুৱ ওচৰতে। মানুহে সঁচাকৈ তাত বহুত অভিযোগ কৰে। কলিতা ডাঙৰীয়াই বিষয়টো বহবাৰ উত্থাপন কৰিছে। যেতিয়া মাছমৰীয়া বিলাকে তাৰ পৰা মাছ মাৰে, সেই মাছ মানুহে খাবলৈ টান পায়। Dumping ground টো এবাৰ চন্দ্ৰপূৰত দিলে আৰু তাত প্ৰতিবাদ কৰোতে এইটো বৰাগাওঁত দিলে। এইটো এটা স্থায়ী সমাধান নহয়। গতিতে অতি সোনকালে ই.াৰ ওপৰত এটা ব্যৱস্থা ল’বলৈ মই অনুৰোধ জনালো।

**শ্রীভুৱন পেগু, জোনাই (সভাপতি) ঃ** বিষয়টো গুৰুত্বপূৰ্ণ। সেয়েহে এইটো আলোচনা হৈছে আৰু মন্ত্ৰী ডাঙৰীয়াই statement দিছে। এতিয়া Adventage Assam ৰ ওপৰত আমাৰ মাননীয় উদ্যোগ মন্ত্ৰীয়ে এটা statement দিব।

**শ্ৰী বসন্ত দাস, মঙ্গলদৈ ঃ** মাননীয় সভাপতি মহোদয়, আমি ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা যোৱা কৰি থাকো। আমাৰ school time বা office time ত dumping ground গাড়ীবিলাক লৈ যায়। গতিকে এই dumping ground ৰ গাড়ীবিলাক যদি খুৱ early morning যোৱাৰ ব্যৱস্থা কৰে তেতিয়া ভাল হয়।

**শ্রীভুৱন পেগু, জোনাই (সভাপতি) ঃ** ঠিক আছে। মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, কমলাক্ষ্য দে পুৰকায়স্থ দে ডাঙৰীয়াই যিটো ক'লে যে কলিতা ডাঙৰীয়াই ৫০ বাৰ কথাটো উত্থাপন কৰিছে, তেখেত humiliated হৈছে সেইটো সঁচা নহয়। তেখেতে আগতে যি উত্থাপন কৰিছিলে সেয়া দ্বীপৰ বিল ৰক্ষা কৰা আৰু উন্নীত কৰাৰ কাৰণে কৈছিলে। Dumping ground ৰ কথা তেখেতে দুবাৰ কৈছে। কিন্তু ৫০ বাৰ কোৱা নাই। Dumping ground এটা নতুন issue. পুৰকায়স্থ ডাঙৰীয়াই নতুন issue টোক বেলেগ এটা চৰিত্ৰ দিয়াটো উচিত নহয়। সভাপতি মহোদয়, এইটো এটা sensitive issue.

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, কমলাক্ষ্য দে পুৰকায়স্থ দে ডাঙৰীয়াই যিটো ক'লে যে কলিতা ডাঙৰীয়াই ৫০ বাৰ কথাটো উত্থাপন কৰিছে, তেখেত humiliated হৈছে সেইটো সঁচা নহয়। আমি আগৰ পৰাই দেখি আহিছো যে কলিতা ডাঙৰীয়াই দ্বীপৰ বিলৰ কথা প্ৰতিখন অধিবেশনত কয়। কিন্তু দ্বীপৰ বিল এই particular dumping ground ৰ লগত related নহয়। তেখেতে নজনাকৈ ওপৰতে কথা কৈ দিয়ে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় সভাপতি মহোদয়, মই মোৰ ভুল মানি লৈছো।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, জাৱৰ নিস্পত্তি বিষয়টো গুৱাহাটীবাসীৰ কাৰণে স্পৰ্শকাতৰ বিষয় হৈ আছে। অকল গুৱাহাটী বুলিয়ে নহয় অসমৰ বিভিন্ন নগৰ অঞ্চলত যেতিয়া যেতিয়া এটা স্বচ্ছ ভাৰত মিছনৰ অধীনত এটা জাৱৰ নিস্পত্তিৰ প্ৰকল্প বনাব বিচাৰো সকলোতে সমস্যাৰ সন্মুখীন হয়। এই সদনৰ পৰা এনেকুৱা এটা বাৰ্তা যাব নালাগে যে আমি ৰাইজৰ ওজৰ আপত্তি সমাধানৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰো বুলি। মন্ত্ৰী হিচাপে মই দায়িত্ব সহকাৰে কৈ আছো আৰু আশ্বাস দিছো যে জাৱৰ নিস্পত্তিৰ প্ৰতিটো প্ৰকল্প বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে কৰা হ'ব আৰু ৰাইজে কোনো ধৰণৰ কষ্ট নাপায়। আপুনি যদি এখন কমিটি বনাই দিয়ে ভাল হ'ব। বৰ্তমান ডিব্ৰগড়ৰ বাহিৰে স্বচ্ছ ভাৰত মিছনৰ অধীনত জাৱৰ নিস্পত্তিৰ প্ৰকল্প কতো নাই। ভৱিষ্যতে তিনিচুকীয়া বা কৰিমগঞ্জ বা শিলচৰত যদি বনাবলৈ যাওঁ সকলোতে আপত্তি আহিব। গতিকে আমাৰ সদনৰ পৰা এটা বাৰ্তা যাব লাগে যে বৈজ্ঞানিক পদ্ধতি আৰু প্ৰক্ৰিয়াৰে এই প্ৰকল্প বনোৱা হ'ব, ৰাইজক আস্থাত লৈ আমি কাম কৰিম। ৰাইজে সঙ্কাত ভুগি আন্দোলনমুখী হ'ব নালাগে আৰু প্ৰকল্প বিলাকক বাধা দিব নালাগে। অসমৰ নগৰবাসীৰ জাৱৰ নিস্কাষণৰ দায়িত্ব নগৰ নিগমৰ হয় আৰু নগৰ নিগমে এই কাম কৰিব। নগৰ নিগমৰ মন্ত্ৰী হিচাপে দায়িত্ব সহকাৰে মই এই কথাটো সদনৰ মজিয়াত আপোনাৰ জৰিয়তে ৰাখিব বিচাৰিছো।

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** ধন্যবাদ। এতিয়া Adventage Assam ৰ ওপৰত আমাৰ মাননীয় উদ্যোগ মন্ত্ৰীয়ে এটা statement দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় সভাপতি মহোদয়, যিহেতু এখন সমিতিৰ কাৰণে সকলোৰে পৰামৰ্শ আগবঢ়াইছে সেইটো গ্ৰহণ কৰিলে ভাল হয়।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, মই এই বিষয়ে অধ্যক্ষ ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় সভাপতি মহোদয়, যিয়ে নহওক তথাপি কিবা এটা পালো আৰু।

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** বিষয়টো গুৰুত্বপূৰ্ণ আৰু প্ৰতিখন নগৰৰ এইটো এটা ডাঙৰ সমস্যা যিটো আমি প্ৰতিজন নগৰবাসীয়ে ভুগি আছো। Parliamentary Affairs Minister ডাঙৰীয়াই যিহেতু এইটো response দিছে, this is satisfied.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই সিদিনা অনা এটা প্ৰশ্নত ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই শুধিছিল যে Advantage Assam অনুষ্ঠিত কৰাৰ পাছত অসমত কিমানখিনি বিনিয়োগ হৈছে আৰু মাননীয় অধ্যক্ষ মহোদয়ে এটা direction দিছিলে যে সেই সম্পৰ্কত উদ্যোগ বিভাগৰ পৰা এটা বিবৃতি দিব লাগে। মাননীয় সভাপতি মহোদয়, অসম ৰাজ্যখন এখন landlocked ৰাজ্য। আগতে আমাৰ ৰাজ্যখন ধনী আছিল আৰু আমাৰ percapita income ও National Percapita Income ৰ ওপৰত আছিল। সেই সময়ত আমাৰ বেপাৰ বাণিজ্য গোটেই বিশ্বত চলিছিল আৰু সেই সময়ত আমাৰ Water ways, Railway Connectivity বা অন্যান্য বিলাক খুব ভাল আছিল। কিন্তু পৰৱৰ্তী দিনত যি কাৰণতে নহওক মঙ্গলা আৰু চিতাগোং পোৰ্টৰ আমাৰ access বন্ধ হৈ যোৱা কাৰণে আমি পৃথিৱীৰ লগত আমাৰ বেপাৰ বাণিজ্যৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব নোৱাৰিলো। কিন্তু আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ হোৱাৰ পিছত বাংলাদেশৰ লগত আমাৰ protocol sign হ'ল আৰু এতিয়া মঙ্গলা আৰু চিতাগোং পোৰ্টৰ access আমাক দিলে। সেইকাৰণেই আজি আমি Connectivity ৰ ক্ষেত্ৰত Air Connectivity হওক, Road Connectivity হওক, Railway Connectivity হওক, Water Connectivity হওক বা Multimodel Logistic Hub হওক সকলোতে Eco systemetic উদ্যোগিক পৰিৱেশ এটা আমি গঢ়ি তুলিবলৈ চেষ্টা কৰিছো। সেইকাৰণে আমি আমাৰ চৰকাৰ ২০১৬ চনত অহাৰ পাছত ২০১৮ চনত Advantage Assam অনুষ্ঠিত কৰিছিলো আৰু পৃথিৱীৰ ২৩ খন Country ইয়াত participate কৰিছিল। এইটো স্বাধীনতাৰ পিছত প্ৰথম বাৰৰ বাবে অসমে এখন বিশ্ব বিনিয়োগ সন্মিলন অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল আৰু এই বিশ্ব বিনিয়োগ সন্মিলনখনত আমাৰ প্ৰায় ৪৪ কোটি টকা খৰছ হৈছিলে । ভাৰতৰ টাটা গ্ৰুপৰ ৰতন টাটাৰ পৰা আৰম্ভ কৰি মুকেশ আম্বানি, আদানিৰ পৰা আৰম্ভ কৰি দেশ বিদেশৰ বিজিনেছ লীডাৰ সকল আমাৰ ইয়াত উপস্থিত হৈছিলে । পৃথিৱীৰ ২৩ খন দেশে এই বিনিয়োগ সন্মিলনত অংশ গ্ৰহণ কৰিছিল। এই এডভান্টেজ আছামত প্ৰায় ৭৯,০০০ কোটি টকাৰ এম ও ইউ চাইন হৈছিল। সভাপতি মহোদয়, গুজৰাটত প্ৰতি ২ বছৰৰ মুৰে মুৰে ভাইব্ৰেন্ট গুজৰাট অনুষ্ঠিত হয়। তেনেকৈ প্ৰতি ২ বছৰত মহাৰাষ্ট্ৰতো বিশ্ব বিনিয়োগ সন্মিলন অনুষ্ঠিত হয় । তেনেকৈ বাংগালোৰতো প্ৰবাসী ভাৰতীয় দিবস অনুষ্ঠিত হয়। পশ্চিম বংগতো হয়, ইউ পিতো হয় । সকলো ৰাজ্যই কৰে। কিন্তু

আমাৰ ৰাজ্যত এডভান্টেজ আছাম হোৱাৰ পিছত এনেকুৱা হ'ল যে আমি ডাঙৰ কিবা এটা বেয়া কাম কৰি পেলালো। যাৰ কাৰণে এইটো লৈ সদায় সমালোচনা হৈয়ে আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াও তেখেতৰ বক্তব্যত এই কথাটো উল্লেখ কৰিছিল লগতে কেইটামান উদাহৰণ দাঙিও ধৰিছিল । এটা নিগেটিভ মেচেছ মানুহৰ মাজত গৈছে গতিকে আজি আপোনালোকক জনাবলৈ পাই সুখী হৈছো- আমাৰ ৰাটাৰ কানেক্টিভিটি যিটো স্বাধীনতাৰ আগত আছিল , যিটো আমাৰ মুখ্যমন্ত্ৰীৰ সপোন যে অসম ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ মাজত অসম স্থান পাব লাগে তাৰে দুটা বেঞ্চমাৰ্ক আজি তেখেতে দিলে যে ১ লাখ কোটি টকা আমি খৰছ কৰিবলৈ সক্ষম হৈছো। তাৰ ওপৰিও আজি অসমত শান্তিৰ পৰিবেশটো গঢ়ি তোলাৰ কাৰণে আজি ‘ আচপা ’ আইনখন কিছু জিলাৰ পৰা কেন্দ্ৰীয় চৰকাৰে আঁতৰালে গতিকে এইটো প্ৰমাণ কৰিছে যে এটা ইণ্ডাষ্ট্ৰিয়েল এপ্ৰোছ এটমোছফেয়াৰ অসমত গঢ়ি তোলাৰ প্ৰচেষ্টা চৰকাৰে লৈছে। গতিকে সভাপতি মহোদয় এটা কথা আপোনাক জনাওঁ যে, আমাৰ ৰাটাৰ ৰুট -২ ৰ জৰিয়তে আমি মঙ্গলা পোৰ্টত এক্সেচেছ পালো। বৰাক নদীটো ইতিমধ্যে আমি ড্ৰেজিং কৰিলো। আই ডব্লিউ টি আৰু আমাৰ মাজত জইন্ট ক'লাবোৰেশ্যনত এইটো হৈছে। তাৰ ওপৰিও ৰেলৰে লাইন আমাৰ আপ টু দা মাৰ্ক - কাৰণ কানেক্টিভিটি অবিহনে কেতিয়াও এখন ৰাজ্যই উদ্যোগিক দিশত বা বাণিজ্যিক দিশত আগবাঢ়ি যাব নোৱাৰে। এতিয়া ইলেক্ট্ৰিক ৰেলৰে আমাৰ ইয়াত আহিছে। আমাৰ প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই ৫ টা বেজৰ কথা কৈছে - এটা হ'ল হাইৱেছ, হাইৱেছ আমাৰ আপ টু দা মাৰ্ক হ'ল। আৰু এটা হ'ল ৰেলৱেজ, ৰেল লাইনো আমাৰ আপ টু দা মাৰ্ক হ'ল। ইলেক্ট্ৰিক ৰেলৰে লৈকে হ'ল। তাৰ পিছত হ'ল এয়াৰৱেছ- এয়াৰৱেছৰ ক্ষেত্ৰত আমি আপোনালোকক জনাবলৈ পাই সুখী হৈছো - ২০১৬ চনত যেতিয়া আমাৰ চৰকাৰ আহিছিল , তেতিয়া আমাৰ ৰাজ্যৰ পৰা ৬০ খন ফ্লাইট গৈছিলে। আজি আমাৰ এয়াৰ কানেক্টিভিটি ইমান হৈছে যে আজি ইয়াৰ পৰা ১২৫ খন ফ্লাইট প্ৰতিদিনে উৰা মাৰিছে। তাৰ ওপৰিও আমি যোৰহাট এয়াৰ পোৰ্ট এক্সপানশ্যন কৰাৰ বাবে পুঁজি মুকলি কৰি দিছো। ডিব্ৰুগড়ৰ বাবেও আমি পুঁজি মুকলি কৰি দিছো। লক্ষীমপুৰ এয়াৰপোৰ্টৰ কাৰণেও আমি যোৱাকালি পুঁজি মুকলি কৰি দিছো। ৰূপসী এয়াৰ পোৰ্ট যিটো দ্বিতীয় বিশ্ব যুদ্ধৰ পৰা এনে পৰি আছিল সেইটো যোৱা বছৰৰ পৰা আমি অপাৰেশ্যন আৰম্ভ কৰিছো। তাৰ পৰা ফ্লাইট উৰা মাৰিছে নামিছে। তাৰ ওপৰিও বৰাকভেলীত আমি গ্ৰীনফিল্ড এয়াৰপোৰ্ট নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লৈছো। সভাপতি ডাঙৰীয়া আৰু এটা হ'ল, ৰাটাৰৱেছ । ইণ্ডিয়া- বাংলাদেশ চামিট যেতিয়া আমি পাতিছিলো সেই সময়ত আমি বাংলাদেশৰ কক্সবাজাৰৰ পৰা কানেকশ্যন অনাৰ বাবে বাংলাদেশ চৰকাৰক অনুৰোধ কৰিছিলো আৰু বাংলাদেশ চৰকাৰে আমাৰ অনুৰোধ ৰক্ষা কৰিছিল, এতিয়া মই মূল কথালৈ আহিছো । এডভান্টেজ আচাম কৰাৰ পিচত এই কানেক্টিভিটিখিনি কৰা হৈছে যাতে উদ্যোগিক দিশত অসম আগুৱাই যাব পাৰে। সভাপতি ডাঙৰীয়া এডভান্টেজ আছামৰ পিচত পাৱলিক চেক্টৰত প্ৰজেক্ট কমিশ্যন হৈছে ২০২৫৩.৭৯ কোটি আৰু প্ৰাইভেট চেক্টৰত হৈছে - ৭৪৫৪.৯৯ কোটি । এই দুটা মিলি পেলাই হৈছে - ৯৭০৮.৭৮ কোটি । এইটো আমাৰ আজিৰ দিনটোত প্ৰজেক্ট কমিশ্যন হৈ প্ৰডাকশ্যন আৰম্ভ হৈছে। আৰু প্ৰজেক্ট অনগোয়িং- মানে কাম চলি আছে প্ৰজেক্টৰ, পাৱলিক চেক্টৰত আছে ৫১,৪৯৪.৭ কোটি আৰু প্ৰাইভেট চেক্টৰত আছে- ৭,৬৮৮. ৯৯১ কোটি । এইদুটা মিলি টোটেল হ'ল ৫৯, ১৮৩.৬১ কোটি টকা । গতিকে সভাপতি ডাঙৰীয়া এই দুটা হ'ল - আমাৰ পাৱলিক আৰু প্ৰাইভেট দুয়োটা মিলি টোটেল । আৰু এটা হ'ল প্ৰজেক্ট ইন পাইপলাইন- এই কথাটো এনেকুৱা হ'ল যে ধৰক পেপছি কোম্পানী আহি আমাক মাটি

বিচাৰিছে - আমি তিনি ঠাইত মাটি দিছো । তেওঁলোকে এটা ঠাই চিলেক্ট কৰিছে। এনেধৰণৰ প্ৰজেক্ট ইন পাইপলাইনত আছে ১১,১৯৮ কোটি আৰু প্ৰাইভেট চেক্টৰত আছে ৭,৪২২ কোটি । এই দুটা মিলি আছে -১৮,৬২০ কোটি । গতিকে সভাপতি ডাঙৰীয়া মই আজি বিধান সভাত আপোনালোকক জনাবলৈ পাই সুখী হৈছো আজিৰ দিনটো যে এডভান্টেজ আছামৰ পিচত পাৱলিক আৰু প্ৰাইভেট চেক্টৰ মিলি মুঠ ৮৭,৫১২.৩৯ কোটি টকা অসমত আজি ইনভেষ্টমেন্ট হৈছে আৰু এইটো স্বাধীনতাৰ পিচত কোনো দিনে এইটো সম্ভৱ নাছিল কিন্তু আজি হৈছে । আৰু এটা সভাপতি ডাঙৰীয়া - গুজৰাটৰ ভাইব্ৰেন্ট গুজৰাট বা প্ৰবাসী ভাৰতীয় দিবস হৈছে তাত মই উদ্যোগ মন্ত্ৰী হিচাপে অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাইছিলো। তাত যিমান এম ও ইউ চাইন হৈছে ৩০ শতাংশহে ইনভেষ্ট হৈছে - ধৰক তাতে যদি ১০০ টকাৰ এম ও ইউ চাইন হৈছে তাৰে মানে ৩০ টকাহে কেপিটেল আহিছে কিন্তু সভাপতি মহোদয়ে অসমত এডভান্টেজ আছামত যি এম ও ইউ চাইন হৈছে ৭৯ হাজাৰ কোটি টকাৰ আমাৰ অসমত এইটো ক্ৰছ কৰি গৈ ৮৭,৫১২.৩৯ কোটি টকা ইনভেষ্টমেন্ট হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ এটা কথা জানিব বিচাৰিছো - এডভান্টেজ আছামত এম ও ইউ চাইন হৈছে ৭৯ হাজাৰ কোটি টকা আৰু ইনভেষ্টমেন্ট হৈছে-৮৭,৫১২.৩৯ কোটি টকা। অলপ বেছি হৈছে ঠিকে আছে কিন্তু কথাটো হ'ল - এম ও ইউ চাইন হোৱাৰ পিচত ৮৭,৫১২.৩৯ কোটি টকাৰ একুচবেল কিমান টকা ইনভেষ্ট হ'ল এইটো জানিব খুজিছো ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, উদ্যোগ ও বানিজ্য ইত্যাদি ঃ** এইখন আপুনি পঢ়ি চাব। ইয়াতে লিখা আছে - এম ও ইউৰ পৰা কিমান টকা ইনভেষ্ট আহিছে। এম ও ইউৰ বাহিৰত কিমান টকা আছে? আপুনি এজন সন্মানীয় সদস্য আপুনি এটা কথা জনা উচিত- মেমোৰাণ্ডাম অৱ আণ্ডাৰষ্টেণ্ডিং যিকেইখন হ'ল- ইয়াত গোটেইখিনি লিখা আছে।

- বাদ-বিবাদ-

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** মাননীয় সদস্য , এইটো মন্ত্ৰী ডাঙৰীয়াই লে কৰিব. পিছত আপুনি ইন ডিটেইলচ চাব । চাইমেলি যি ক'ব লগা আছে ক'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, উদ্যোগ ও বানিজ্য ইত্যাদি ঃ** সভাপতি ডাঙৰীয়া , কিমানটা কোম্পানীয়ে ইনভেষ্ট কৰিছে এইখনত তথ্য আছে আপোনালোকে চাব পাৰিব। আপুনি যদি বিচাৰে মোৰ চেম্বাৰত আহিব মই আপোনাক ডিটেইলচ দিম।

গতিকে এইবিলাক হ'ল out come of advantage of Assam. তেওঁলোকে এম ও ই নকৰিব পাৰে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** আপোনাৰ যদি গোটেই advantage of Assam বুলি কৈ দিয়ে কেনেকৈ হ'বঙ্গ Advantage of Assam এটা সময়লৈকে, এতিয়া যি চলি আছে সেই advantage of Assam নেকি?

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি লে কৰি দিয়ক।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** সভাপতি মহোদয়, advantage of Assam ৰ সফল ৰূপায়নৰ বাবে চৰকাৰক আৰু মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগে।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** সভাপতি মহোদয়, সোনকালে সামৰিব দিয়ক, লে কৰিব দিয়ক,আজি বহুত খিনি আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** সভাপতি মহোদয়, মই এই ষ্টেটমেন্ট লে কৰিলোঁ।

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** আমাৰ আজি বহুত কাৰ্য্যসূচী আছে। এতিয়া কাৰ্য্যসূচী নং ৪।

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** সভাপতি মহোদয়, এনেকৈ চলি থাকিলে ৰাতি ৯ টাতকৈ বেছি বাজি যাব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** সভাপতি মহোদয়, ধন্যবাদ, মই এটা কথা অনুৰোধ কৰিম যে কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই না প্ৰশ্ন আনে না কিবা মেটাৰ আনে, যোনে যি কয় তাৰ মাজত ওপৰত এটা ফাকুৱাৰী কৰি দিয়ে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** আপোনালোকে উত্তৰ দিব নোৱাৰে সেইটোৱে কথা।

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ এতিয়া কাৰ্য্যসূচী নং ৪।** নিয়ম ৩০১। আমাৰ মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ আইটেম আছে, আপোনাৰ সময় তিনি মিনিট। বহুত কাৰ্য্যসূচী আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় সভাপতি মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী নং ৩০১ নিয়ম অনুসৰি কাবাইটাৰীৰ পৰা দৌলাশাললৈ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ শীৰ্ষক বিষয়টো আজি উত্থাপন কৰি দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।

**শ্ৰীভুৱন পেগু, জোনাই (সভাপতি) ঃ** আপোনাৰ সময় তিনি মিনিট, বহুত কাৰ্য্যসূচী আছে। LOP ডাঙীৰায়াই নিজেই ৰিকুৱেষ্ট কৰি আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় সভাপতি মহোদয়, as per rule it should be 15 minutes. মই যিমান সোনকালে পাৰো, চেষ্টা কৰোঁ। মাননীয় সভাপতি মহোদয়, যোৱা ২৫ জুলাই, ২০১৮ ইংৰাজী তাৰিখে আমি বৰপেটা, বঙাইগাও আৰু নলবাৰী জিলাৰ cutting across Party line এজিপিৰ বিধায়ক গুনিন দাস ডাঙৰীয়াও আছিল তেতিয়া, এ আই ইউ ডি এফ, কংগ্ৰেছ, এজিপি, বিজেপি সকলো দলৰে ৭ জন বিধায়ক আৰু এজন সাংসদে মিলি মাননীয় মুখ্যমন্ত্ৰী তদানিন্তন মুখ্যমন্ত্ৰী মহোদয়ক এটা স্মাৰক পত্ৰ দিছিলোঁ যে, কাবাইটাৰীৰ পৰা দৌলাশাললৈ Highway নিৰ্মাণ কৰিব লাগে আৰু মুখ্য তদানিন্তন মুখ্যমন্ত্ৰী মহোদয়েও বিষয়টোৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি তেখেতৰ চিঠি নং CMO.1/2018/721 Dated 09/08/2018 চিঠি যোগে ভাৰত চৰকাৰক advice কৰে এই highway বনাবলৈ। ইয়াৰ পিছত ভাৰত চৰকাৰৰ Ministry of Shipping and Route Transforming য়ে তৎক্ষণাত এই হাইৱেটোৰ বিভিন্ন প্ৰয়োজনীয় তথ্যপাতি সংগ্ৰহ কৰে। তেওঁলোকৰ চিঠি নং RH.NH 12027/69/2018/AS/Jon Dated 20-09-2018. অৰ্থাৎ ২৫ জুলাইৰ পৰা ২০ চেপ্তেম্বৰ ২০১৮ লৈ মাত্ৰ ২ মাহৰ ভিতৰত যথেষ্টখিনি এই বিষয়ত অগ্ৰসৰ লাভ কৰে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু এক মিনিট আছে, মূল বিষয়টো কওক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** তাৰ পিছত এই বিষয়টো আজিলৈ হোৱা নাই। এই হাইৱেটো যদি নিৰ্মাণ হয় তেতিয়াহলে বঙাইগাওঁ, বৰপেটা, গোৱালপাৰা, নলবাৰী এই ৪ খন জিলা ৪৬২ খন গাওঁ উপকৃত হ'ব, প্ৰায় ১০ লাখ মানুহ উপকৃত হ'ব। সেই অঞ্চলটো কৃষিৰ কাৰণে অতি উৰ্বৰা অঞ্চল। ২০১৭ চনৰ এটা ঘটনা মই উল্লেখ কৰিব খুজিছোঁ, অতি দুখ লগা, ৩০ লাখ মেট্ৰিকটন আলু মোৰ সমষ্টিত মাটিত পচি গৈছিল। আজি যদি এই হাইৱেটো নিৰ্মাণ হয় তেতিয়া হলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি সপোন, যে অসমখনক অহা ৫ বছৰৰ ভিতৰত

ভাৰতৰ শীৰ্ষ ৫ ৰাজ্যৰ ভিতৰত স্থান দিয়াৰ যি সপোন, সেই সপোন বাস্তৱবায়িত কৰাৰ ক্ষেত্ৰত তৰান্বিত হ'ব। তাৰোপৰি IMR MMR literacy rate আদিৰ ক্ষেত্ৰতো অসমীয়া যে নিম্ন তলৰ ফালে আছে, এইখিনি উপৰলৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ঠিক আছে, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** সেই কাৰণে মই অনুৰোধ জনাইছো যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে তেওঁলোকৰ যি লক্ষ্য সব কা সাথ সব কা বিকাশ, এই নীতি আচলতে কাৰ্য্যক্ষেত্ৰত প্ৰতিফলিত হ'ব যদি হাইৱে নিৰ্মাণ হয়, যাতে অতি সোনকালে এই হাইৱেটো চেনচন কৰোৱাৰ কাৰণে অনুমোদন কৰোৱাৰ কাৰণে ব্যৱস্থা লয়।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ** এই কথাত আমাৰ সমৰ্থন আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ঠিক আছে, ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচলনা নিয়মাৱলী ৩০১ নং নিয়ম অনুসৰি মাননীয় বিধায়ক শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই উত্থাপন কৰা কাবাইটাৰীৰ পৰা দৌলাশাললৈ নতুন ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণ বিষয় সংক্ৰান্তত লোক নিৰ্মাণ ৰাষ্ট্ৰীয় ঘাই পথ বিভাগৰ এটি টোকা মই এই সদনৰ আগত দাঙি ধৰিব খুজিছোঁ। যোৱা ১৯-০৮-২০১৮ তাৰিখে অসমৰ ৭ জন মাননীয় বিধায়ক আৰু ৩ জন মাননীয় সাংসদৰ আৱেদন অনুসৰী গৰৈমাৰী, দৌলাশাল, বৰভিটা, বহৰী, মন্দিয়া, মৰাবাজ, বৰৈটলী বজাৰ, মইনবাৰী, সাটোলা, মালৈবৰী আদি স্থানৰ মাজেদি কাবৈটাৰীলৈকে ৰাষ্ট্ৰীয় ঘাইপথ ৩১ নং দি সংযোগ স্থল, এটা নতুন ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণৰ বাবে তদানিন্তন অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বনন্দ সোনোৱাল ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰা পৰিপক্ষিতত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পত্ৰ নং CMO.1/2018/721 Dated 09/08/2018 ৰ দ্বাৰা ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাই পথ মন্ত্ৰালয়াৰ সন্মানীয় মন্ত্ৰী শ্ৰীযুত নীতিন গাদকাৰী ডাঙৰীয়ালৈ পত্ৰ লিখা হৈছিল। এই পত্ৰত উল্লেখ কৰা হৈছিল যে উক্ত ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণ হলে নামনি অসমৰ এটা বৃহৎ কৃষিপ্ৰধান এলেকা উপকৃত হ'ব। ইয়াৰোপৰি বৰপেটা সমষ্টিৰ সন্মানীয় লোক সভাৰ সেই সময়ৰ সদস্য শ্ৰীচিৰাজুদ্দিন আজমল ডাঙৰীয়াৰ ০৫-০৯-২০২৮ ইং তাৰিখে উপৰোক্ত পথচোৱা এটা নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাই পথ মন্ত্ৰালয়ৰ সন্মানীয় মন্ত্ৰী শ্ৰীযুত নীতিন গাদকাৰী ডাঙৰীয়ালৈ পত্ৰ প্ৰেৰণ কৰিছিল। সেই মৰ্মে IW.NH.1027/ 69/2018/AS/Jon B dated 29/2018 ৰ দ্বাৰা অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ পৰা বিতং তথ্য বিচৰা হৈছিল। তেখেত লোকে তথ্য বিচাৰিছে, কিন্তু এতিয়ালৈকে কাৰ্যখিনি হৈ উঠা নাই। ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাই পথ মন্ত্ৰালয়ক প্ৰস্তাৱিত নতুন ঘাইপথটোৰ বিতং তথ্যপত্ৰ NHR482018/8 dated 25-10-2018 ত দিয়া হ'ল। ইতিমধ্যে বিতং তথ্য দিয়া হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত প্ৰস্তাবিত ঘাইপথটোৰ ঘোষণা অথবা নিৰ্মাণৰ অনুমোদৰ বিষয়ে কোনো নিৰ্দেশ বা জাননী ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাই পথ মন্ত্ৰালয়ৰ পৰা এই পৰ্য্যান্ত পোৱা নাই। কিন্তু সদনক জনাব খুজিছোঁ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে পুনৰ কেন্দ্ৰীয় পদ পৰিবহণ মন্ত্ৰী ডাঙৰীয়াৰ

লগত যোগাযোগ কৰিব আৰু এই কামটো কৰিবলৈ চেষ্টা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীচক্ৰধৰ গগৈ। তিনি মিনিটত কব।

**শ্ৰীচক্ৰধৰ গগৈ, মৰাণ ঃ** ধন্যবাদ, অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচলনা নিয়মাৱলী ৩০১ নং নিয়ম অনুসৰি মোক এটা খুব গুৰুত্বপূৰ্ণ ৰাজহুৱা স্বাৰ্থ জৰিত বিষয় সদনৰ মজিয়াত দাঙি ধৰিবলৈ দিয়া সুযোগৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ। আপোনাৰ যোগেদি মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক কিছু কথা অৱগত কৰিব খুজিছোঁ। যিহেতুকে গোটেই কথাখিনি অসমৰ খিলঞ্জীয়া অনুসূচীত জাতি জনজাতি লোকৰ লগতে চাহবাগিছা আৰু গাওঁৰ কৃষক শ্ৰমিকৰ এইখিনি জলন্ত সমস্যা আৰু এই সমস্যাখিনি আজিলৈকে সমাধান নোহোৱাৰ বাবে মই পুনৰ বাৰ সদনৰ মজিয়াত আজি দাঙি ধৰিব খুজিছো। অধ্যক্ষ মহোদয়, আমাৰ দেশ স্বাধীন হোৱা ৭৫ বছৰ পিছতো আমি ইমান এটা সুদীৰ্ঘকালযোৱা সময় পাৰ কৰাৰ পিছতো অসমৰ যিসকল ভূমিপুত্ৰ খিলঞ্জীয়া লোক সকলক আজি আমি মাটিৰ ঠিকনা দিব পৰা নাই । আজি সমগ্ৰ অসমত যদি চোৱা যায় যে অসমত প্ৰায় এটা চৰকাৰী তথ্য মতে ৮৯৭ খন বনগাওঁ আছে আৰু হয়তো বহু শ, হাজাৰ হিচাপত গ্ৰেজিং ভূমিত বাস কৰা, চিলিং ভূমিত বাস কৰা, এন চি ভূমিত বাস কৰা, গ্ৰান্টৰ ভূমিত বাস কৰা এনেকুৱা অনেক মানুহ আছে, যিবিলাক অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ। আজি সেই সকলক কিন্তু মাটিৰ সঠিক ঠিকনা দিব পৰা নাই । যোৱা পাচ বছৰত মোৰ সমষ্টিত কেইখনমান বনগাওঁত প্ৰায় ৭০ টা মান পৰিয়ালক ভূমিৰ ঠিকনা দিবৰ কাৰণে সক্ষম হৈছিলো আৰু তাৰ পিছৰ পৰ্য্যায়ত এই গোটেই খিনি আমাৰ সমস্যা হৈ আছে । এইটো নিসন্দেহে এটা কথা কিন্তু ক'ব লাগিব যে যোৱা পাচ বছৰত অসম চৰকাৰে বিভিন্ন স্তৰত বিভিন্ন ব্যক্তিক মাটি দিয়া হৈছে। কিন্তু এই মাটি দিয়া মানুহ বিলাক আছলতে ভূমিহীন মানুহ হয় নে নহয় সেই কথাখিনি আমি চাব পৰা নাই । আমি মাটি থকা মানুহকে মাটি দি আছো কিন্তু ভূমি নথকা মানুহৰ যাৰ ঠিকনা নাই তেনেকুৱা মানুহক কিন্তু মাটিৰ ঠিকনা দিব পৰা নাই । কেৱল ডিব্ৰুগড় জিলাতে প্ৰায় ৯,৬৯৮ বিঘা চৰকাৰী হিচাপত থকা বনগাওঁৰ মাটি আছে। এই বনগাওঁৰ ৰাইজক আজিলৈকে মাটিৰ পট্টা দিব পৰা নাই । গতিকে মই ভাবো যে আগন্তুক দিন বিলাকত ইয়াৰ এটা সঠিক সমাধান কৰিবলাগে আৰু গ্ৰেজিং ভূমিটো বাস কৰা যিখিনি চৰকাৰী ভাবে আৱন্টন দিয়া হৈছিল, মই কোনোবা বে-দখল কৰা সকলৰ কথা নকওঁ যে তেওঁলোকক মাটি দিব লাগে । কিন্তু চৰকাৰী ভাবে আৱন্টন দিয়া, কৰবাত ভূমিকম্পত ক্ষতি হোৱা কৰবাত বানপানীত ক্ষতি হোৱা, কৰবাত বেলেগ কিবা প্ৰাকৃতিক দুৰ্যোগত হোৱা সেই মানুহ বিলাকত আজিলৈকে আমি ঠিকনা দিব পৰা নাই । মোৰ সমষ্টিত চাৰ ১৯৭৪-৭৫ চনত আৱন্টন দিয়া টিলৈ নতুন গাওঁ যিখন টিলৈমাৰী নেপালী গাওঁ, টিলৈমাৰী বঙালী গাওঁ তাত প্ৰায় **১৫০** অধিক গাওঁত মাটিৰ ঠিকনা দিয়া হৈছিল, তেওঁলোকক তাতে বহুওৱা হৈছিল । তেওঁলোকক আজিলৈকে মাটিৰ ঠিকনা দিব নোৱাৰিলো । মোৰ সমষ্টিত প্ৰায় ৰপ্ত খন গাওঁ এতিয়ালৈ বনভূমি বা বনগাওঁ হৈ আছে, এই গাওঁবিলাকৰ মানুহক সোনকালে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকে বে-দখল কৰা মাটি নহয়, চৰকাৰে বহুওৱা গাওঁ সেইবিলাক। তাত আজি ৪০, ৫০ বছৰ পাৰ হৈ যোৱাৰ পিছতো আমি দিব পৰা নাই। আৰু মোৰ ওচৰৰে টিংখং সমষ্টিত প্ৰায় ১৩ খন মান গাওঁ যিবিলাক গাওঁত আজিলৈকে মাটিৰ ঠিকনা দিব পৰা নাই । গতিকে মই ভাবো যে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে এই ব্যৱস্থা খিনি কৰিবলাগে আৰু বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই আছে মই আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে বনগাওঁত থকা গাওঁবুঢ়া বিলাকক কামত খটুৱাই আছো তেওঁলোকে কিন্তু এটকাৰো পাৰিতোষিক পোৱা নাই । গতিকে মই এইখিনি বিষয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব

বুলি অনুৰোধ জনাইছো ।ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে ক'ব ।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** মাননয়ী অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৩০১ ৰ অধীনত মাননয়ী বিধায়ক চক্ৰধৰ গগৈ ডাঙৰীয়াই বনভূমি আৰু গ্ৰেজিং ভূমিত বাস কৰি থকা পৰিয়াল সমূহৰ মাটি বন্দোবস্তী বিষয়ৰ ওপৰত তেখেতে এটা প্ৰশ্ন আনিছে আৰু মই সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে এইখন চৰকাৰে বৰ্তমানলৈকে আমি ভূমিহীন লোকক মাটি প্ৰদান কৰা প্ৰক্ৰিয়াটো চলি আছে কিন্তু কথা হ'ল প্ৰাকৃতিক দুৰ্যোগ বা অন্যান্য কিছু কাৰণত কিছু সংখ্যক পৰিয়াল বনভূমি বা গ্ৰেজিং ভূমিত বসবাস কৰি থকাৰ বিষয়ে চৰকাৰ অৱগত ।কিন্তু বিভিন্ন সময়ত এনে পৰিয়াল সমূহক চৰকাৰী খাচ মাটিত সংস্থাপন কৰিছে। কিন্তু বনাঞ্চলৰ ভি জি আৰ আৰু পি জি আৰ ভূমিত সংস্থাপন প্ৰদান কৰাৰ ক্ষেত্ৰত আইনগত বাধা থাকে । বহুতে আকৌ এনেধৰণৰ চৰকাৰী মাটিত খেতি বাতি কৰাৰ উপৰিও ঘৰ সাজি সুন্দৰকৈ বসবাস কৰিছে যাৰ কাৰণে তেওঁলোকে মাটিখিনি এৰি আহিব নিবিচাৰে . অসমত প্ৰায় ৫৩৩৪ খন ৰিজাৰ্ভ গ্ৰেজিং গাওঁ আছে। Traditional Forest Dwellers Act, 2016 মতে ২০০৫ চনৰ ১৩ ডিচেম্বৰৰ পূৰ্বৰে পৰা যি সকল অনুসূচীত জাতি আৰু জনজাতিৰ মানুহে এই বনাঞ্চল বিলাকত বসবাস কৰি আছে তেখেত সকলক মাটি পট্টা দিয়াৰ ব্যৱস্থা ৰাখিছে ।অৱশ্যে ৭৫ বছৰ বা তিনিটা পুৰুষ ধৰি সেই মাটিত বসবাস কৰা হ'ব লাগিব ।তাৰোপৰি ভিজিআৰ মাটিৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ এটা বাধা আছে যাৰ কাৰণে এই ঠাই বিলাকৰ মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কিছু অসুবিধা আহিছে ।বৰ্তমান চৰকাৰে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যি বসুন্ধৰা আঁচনি প্ৰৱৰ্তন কৰিছে তাৰ আধাৰত ৰাজ্যত প্ৰায় ৮,১৩,৮১৬ খন আবেদন পত্ৰ আহিছিল ইয়াৰ ভিতৰত বৰ্তমানলৈ আমি ৬,৩৯,৪২৫ গোচৰ সমাধা কৰিব সক্ষম হৈছো। আৰু বাকী থকা ১, ৭৪,৩৯১ টা গোচৰ সোনকালে সমাধান কৰিব বুলি আশা ৰাখিছো । আৰু ইয়াতে আমাৰ প্ৰথম পৰ্য্যায়ৰ কামখিনি সম্পূৰ্ণ হয় । অহা ১০-০৫-২০২২ চনৰ পৰা দ্বিতীয় পৰ্য্যায়ৰ কাম বিলাক আৰম্ভ কৰা হ'ব । দ্বিতীয় পৰ্য্যায়ত, ভিজিআৰ পিজিআৰত যি সকল খিলঞ্জীয়া লোক বসবাস কৰি আছে সেই সকলক নতুন আইন বনায় হ'লেও সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগিব । গতিকে এই কামখিনিত আপোনালোকৰ সহযোগ থাকিলে আমি নিশ্চয় ভিজিআৰ, পিজিআৰ বসবাস কৰি থকা ভূমিহীন লোক সকলক ভূমি পট্টা প্ৰদান কৰিব পাৰিম ।এই খিনি মই আশ্বাস দিলো ।তাৰোপৰি যি আমাৰ ৬৭২ খন এন চি গাওঁ আছে তাৰে ৫৭৫ খন গাওঁৰ চাৰ্ভে কৰা হৈছে ।

**মাননীয় অধ্যক্ষঃ** হ'ব মন্ত্ৰী ডাঙৰীয়া তেখেত সকলক আপুনি ব্যক্তিগত ভাবে জনাই দিব ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঙৰীয়াই এখন থানাত এজাহাৰ দাখিল কৰিছিল, ২৫১ গৰাকী ভুৱা শিক্ষাৰ্থীৰ নামত ১ কোটি ৮৮ লাখ টকা এনেকৈ ভুৱা ভাবে সৰোকোৰাৰ এটা ব্যৱস্থা কৰিছিল, সেই সময়ৰ অধ্যক্ষ ডাঙৰীয়াই গোচৰ ৰজু কৰিছিল, তাৰ ফলত হ'ল কি সেই এম চি কলেজকে ইউজিচিৰ পৰ্টেলত ভুৱা শিক্ষানুষ্ঠান হিচাবে দেখুওৱা হৈছে। যিটো সময়ত এইখন চৰকাৰে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে, সেই সময়ত অসম তথা উত্তৰ পূৰ্বাঞ্চলত শিক্ষাৰ্থীৰ বৃত্তিৰ নামত বহুত ডাঙৰ কেলেংকাৰী হোৱা বুলি বিভিন্ন পক্ষই কৈ আহিছে। যিটো সময়ত মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক সকলো উচ্চ শিক্ষাৰ কাৰণে আৰু কাৰিকৰী শিক্ষাৰ বাবে ঋণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গোটেই অসমতে ৭০ লাখতকৈ বেছি টকা বৃত্তিৰ নামত কেলেংকাৰী হোৱা বুলি বিভিন্ন সময়ত পোহৰলৈ আহিছে।**

আপুনি শুনিলে আচৰিত হ'ব যে, ৫,৮১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত হোৱা দেখুৱাইছে অসমত। গোটেই উত্তৰ পূব ভাৰতৰ পৰা নিৰ্বাচিত হৈছে, ৮০১৩ গৰাকী ছাত্ৰ-ছাত্ৰী। ইয়াৰে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি Rahul Institute of engineering & Technology আদিৰ দৰে মুঠ ৫৫ খন প্ৰখ্যাত শিক্ষানুষ্ঠানৰ কাৰণে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰা ৪,৫০৭ গৰাকী আৰু অসমৰ পৰা ৩৬৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তি নিৰ্বাচিত হৈছিল। কিন্তু নিৰ্বাচিত ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত বেছি ভাগে ভুৱা শিক্ষানুষ্ঠানৰ পৰা নিৰ্বাচিত হৈছিল। গতিকে ইমান ডাঙৰ কথা এটা অসমত চলি আছে, গতিকে ইয়াৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, ইয়াৰ লগতে সংখ্যালঘু ছাত্ৰ বৃত্তিৰ কথাও যোৱা দুটা বছৰে আপোনালোকে পাই আহিছে। এই ক্ষেত্ৰত হাজাৰ হাজৰ কেলেংকাৰী সংঘটিত হৈছে, এই ক্ষেত্ৰত বেছি সংখ্যক বিদ্যালয় য়ে ভুৱা বুলি বিবেচিত কৰা হৈছে আৰু ভুৱা ছাত্ৰ-ছাত্ৰীৰ নামত এই বৃত্তি প্ৰদান কৰা হৈছে। গতিকে এই বিষয়টোৰ এটা নিৰপেক্ষ তদন্ত হোৱাটো মইও বিচাৰিছো আৰু এম চি কলেজ অসমৰ চতুৰ্থখন কলেজ বুলি নাম আছে। সেই কলেজখনৰ নামত ভুৱা কেলেংকাৰী হোৱাৰ ক্ষেত্ৰত যেতিয়া সেই কলেজৰ অধ্যক্ষ মহোদয়ে, থানাত গোচৰ ৰজু কৰিছিল, সেই সময়তে ইউ জি পৰ্টেলত এম চি কলেজকে ভুৱা শিক্ষানুষ্ঠান বুলি দেখুওৱা হৈছে। এইটো অতি দুখ লগা কথা, গতিকে চৰকাৰে অতি শীঘ্ৰে এম চি কলেজৰ বৃত্তি প্ৰদান কৰা ব্যৱস্থাটো মুকলি কৰি দিয়াৰ লগতে গোটেই বিষয়টোৰ এটা নিৰপেক্ষ তদন্ত হ'ব লাগে। ধন্যবাদ।

ড° ৰফিকুল ইছলাম (জনীয়া) ঃ মাননীয় অধ্যক্ষ মহোদয়, এম চি কলেজখন অবিভক্ত অসমৰ চতুৰ্থখন কলেজ।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ নিয়মাৱলী কাৰ্য্য পৰিচলনা সমিতিৰ অধীনস্থ ৩০১ নিয়ম অনুসৰি মাননীয় বিধায়ক আব্দুল ৰহিম আহমেদ মহোদয়ে জাৰি কৰা জাননী আৰু গৃহিত প্ৰতিলিপি ঈশান উদয় বৃত্তি সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বৃত্তি বেমেজালি সম্পৰ্কত যিটো কথা কোৱা হৈছে, এই সম্পৰ্কত আমি আপোনাৰ জৰিয়তে মাননীয় সদস্য গৰাকী আৰু সদনক জনাবলৈ বিচাৰিছো, ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ বিশ্ববিদ্যালয়ৰ অনুদানৰ আয়োগৰ জৰিয়তে উচ্চ শিক্ষাৰ বাবে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰদান কৰা ঈশান উদয় বৃত্তিৰ লগতে অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন আৰু কল্যাণ বিভাগ জড়িত নহয়। অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে জনোৱা মতে ঈশান উদয় বৃত্তিৰ বিষয়টো উচ্চ শিক্ষা বিভাগে পোনপতীয়াকৈ চোৱা-চিতা নকৰে। ঈশান উদয় বৃত্তিটো হৈছে ভাৰত চৰকাৰৰ মানব সম্পদ উন্নয়ন বিভাগে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ জৰিয়তে উত্তৰ- পূৰ্বাঞ্চলৰ অৰ্থনৈতিক ভাবে পিছপৰা ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ বাবে উদগণি দিয়াৰ বাবে ২০১৪-১৫ শিক্ষা বৰ্ষৰ পৰাই বিশেষ বৃত্তি মূলক আঁচনি যেনে- ঈশান উদয় হাতত লয়। উত্তৰ পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে উচ্চ শিক্ষা লোৱাৰ বাবে সা-সুবিধা পালন কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি বৃদ্ধি কৰা উত্তৰ পূৰ্বাঞ্চলক বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা প্ৰসাৰ কৰাৰ বাবে বাজেটত আবন্টিত ধন উপযুক্ত ভাবে প্ৰয়োগ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। শিক্ষাবৰ্ষ ২০১৪-১৫ চনৰ পৰা সাধৰণ স্নাতক বিষয়ত কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা আৰু চিকিৎসা বিজ্ঞান আৰু ইয়াৰ জৰিত বিষয়ৰ বাবে প্ৰতি বছৰে ১০ হাজাৰ ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰা ব্যৱস্থা আছে। এই বৃত্তি পাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বাৰ্ষিক আয় ৪ লাখ ৫০ হাজাৰ টকাৰ তলত হ'ব লাগিব। এই বৃত্তিৰ পৰিমাণ হ'ল, সাধৰণ স্নাতক বিষয় কাৰণে

**৫,৪০০ টকা আৰু কাৰিকৰী আৰু চিকিৎসা বিজ্ঞানৰ বাবে ৭,৮০০ টকা প্ৰতি মাহে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ বাবে আবেদন কৰা পদ্ধতিটো হ'ল নিয়োগ বাতৰি আদি জৰিয়তে যোগ্য প্ৰাৰ্থীৰ পৰা অনলাইনৰ জৰিয়তে আবেদন গ্ৰহণ কৰা হয়। ইয়াৰ অধিসূচনা UGC ৰ Web site www.ugc@ac.in ত দিয়া হয়। এই বৃত্তিৰ বাবে প্ৰাৰ্থীৰ যোগ্যতা হ'ল উত্তৰ পূৰ্বাঞ্চলত বাস কৰা ছাত্ৰ-ছাত্ৰী সকলে যিকোনো স্বীকৃতি প্ৰাপ্ত ৰাজ্যিক শিক্ষাবোৰ্ড, CBSC, ICSC আৰু NIOS ৰ অধীনস্থ উত্তৰ পূৰ্বাঞ্চলৰ বিদ্যালয়ৰ পৰা দ্বাদশ শ্ৰেণী বা সম পৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। কাৰিকৰী আৰু চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা মহাবিদ্যালয় বা যিকোনো প্ৰতিষ্ঠানত নামভৰ্ত্তি কৰা আছে, সেই সকল ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিব পাৰিব। বৰপেটা এম চি কলেজত ঈশান উদয় বৃত্তি ভুৱা ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা সম্পৰ্কত উদ্ভৱ হোৱা ভুৱা পৰিস্থিতিৰ বিষয়ে মহাবিদ্যালয় অধ্যক্ষৰ লগত যোগাযোগ কৰা হৈছিল। তেখেতৰ পৰা পোৱা তথ্য অনুসৰি ২০২০-২১ বৰ্ষৰ বাবে UGC ৰ পৰ্টেলত MC কলেজৰ পৰা ৩৮৪ জন ছাত্ৰ-ছাত্ৰীক ঈশান উদয় বৃত্তি অনুমোদন কৰা বুলি তথ্য লাভ কৰা হয়।** তেখেতৰ পৰা পোৱা তথ্য অনুসৰি ২০২০-২১ বৰ্ষৰ বাবে বিশ্ব বিদ্যালয়ৰ অনুদান আয়োগৰ নেশ্যনেল স্কলাৰচিপ প'ৰ্টেলত মাধ্যৱ চৌধূৰী মহাবিদ্যালয়ৰ বিপৰীতে এক বৃহৎসংখ্যক ৩৮৪ জন ছাত্ৰ-ছাত্ৰীক ইষান উদয় বিত্তীয় অনুমোদন কৰা বুল মহাবিদ্যালয়ৰ কতৃপক্ষই ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত দৃষ্টিগোচৰ হয়। এই অস্বাভাবিক বৃহৎসংখ্যক সন্দেহ হোৱাত কতৃপক্ষই ৩৮৪ জন ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ তথ্য পৰীক্ষা কৰে আৰু তাৰ ভিতৰত২৮৯ জন ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়ত নাম ভৰ্তিৰ তথ্য নাপালে। অৰ্থাৎ ভুৱা ছাত্ৰ-ছাত্ৰী হিচাপে প্ৰমানিত হয়। এই ভুৱা ছাত্ৰ-ছাত্ৰীসকলৰ নম্বৰৰ তালিকা আৰু অধ্যক্ষই প্ৰমান প্ৰত্ৰ জাল কৰা বুলি প্ৰমান পোৱাৰ লগে লগে মহাবিদ্যালয়ৰ কতৃপক্ষই ইষান উদয় বিত্তিৰ প'ৰটেলত উক্ত ২৮৯ জন ছাত্ৰ-ছাত্ৰীৰ ভুৱা হিচাপে চিহ্নিত কৰি তেওঁলোকৰ বিপৰীতে বিত্তিৰ টকা মোকলাই নিদিবৰ বাবে জনায়। গতিকে প্ৰাথমিক তদন্তত ভুৱা ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি তাৰ লগতে কাম কৰা দুষ্ট চক্ৰৰ লগত জড়িত লোক সমুহক ৯-২-২০২১ তাৰিখে বৰপেটা থানাত তদন্ত বিচাৰি এফ. আই. আৰ দাখিল কৰা হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা মহাবিদ্যালয়ৰ যিটো কথা কোৱা হৈছে, এইটো কথা আমি অৱগত, আৰু সেই কাৰণে আমি এখন এফ.আই. আৰ দিছো আৰু এফ.আই.আৰ দি সেই যিটো দুষ্ট চক্ৰ আছে, সেইটো যাতে ধৰিব পাৰে তাৰ বিৰুদ্ধে ব্যৱস্থা ল'ব পাৰে সেইটোও আমি ব্যৱস্থা কৰিছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদঃ**- মাননীয় মন্ত্ৰী ডাঙৰীয়া, আমাৰ এম চি কলেজৰ অধ্যক্ষ ডাঙৰীয়াই নিজেই এই বিষয়টো লৈ থানাত এফ.আই.আৰ দিছে। ২৫১ গৰাকীৰ শিক্ষাৰ্থিৰ বিপৰীতে ১কোটি ৮৮ লাখ টকা সৰকাই নিয়াৰ কাৰনে দুষ্ট চক্ৰই ব্যৱস্থা কৰিছিল। অধ্যক্ষ ডাঙৰীয়া, concern , এই বিষয়টো নিজে তেখেতে গোচৰ এটা ৰুজু কৰিছে। এতিয়া আমাৰ প্ৰশ্ন হ'ল, চাৰ বৰ্তমান ইউ.জি.চি. ৰ প'ৰটেলত এম.চি. কলেজক ভুৱা অনুষ্ঠান বুলি দেখাই আছে। গতিকে যিটো সময়ত ইমান ডাঙৰ কেলেংকাৰীৰ বিৰুদ্ধে এম.চি. কলেজৰ অধ্যক্ষ ডাঙৰীয়াই নিজেই এফ.আই.আৰ দাখিল কৰিছে, নিজেই কেলেংকাৰীৰ তথ্য খিনি পোহৰত আনিছে, সেই সময়ত এই এম.চি. কলেজকেই ইউ.জি.চি. য়েই ভুৱা শিক্ষানুষ্ঠান বুলি কেনেকৈ দেখুৱাব পাৰিলে? গতিকে সেই বিষয়তো আপুনি নিশ্চয় চাব।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ ডাঙৰীয়া, এম.চি. কলেজৰ পৰা যেতিয়া এই কথাটো

হ'ল হোৱাৰ পাছত প'ৰটেলত এইটো কথা জনাই দিয়া হ'ল, যে এম.চি. কলেজত ২৮৯ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এইটো ভুৱা । গতিকে সেই কাৰণে প'ৰটেলত কলেজৰ নামটো আছে। সেই কাৰণে তাৰ পৰা এম.চি. কলেজৰ নামটো বাদ পৰিছে। গতিকে এই কথাটো মই ক্লিয়াৰ কৰিম চিন্তা কৰিবলগা নাই।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ** ঃ- আপোনালোকে সোনকালে ক্লিয়াৰ নকৰিলে এই বৰ্ষৰ বহুত ছাত্ৰ-ছাত্ৰী বিত্তীটোৰ পৰা বঞ্চিত হ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ-মই এইটো ক্লিয়াৰ কৰাৰ কাৰণে চেষ্টা কৰিম। ইতিমধ্যে মই এই ব্যৱস্থাটো ল'বৰ কাৰনে চেষ্টাও কৰি আছো। কিন্তু মাইন'ৰেটি স্কলাৰচীপৰ ক্ষেত্ৰত আচলতে কিছুমান ভুৱা ধৰণৰ এনেকুৱা চলি আছে, সকলোতে চলি আছে। সেই কাৰনে এইবাৰ আমি মাইন'ৰেটি স্কলাৰচীপৰ ক্ষেত্ৰত ষ্ট্ৰীক কৰি দিছো। এতিয়া মই ষ্টেটমেন্টটো লে' কৰি দিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়, সন্মানিত সদস্যক লগত লৈ সেইটো আপুনি কৰিব। ধন্যবাদ। এতিয়া প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি** ঃ- মাননীয় অধ্যক্ষ মহোদয় ৰুল ৩০১ ৰ অধীনত এই ৰাজহুৱা গুৰুত্বপুৰ্ন বিষয়টো উঠবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয় নগাওঁ আৰু মৰিগাৱৰ এই দুয়োখন জিলাৰ সীমা মুৰীয়া ঠাইত থকা কুজিবিল, দেউৰা বিল, ৰৌমাৰী বিল, বৰপোটা বিল আৰু আমাৰ টেম্বোৱনী জান , হুনুমন্ত জান, দুৰ্গাজান, লেটাৰী জান, কমাৰ জান, বিল হৈ ব্ৰহ্মপুত্ৰলৈকে এটা বিস্তৃৰ্ণ, এই কপিলী, কলং এই অৱবাহিকাটোত , এই যি টুকুৰা ঠাইত অসমৰ অন্য বিল বিলাকৰ লগত আমি মিলাই চালে ন'হব। অসমৰ অন্য অংশৰ জানজুৰি বিলাকৰ লগত মিলাই চালে ন'হব. অধ্যক্ষ মহোদয় ইয়াতে ১৩৭১ শকত আৰু ১৪৪৯ খ্ৰীষ্টাব্দত এই ঠাইত আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্ম হৈছিল, আহিণ মাহৰ শুক্লা দশমী তিথিত। আৰু এই ঠাইতে তেখেতে ল'ৰালি কালত সাতুৰি নাডুৰি খেলা ধুলা কৰি এই অঞ্চলটোত তেখেত ডাঙৰ দীঘল হৈছিল। এতিয়া এই গুৰুজনাৰ জীৱনৰ অমূল্য সময় প্ৰভাৱিত কৰা এই জলপথ সমূহৰ ভৌগলিক স্থান সমূহ নিৰ্নয় কৰি ইয়াক ৰক্ষণা-বেক্ষণ দিয়াটো যদি হয়, তেতিয়া হলে অসমৰ ভাষা-কৃষ্টি, সংস্কৃতিৰ শংকৰী কৃষ্টিৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত এটা বশেষ বৰঙনি যোগাব। । এতিয়া অধ্যক্ষ মহোদয় এ যিটো বিল যিখিনি কথা মই কলো আমাৰ এই বিলবিলাক আমাৰ চৰকাৰে দিছে। মোৰ তাত ক'ব লগা একো নাই। বিলবিলাক ধংস কৰাৰ কাৰণে বিভিন্ন ধৰণৰ কাম -কাজ হৈ আছে। এইটো কাৰনেই তাত ৰক্ষণা-বেক্ষণ দিব লাগে কাৰন তাৰ মাজেদি এটা এটা বান্ধ দিয়া হৈছে। মই নাজানো চৰকাৰে এইটো permission দিছে নে নাই। এতিয়া এই বান্ধ দিয়াৰ কাৰনে অধ্যক্ষ মহোদয়, যিহেতু আগৰ এই বিল কেইখনৰ ইখনৰ লগত সিখন , সিখনৰ লগত ইখন, যোগা-যোগ আছিল, যিটো শান্তিজান আছিল, এই শান্তিজানটোৱে একেবাৰে লাওঁখোৱা হৈ ব্ৰহ্মপুত্ৰলৈ ওলাইছে। এই শান্তিজানটোৰ লগত মিলি এই অঞ্চলটো আছে। ইয়াত এনেকুৱা ধৰনে দিয়া হৈছে যে বৰদোৱা থানৰ শান্তিজান, শান্তি সতী ৰাধিকাৰ দ্বাৰা মহাপুৰুষ গুৰুজনে তেৰাৰ পদৰেণু ৰঞ্জিতে শান্তিধৰ বনালে। কৰ্তব্যকুলৰ ধ্বজা আতৰি , কণ্যা পুৰ্ণানন্দ কব্যৰ্তৰ পত্নী ৰাধিকাই তিনিটা কাঠিৰ পলত বৰ লুইতৰ পৰা পানী আনি শান্তিধৰ বান্ধ মহিমাৰে প্ৰকাশ পাইছিল এই গৰাকীৰ সতী জীৱনৰ ভক্তিপূৰ্ণ ৰূপ। এই প্ৰতিটো বস্তুৰ লগতে তাত গুৰুজনা আৰু তেখেতৰ ভক্তি জড়িত আছে। এতিয়া সেই কাৰণে ইয়াৰ ৰক্ষণা-বেক্ষণ দিয়াটো অধ্যক্ষ মহোদয় অত্যন্ত গুৰুত্বপুৰ্ণ কথা । সেই কাৰণে মই মন্ত্ৰী মহোদয়ক দৃষ্টি আৰ্কষণ কৰিলো। আৰু ইয়াত যাতে কোনো

কাৰণতে কোনোৱে যাতে নষ্ট কৰিব নোৱাৰে । এই যে কুজিবিলত বান্ধ দিছে যাতে বান্ধ দিব নোৱাৰে আৰু দলংৰ তলেদি যিটো পানী অহাযোৱা কৰা পথ আছিল সেই পথটো তাত বন্ধ কৰি দিয়া হৈছে আৰু দেওঁৰা বিল যিখন আছে সেই বিলখনৰ মাজতো বাহঁ পাৰি বন্ধ কৰাৰ ব্যৱস্থা কৰি আছে। সেই কাৰনে এই বিষয়টো চাব লাগে, আৰু এই যিটো জল পথ আছিল গুৰুজনাই সেইটো সময়ত চলা ফুৰা কৰা যিটো ঠাই আছিল এতিয়া অধ্যক্ষ মহোদয় আপোনাৰ অকল ঘৰটো বনালে হ'ব জানো? আপুনি ডাঙৰ দীঘল হোৱা গাওঁখন, ৰাস্তা ঘাট কেইটা সকলো ঠিকথাক কৰি ললেহে এইটো প্ৰকৃততে কৰা হ'ব। সেই কাৰনে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিলো। এই ক্ষেত্ৰত যাতে বিশেষ ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী** ঃ অধ্যক্ষ ডাঙৰীয়া আমাৰ এজন জ্যেষ্ঠ বিধায়ক মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াদেৱে এটা বহল দৃষ্টিকোনেৰে এটা ধুনীয়া প্ৰশ্ন উত্থাপন কৰিছে, বা আলোচনা আগবঢ়ালে, মই ভাবো, এই ক্ষেত্ৰত বহুত আলোচনা হ'ব লাগে, বহুত চিন্তন হ'ব লাগে কাৰন এই অঞ্চলটোত কেৱল অসমৰে নহয়, উত্তৰ পুৰ্বাঞ্চল নহয় ভাৰতবৰ্ষৰ আমাৰ সাহিত্য, সংস্কৃতি, ঐতিহ্য আধ্যাত্মিক চেতনাৰ এটা প্ৰাণ কেন্দ্ৰ লুকাই আছে. এই ক্ষেত্ৰত যি বিলবিলাকৰ কথা আপুনি কৈছে, গুৰুজনাৰ শৈশৱ বা যৌৱন এই সময়ত তেওঁ বিভিন্ন কৃষ্টি সংস্কৃতি বা যি জীৱন ধাৰা বা জীৱন শৈলীৰ লগত জড়িত হৈ আছে, গোটেইখিনি সমাজৰ পোহৰত আহিব লাগে। সেই ক্ষেত্ৰত আপুনি যি বিল বিলাকৰ কথা কৈছে, কুজিবিল, দেওঁৰাবিল, বৌমাৰি বিল আৰু শান্তিজান এই গোটেইকেইখন নগাওঁ জিলা আৰু মৰিগাওঁ জিলাৰ ভিতৰত পৰে। মাননীয় অধ্যক্ষ মহোদয় মই যদি এই বিল বিলাকৰ কথা কওঁ স্বাভাবিকভাবে গু ৰুজনাৰ সময়ৰ যি তেওঁৰ বিচৰন ভুমি আছিল। তেখেতৰ সাহিত্য, সংস্কৃতি, কৃষ্টিৰ লগত জড়িত হৈ আছিল বা তেওঁ উদ্ভাৱন কৰিছিল। কিন্তু কালচক্ৰত লাহে লাহে ভাৰতবৰ্ষ পৰাধীন হ'ল, তাৰ পিছত আকৌ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলো, চৰকাৰ আহিল। গোটেইখিনি বিল আমি অধ্যয়ণ কৰি দেখিলো যে বিল বিলাক আমাৰ ফিচাৰী ডেভেলপমেণ্ট ক'ৰপোৰেশ্যনৰ অধীনত আছে। এইক্ষেত্ৰত বিল বিলাকৰ বিষয়ে মই অলপ কৈ দিব পাৰো, যদিহে মাননীয় অধ্যক্ষ মহোদয়ে অলপ সময় দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** কম সময়ৰ ভিতৰত যিখিনি ক'ব পাৰে কওঁক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মৰিগাওঁ জিলাৰ ৮০ নং বটদ্ৰৱা সমষ্টিৰ দলংঘাট উন্নয়ণ খণ্ডৰ অন্তৰ্গত অসম মীন উন্নয়ণ নিগমৰ অধীনত থকা এখন বিল। এই বিলখনৰ মুঠ মাটিকালি ৫০ হেক্টৰ। মৰিগাওঁ সদৰৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ দূৰত্বত এই বিলখন অৱস্থিত। এই বিলখনৰ তিনিবিধ আলংকৰিক মাছ হ'ল - গংগাটোপা, খলিহনা আৰু ককিলাধৰা। এই বিলাক কথাৰ দ্বাৰা আপোনাক আমি বিলৰ কথা বহুতখিনি ক'ব পাৰো। কিন্তু মই কুজিবিলৰ সম্বন্ধে ক'বলৈ যোৱা নাই। আজিৰ দিনৰ স্থিতিটো এনেকুৱা যে সঁচাকৈ বিভিন্ন প্ৰজাতিৰ চৰাই ইয়ালৈ আহে। ইয়াত বিভিন্ন প্ৰজাতিৰ মাছ আছে আৰু এই কুজিবিলখন এতিয়ালৈকে দখল হোৱা নাই। এই কথাটো সঁচা। ইয়াত আৰু এটা কথা হ'ল যে আমাৰ বটদ্ৰৱা সমষ্টিৰ ফালৰ পৰা ২৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইদিনা কৈছে যে বটদ্ৰৱা থানখনক আমি যাতে ধুনীয়াকৈ সজাই-পৰাই তুলিব পাৰো আৰু বিশ্ব দৰবাৰলৈ লৈ যাব পাৰো তাৰ বাবে সহস্ৰাধিক টকা আবণ্টন হৈছে। এইক্ষেত্ৰত কুজিবিলখন যদি আমি অন্তৰ্ভুক্ত কৰিব পাৰো, তেনেহ'লে কুজিবিলৰ ঐতিহাসিক দিশটো আৰু বাকী কথাখিনি আমি অন্তৰ্ভুক্ত কৰিব পাৰো। ঠিক তেনেদৰে দেওৰা বিলৰ ক্ষেত্ৰতো

আমি আপোনাক ক'ব পাৰো যে সেইখনো বটদ্ৰৱা সমষ্টিত পৰিছে আৰু এই বিলখনক প্ৰায় ১৮ কিলোমিটাৰ দূৰত অৱস্থিত। ইয়ালৈও বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকতি আহে আৰু বিভিন্ন প্ৰজাতিৰ মাছ ও আছে। এইবিলাক পঢ়ি দিলে আৰু সময় লাগিব। আপুনি আজি আলোচনাৰ মাধ্যমেৰে যিখিনি কথা আনিলে, অধ্যয়ণ কৰি যিখিনি আমি প্ৰিপেয়াৰ কৰিছো, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক এইটো লে কৰি দিম। মই বিচাৰো, আমাৰ বিভাগ, আমাৰ চৰকাৰে বিচাৰে যে এইক্ষেত্ৰটো যাতে উন্নয়ণ আমি কৰিব পাৰো। তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লৈছে। শান্তিজানৰ কথাও মই লিখি আনিছো। মই এইখিনি আপোনাক দি দিম। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিদৰে এইক্ষেত্ৰত ইনিচিয়েটিভ লৈছে মই ভাৱো যে আমাৰ বিভাগৰ ফালৰ পৰাও আমিও  যাতে এই বিল বিলাকৰ আপোনাৰ দৃষ্টিকোণেৰে আমিও আগবঢ়াই লৈ যাব পাৰো তাৰ বাবে আমি প্ৰয়াস কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমি প্ৰাইভেট মেম্বাৰচ্ বিললৈ আহিছো। এতিয়া সংকল্প প্ৰস্তাৱ। এই সংকল্প প্ৰস্তাৱত আমাৰ সেইদিনা আধৰুৱা হৈ থকা খিনি আমি এতিয়া আৰম্ভ কাৰো। মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম ডাঙৰীয়া আপুনি প্ৰস্তাৱত আছিল।

**ডাঃ ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাইভেট মেম্বাৰ ৰিজ'লিউশ্যন ১১৫ ৰ অধীনত  আমি এটা প্ৰস্তাৱ আনিছিলো। ইতিমধ্যে কিছু আলোচনা হৈছে। অসমৰ চৰ অঞ্চল সমূহৰ আৰ্থ-সামাজিকৰ জৰীপ অনুস্থিত কৰি জনগণৰ শৈক্ষিক, সামাজিক মান উন্নত কৰি পৰিকল্পনা যুগুত কৰা হওঁক। এইটো আমাৰ প্ৰস্তাৱ আছিল। মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ দুয়োকাষে বসবাস কৰা মানুহখিনি আৰু ব্ৰহ্মপুত্ৰ যিবোৰ চৰ অঞ্চল আছে, লগতে ইয়াৰ উপনৈ সমূহৰ আশে-পাশে বসবাস কৰা এই চৰ অঞ্চল সমূহৰ যদি হিচাপ কৰো তেতিয়াহ'লে ২০০২-৩ চনৰ পাছত কোনো ধৰণৰ চেনচাচ হোৱা নাই। কিন্তু তেতিয়া ধুবুৰীৰ পৰা শদিয়ালৈকে প্ৰায় ২৫  লাখ মানুহ ব্ৰহ্মপুত্ৰ নদীৰ দুয়োকাষে বা উপনৈ অঞ্চল সমূহৰ চৰত এই মানুহখিনি বসবাস কৰি আছিল। কিন্তু ইয়াৰ সংখ্যা হয়তো এতিয়া ৩০-৩৫  লাখ মান হ'বগৈ যিবোৰে অসমৰ এই চৰ অঞ্চল সমূহত বসবাস কৰে। বৰ্তমান এই মানুহখিনি কি অৱস্থাত আছে তাৰ বাবে ২০০২-৩ চনৰ পাছৰ পৰা তাত কোনো ধৰণৰ চেনচাচ বা চাৰ্ভে হোৱা নাই। এই চৰ অঞ্চলত বসবাস কৰা মানুহখিনিৰ মাজত স্কুল আছে নে নাই, চিকিৎসালয় আছেনে নাই? মাননীয় অধ্যক্ষ মহোদয়, আমি যদি শিক্ষাৰ বিষয়ে কওঁ তেতিয়াহ'লে ২০০২-৩  চনত হোৱা  যি চাৰ্ভেৰ ৰিপোৰ্ট দিয়ো হৈছিল তাত শিক্ষাগত  অৰ্হতাৰ হাৰ মাত্ৰ ১৮ শতাংশ। এতিয়া এই বিশ বছৰৰ পিছত যদি এই শিক্ষাগত অৰ্হতাৰ হাৰ দুগুণ হয় তেতিয়াহ'লে ইয়াৰ শিক্ষাৰ হাৰ ৩৫ শতাংশতকৈ বেছি নহ'ব। য'ত আমাৰ অসমৰ শিক্ষাৰ হাৰ ৮৫  শতাংশ। এতিয়াও চৰ অঞ্চলত শিক্ষিতৰ হাৰ হ'ব ৩০-৩৫ শতাংশ মানুহহে শিক্ষিত। কিন্তু আমি যদি চাওঁ বৰ্তমান জনিয়া, বাঘবৰ, চেঙা, শালমাৰা এনেকুৱা অঞ্চল সমূহৰ যদি শিক্ষাগত অৰ্হতাৰ হাৰ চাই তেতিয়াহ'লে সেই অঞ্চল সমূহ শিক্ষাগতৰ হাৰ ৫০-৫৪-৫৫ শতাংশ দেখিবলৈ পাব। আজিৰ দিনত ও এই চৰ ্ঞ্চল সমূহৰ অৱস্থা এনেকুৱা । গতিকে এনেকুৱা শিক্ষাগত অৱস্থাৰ কাৰণে আমাৰ এই চৰ অঞ্চল সমূহৰ আৰ্থ-সামাজিক, শিক্ষা আদি সকলোবোৰ দিশলৈ আমাক পিছুৱাই লৈ গৈছে। যেতিয়ালৈকে আমি চৰ অঞ্চল সমূহৰ উন্নতি নকৰিম এই অঞ্চলৰ শিক্ষা-দীক্ষাৰ ব্যৱস্থা  নকৰিম, এই অঞ্চলৰ লোক সকলৰ উৎকৰ্ষ সাধনৰ ব্যৱস্থা নলওঁ, এই অঞ্চল বোৰৰ যাতায়াতৰ ব্যৱস্থা নকৰিম, ভাল স্বাস্থ্যৰ ব্যৱস্থা নকৰিম তেতিয়ালৈকে আমি অসমখন যিদৰে উন্নতিৰ শীৰ্ষলৈ লৈ যোৱাৰ যি সপোন আছে তাত আমি

সাৰ্থক হ'ব নোৱাৰিম। সাধাৰণতে আমি লক্ষ্য কৰো আমাৰ এই চৰ অঞ্চল সমূহত নদীৰ গৰাখহনীয়াত বহুত বজাৰঘাট, মন্দিৰ-মহজিদ, স্কুল আদি অনুষ্ঠান-প্ৰতিষ্ঠান নদীৰ বুকুত জাঁহ যায়। লাখ লাখ মানুহৰ ঘৰ-বাৰীটো জাঁহ গৈছেই। অনুষ্ঠান-প্ৰতিষ্ঠান জাঁহ যোৱাৰ পিছত ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে কোনো ভাল ব্যৱস্থা এই লোক সকলৰ নাথাকে। যাৰ কাৰণে আজি শিক্ষাৰ হাৰ তাত নাই। মই চৰকাৰক অনুৰোধ জনাইছো যে অতি সোনকালে জৰীপ কৰি শদিয়াৰ পৰা ধুবুৰীলৈকে চৰ অঞ্চল সমূহত যি সকল মানুহ বসবাস কৰে সেই সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ প্ৰতি যাতে আমি গুৰুত্ব দিওঁ। মই শালমাৰা চৰলৈ গৈছো, জনিয়া, বাঘবৰ, চেঙা আদি অঞ্চল সমূহলৈ বহুত বাৰ গৈছো। ১০-১২ কিলোমিটাৰৰ ভিতৰত কোনো স্কুল নাই। এটা চৰৰ পৰা আন এটা চৰলৈ যাবলৈ মানুহে বহুত অসুবিধা ভোগ কৰিব লগীয়া হয়। এই কথা বিলাক লক্ষ্য কৰি যদি আমাৰ এই মানুহখিনিৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ ব্যৱস্থা আমি নকৰো, আমাৰ অসমখন কেতিয়াও আগবঢ়াই লৈ যাব নোৱাৰিম। মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰক আহ্বান জনাম যে এই অঞ্চল বিলাক চাৰ্ভে কৰি তাত প্ৰাথমিক স্কুল, এম .ই , হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী স্কুল, কলেজলৈকে তাত অনুষ্ঠান পাতিব লাগে  আৰু যিবোৰ অনুষ্ঠান তাত চলি আছে তাত পৰ্য্যাপ্ত পৰিমাণে ইনফ্ৰাকষ্ট্ৰাকচাৰ দিব লাগে, শিক্ষক দিব লাগে। এই মানুহখিনিৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিব লাগে। এই মানুহখিনিৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল গৰাখহনীয়া। চৰ বুলিলেই এফালে মাটি খহাই লৈ গৈছে আনফালে য'ত মাটি আছে তাত বহিছে। আমি যদি গৰাখহনীয়াৰ প্ৰটেকশ্যন দিব নোৱাৰো বা কন্ট্ৰোল যদি নকৰো এই  ৩০-৩-৩৫  মানুহনুহ এই দুৰৱস্থাত ভূগিয়ে থাকিব। গৰাখহনীয়াৰ প্ৰটেকশ্যনৰ কাৰণে কিছু পদক্ষেপ লৈছে। জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয় ইয়াত আছে। কিন্তু আৰু এই অঞ্চল বিলাক জৰীপ কৰি, এই নদী বিলাকৰ যদি ভালদৰে প্ৰটেকশ্যনৰ কাম যদি হাতত ল'ব পৰা যায় তেতিয়া ভাল হয়। এজন মানুহৰ যদি গৰাখহনীয়াত ঘৰ-বাৰী সকলো হেৰুৱাই একো নাথাকে। মাটি, ঘৰ সকলো গুছি যায়। ২০-৫০  বিঘা মাটিৰ মালিক ৰাতিৰ ভিতৰতে ভিক্ষাৰী হৈ যায়। মথাউৰিত গৈ আশ্ৰয় ল 'ব লগীয়া হয়। তাৰ পিছত যেতিয়া পকেটত পইচা নাথাকে সেই সময়ত ৫-১০  লাখ টকা দি ক'ত মাটি কিনিব পাৰিব। যাৰ ফলত তেওঁলোক হয়তো চৰকাৰী মাটিত যাব লগীয়া হয়। ইয়াৰ ফলত বহু ধৰণৰ সমস্যা সেই সকল ব্যক্তিয়ে সন্মুখীন হ'ব লগীয়া হয়। চৰকাৰক আহ্বান জনাইছো যে গৰাখহনীয়া প্ৰটেকশ্যনৰ কাৰণে। যিসকল মানুহ ইৰোটেড হ'ল সেই সকলৰ হিচাপ উলিয়াই সেই সকলক চাৰ্টিফিকেট দিব লাগে যে ইমান মানুহ এইখন গাওঁত ইৰোটেড হৈছে আৰু সেইসকলক পাৰমানেণ্ট ৰিহেবিলেশ্যনৰ ব্যৱস্থা কৰিব লাগে। চৰৰ মাটি জৰীপ কৰি তেওঁলোকক মাটি আবণ্টন দিব লাগে। স্বাধীনতাৰ ৭৫  বছৰ পিছতো তাত জৰীপ নহ'ল। জৰীপৰ বহুত প্ৰতিশ্ৰুতি দিয়া হ'ল। মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ পৰা যিটো ষ্টেট হাইৱে, বৰপেটাৰ মোৰ  জনিয়াৰ ওপৰেদি কলাগছিয়াহৈ  লেংটি চিঙালৈকে গৈছে, এতিয়া  গৰাখহনীয়াৰ কাৰণে ষ্টেট হাইৱে টো দুচেও হৈ যোৱাৰ উপক্ৰম হৈছে। মাৰ পি এ চি কমিটি গৈছিল। মাননীয় সভাপতি মহোদয় ইয়াত আছে, তেখেতে দেখিছে যে, এফালে জনিয়া সত্ৰ আনফালে ত্ৰিশ কোটিৰ মডেল স্কুল আৰু আনফালে এই পঞ্চাশ কোটিৰ দলং.আনফালে **৫০** কোটি টকাৰ দলং এতিয়া পানীত জাহ যোৱাৰ অৱস্থা হৈছে। এমাহত যদি কাম কৰা নহয়, জনিয়া সমষ্টিৰ চৰাঞ্চলৰ যিটো অঞ্চল, যিটো ৰাস্তাৰ কাৰণে উন্নয়ন হৈছে, বিস্তৰ ক্ষতিসাধন হ'ব। মই চৰকাৰক অনুৰোধ কৰিব খুজিছো যে গুৰুত্বসহকাৰে এইটো লৈ যাতে এমাহৰ ভিতৰত কাম আৰম্ভ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, চৰাঞ্চলত বসবাস কৰা ৩০ লাখ মানুহৰ all round development ৰ কাৰণে special package দিব লাগে আৰু চৰাঞ্চলত বসবাস কৰা মানুহখিনি MOBC হিচাপে resolution লৈ এইসকলক treat কৰো, তেতিয়া সেই মানুহখিনি আমি শিক্ষাদিক্ষা, চাকৰি-বাকৰি আৰু বিভিন্ন ক্ষেত্ৰত তেখেতসকলক আমি অধিকাৰখিনি দিব পাৰিম। গতিকে মই সৰ্বশেষত দাবী জনাইছো এই প্ৰস্তাৱৰ জৰিয়তে অতি সোনকালে survey কৰি settlement, land allotment, erosion protection, শিক্ষা, স্বাস্থ্য আৰু MOBC ঘোষণা কৰি চৰকাৰে যাতে এই ব্যৱস্থাটো লয়, এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, “অসমৰ চৰাঞ্চলসমূহত আৰ্থ-সামাজিক জৰীপ অনুষ্ঠিত জনগণৰ শৈক্ষিক সামাজিক মান উন্নত কৰাৰ পৰিকল্পনা যুগুত কৰা হওঁক” বিষয়ৰ সংকল্প প্ৰস্তাৱত কৰবলৈ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জনাইছোঁ।

এই সংকল্প প্ৰস্তাৱৰ ওপৰত ইতিমধ্যে কেইবাজনো সন্মানীয় বিধায়কে নিজৰ নিজৰ বক্তব্য দাঙি ধৰিছে। মই প্ৰতিজনৰ বক্তব্যৰ মাজৰে যিখিনি কথা কৈছে প্ৰতিটো কথাত সমৰ্থন জনাই খুৱ কম সময়ৰ ভিতৰতে মোৰ বক্তব্য সামৰিবলৈ চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, কিছুদিন আগতে আপোনাৰ জৰিয়তে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পোষকতা কৰিছিল, এই বিধান সভাৰ মাননীয় বিধায়ক সকলক একোটা গোট গোট বনাই উজনি অসম, বৰাক ভেলী আৰু নামনি অসম ভ্ৰমণ কৰাৰ কাৰণে আৰু সেই গোটসমূহে গৈ সেই অঞ্চলসমূহত ভ্ৰমণ কৰি, সেই অঞ্চল মানুহৰ মানদণ্ড, কৃষ্টি, সংস্কৃতি, তেওঁলোকে কেনেকৈ জীৱন নিৰ্বাহ কৰে, কি ধৰণে কি কাম কাজ কৰে, তাৰ উন্নয়নৰ প্ৰতিচ্ছবি কেনেকুৱা গোটেইখিনি আমি এটা ৰিপোৰ্ট দাখিল কৰিছে।

মই আপোনাৰ জৰিয়তে এই সংকল্প প্ৰস্তাৱৰ মাজৰে অনুৰোধ জনাব খুজিছো যে চৰাঞ্চলৰ কাৰণেও আপুনি এটা গোট বনাই দিব লাগে, মাননীয় মন্ত্ৰী ডাঙৰীয়া বা মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে সেই গোট পঠাই চৰাঞ্চল আচল ছবি কি, সেই ছবিখিনিৰ কাৰণে এটা ৰিপোৰ্ট পবিত্ৰ বিধান সভাত দাখিল কৰি চৰকাৰে তাৰ ওপৰত ব্যৱস্থা ল'ব লাগে। এই কথাটো এই কাৰণে কৈছো যে অসমত চহৰ নগৰ আৰু চৰাঞ্চলৰ বাহিৰৰ যিসমূহ গাওঁ আছে, সেই সমূহৰ তুলনাত চৰাঞ্চলসমূহৰ গাওঁসমূহ যথেষ্ট পিছপৰা, কি যাতায়তে, শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰতে কওঁক, সকলো ক্ষেত্ৰতে বহুত পিছপৰা। লগতে চৰাঞ্চললৈ বিভিন্ন ধৰণৰ ভ্ৰান্ত ধাৰণাও আছে, চৰাঞ্চল মানুহখিনিৰ বিষয়ে দূৰৰ পৰা বহুতে নাজানেও, দূৰৰ পাহাৰখন দেখিলে যেনেকৈ সৌন্দৰ্য্যৰে ভৰপূৰ হৈ থকা দেখিবলৈ পোৱা যায়, কিন্তু ওচৰলৈ গলে বেলেগ ছবি দেখিবলৈ পোৱা যায়। চৰাঞ্চলসমূহলৈ যি ভ্ৰান্ত ধাৰণা আছে, তেওঁলোকে চৰাঞ্চলত যোৱাৰ পিছত আচল, তেওঁলোকৰ জীৱন মান দেখাৰ পিছত যিসকলৰ মাজত ভ্ৰান্ত ধাৰণা লৈ আছে, তেওঁলোকৰ মাজৰ পৰা নাইকিয়া হৈ যাব। গতিকে আহি থকা দিনত চৰাঞ্চলৰ মানুহখিনিক অসমৰ চহৰ, নগৰ, অন্য গাওঁ অঞ্চলসমূহৰ দৰে সমভাৱে তেওঁলোকে জীয়াই থাকিব পাৰে, সম সুবিধা যাতে তেওঁলোকে পাই, তাৰ কাৰণে চৰকাৰে নিশ্চিতভাৱে জৰুৰীকালীন ব্যৱস্থা ল'ব লাগিব আৰু এই ব্যৱস্থা ল'বলৈ হলে তাৰ কাৰণে জৰীপ কৰিব লাগিব। তাৰ কাৰণে সেই অঞ্চলবিলাকৰ আচল তথ্য আনিব লাগিব। সেই অঞ্চলসমূহত কেনেকৈ কি ভাৱে চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া সকলে তাত কাম কৰিব লাগিব। বেলেগ বেলেগ চহৰ নগৰ গাওঁত বিষয়াসকলে যিধৰণে যায়, যিধৰণে পৰিদৰ্শন কৰে। কিন্তু চৰাঞ্চলত সকলো

বিভাগৰ মানুহে যাব নোৱাৰে, কাৰণ চৰাঞ্চলত যাবলৈ যিখিনি সুবিধা লাগে, সেই সুবিধাখিনি নাই তাতে।

গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ে আজি উত্তৰ দিব, সেই উত্তৰৰ পৰা চৰাঞ্চলৰ মানুহখিনি যাতে উপকৃত হয়, তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীআশ্ৰাফুল হুছেইন আৰু ড° ৰফিকুল ইছলাম ডাঙৰীয়াই "অসমৰ চৰাঞ্চলসমূহত আৰ্থ-সামাজিক জৰীপ অনুষ্ঠিত জনগণৰ শৈক্ষিক সামাজিক মান উন্নত কৰাৰ পৰিকল্পনা যুগুত কৰা হওঁক" যিটো প্ৰস্তাৱ আনিছে। (Private Member Resolution)

এই ক্ষেত্ৰত, আমাৰ চৰকাৰে সংখ্যালঘূ অঞ্চলবিলাকত শিক্ষাৰ প্ৰসাৰতা বঢ়োৱাৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এই অঞ্চলৰ লৰা-ছোৱালীসমূহে যাতে ভালদৰে শিক্ষা আহৰণ কৰিব পাৰে, তাৰ কাৰণে যিখিনি existing school আছে, সেই স্কুলসমূহত additional Class room দিয়া হৈছে আৰু কিছু কিছু ঠাইত digital class room ৰো ব্যৱস্থা কৰি দিয়া হৈছে আৰু কিছুমান স্কুলত অন্যধৰণৰ সুবিধাও স্কুলসমূহত দিয়া হৈছে। তাৰে কিছুমানৰ কাম সম্পূৰ্ণ হোৱা নাছিল। যিসমূহত কাম সম্পূৰ্ণ হোৱা নাই তাৰ কাৰণে **১২০** কোটি টকা 2nd installment আজি এক সপ্তাহ মান আগতে ভাৰত চৰকাৰ পৰা পাইছো। এই **১২০** কোটি টকাৰে বিধায়ক সকলৰ বিভিন্ন সমষ্টিত থকা যিখিনি কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে, সেইখিনি সম্পূৰ্ণ হৈ যাব। তাৰোপৰিও চৰ চাপৰি বা সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলৰ স্কলাৰচিপ দিয়াৰ ব্যৱস্থা কৰাৰ ওপৰিও তেওঁলোকক কিছুমান Skill training দিয়া হৈছে, এই Skill training সমূহৰ জৰিয়তে ANM, GNM বা তেনেকুৱা ধৰণৰ Multi purpose Skill training যেনে Plumber বা অন্যান্য তেনেকুৱা ধৰণৰ training দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। Paramedical staff ৰ কাৰণে তেওঁলোকক বিভাগৰ ফালৰ sponsor কৰিছিলো। Paramedical পাছ কৰাৰ পিছত তেওঁলোকে হয়তো চাকৰিও কৰিব পাৰিব নহলে তেওঁলোকে নিজে আত্মসংস্থাপন লাভ কৰিব পাৰিব।

তাৰোপৰি, চৰাঞ্চলত বৰ্তমান **২১** খন Model Residential School বনাই থকা হৈছে। আমাৰ বৰপেটাৰ সন্মানীয় বিধায়ক ডাঙৰীয়া MC College ৰ কথা কৈছে, আজি MC College **১৫০** বছৰীয়া কলেজ। কিন্তু সেই **১৫০** বছৰীয়া কলেজখনে আজিলৈ **১** কোটি টকাৰ চকাৰী অনুদান লাভ কৰা নাই। কিন্তু আমি এতিয়া minority অঞ্চলত যিবিলাক Model Residential School কৰি, একোখন স্কুলত খৰচ হ'ব **৩০.৮০** কোটি টকা, কিন্তু **১৫০** বছৰীয়া কলেজখনে **১** কোটি টকা লাভ কৰিবলৈ সক্ষম হোৱা নাই।

তাৰোপৰি আৰু এটা কথা হ'ল যে আগতে MSDP ব্লকসমূহত মাত্ৰ লৈছিল। যেনে কোনোবা এটা সমষ্টিত এটা ব্লক MSDP হয় আনটো ব্লক নহয়। কিন্তু আন ব্লকটোতে কিন্তু সংখ্যালঘুৰ মানুহ আছে, তাত সংখ্যালঘুৰ মানুহ কম থকাৰ কাৰণে এইটো MSDP নহ'ল। এইবাৰ MSDP ৰ গোটেই সংজ্ঞাটো সলনি কৰি প্ৰধানমন্ত্ৰী জনকল্যাণ কাৰিক্ৰম আঁচনি কৰা হ'ল। গতিকে এইবাৰ MSDP এৰিয়া নহলেও, যি কেইটা ব্লকত বঞ্চিত হৈ আছে, সেই ব্লককেইটাতো প্ৰধানমন্ত্ৰী জনকল্যাণ কাৰিক্ৰম আঁচনিৰ জৰিয়তেও সহায় সহযোগ কৰিব পাৰিম। গতিকে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বা উচ্চ শিক্ষাৰ ক্ষেত্ৰত তাৰোপৰিও মাননীয় অধ্যক্ষ মহোদয়, দীনদয়াল উপাধ্যায়

মহাবিদ্যালয় যিসমূহ ছোৱালী মহাবিদ্যালয় ইতিমধ্যে আমি আৰম্ভ কৰিছো বিভিন্ন ঠাইত আৰু তাৰে কিছু কিছু ঠাইত কাম আৰম্ভ হৈছে। কিছু ঠাইত মাটি দিব পৰা নাই। যেনেকৈ দৰঙৰ কলেজখনৰ কাৰণে এতিয়ালৈকে মাটি দিব পৰা নাই। আমাৰ দৰঙৰ দুগৰাকী বিধায়ক এই সময়ত নাই। তেখেতসকলক মই বাৰে বাৰে কৈছো মাটিখিনি দিয়ক। মাটিখিনি দিলে আমি কলেজখন বনাব পাৰো আৰু কামখিনি আৰম্ভ কৰিব পাৰো। ঠিক তেনেকৈ MSDP ৰ অন্যান্য ঠাইতো কৰোবাত যেনেকৈ বঙাইগাওঁৰ স্কুলখনৰ মাটি দিব পৰা নাছিল। গতিকে মই উপায়ুক্তক ক'লো যে স্কুলখন উঠাই আনিব লাগিব, তেতিয়া আপোনাৰ বদনাম হ'ব। Ultimately এতিয়া দিছে। হাইলাকাণ্ডিত আজি তিনি মাহলৈকে মাটি দিব পৰা নাই। মই উপায়ুক্তক ক'লো যে স্কুলখন যদি স্থানান্তৰ কৰি দিও ডি চি হিচাপে আপোনাৰ বদনাম হ'ব। গতিকে এতিয়া মাটি তেওঁলোকে দিছে আৰু কাম আৰম্ভ হৈছে। ঠিক তেনে ধৰণে আমাৰ চিদলী সমষ্টিটো তেনেকুৱা ধৰণৰ এটা অৱস্থা হৈছে. এতিয়া কামবিলাক আৰম্ভ হৈছে। বাক্সাটো তেনেকৈ কাম আৰম্ভ হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই গোটেই কথাখিনি আমি খুৱ গুৰুত্ব সহকাৰে বিবেচনা কৰি আছো। বিবেচনা কৰি এই এই চৰ অঞ্চলৰ আজি যিটো সমস্যা, এখেত সকলে বিভিন্ন সমষ্টিৰ কথা কৈছে। এই বিভিন্ন সমস্যাখিনি আমি সমাধান কৰাৰ কাৰণে তেওঁলোকক আমি কেনেকৈ skill কৰিব পাৰো হাফিজ ডাঙৰীয়াই সেইদিনাখন কৈছে যে, তাত MSDP ৰ পৰা এখন Institute বনাই থৈছে। MSDP ৰ পৰা বহুত বিল্ডিং বনালে, বিল্ডিং বিলাকৰ নাম দিলে Multi Skilll Institute. তাত Skill আৰম্ভ হ'ল নে কিবা কোৰ্চ আৰম্ভ হ'ল নে তাত কিবা কোৰ্চ আছে, একো নাই। বিল্ডিং বিলাক বনালে। আমি মন্ত্ৰী হোৱাৰ পিছত আমাক আহি ক'লে যে আমাৰ মানিৰিটি ডিপাৰ্টমেণ্টৰ যিখিনি বিল্ডিং বনালো সেইবিলাক আপোনালোকে লৈ লওঁক। আমি ক'লো কিয় লৈ লও। ক'লে যে আপোনালোকে skill training কৰি দিয়ক, নহ'লে ITI কৰি দিয়ক। বিল্ডিং বিলাক কিয় বনালে সেইটো ভগবানে জানে। বিল্ডিং বিলাক বনাই তাত ষ্টাফ দিলে নে কিবা ব্যৱস্থা কৰিলে? এতিয়া অধ্যক্ষ ডাঙৰীয়া, যিমান বিল্ডিং বনাইছিল, সেই বিল্ডিং সমূহ আমি এতিয়া skill development ৰ অধীনত আনিছো। হাফিজ ডাঙৰীয়াই সেইদিনাখন কৈছে যে, তেখেতৰ সমষ্টিতো তেনেকুৱা এখন আছে. আমি অলপতে তাতে এখন ITI আৰম্ভ কৰিম হাফিজ ডাঙৰীয়াৰ সমষ্টিত আৰু সেই ITI খনত আমি Mason immediately আৰম্ভ কৰিম। কাৰণ আজি গুৱাহাটীত বহুত বিল্ডিং বনোৱা মানুহ সেই ধুবুৰী, গোৱালপাৰাৰ পৰা অহা। গতিকে আমি তাত mason training আৰম্ভ কৰি দিলে তেওঁলোকে অসম চৰকাৰৰ পৰা এখন চাৰ্টিফিকেট পাব। চাৰ্টিফিকেট পোৱাৰ পিছত তেওঁলোকে যদি কাইলৈ ডুবাইত যায়, আবুঢাবিত যায়, তেতিয়াহ'লে তেওঁলোকে তাত ভালকৈ কাম কৰাৰ স্কোপ পাব। গতিকে সেই mason কোৰ্চটো আৰম্ভ কৰাৰ কাৰণেও আমি ব্যৱস্থা লৈছো। বিভিন্ন ঠাইত আমি প্লাম্বাৰৰো কোৰ্চ দিয়াৰ কাৰণে চেষ্টা কৰিছো। কাৰণ জলজীৱন মিছনৰ পৰা যিমান আঁচনি হ'ব, গতিকে আমাৰ প্লাম্বাৰৰ যথেষ্টখিনি অভাৱ হ'ব। গতিকে এই গোটেইখিনি কথা আমি লৈছো। চৰ অঞ্চলৰ মানুহখিনিয়ে যথেষ্ট কষ্ট কৰে এইটো সত্য আৰু skill also. তেওঁলোকক আমি যদি অলপ skill training টো touch কৰি দিব পাৰো, তেতিয়াহ'লে they will be fully skilled. গতিকে সেই ক্ষেত্ৰত আমি ANM, GNM, Paramedical staff ৰ ক্ষেত্ৰত আমি sponsored কৰি আছো। শিক্ষাৰ ক্ষেত্ৰত মই আপোনালোকক ক'লো ছোৱালী কলেজ লগতে residencial modle school লগতে additional class room, smart class room এই গোটেই বিলাকৰ ব্যৱস্থা লোৱা

হৈছে। গতিকে এইক্ষেত্ৰত মই সদায় monitor কৰি আছো। গতিকে এইবাৰ অধ্যক্ষ ডাঙৰীয়া, আমাৰ সকলোৰে সহযোগত আমি ভাৱো যে, এই মাইনৰিটি বিভাগটোৱে এইবাৰ গোটেই সমগ্ৰ অসমতে এনেকুৱা residencial school এতিয়া ২১ খনহে হৈছে, আমি ইয়াতকৈ বেছি residencial school আমি কৰিবলৈ সক্ষম হ'ম আৰু তাৰে আমি DPR বনায় আছো। মাননীয় সদস্য সকল কাৰোবাৰ যদি কৰোবাত লাগে, তেনেকুৱা ধৰণে আমাক লিখি দিব আৰু পুঁজি সাপেক্ষে ভাৰত চৰকাৰে যিহেতুকে দিয়ে গতিকে সেইখিনি আমি আপোনালোকক সহায় কৰিব পাৰিম। গতিকে এইখিনি কথা জনালো আৰু এইখিনি বিষয়ত আমি নিশ্চয় কাম কৰিম।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হুনাৰ হাতত ঘোষণা কৰিছে যি ধৰণে ক'লে প্ৰতিটো ব্লকত এখনকৈ modle residencial school হ'ব লাগে, মই আপোনাক অনুৰোধ কৰিছো, MSDP ৰ সৰু-সুৰা স্কীম নলৈ এই modle residencial school মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ দৰে প্ৰতিটো minority concetrated block ত যদি কৰিব পাৰে, তেতিয়াহ'লে আমাৰ এই মাইনৰিটিৰ অঞ্চলৰ সকলো সমস্যাৰ সমাধান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়া, আপোনালোকৰ পৰা মই জানিব বিচাৰিছো আপোনালোকৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান কথা কেৱল ৫ মিনিটত শেষ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ৫ মিনিটত নালাগে। To the point যদি কিবা আছে কওঁক।

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সিদিনাখন এই বিষয়টো উত্থাপন হৈছিল, মমতাময়ী নাৰীৰ তথা বিধান সভাৰ মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানী তথা সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে খুব উষ্ম সহকাৰে এটা কথা প্ৰকাশ কৰিছিল যে সংখ্যালঘু এলেকাত বাল্যবিবাহৰ প্ৰকোপৰ সংক্ৰান্তত। আজি যি অৱস্থা চৰ অঞ্চলত চলিছে, সেই চৰ অঞ্চলৰ যদি বাস্তৱ চিত্ৰ উলিয়াই আনিব পাৰো, যদি সচাঁ অৰ্থত কি চলিছে চৰ অঞ্চলত, অসমৰ এই ছবিখন যদি আমাৰ হাতত অন্ততঃ থাকে আমি কাম-কাজ কৰাত সুবিধা হ'ব। হয় মহোদয়, বাল্যবিবাহৰ বিৰুদ্ধে আমিও যুজিছো, যদি মানুহখিনিক সুৰক্ষিত কৰিব নোৱাৰো, তেওঁলোকক পঢ়া-শুনাৰ কাৰণে উপযুক্ত ঠাই দিব নোৱাৰো। চৰ অঞ্চল সমূহত স্থায়ীভাৱে কোনো এটা কাম কৰাত বহুক্ষেত্ৰত প্ৰত্যাহবানৰ সন্মুখীন হয়, সেয়া আমি বাস্তৱ সন্মতভাৱে জানো আমি pratically জানো। সেই কাৰণে কৈছো residencial school ৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী ডাঙৰীয়াই যি প্ৰস্তাৱ দিছে, মই ভাৱো যে, চৰকাৰে গুৰুত্ব সহকাৰে ল'ব. একেটা সময়ত আমি অনুৰোধ কৰিম যে, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে socio economic servey for char ৰ কাৰণে এটা ব্যৱস্থা কৰিব। সামান্য টকা লাগিব। বৰ বেছি নহয়। এতিয়া চৰৰ গাওঁসমূহ কমি আহিছে। আগতে ২২ শ ৫০ খন আছিল। এতিয়া ১৭-১৮ শ মান হ'ব। কমি আহিছে। গতিকে মহোদয় এই বিষয়টো আহ্বান ৰাখিছো, মই ভাৱো যে, মন্ত্ৰী মহোদয় সংখ্যালঘু বিভাগৰ মন্ত্ৰী, skill ৰো মন্ত্ৰী। একেটা সময়তে তেখেতে উদ্যোগ বিভাগৰো মন্ত্ৰী। চৰ অঞ্চলৰ লোক সকলে যথেষ্ট কষ্ট কৰে। তাৰে মানুহ পৰিশ্ৰমী। তাতে কৃষি উৎপাদন ভাল হয়। আশা কৰিম যে, আপুনি অন্ততঃ সেই এলেকাবিলাকৰ কাষত প্ৰধান ৰাষ্টা সমূহত হ'লেও processing industry, food processing industry য়েই হওঁক বা তেনেকুৱা ধৰণৰ উদ্যোগ স্থাপন কৰে। যথেষ্টখিনি ভাল হ'ব। আপুনি জানে যে চেঙা সমষ্টি ৪০

বিঘামান মাটি দি থৈছো, আশা কৰিম যাতে তাতে এটা অন্ততঃ উদ্যোগৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক সুযোগ দি আছো। আপুনি যদি withdraw নকৰে, মই motion moov কৰো। আপুনিতো withdraw নকৰিব।

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই motion withdraw নকৰো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এতিয়া সংকল্প প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। অসমৰ চৰ অঞ্চল সমূহত আৰ্থ-সামাজিক জৰিপ অনুষ্ঠিত কৰি জনগণৰ শৈক্ষিক-সামাজিক মানদণ্ড উন্নত কৰাৰ পৰিকল্পনা যুগুত কৰা হওঁক। প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওঁক হয়, প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওঁক নহয়। মই ভাৱো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া সংকল্প প্ৰস্তাৱ মই মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীজাকিৰ হুছেইন সিকদাৰ আৰু শ্ৰীমতী নন্দিতা দাস তেখেত সকলৰ যিকোনো এজনক মই উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ১১৫ নং ৰুল অনুসৰি এটা সংকল্প প্ৰস্তাৱ উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। মহোদয়, আমাৰ সংকল্প প্ৰস্তাৱটো হ'ল অসম চৰকাৰে অসম মেঘালয় সীমান্তৰ সমস্যা সমাধানৰ বাবে দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি সমাধানৰ বাবে প্ৰচেষ্টা চলাইছে। এনেধৰণে দ্বিপাক্ষিক বৈঠকৰ দ্বাৰা সীমা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আগ্ৰাসী হ'লে অসম নাগালেণ্ড, অসম মিজোৰাম, অসম অৰুণাচল আদি ৰাজ্যৰ সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ ৰাজ্যই অধিক ক্ষতিগ্ৰস্থ হ'ব। সেয়েহে ইয়াৰ পৰিৱৰ্তে ভাৰতীয় সংবিধানৰ ব্যৱস্থা অনুসৰি আৰু এই ব্যৱস্থাৰ ভিত্তিত আলোচনাৰ মাধ্যমেৰে অসমৰ কেওঁখন ওচৰ-চুবুৰীয়া ৰাজ্যৰ লগত থকা সীমা-সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আজি বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সংকল্প প্ৰস্তাৱ উত্থাপন কৰিলে। আজি আমাৰ সময় কম। সেই কাৰণে আমি অহা অধিৱেশনত এই প্ৰস্তাৱৰ ওপৰত আলোচনা কৰিম। এতিয়া আৰু আছে Private Members Bill তে। মাননীয় সদস্য তথা অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ "The Public Properties Insurance Bill, 2022" উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Public Properties Insurance Bill, 2022" বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি আছেনে? মই শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ জনালো। বিধেয়কখন উত্থাপন কৰক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Public Properties Insurance Bill, 2022" বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** উত্থাপন কৰা হ'ল আৰু এইখন বিলো আমি অহা অধিবেশনত আলোচনা কৰা হ'ব। এতিয়া আছে শ্ৰী আমিনুল ইছলাম, তেখেতক মই উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "দ্যা আসাম পঞ্চায়ত

(এমেণ্ডমেণ্ট) বিল, ২০২২ ” খন  সদনৰ মজিয়াত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদনৰ সন্মতি আছেনে ?

(মাননীয় সদনে সন্মতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** আপোনাক সন্মতি প্ৰদান কৰিলো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,  I beg to move. “দ্যা আসাম পঞ্চায়ত (এমেণ্ডমেণ্ট) বিল, ২০২২” খন সদনৰ মজিয়াত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এইখন বিলো পৰৱৰ্তী অধিৱেশনত  আলোচনা কৰা হ’ব।

এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২০-২১ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় বিত্তীয় হিচাপ (খণ্ড নং-১ আৰু ২) আৰু বিনিয়োজন হিচাপ পৰীক্ষাৰ প্ৰতিবেদন কেইখন সদনত উত্থাপন কৰিব।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২০-২১ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় বিত্তীয় হিচাপ  (খণ্ড নং-১ আৰু ২) আৰু বিনিয়োজন হিচাপ পৰীক্ষাৰ প্ৰতিবেদন কেইখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় পৰিৱেশ আৰু বন মন্ত্ৰীয়ে ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষৰ দ্যা আসাম ষ্টেট কম্পেন্‌চেটৰী এফৰষ্টেশ্যন ফাণ্ড মেনেজমেণ্ট এণ্ড প্লেনিং অথ’ৰিটী (কেম্পা), গুৱাহাটীৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৪ খন সদনত দাখিল কৰিবৰ অনুৰোধ জনালো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষৰ দ্যা আসাম ষ্টেট কম্পেন্‌চেটৰী এফৰষ্টেশ্যন ফাণ্ড মেনেজমেণ্ট এণ্ড প্লেনিং অথ’ৰিটী (কেম্পা), গুৱাহাটীৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন ৪ খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই “দ্যা গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২ খন ” বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, “দ্যা গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২ খন ” বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো মই সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ’ল-“দ্যা গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২ খন ” বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ  সপক্ষে আছে,
তেখেতসকলে কওঁক,  ‘হয়’
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, ‘নহয়’
(‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে সদনে প্ৰস্তাৱটো গ্ৰহণ কৰে)
মই ভাৱো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰে।

বিধেয়েক খনৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ২ নং দফাটো সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-২ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাটো ৰ সপক্ষে আছে,

তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

('হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে সদনে ২ নং দফাটো গ্ৰহণ কৰে।)

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া,শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী মিছবাহুল ইছলাম লস্কৰ, শ্ৰী ৰেকিবুদ্দিন আহমেদ,শ্ৰী আব্দুল ৰছিদ মণ্ডল, শ্ৰীমতী শিৰামণি বৰা, শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰী ছিদ্দিক আহমেদ, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী নুৰুল হুদা, তেখেতসকলৰ নামত এটা সংশোধনী আছে। এতিয়া মই মাননীয় মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়াক উত্থাপন কৰিবলৈ আহ্বান জনালো।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sub-section 13 and 14 of clause 3 of the proposed Bill shall be deleted.

**মাননীয় অধ্যক্ষ ঃ** কিবা Clarification আছে?

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে গোটেই বিশ্বৰ যিমান আগশাৰীৰ দেশ তেওঁলোকে বেলটত ভোট কৰি আছে । বেলটত ভোট দিয়াটো আমাৰ ভাৰততো Tradition আছে। যিহেতু মিউনিচিপালিটিৰ নিৰ্ব্বাচনটো এটা সৰু নিৰ্ব্বাচন, সেইকাৰণে আমি বিচাৰিছো যে বেলটত হ'ব লাগে। আমি সকলো নিৰ্ব্বাচন ই ভি এমত কৰি আছো। অন্ততঃ এই নিৰ্ব্বাচনটো বেলটত কৰিব লাগে। কেতিয়াবা ই ভি এমবোৰ বেয়া হৈ যায়, কেতিয়াবা চাৰ্জ নাথাকে আৰু বহু কিবা খেলিমেলি হয়। সেই কাৰণে আমি এই নিৰ্ব্বাচনটো বেলটত কৰাৰ বাবে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়াই এই এমেণ্ডমেণ্টৰ ক্ষেত্ৰত আপোনাৰ পৰা Clarification বিচাৰিছে।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিটো এমেণ্ডমেণ্ট আছে, এই এমেণ্ডমেণ্টৰ জৰিয়তে গুৱাহাটী পৌৰনিগমৰ নিৰ্ব্বাচনত ই ভি এমৰ ব্যৱহাৰ কৰাৰ ব্যস্থা কৰা হৈছে। তেখেতসকলে কৈছে যে ই ভি এম নালাগে। কিন্তু আমি সদনত বহি থকা আটাইকেইজন সদস্যই এই ই ভি এমৰ জৰিয়তে জয় হৈ এই বিধান সভাত বহি আছো। সেইকাৰণে ই ভি এম অবিশ্বাস কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে আৰু এই এমেণ্ডমেণ্টটো এটা প্ৰগ্ৰেছিভ এমেণ্ডমেণ্ট হৈছে। যিটো বিধান সভা আৰু লোকসভাত প্ৰয়োগ কৰা হয় আৰু আমি এতিয়া পৌৰনিগমৰ নিৰ্ব্বাচনত আনিছো। অসমৰ বিভিন্ন পৌৰনিগমৰ নিৰ্ব্বাচন ই ভি এমৰ জৰিয়তে হ'ল আৰু এঘণ্টাৰ ভিতৰতে গোটেই ফলাফল ওলাল। ফলাফল ই ভি এমৰ দ্বাৰা ওলোৱাৰ বাবে মানুহে হাৰাশাস্তিৰ পৰা মুক্তি পালে। নহ'লে বেলট মিলাব লাগে, ভোট ৰিজেক্ট হয় আৰু ৰিজেক্ট হোৱা ভোটক লৈ কাজিয়া লাগে। এটা বৈজ্ঞানিক প্ৰক্ৰিয়াৰে আমি নিৰ্ব্বাচন পাতিব খুজিছো। ইয়াক বিৰোধীতা কৰিব নালাগে আৰু স্বীকাৰ কৰিবৰ বাবে মই আহ্বান জনাইছো।

**শ্ৰী কমলাক্ষ দে পুৰক্‌য়স্থ, (উঃ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ভাল কথা কৈছে। সেইটো আমি মানি লৈছো। কিন্তু যেতিয়া ই ভি এমত হয় আপোনালোকে V.V. PAT দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব Assam State Election Commission. আমি ই ভি এম প্ৰয়োগ কৰাৰ কাৰণে সংশোধনী কৰিলো আৰু Election Commission. এ বিহীত ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ই ভি এমত নিৰ্ব্বাচন পাতিলে আমাৰ কোনো আপত্তি নাই। কিন্তু V.V. PAT দিলে ভাল হয়।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দ্বিতীয়বাৰো একেটা কথাই পুনৰ কৈছো নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব Assam State Election Commission. সেই অনুযায়ী Assam State Election Commission. এ সিদ্ধান্ত ল'ব আৰু নিৰ্ব্বাচন অনুষ্ঠিত কৰিব। আমাৰ সকলোৰে Assam State Election Commission ৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে যে তেওঁলোকে ন্যায়গত আৰু গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচন অনুষ্ঠিত কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সংশোধনীটো উঠাই লোৱা নহ'ল। মই সংশোধনীটো সদনত দাঙি ধৰিলো। In proposed Sub-Clause 13 and 14 of clause 3 of the proposed Bill shall be deleted.

যিসকল মাননীয় সদস্য-সদস্যা
সংশোধনীটোৰ সপক্ষে আছে,
তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

('নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে সদনে সংশোধনী প্ৰস্তাৱটো নাকচ কৰে।)

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে সদনে সংশোধনী প্ৰস্তাৱটো নাকচ কৰে। দফা নং-৩ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সংশোধনীটোৰ সপক্ষে আছে,
তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

('হয়'ৰ সপক্ষে, 'হয়'ৰ ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ নং দফাটো সদনে গ্ৰহণ কৰে।)

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফাত মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। কিন্তু অখিল গগৈ ডাঙৰীয়া অনুপস্থিত। বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা

দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহাল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Guwahati Municipal Corporation (amemdment) Bill, 2022 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল** The Guwahati Municipal Corporation (Amemdment) Bill, 2022 পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত হ'ল।

এতিয়া ৰাজভৱনৰ পৰা এটা বাণী আছে

" Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend that the Assam Municipal Corporation Bill, 2022 be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক The Assam Municipal Corporation Bill, 2022 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহাল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Municipal Corporation Bill, 2022 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Municipal Corporation Bill, 2022 বিবেচনাৰ বাবে লোৱা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী মিছ্বাহুল ইছলাম লস্কৰ, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী দিগন্ত বৰ্মণ, শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰী ছিদ্দিক আহমেদ, শ্ৰী মতী শিৱা মণি বৰা, শ্ৰী ৰাজেদ আলী চৌধুৰী, শ্ৰী বসন্ত দাস, শ্ৰী আফতাৰ উদ্দিন মোল্লা, শ্ৰী আবুল কালাম ৰচিদ আলম, শ্ৰী নুৰুল হুদা আৰু শ্ৰী যাদৱ স্বৰ্গীয়াৰীৰ নামত এটা সংশোধনী আছে। এতিয়া মই তেখেতসকলৰ পৰা সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** Sir, I beg to move after Sub Clause 1 of Clause 3 of the proposed Bill, a new para shall be inserted namely for the above purpose, the Deputy Commissioner may constitute a committee with the local area MLAs, Revenue Officers, the Chairman of the Municipality, the Chairman of the Development authority, to suggest new areas to be included in such corporation.

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিবা clarification বিচাৰিব নেকি ?

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ (বৰখলা) ঃ** চাৰ, আমি দেখা পাইছো অসম চৰকাৰে এটা সিদ্ধান্ত লৈছে যে তেওঁলোকে শিলচৰ Municipality ক upgradation কৰিব। এইটো declare কৰাৰ আগতে আমাৰ কাচাৰৰ Deputy Commissioner ৰে নিজাববীয়াকৈ এটা কমিটি বনাই দিছিল। তেখেতে এনেকুৱা এখন মেপ উলিয়াই দিছে য'ত ৫০ শতাংশ গাওঁ অঞ্চল, যিবোৰ একবাৰে undeveloped, য'ত ২৫০০ ত কৈও অধিক job card holder আছে। Whereas শিলচৰ Municipality অঞ্চলত Urban Development ৰ under ত এটা শিলচৰ Development Authority আছে। এই Development Authority ৰ under ত ১১৫ বৰ্গ কিঃ মিঃ অঞ্চল Develop কৰাৰ কাৰণে কাম চলি আছে। এইবোৰ অঞ্চল বাদ দি তেওঁলোকে এটা new area সুমোৱাই দিছে যিটো একবাৰে দুখীয়া অঞ্চল। দুখীয়া অঞ্চল Corporation ৰ under ত সুমোৱাই দিলেতো একো লাভ নহ'ব। ইয়াৰ উপৰি এটা GP ত ৫০ শতাংশ fishery আছে। এই fishery ও Corporation ৰ under ত লৈ কি কৰিব ? এইবিলাক চিন্তা-চৰ্চা নকৰাকৈ dilute কৰি দিছে। এটা বাগান অঞ্চলো তাত সুমোৱাই দিছে। সেইকাৰণে আমি কৈছো যে আজি এই বিলখন পাচ হ'ব আৰু তাৰ পাছতে যি area selection হ'ব, তাৰকাৰণে এনেকুৱা এখন সমিতি গঠন কৰিব লাগে যাতে তেওঁলোকে এই সকলোবোৰ দিশ চালিজাৰি চাই ৰাইজৰ মতামত লৈ কাম কৰিব। এয়া মোৰ নিবেদন।

**শ্ৰী অশোক সিংহাল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Municipal Corporation Bill, 2022 যিখন অনা হৈছিলে সেইটো ভাৰত চৰকাৰে যিটো Model Bill আমাক বনাবলৈ দিছিলে তাৰ হিচাপতে সংশোধনী কৰি এই বিলখন অনা হৈছে। ইয়াত বহুত ভাল ভাল Clause অনা হৈছে যাৰ জৰিয়তে Municipal Administration ভাল হ'ব পাৰে। মাননীয় সদস্য গৰাকীয়ে যিটো amendment প্ৰস্তাৱ আনিছে যে Municipal Corporation area diclare কৰাৰ আগতে local MLA, Deputy Commissioner, Development authority ৰ Chairman, তেখেতসকলৰ পৰা প্ৰস্তাৱ ল'ব লাগে। তেখেতে হয়তো ভালদৰে এইখন চোৱা নাই। আজি ২০ বছৰ আগতে ভাৰত চৰকাৰে ২০০৩ চনত Model Municipal Law,2003 বনাই আগবঢ়াই দিছিলে 74th Constitutional Amendment ত। এইটো অসমত হোৱা নাছিলে। আজি প্ৰায় ২০ বছৰ পিছত আমি এটা মডেল Corporation Act বনাইছো। Municipal Board যেতিয়া Municipal Corporation হ'ব সেইটোত অকল local MLA, Deputy Commissioner, Development authority ৰ Chairman য়ে বিচাৰিলে এইটো হ'ব নোৱাৰে। তাৰ বহুত criteria আছে আৰু এই criteria বোৰ যেতিয়া মিলিব তেতিয়াহে তাত আমি পৰিৰ্বৰ্তন কৰিব পাৰো। গভৰ্ণৰ যেতিয়া সন্তুষ্ট হ'ব যে corporation ৰ কাৰণে যিটো population লাগে সেইটো

আছে, য'ত non agriculture activity বেছিকৈ হৈ আছে, agriculture activity বহুত কম পৰিমাণত হৈ আছে, তেতিয়া এটা draft publish কৰা হয়। Delimitation plan এটা published কৰা হয় যে কোন কেইটা অঞ্চল Municipal Corporation হ'ব। যদি Board ক Municipal Corporation কৰা হ'ল আৰু তাত যদি Delimitation Corporation নাই তেতিয়া বেলেগ কথা। Delimitation কৰি Corporation ৰ সীমাটো যদি বৃদ্ধি কৰা হয়, ward ৰ সংখ্যাটো যদি বঢ়োৱা হয়, তাৰ কাৰণে draft delimitation plan এটা দিয়া হয় আৰু তাৰ ওপৰত যথেষ্ঠ সময় দি অকল MLA, MP, DC আৰু Development Authority নহয়, সমূহ ৰাইজক ওজৰ আপত্তি দিয়াৰ এটা ব্যৱস্থা আছে। এই যিটো ওজৰ আপত্তি আহিব, তাৰ ওপৰত মীমাংশা কৰি, all stake holders will be consulted, সকলোৰে লগত কথা পাতি এই যিটো master draft delimitation plan আছে, তাক পাৰিত কৰা হয় আৰু claims and objection মিটমাট কৰি তাৰ পাছতেই Corporation ৰ area আৰু ward বোৰ ফাইনেল কৰা হয় ।এই যিটো এমেণ্ডমেন্ট অকল এম এল এ আৰু ডিচিয়ে সিদ্ধান্ত ল'ব- গতিকে মই এমেণ্ডমেন্টটো উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**শ্ৰীমিছবাহুল ইছলাম লস্কৰ, বৰখলা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে- ডি চিয়ে নিজাববীয়াকৈ এটা কমিটি কৰি দিছে। এৰিয়া ডিক্লিয়েৰ কৰি দিছে। অৱজেকশ্যনো বিচাৰি আছে। এতিয়া শুনা পাইছো ৱাৰ্ডবিলাকো বনাই আছে। এইবিলাক কাম চলি আছে কিন্তু য'ত এক্টখন আজি পাছ হ'ব। এক্টৰ চেপ্টাৰ-২ ৰ ৩ (১) ত যিটো লিখিছে এই বস্তুটোতো তাত ৰিফ্লেক্ট হোৱা নাই। এই বস্তুটো ৰিফ্লেক্ট হোৱাৰ কাৰণে মই এই এমেণ্ডমেন্টটো মই আনিছো যে, এনেকুৱা এটা কমিটি হ'লে এই অবজেকশ্যন এইটো ফুলফিল হ'ব।

**শ্ৰীদ্বীপায়ণ চক্ৰৱৰ্ত্তী, শিলচৰ ঃ** অধ্যক্ষ মহোদয়, মই জনামতে ডি চি অফিচত বহুকেইখন মিটিং হৈছে। যিটো এৰিয়া উল্লেখ কৰিছে এইবালক কৰা কাৰণে বহুতো এপ্লিকেশ্যন আহিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়াই ক'ব ।

**শ্ৰীঅশোক সিংঘল, মন্ত্ৰী, গুৱাহাটী উন্নয়ণ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, বিধান সভাই এক্টখন পাচেই কৰা নাই। কনচালটেশ্যন যদি চলি আছে বেলেগ কথা। কিন্তু ড্ৰাফ্ট নোটিফাই হ'ব যে এই এৰিয়াটো আমি মিউনিচিপাল এৰিয়া কৰিব খুজিছো, এইখিনি আমি ৱাৰ্ড কৰিব খুছিছো , তাত ক্লেইম আৰু অৱজেকশ্যন হ'ব , তাৰ পিচতে এইটো গ্ৰহণ কৰিব লাগিব। এতিয়া চৰকাৰে কোনো চিলিমিটেশ্যনৰ কোনো প্লেনে দিয়া নাই। কোনটো এৰিয়া থাকিব , কিমান ৱাৰ্ড থাকিব একোয়ে দিয়া নাই । এই কথাবিলাক এটা চিন্তা কৰি লৈ অহাৰ কোনো যুক্তিয়ে নাই। আগতে ডিলিমিটেশ্যন প্লান পাৱলিছ কৰা হ'ব। স্থানীয় সাংসদ- বিধায়ক , সাধাৰণ ৰাইজ , সকলো ষ্টেক হোল্ডাৰে নিজৰ কথা প্ৰকাশ কৰিব পাৰিব । এই কথামতেহে ফাইনেল কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে মুভটো উঠাই ল'বনে ? ঠিক আছে মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো after sub Clause -1 of Clause 3 of the Proposed Bill a new para shall be inserted namely " For th above purpose, the Deputy Commissioner may constitute a Committee with the local area MLAs, Revenue Officer and Chairman of the Municipalty, Chairman of Development Authority to suggest the new areas to be included in such

corporation. "

যিসকল মাননীয় সদস্য / সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'।

মইভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল। দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, নং ৩ দফা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৪ নং দফাত মাননীয় শ্ৰীআমিনুল ইছলামৰ সহযোগী ৫ জন আছে। মই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in sub Clause (a) of Clause 4 (1) of the proposed Bill, in between the word 'Act ' & punctuation mark "," occuring in line 3, the following words shall added-

'the area where most of the inhabitants are cultivator,"

ইয়াতে ৪ নম্বৰ ক্ল'জটোত কিছুমান এলেকা মিউনিচিপাল এৰিয়াৰ পৰা কৰ্ত্তণ কৰাৰ প্ৰভিজন ৰখা হৈছে। আৰু কিছুমান নতুনকৈ যোগ দিয়াৰ প্ৰভিজন ৰখা হৈছে । ইয়াতে চাবক্ল'জটোত কৈছে যে কিছুমান এৰিয়া মিউনিচিপাল কৰ্পোৰেশ্যনৰ পৰা তাৰ পাৰ্ট এটা উইড্ৰ' কৰিব পৰা যাব। এনেকুৱা মোৰ সমষ্টিতে আছে - এনেকুৱা কিছুমান ৱাৰ্ড লোৱা হ'ল যে ১০০ শতাংশ মানুহ কৃষিৰ লগত জড়িত। তাত কোনো ব্যৱসায় কৰা বা চাকৰি কৰা মানুহ নাই। গোটেইটো ৰুৰেল এৰিয়া কিন্তু আননেচেচাৰী মিউনিচিপাল কৰ্পোৰেশ্যনত ৰাখি থোৱা হৈছে। এই ৱাৰ্ডকেইটা প্লাচ কৰি দিলে যিটো এৰিয়াত মানুহখিনি কৃষক হয় । গতিকে এই এৰিয়াটো যদি এক্সক্লুড কৰা হয় আমি ভাবো যে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ..... প্লিছ ।

**শ্ৰীঅশোক সিংহাল, (মন্ত্ৰী, গুৱাহাটী উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে যিটো কথা ক'লে মই ধৰিব নোৱাৰিলো। আমি ৩ টা কথা বুজি ল'ব লাগে- মিউনিচিপাল এৰিয়া য'ত হ'ব ডেভল'পমেন্ট অথোৰিটি একজিষ্ট কৰে। ডেভল'পমেন্ট অথোৰিটি নথকা এলেকাত কৰ্পোৰেশ্যন নহয় কাৰণটো হ'ল যে এইখন উন্নত চহৰ হ'ব লাগিব। আজি ডিব্ৰুগড় আৰু শিলচৰক কৰ্পোৰেশ্যন কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে কাৰণ গুৱাহাটীৰ পিচতে ডিব্ৰুগড় আৰু শিলচৰ উন্নত চহৰ। এই দুয়োটা চহৰতে ডেভল'পমেন্ট অথোৰিটি আছে আৰু গ্ৰেটাৰ মিউনিচিপাল এৰিয়াৰ বাহিৰৰ এপ্ৰোভ মাষ্টাৰপ্লেনো আছে। কালি যদি কৰ্পোৰেশ্যন এক্সটেণ্ড হয় এইটো মাষ্টাৰ প্লেন এৰিয়াতে এক্সটেণ্ড হ'ব। মাষ্টাৰপ্লেন যেতিয়া কৰা হয় তেতিয়া লেণ্ড ক্লাচিফিকেশ্যন কৰা হয়। যে ইয়াত ৰেচিডেন্সিয়েল হ'ব, ইয়াত ইণ্ডাষ্ট্ৰিয়েল হ'ব। ইয়াত চেমি পাৱলিক হ'ব। বা কৰ্মাচিয়েল জোন হ'ব।- কিন্তু তেখেতে যিটো ক'লে যে গোটেই ৱাৰ্ডটো কৃষক হৈ গ'ল- এই কথাটো হ'ব নালাগিছিল অধ্যক্ষ মহোদয়। এইটো বা কি চিন্তা কৰি দিছিল মই অৱগত নহয় কিন্তু মিউনিচিপাল কৰ্পোৰেশ্যন কৰাৰ সসময়ত তাত একজিষ্টিং মিউনিচিপাল বোৰ্ড থাকিব । দ্বিতীয়তে, একজিষ্টিং ডেভল'পমেন্ট অথোৰিটিৰ মাষ্টাৰ প্লেন্ট থাকিব। এই মাষ্টাৰ প্লেন্টমতে

তাত বিল্ডিং বনোৱা বা বেলেগ বেলেগ কাম কাজ কৰাৰ সুবিধা দিয়া হ'ব। ডেভল'পমেন্ট অথোৰিটিৰ মাষ্টাৰ প্লেনৰ ভিতৰত ১০ -১৫ শতাংশ কৃষি ভূমি থাকে , নথকা নহয় কিন্তু যেতিয়া কৰ্পোৰেশ্যন বনোৱা হ'ব সেই সময়তে ড্ৰাফট্ দিয়া হ'ব , ডিলিমিটেশ্যন প্লেন দিয়া হ'ব। তেতিয়া ডিলিমিটেশ্যন প্লেনৰ ওপৰত ক্লেইম এণ্ড অৱজেকশ্যন আহিব পাৰে। it is completely a democratic process and public particpatory process. ইয়াত কোনো ব্যৱস্থা নাই যে show mutto কোনোবাই কৰিব পাৰে। গতিকে মই প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো আছিল- আগতে থকা যিবিলাক ৱাৰ্ড মিউনিচিপালত আছে কিন্তু সা সুবিধা পোৱা নাই বা তেওলোকে ল'ব পৰা নাই। যিখিনিত কৃষিভূমি বা কৃষক আছে সেইখিনি কৰ্ত্তণ কৰিব লাগে আৰু ক'বাত যদি ডেভল'প এৰিয়া বাদ পৰিছে সেইখিনি ল'ব লাগে। যিখিনি একজিষ্টিং ওলাই আহিব বচাৰিছে তেওলোকৰ কথাটো মই কৈছিলো। গতিকে এই কথাটো যাতে বিবেচনা কৰা হয়।

**শ্ৰীঅশোক সিংঘল, মন্ত্ৰী, গুৱাহাটী উন্নয়ণ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, কৰ্ত্তণ কৰা কৰ্পোৰেশ্যন কৰা - এইটো মিউনিচিপাল বোৰ্ডৰ এক্ট নহয়। Municpal corporation will be governed by this Act not the Municipal Board. ভবিষ্যতে যেতিয়া আমি মিউনিচিপাল বোৰ্ড ইয়াত সোমাব এই কথাটো আপুনি ক'ব। মিউনিচিপাল কৰ্পোৰেশ্যনৰ পৰাও কৰ্ত্তণ কৰা এটা প্ৰভিজন ইয়াত আছে যদি গৰ্ভনৰে ফিল কৰে যে ইয়াত কৃষি ভূমি আছে এইটো কৰ্পোৰেশ্যনত থাকিব নালাগে বা মানুহৰ বস্তি নাই তেনেধৰমৰ ডিলিমিটেশ্যনৰ সময়ত এৰিয়া লোৱাৰ প্ৰস্তাৱ যেনেকৈ ল'ব পাৰে এৰিয়া কটাৰ প্ৰস্তাবো ল'ব পাৰে তেনেধৰনৰ ব্যৱস্থা আছে

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ প্ৰস্তাৱটো উঠাই ল'লে- এতিয়া দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৫ আৰু ৬ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ৫ আৰু ৬ নং দফা দুটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল- ৫ আৰু ৬ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব।

যসকল মাননীয় সদস্য / সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওক ' নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই আমিনুল ইছলামৰ সহযোগী ৫ জন আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move after sub Clause (9) of clause 7 of the proposed Bill, a new sub clause shall be added namely-

"(10) there shall be atleast 10 words in a Municipal Corporation,"

ইয়াত দেখিলো আমি মিউনিচিপাল কৰ্পোৰেশ্যনৰ বাবে কিমান ৱাৰ্ড হ'ব লাগিব এই কথাটো নাই।

আমি ভাবো মিনিমাম ১০ টা ৱাৰ্ড বা তাতকৈ অলপ বেছি হ'লে কৰ্পোৰেশনটো ভাল হ'ব। যদি আছে তাত তেনেহ'লে নালাগে আৰু যদি নাই ভৰাই দিলে ভাল হ'ব।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** .জনসংখ্যা বাঢ়িছে, নগৰীয়া হৈছে, বিভিন্ন ধৰণৰ expensation হৈছে, developmental authority area ত বহুতখিনি মানুহে থকা আৰম্ভ কৰিছে, মিনিচিপ'ল এৰিয়াৰ বাহিৰত বহুত ঘৰ বনাই উন্নত এৰিয়াত উদ্যোগ আহিছে, বানিজ্যিক স্থাপন আহিছে তেতিয়া যেতিয়া প্ৰয়োজন হয়, তেতিয়া মিনিচিপ'ল কৰপোৰেচন কৰা হয়। ১০ টাৰ ওপৰত ৱাৰ্ড সদায় থাকিব, এই এক্ট খনত লিখা আছে যে larger municipal area, larger municipal area be always consise of more than 10 wards.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** কৰবাত আমি ২৪ হাজাৰ ভোটাৰ দি এটা ৱাৰ্ডও বনাব বিচাৰিম। সেই কাৰণে মই ভাৱিছিলো যে অলপ যাতে কৰে, ইমান বেছি ডাঙৰ নালাগে। তেখেতে যিখিনি কথা কৈছে সেইখিনি হলে ভাল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ঠিক আছে, আপুনি Withdraw কৰিলে। এতিয়া দফা নং ৬ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যা সকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ৭ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। বিধেয়খনৰ ৮ ৰ পৰা ৯৭ নং দফা কেইটাত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ৮ ৰ পৰা ৯৭ নং দফা কেইটা সদনত মজিয়াত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল ৮ ৰ পৰা ৯৭ নং দফা কেইটা বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই দফাকেইটাৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যা সকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ৮ ৰ পৰা ৯৭ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৯৮ নং দফাটো মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীৰ নামত থকা চৰকাৰী সংশোধনীটো উত্থাপন কৰিবলৈ আহ্বান কৰিলোঁ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Municipal Corporation Bill, 98 no. দফাত সংশোধনী প্ৰস্তাৱটো পাঠ কৰি দিছোঁ। অধ্যক্ষ মহোদয়, Assam Municipal Corporation Bill, 2022 98 দফাত সংশোধনী প্ৰস্তাৱ মই বিবেচনাৰ বাবে উত্থাপন কৰিছোঁ। প্ৰস্তাৱিত আইনৰ ৯৮ (১) নং দফাত (ক) সাৰ্বজনীক ভাৱে পূজা বা প্ৰাৰ্থনাৰ বাবে ব্যৱহাৰ হোৱা মাটি আৰু গৃহ, (খ) ৰাজহুৱা শ্মশান বা কবৰস্থানৰ বাবে ব্যৱহাৰ হোৱা মাটি আৰু গৃহ, (গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ব্যৱহাৰ হোৱা পেৰেড গ্ৰাউণ্ড, সম্পত্তি কৰৰ পৰা ৰেহাই দিছে। পৌৰনিগমৰ অন্তৰ্গত এলেকাত এনে বহুত অনুস্থান থাকিব পাৰে, যিবোৰ charitable property আৰু নিস্বাৰ্থভাৱে বিভিন্ন শিতানত ৰাইজৰ সেৱা আগবঢ়াই আহিছে। এনে অনুস্থানক সম্পত্তি কৰৰ পৰা ৰেহাই পোৱাৰ পৰা যোগ্য। গুৱাহাটী পৌৰনিগমৰ আইন ১৯৬৯ ৰ ১৪৮ দফাত এনে charitable অনুস্থানক সম্পত্তি কৰৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা আছে। সেইহে মই প্ৰস্তাৱৰ জৰিয়তে charitable Institute of Public Nature registered under relevant provision of income tax act, ক সম্পত্তি কৰৰ পৰা ৰেহাই দিয়াৰ অৰ্থে লাগতীয়াল সংশোধনী প্ৰস্তাৱ সদনত বিবেচনাৰ বাবে আপোনাৰ অনুমতি সাপেক্ষে উপস্থাপন

কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনটো সদনত দাঙি ধৰিলোঁ - In the proposed Bill in sub-section (1) of Section 98 after clause (b) the following clause (c) shall be inserted and the existing clause (c) shall be renumbered as clause (d)

Clause "(c) any land or building exclusively owned and maintained by charitable Institute of Public Nature having registration under the relevant provisions of Income Tax Act 1961, or"

যি সকল মাননীয় সদস্য-সদস্যাই সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হ'ল।

সংশোধনীৰ সৈতে দফা নং ৯৮ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সংশোধনীৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যা সকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে চৰকাৰী সংশোধনীৰ সৈতে দফা নং ৯৮ টো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৯৯ ৰ পৰা ৩৪২ নং দফাকেইটাত সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়ক খনৰ ৯৯ ৰ পৰা ৩৪২ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল - ৯৯ ৰ পৰা ৩৪২ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যাই দফাকেইটাৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ৯৯ ৰ পৰা ৩৪২ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ৩৪৩ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু তেখেতৰ সহযোগীৰ সংশোধনী প্ৰস্তাৱ আছে। মই তেখেতক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আহ্বান জনালোঁ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধেয়ক ৩৪৩ দফাটোত এনেকৈ আছিল - no notice order requisition license or permission in writing or any other document issued under this act shall be invalid nearly by reason of defect of fault. এই কথাটো অলপ পাজোল হ'ল। যদি Form ৰ defect ৰ কাৰণে defect form ৰ যদি কাৰোবাক license বা তথ্য বা পঞ্জীয়ন ইচ্চু কৰা হ'ল তাৰ কাৰণে invalid নহ'ব। এতিয়া আমাৰ কথা হ'ল যে, defect form ত ইচ্চু কিয় কৰা হ'ল। তেনেহলে আমি এইটো এনেকৈও লিখিব পাৰোঁ যে no notice order requisition license or permission in writing or any other document shall be issued with defective form, defective form ত ইচ্চু কৰা নহ'ব। গতিকে defective form ত যদি কোনোৱাই কৰে invalid নহ'ব বুলি কোৱাতকৈ আমি defective formয়ে ব্যৱহাৰ নকৰো, মই ভাৱো কাৰেক্ট ফৰ্ম ব্যৱহাৰ কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, the provision of section 343 lands validity to the action of corporation so that no notice, permission etc are made invalid merely because of defect in prescribed form as such Amendment cannot be accepted. মই আমিনুল ডাঙৰীয়াক যিটো এমেণ্ডমেণ্ড আনিছে সেইটো উঠাই ল'বৰ কাৰণে প্ৰস্তাৱ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আমিনুল ইছলাম (জেষ্ঠ) ডাঙৰীয়া।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** এইটো আচলতে এটা কথা বুজি নাপালো defective form ব্যৱহাৰ কৰাটো প্ৰয়োজনটো কি? আমি defective form ব্যৱহাৰ নকৰা ভাল হ'ব। ঠিক আছে মই উইদ্ৰ কৰি ল'ম। কিন্তু যাতে defective form ব্যৱহাৰ নকৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, উইদ্ৰ কৰিলে। দফা নং ৩৪৩ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যাই সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ৩৪৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়খনৰ ৩৪৪ ৰ পৰা ৩৮৪ নং দফা কেইটাত লগতে অনুসূচীত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ৩৪৪ ৰ পৰা ৩৮৪ নং দফা কেইটাৰ লগতে অনুসূচীখনো সদনৰ মজিয়াত দাঙি ধৰিলোঁ। প্ৰশ্নটো হ'ল ৩৪৪ ৰ পৰা ৩৮৪ নং দফা কেইটাৰ লগতে অনুসূচীখনো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই দফাকেইটাৰ লগতে অনুসূচীখনৰো সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ৩৪৪ ৰ পৰা ৩৮৪ নং দফাকেইটাৰ লগতে অনুসূচীখন বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱো নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলোঁ।

প্ৰশ্নটো হ'ল - বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে বিধেয়ক খনৰ এক নং দফাটো সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক বিধেয়ক খন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলোঁ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ দাঙি ধৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল - 'The Assam Municipal Corporation Bill, 2022' পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপেক্ষে,

হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া 'The Assam Repealing Bill, 2022', মাননীয় আৰকাৰী মন্ত্ৰীক 'The Assam Repealing Bill, 2022' বিবেচনাৰ কাৰণে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীপৰিমল শুক্ল বৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Repealing Bill, 2022' দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ। প্ৰস্তাৱটো হ'ল - 'The Assam Repealing Bill, 2022' বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ ২ আৰু ৩ নং দফাটো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ২ আৰু ৩ নং দফাকেইটাৰ অনুসূচীখন সদনৰ মজিয়াত দাঙি ধৰিলো । প্ৰশ্নটো হল - বিধেয়ক খনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখন বিধেয়ক খনৰ অংশ হব।

যিসকল মাননীয় সদস্য সদস্যা দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

এতিয়া ২ আৰু ৩ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণৰ কোনো সংশোধনী প্ৰস্তাৱ নাই ।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো ।

প্ৰশ্নটো হ'ল-বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় আৰকাৰী মন্ত্ৰীক বিধায়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing Bill, 2022" পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদন দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল "The Assam Repealing Bill, 2022" পাৰিত কৰা হওঁক ।

যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু

বিধেয়কখনো পাৰিত কৰা হ'ল ।

**माननीय অধ্যক্ষ ঃ** এতিয়া আছে "The Assam Excise (Amendment) Bill, 2022" মাননীয় আৰকাৰী মন্ত্ৰীক "The Assam Excise (Amendment) Bill, 2022" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2022" দফাই দফাই বিবেচনাৰ কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো "The Assam Excise (Amendment) Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক ।

যিসকল মাননীয় সদস্য সদস্যা সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

মই ভাবো প্ৰস্তাৱটো গৃহীত হ'ল ।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদসদ্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছে মই তেখেত সকলক সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মামনীয় মন্ত্ৰী মহোদয় এখানে আছেন, পুলিশকে ক্ষমতা দেওয়া হচ্ছে এক্সাইসের সঙ্গে। আমি মন্ত্ৰী মহোদয়ের কাছে জানতে চাই যে এক্সাইস ডিপার্টমেন্ট আছে, এই ডিপার্টমেন্টের ইনিসপেক্টর আছে, কনস্টেবল আছে অর্থাৎ স্টাফ পরিপূর্ণ আছে, সঙ্গে পুলিশকেও ক্ষমতা দেওয়া হল। আমরা সাধারন মানুযেরা যখন কেস দেই,কেস এর এনকোয়ারি হওয়ার প্রায় ১০ দিন পর ১৫ দিন পর এনকোয়ারি হয়।সেই সময় এক্সাইস ডিপার্টমেন্টের সব স্টাফ থাকার পরও পুলিশকে ইনক্লুড করা হয়েছে। সি.আর.পি.এফ কে ইনক্লুড করলে আমাদের কোন আপত্তি নেই। কিন্তু আমার কথা হচ্ছে যে এক্সাইস ডিপার্টমেন্ট অক্ষম কি, না অক্ষম না। যদি এক্সাইস ডিপার্টমেন্টের কাজ থাকে তাহলে পুলিশের কি দরকার আছে? তাই আমি মনে করি, হয়তো এক্সাইস ডিপার্টমেন্টকে আপনারা স্ট্রং করুন নাহলে পুলিশের কাছে পুরো ক্ষমতা দিয়ে দিন। দুটো ডিপার্টমেন্ট লাগানো হবে। এক্সাইস ডিপার্টমেন্টের ও সেলারি যাবে, পুলিশের ও এডিশনেল ডিউটি থাকবে। তাই আমি মনে করি, এক্সাইস ডিপার্টমেন্টের এক্সিসটিং স্টাফগুলোকে বৰ্দ্ধিত করা হোক। ওদেরকে আরোও শক্তিশালী করা হোক তা নাহলে পুলিশের হাতে পুরো ক্ষমতা দিয়ে দেওয়া হোক। তাই মন্ত্ৰী মহোদয়ের কাছে আমি এ ব্যপারে ক্লেরিফিকেশন চাই। মন্ত্ৰী মহোদয় একটু বুঝিয়ে বলুন।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰকাৰী বিভাগে কামবিলাক কৰি আছে আমি কিয় পুলিশক দিলো হয়তো বিধায়ক বন্ধুৰে বিষয়টো গভীৰতাৰে গৈ অনুভৱ কৰিব পৰা নাই । সকলো বে-আইনী কাম যাতে আইন সংগতভাবে হয় তাৰ কাৰণে পুলিশ ৰেচপনচিব্‌ল হয় আৰু তেওঁলোকে কৰি থাকে । এই ক্ষেত্ৰত আমি দেখিছো যে এমেলগেটেড ডিপাৰ্টমেন্ট যেতিয়া কোনো এটা অঞ্চলত যায় তেতিয়া লগত লৈয়ে যাব লাগে। কিন্তু যেতিয়া ৰেইড কৰা কেচ হয় তেতিয়া পুলিশে যদিও ধৰে তেতিয়া আমাৰ আৰকাৰী বিভাগৰ পৰিদৰ্শক যাবলগীয়া হয় । কিয়নো

আগতে পুলিশ বিভাগে এফ আইআৰ কৰা বা মেজিষ্ট্ৰেটৰ ওচৰত যোৱাৰ অধিকাৰ নাছিল । লগত আৱকাৰী যাব লাগে। পুলিশে ধৰে যদিও আৱকাৰী বিভাগে লৈ যোৱা, জমা দিয়া কামবোৰ কৰিবলগীয়া হয়। এতিয়া আমি পুলিশক ক্ষমতা দিলো যে তেওঁলোকেও কৰিব পাৰে । প্ৰতিটো কেচত এনেকুৱাই কৰি আছে । সেই কাৰণে মই ভাবো এইতো শক্তিশালী কৰাৰ কাৰণে যাতে আমাৰ অবৈধ সুৰা বা অন্যান্য নিচা জাতীয় দ্ৰব্যৰ সৰবৰাহ বন্ধ কৰাৰ কাৰণে ৰাজহ যাতে ভালদৰে আদায় কৰিব পৰা যায় তাৰ কাৰণে পুলিশক ক্ষমতা দিয়া হৈছে । মই ভাবো আপোনালোকে এই কথা খিনি গুৰুত্ব অনুধাৱন কৰি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** Justification খিনি ঠিকেই আছে। আমি উঠাই লৈছো কিন্তু আমাৰ এটা কথা হ'ল পুলিশক যিহেতু ক্ষমতা দিয়া হৈছে চিৰদিনলৈ যাতে এই সমস্যাখিনি নিৰ্মূল কৰিব পৰা যায় তাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰে যেন তাকেই অনুৰোধ জনালো ।

মাননীয় অধ্যক্ষ ঃ সংশোধনী প্ৰস্তাটো উঠাই লোৱা হ'ল । এতিয়া দফা নং- ২টো বিধেয়কখনৰ অংশ হ'ব ।

যিসকল মাননীয় সদস্য সদস্যা সংশোধনীৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
মই ভাবো ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল ।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদসদ্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছে মই তেখেত সকলক সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো। ৩ নং দফাত সংশোধনী প্ৰস্তাৱ নাই গতিকে দফা নং ৩ টো বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য সদস্যা দফা নং ৩ ৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
মই ভাবো ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল ।

এতিয়া দফা নং- ১ত মাননীয় সদস্য শ্ৰী অখিল গগৈৰ এটা সংশোধনী প্ৰস্তাৱ আছিল তেখেত অনুপস্থিত, গতিকে ইয়াত সংশোধনী নাই। এতিয়া ১ নং দফাটো বিধেয়কখনৰ অংশ হ'ব ।

যিসকল মাননীয় সদস্য সদস্যা দফা নং ১ ৰ সপক্ষে আছে,
তেখেত সকলে কওঁক "হয়"
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
মই ভাবো ১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল ।

এতিয়া মাননীয় আৱকাৰী মন্ত্ৰীক বিধায়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল- "The Assam Excise (Amendment) Bill, 2022" পাৰিত কৰা হওঁক ।

যিসকল মাননীয় সদস্য সদস্যা  প্ৰস্তাৱটোৰ সপক্ষে আছে,

তেখেত সকলে কওঁক “হয়”

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

মই ভাবো প্ৰস্তাৱটো পাৰিত কৰা হ’ল আৰু বিধেয়কখনো পাৰিত কৰা  হ’ল ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022"   ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ’ল-

Under the Provision of Article-207(3) of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam recommend that the "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022"  be taken into consideration by the Assam Legislative Assembly.

মাননীয় বিত্তমন্ত্ৰীক The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022"   বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022"   বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো - The Assam Contingency Fund (Augmentation of Corpus) Bill, 2022"   বিবেচনাৰ বাবে লোৱা হওঁক।

যসকল মাননীয় সদস্য সদস্যা  প্ৰস্তাৱটোৰ সপক্ষে আছে,

তেখেত সকলে কওঁক “হয়”

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক “নহয়”

মই ভাৱো “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে।

মই ভাবো প্ৰস্তাৱটো  গৃহীত হ’ল ।

**বিধেয়কৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ তেখেতৰ সহযোগী সংশোধীন প্ৰস্তাৱ আছে, তেখেত সকলক মই প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।**

**শ্ৰী নৰুল হুদা (মাননীয় বিধায়ক) ঃ মাননীয় অধ্যক্ষ মহোদয়,** I, beg, to move in the proposed clause 2 of the proposed Bill, the word "one" appering in line shall be subsituted by the word "Four". **মহাশয়, এই বিলখনত যি,** contingncy fund **টো ১০০ কোটিৰ ১৮০০ টকাৰ বৃদ্ধি কৰি ২০০০ টকা কোটিকৰিব বিচৰা হৈছে। এইখিনি ৰাজ্যখনৰ কাৰণে পৰ্য্যাপ্ত নহয়, যিহেতু আকস্মিক দুৰ্যোগত এই পুঁজিটো ব্যৱহাৰ কৰা হ’ব। এই আকস্মিক দুৰ্যোগ প্ৰায়ে অগ্নি সংযোগৰ দ্বাৰা হয়, ধুমুহাৰ পৰা হয়। যোৱা ২৬ তাৰিখৰ প্ৰৱল ধুমুহাত অসমৰ বিস্তৰ ক্ষতিসাধন হৈছে। কিন্তু মানুহে সাহাৰ্য্য পোৱা নাই। যোৱা ৫ বছৰে দেখা পাইছো যে, বিশেষকৈ মোৰ বিধান সভা সমষ্টিতে প্ৰায় কেইবাশ কোটি টকা অগ্নিত জাহ গৈছে, কিন্তু মানুহখিনিয়ে এতিয়ালৈ সাহাৰ্য্য পোৱা নাই। গতিকে মই ভাবো এই পুঁজিটো**

৪৮০০ কোটি টকা বৃদ্ধি কৰি ৫০০০ কোটি টকা কৰা হওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ সিদ্ধান্ত হৈছে যে, জুই জলিলে ৪৮ ঘন্টাৰ ভিতৰত টকাটো দিব লাগে। ২০১৯ চনৰে কেচ কৰিমগঞ্জত ৩২ টা কেচ আছে কিন্তু টকাটো এতিয়ালৈকে দিয়া নাই। গতিকে টকাবোৰ যাতে সোনকালে মোকলাই দিয়া হয় তাৰ কাৰণে মই আহ্বান জনাইছো।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়ানী।**

**শ্ৰী অজন্তা নেওঁগ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে মাননীয় সদস্য সকলে কথাটো ভালদৰে ধৰিব পৰা নাই। এইটো হৈছে Augmentation Contingency Fund কাৰণ আপোনালোকে জানে মই এইবাৰ বাজেটত কৈছিলো বাজেটখন চালে গম পাব Augmentation Corpus Fund এইটো মই Major deceleration দিছিলো। সদনক ক'বলৈ পায় ভাল পাইছো যে আমাৰ অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিছু সময়ৰ আগতে ক'লে যে বিত্ত বিভাগে আমি এটা বৃহত milestone লাভ কৰিলো যে, ১লাখ টকা খৰচৰ ক্ষেত্ৰত। ইমান দিনে Contingency Fund টো প্ৰথমতে ১০০ কোটি টকালৈ আছিলে, ১০ কোটিৰ পৰা বাঢ়ি বাঢ়ি গৈ ১০০ কোটি হ'ল। যোৱা সময়ত ২০০ কোটিলৈ বৃদ্ধি কৰা হ'ল। এইবাৰ আমি ভাৰত চৰকাৰৰ কিমান ফাণ্ড আছে গোটেইখিনি চালি-জাৰি চাইছো। এইটো হ'ল আকস্মিক পুঁজি। অদৃশ্য খৰচ হৈ যায় য'ত বাজেট প্ৰভিজন নাথাকে আজি আপুনি যিটো SDRF ৰ কথা ক'লে তাত বাজেট প্ৰভিজন আছে। ৫০০-৬০০ কোটি নৰ্মেল বাজেট আহিছে। Contingency Fund টো এই কাৰণে ৰাখিছো এনেকুৱা সমস্যাৰ সৃষ্টি হয়, তেওঁলোকৰ বিভাগৰ বাজেট প্ৰভিজন নাথাকে। তেতিয়া সেই ব্যৱসাধনটো পূৰণ কৰিবৰ কাৰণে যাতে বিধান সভাৰ অধিৱেশনৰ প্ৰয়োজন নহয় সেই কাৰণে আজি বিশেষ ভাবে ২০০ কোটিৰ পৰা ২০০০ কোটি কৰা হৈছে। ভাৰত চৰকাৰৰ ৩০ হাজাৰ কোটি টকা আছে corpous fund ত। আমি গোটেই ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ এই ফাণ্ডটো চাইছিলো তেতিয়া দেখিছিলো ২০০ কোটি থকা এখন ৰাজ্যই আছে, সেইখন হ'ল উৰিষ্যা, দ্বিতীয়তে, আছে অসম। তথাপিও মাননীয় সদস্য সকলে যিহেতু কৈছে যে ইয়াৰ পুঁজি বঢ়াব লাগে সেইটো আমি ভৱিষ্যতে লক্ষ্য ৰাখিম। কিন্তু এই পুঁ জি ২০০ ৰ পৰা ২০০০ কোটি টকা বৃদ্ধি কৰা হ'ল।**

**মাননীয় অধ্যক্ষ ঃ সংশোধনীটো উঠাই ল'ব নে ?**

**শ্ৰী নৰুল হুদা (ৰূপহীহাট) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে যিহেতু ভৱিষ্যতে এই পুঁজিটো বৃদ্ধি কৰিম বুলি কৈছে গতিকে আমি আশা কৰিছো যে, আকস্মিক দুৰ্যোগ গ্ৰস্থ মানুহে যাতে অতি সোনকালে এই পুঁজিটো পায় তাৰ আশা ৰাখি মই মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। সংশোধনীটো উঠাই লোৱা হ'ল। সেয়েহে দফা নম্বৰ ২ বিধেয়কখনৰ অংশ হ'ব।** যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, ২ নং দফাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ কৰা হ'ল।

**শ্ৰী অজন্তা নেওঁগ (মাননীয় মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়,** The Assam Contingency Fund (Augmentation of Corpos) Bill, 2022 পাৰিত কৰাৰ বাবে মই সদমত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল The Assam Contingency Fund (Augmentation of Corpos) Bill, 2022 পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য /সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল। এতিয়া আছে। The Assam Direct Recruitment Commissions for Analogous Posts In Class III and Class IV (Amendment) Bill, 2022। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই The Assam Direct Recruitment Commissions for Analogous Posts In Class III and Class IV (Amendment) Bill, 2022 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ The Assam Direct Recruitment Commissions for Analogous Posts In Class III and Class IV (Amendment) Bill, 2022. দফাই দফাই বিবেচন কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল যে, The Assam Direct Recruitment Commissions for Analogous Posts In Class III and Class IV (Amendment) Bill, 2022 বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য / সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ২ নম্বৰ দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ একে লগে এটা সংশোধনী প্ৰস্তাৱ আছে আৰু ইয়াৰ লগতে আন এটা সংশোধনী প্ৰস্তাৱ আছে মই উক্ত দুটা সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

শ্ৰী দিগন্ত বৰ্মন (মাননীয় সদস্য) ঃ মাননীয় অধ্যক্ষ মহোদয়, I, beg, to move in the proposed sub-clause (4) of Clause 2 of the proposed Bill, after the words "the Commissions" appearing in lin 2, the following words shall be inserted namely- "shall check the details furnished by the respective Departments and on being satisfied as regard the correctness of the details furnished".

মাননীয় অধ্যক্ষঃ শ্ৰী আমিনুল ইছলাম। আপুনি উত্থাপনটো কৰি লওঁক।

শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, মাননীয় বিধায়ক)ঃ মাননীয় অধ্যক্ষ মহোদয়, I, beg, to move after proposed sub-clause (4) of clause 2 of the proposed Bill, a new sub-Clause shall be added, namely- "(5) The advertisement shall be published in the notice board of aa Revenue Circle and Development Block offices."

মাননীয় অধ্যক্ষঃ শ্ৰী দিগন্ত বৰ্মন।

শ্ৰী দিগন্ত বৰ্মন (মাননীয় সদস্য) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো আয়োগ গঠন কৰা হৈছে সেইটোত মই ভালে পাইছো। এই আইনখন পাছ কৰাৰ বেছি দিন হোৱা নাই। ২০০১ চনত পাছ কৰা আইন। এতিয়া কথাটো হ'ল আমাৰ যি বিলাক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰি আছে, সেইখিনি আমাক APSC নিচিনা হ'ব বুলি কৈছিল। ধৰি লওঁক যিকোনো বিভাগতে পদ খালী হোৱাৰ লগে লগে তেঁওলোকে আয়োগলৈ পঠিয়াই দিয়ে। আয়োগে একে লগে পদবোৰ পূৰণ কৰাৰ বাবে বিজ্ঞাপন দিয়ে। তাৰে পিছত নিৰ্বাচিত তালিকাখন প্ৰস্তুত কৰি য'ত যি লাগে যেনে- প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত ২০ টা পদ লাগে তালৈ লৈ গ'ল। কাৰোৱাক হয়টো কাৰিকৰী শিক্ষাত লাগে সেই মানুহজনক সেই ফাললৈ লৈ গ'ল সেইটো হ'লে ভাল হয়। ইয়াত যিটো আপোনালোকে নতুনকৈ সংশোধনী আনিলে যে, সঞ্চালকে যিখন তালিকা পঠিয়াই দিব সেইখন ইয়াতে পুনৰনীৰিক্ষণ কৰাৰ কোনো প্ৰয়োজন নাই। লগে লগে পদবোৰ পূৰণ কৰিব বুলি কৈছে। যদিহে পুনৰনীৰিক্ষণ নকৰে তেতিয়া যিটো আয়োগ গঠন হ'ব তেওঁলোকৰ কোনো কামেই নাথাকিব। তেওঁলোকে এই ক্ষেত্ৰত চাব লাগিব। কি পদ ক'ত লাগিব। এই বিষয়ে মই অলপ জানিলে ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ- হ'ব। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰীআমিনুল ইছলাম, জ্যেষ্ঠ বিধায়ক, ধিং)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আচলতে ইয়াতে Amendment চৰকাৰৰ ফালৰ পৰা আনিছে, ইয়াত Advertise বিলাক আমাৰ News paper হওঁক বা Commission Website ৰ লগতে কিছুমান Authorised Agency ৰ Website টো উপলব্ধ হ'ব। কিন্তু কিছুমান Advertise আছে য'ত অলপ large scale ত বেছিকৈ পোষ্ট খালী হয়। আমি ভাবো যে ব্লক বা চাৰ্কোল অফিচটো যদি এইটো hang কৰা হয়, য'ত মানুহে গম নাপায়, Website ত বিলাক চেক কৰা মানুহ কম। বিশেষকৈ rural area ত। কিছুমান large scale ৰ নিযুক্তিৰ কাৰনে ব্লক বা চাৰ্কোল অফিচটো Advertise কৰা ব্যৱস্থা কৰাৰ দৰকাৰ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** ঃ- অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰীয়ে কোৱা মতে যে Constitution of India ত district wise আমি reservation কৰিবলৈ আমাৰ কোনো এনেকুৱা চিচষ্টেম নাই। আমাৰ প্ৰশ্নটো এইটোৱে আছিল যে district wise নাই কিন্তু valley wise আমাৰ Constitution ত প্ৰভিজন আছে, কিবা এটা ক্লজ লগাই দিব পাৰি । কাৰন মুখ্যমন্ত্ৰীয়ে কৈছিল যে বৰাকৰ চাকৰিখিনি বৰাকত দিয়া হ'ব। এইটো ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে valley wise কিবা এটা ক্লজ লগাই যাতে বৰাকভেলিৰ চাকৰিখিনি বৰাকভেলিতে হয়, মুখ্যমন্ত্ৰীয়ে কোৱা মতে যদি হয়, তেনেহলে মই ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী মহোদয়,

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, খুব বেচি ডিফাৰেঞ্চ কৰা নাই যিটো

Amendment অনা হৈছে, তাতে, আগতে কৈছে যে -The Commission shall seek the details furnished by the repective Department. এতিয়া কৈছে যে বিভাগে যি দিয়ে দিব । আগতে কৈছিল যে Commission য়ে কৰিব। এতিয়া কৈছে যে Department য়ে যি দিয়ে দিব, খুব বেছি কথাও নহয় গ্ৰেড পে', কোনে কিমান দৰমহা পাব সেই কথাখিনিৰ differences টো আৰু de-reservation যিটো বেকলগৰ কো'টা থাকে । কোনখিনি S.C. ,কোনখিনিS.T.,কোনখিনি O.B.C হ'ব সেই কথাখিনি repective Department ৰ Head গৰাকীয়ে কৈ দিব। Commission য়ে পৰীক্ষা পাতিব, আপুনি কোৱাৰ দৰে Commission ৰ কোনো কাম নাথাকিব সেইটো নহয়। Commission য়েপৰীক্ষা পাতিব। কিন্তু এই কথাকেইটা হ'ব , ইয়াতে কিমানটা বেকগল হ'ব লাগে আৰু কোনে কিমান দৰমহা পাব, সেইখিনি repective Department ৰ Head জন responsible হ'ব। গতিকে সেইটোত বহুত ডাঙৰ changes নাই ,আপুনি পাৰিলে উঠাই লওঁক।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ- মই কৈছো যে Commission ত যিখিনি sclected candidate থাকিব, তাৰ পৰা যেতিয়া সেই Department ত পোষ্টকেইটা গুছি যাব তাতে তেওঁলোকৰ কিমান গ্ৰেড পে হ'ব সেইটো কৰি ল'ব পাৰিব। আৰু S.C, S.T.তাৰ পৰা গুছি যাব।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো Commission খনৰ কামটো হ'ব পৰীক্ষা কৰা । টেষ্ট বা পৰীক্ষা পাতা আৰু চাকৰিখিনি দিয়া। এই তলতেই Segrigation হ'ব। তলতেই পৰীক্ষা হ'ব কিমান পোষ্ট S.C, S.T.ৰ কাৰনে আছে, আৰু কোনে কিমান দৰমহা পাব। সেইকেইটা কথায়ে হৈছে, বাকীখিনি একে আছে। সন্মানীয় আমিনুল ইছলাম ডাঙৰীয়াই এটা কথা কৈছে, অসমত বা ভাৰতবৰ্ষত ১০০ চাকৰিৰ কাৰনে ১ লাখেও ইন্টাৰভিউ দিয়া দেখিছো। চাকৰিৰ কাৰনে যিমানে, য'তে নাথাকে গম পায়ে। আৰু এটা সমস্যা তেখেতে যিটো কৈছে, মই সেইটো কথা অস্বীকাৰ নকৰাকে মই কৈছো, সমস্যাটো ক'ত? ধৰি ললো চাৰ্কোল অফিচৰ নটিচ বোৰ্ডত ইমান টা চাকৰি ওলাইছে বুলি বিজ্ঞাপন ওলাল। তাৰ পাছত আকৌ ল'ৰাটো যাব লাগিব ৱেবচাইডত, ফ্ৰমখন উলিয়াবলৈ, গতিকে ৱেবচাইড লাগিবই । আৰু এতিয়া আমাৰ অসমত যিমান ঠিকায়ে হওঁক চাকৰিয়ে হওঁক এই কথাবিলাক আজিলৈকে ৱেবচাইডত বা পেপাৰত বিস্তৃতভাবে প্ৰকাশ কৰা হ'ব বুলি লিখা আছে, গতিকে সেইটো হ'বয়ে । মই আকৌ কৈছো অসমত যেতিয়ালৈকে যিমান চাকৰি ওলায়, গম নোপোৱা কোনো নাই গতিকে এইটো মাননীয় সদস্য গৰকীক উঠাই ল'বলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া উঠাই ল'বনে ?

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, উঠাই লৈছো চাৰ।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া উঠাই ল'বনে আমিনুল ইছলাম ডাঙৰীয়া?

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, উঠাই লৈছো ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। সংশোধনী প্ৰস্তাব উঠাই লোৱা হ'ল। সেয়েহে দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য- সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনত কোনে সংশোধনী প্ৰস্তাব নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১

নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী দুটাৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ হৈ "The Assam Direct Recruitment Commissions for Analogous Posts in Class III and Class IV (Amendment )Bill, 2022" পাৰিত কৰাৰ বাবে সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- মই প্ৰস্তাৱটো সদনত অনুমোদৰ বাবে দাঙি ধৰিলো, প্ৰস্তাৱটো হ'ল "The Assam Direct Recruitment Commissions for Analogous Posts in Class III and Class IV (Amendment )Bill, 2022" পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল সদস্য-সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া আছে The Assam Aid to Industries (Small and Cottage Industries) (Repealing ) Bill, 2022. এতিয়া মাননীয় উদ্যোগ আৰু বানিজ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক The Assam Aid to Industries (Small and Cottage Industries) (Repealing ) Bill, 2022 বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, The Assam Aid to Industries (Small and Cottage Industries) (Repealing ) Bill, 2022 দফাই দফাই বিবেচনা কৰাৰ মৰ্ম্মে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

